ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

৪৭ সংখ্যক

# ৰঙ্গণ



২০১৯ - ২০২০ বৰ্ষ

সম্পাদিকা

বৰ্ণালী ডেকা



*Art by Debojit Ghosh*

## ৰঙিয়া মহাবিদ্যালয় সঙ্গীত

*(Theme Song of Rangia College)*

সমুখ সমৰতে শতৰু হুৰাই
জাতে-পাতে আমি ৰণদিয়া,
নানা জাতি-উপজাতিৰ সমন্বয়
ৰাংঢালী ৰঙিলী হ'ল বৰলীয়া।।

সহস্ৰ জনতাৰে শ্ৰমৰ ঘামত
বনগাওঁ বননিত ফুলিল পদুম,
মহাবিদ্যালয় হ'ল ৰণদিয়া ৰঙিয়াত
নন্দিত বন্দিত হ'ল আমাৰ সপোন।।

সন্ধ্যাৰজা আৰু হৰদত্ত বীৰ
স্বাক্ষৰ হৈ আছে ইতিহাসত,
আৰিমত্ত বীৰ মৰিও অমৰ

তাৰেই প্ৰমাণ সৌৰা বৈদ্যগড়ত।
সময় আগুৱাই গ'ল/জীৱন জাতিস্কাৰ হ'ল
জ্ঞানৰ শলিতা জ্বলি/এন্ধাৰৰ ভেটা ভঙি
মহাবিদ্যালয়ৰ কিৰিতি হ'ল যুগমীয়া।

বিন্দুতে সিন্ধুৰ মহান প্ৰকাশ
উজলি উঠিল আজি ৰঙীন আকাশ
নতুন পুৰুষে দিব সোনালী সমন্বয়
হৈ ৰব অক্ষয়-অব্যয়
ৰং আনি ৰং মনে ৰং মহলৰ
উদুলি মুদুলি হল এয়া ৰঙিয়া

জয়তু ৰঙিয়া মহাবিদ্যালয় (Assamese)
জিউ লাৱথেং ৰঙিয়া মহাবিদ্যালয় (Bodo)
অমৰ ৰহে ৰঙিয়া মহাবিদ্যালয় (Hindi)
চিৰংদীৰতু ৰঙিয়া মহাবিদ্যালয়ঃ (Sanskrit)
Long live long Rangia College (English)
My Rangia College

ৰচনা ঃ ডিম্বেশ্বৰ বৰুৱা, প্ৰাক্তন ছাত্ৰ



# ৪৭ সংখ্যক

# ৰঙ্গণ

## ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

সম্পাদিকা

**বৰ্ণালী ডেকা**

ACC NO
10,142

ৰণদিয়া ৰঙিয়াৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ প্ৰাণকেন্দ্ৰ ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ' জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুভৱৰ আখৰাথলী, নব্য চিন্তা-ভাৱনাৰ সূৰ্যোদয়

# ৰঙ্গণ

**PUBLISHED :**
The Annual Journal of Rangia College

**EDITED BY :** Barnali Deka

**Published by Rangia College Students' Union 2019-2020**

Printed at **M/S Amba Processing**
Hedayetpur, Guwahati-781003



**সম্পাদনা সমিতি** **EDITORIAL BOARD**

ড° ব্ৰজেন্দ্ৰ শইকীয়া, মুখ্য উপদেষ্টা
ৰাণু চৌধুৰী, শিক্ষক সদস্য
মমতা লহকৰ, শিক্ষক সদস্য
গগণ ডেকা, শিক্ষক সদস্য
ড° হৃষিকেশ চৌধুৰী, শিক্ষক সদস্য
অমৰজ্যোতি ভাস্কৰ, তত্বাৱধায়ক
বৰ্ণালী ডেকা, সম্পাদিকা
আকিব হুচেইন, ছাত্ৰ সদস্য
হিমাংশু লহকৰ, ছাত্ৰ সদস্য
নিকিতা ডেকা, ছাত্ৰী সদস্য
তুলিকা কলিতা, ছাত্ৰী সদস্য

Dr. Brajendra Saikia, Chief Advisor
Ranu Choudhury, Member
Mamata Lahkar, Member
Gagan Deka, Member
Dr. Hrishikesh Choudhury, Member
Amar Jyoti Bhaskar, In-charge
Barnali Deka, Editor
Akib Hussain, Member
Himangshu Lahkar, Member
Nikita Deka, Member
Tulika Deka, Member

বেটুপাত ঃ ডেইজী ডেকা, দেৱজিৎ ঘোষ

অংগসজ্জা ঃ বনশ্ৰী বৰ্মন

অলংকৰণ ঃ বিৰাজ বৈশ্য
বনশ্ৰী বৰ্মন

প্ৰকাশক ঃ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

মুদ্ৰণ ঃ M/S Amba Processing, Hedayetpur, Guwahati-781003

**DR. HIMANTA BISWA SARMA,** Ph.D., LLB
Minister, Assam

सत्यमेव जयते

Finance, Transformation & Development,
Education, Health & Family Welfare and
Public Works Department.



## Message

It gives me immense pleasure to learn that Rangia College is going to publish the 47th edition of its annual college magazine 'Rangan'.

For any education institution its annual magazine is an integral part of its ensemble, as it reflects its scholastic as well as non-scholastic achievements in a vivid way. Besides it also helps to act as a whetstone to hone the literary skills of many budding talents in topics covering all walks of life.

I would like to convey my heartiest best wishes for the august publication and hope that Rangia College will continue its noble mission for enriching the academic environment of the state in the days to come.

(HIMANTA BISWA SARMA)

E-Block, 3rd Floor, Janata Bhawan, Dispur, Guwahati-781 006, Assam
Tel No.: 0361-2237315, Fax.: 0361-2237012
e-mail: himantab@hotmail.com/ himantabsarmaoffice@gmail.com

## অসম সাহিত্য সভা


১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত

পঞ্জীয়ন নং: যো১/২৩৮/জি/১৪

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱন, যোৰহাট-৭৮৫০০১, ☎ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১, ☎ (০৩৬১)২৫১৫৮৩০
ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০, ☎ (০৩৬৭১)২৭২৫৯০ ■ ধুবুৰী আঞ্চলিক কাৰ্যালয় ঃ ধুবুৰী-৭৮৩৩০১, ☎ (০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ঃ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় -৭৮৬০০৩, ☎ (০৩৭৩)২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয় ঃ শিলচৰ-৭৮৮০০১, ফেক্স- ☎ (০৩৮৪)২২৬৩৭৯৭ ■ উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয় ঃ উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয় ঃ লালচান্দ তোদী প্ৰেক্ষাপ্ৰকোষ্ঠ, কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
জালাহ আঞ্চলিক কাৰ্যালয় ঃ অচ্যুত-নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
মঙলদৈ আঞ্চলিক কাৰ্যালয় ঃ সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
Website : www.asamsahityasabha.org. ■ E-mail : asam.sahitya.sabha@gmail.com


### শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰংঙ্গণ'ৰ ২০১৯-২০ সংখ্যাটি প্ৰকাশৰ পথত বুলি জানিব পাৰি মই সুখী।

'ৰঙ্গণ'ৰ এই সংখ্যাটি সাহিত্য চৰ্চাত ব্ৰতী মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু বিশেষকৈ বৌদ্ধিক চিন্তা-চেতনাৰে পৰিপুষ্ট ছাত্ৰ-ছাত্ৰীসকলৰ মননশীল লিখনীৰে সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক—ইয়াকেই কামনা কৰি মই ৰঙিয়া মহাবিদ্যালয় পৰিয়ালৰ আটাইলৈ আৰু আলোচনীখনৰ সম্পাদনা সমিতিৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° কুলধৰ শইকীয়া)
সভাপতি
অসম সাহিত্য সভা
তাৰিখ ঃ ২৯ অক্টোবৰ, ২০২০ খ্ৰীষ্টাব্দ




***Bhabendra Nath Deka***

**Retd. Principal, Rangia College, Rangia**
**President, G.B. Rangia College, Rangia**
**Former Chancellor, Mahapurasha Srimanta Sankardeva Viswavidyalaya (MSSV) Nagaon.**


Date....................

### শুভেচ্ছাবাণী

আমাৰ সকলোৰে প্ৰাণৰ অনুষ্ঠান ঐতিহ্যপূৰ্ণ ৰঙিয়া মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ আলোচনী 'ৰঙ্গন'ৰ ৪৭ সংখ্যক সংকলনটি প্ৰকাশ কৰি উলিয়াবলৈ উদ্যোক্তাসকলে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। আলোচনীখন প্ৰকাশৰ দায়িত্বত থকা সম্পাদক, তত্বাৱধায়ককে প্ৰমুখ্য কৰি সম্পাদনা সমিতিৰ সকলো অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ শুভকামনা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। নিৰৱচ্ছিন্নভাৱে আলোচনীখনি প্ৰতি বছৰে প্ৰকাশ কৰি থকাতো নিশ্চয়কৈ এক অতি শুভ আৰু প্ৰশংসনীয় কৰ্ম। মহাবিদ্যালয়ৰ আলোচনীখনৰ গুৰুত্ব আৰু বিশেষত্ব সকলোৱে উপলব্ধি কৰিব পাৰে। আলোচনীখনে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক আৰু সৃষ্টিশীল কৰ্মত নিজকে জড়িত কৰাৰ উপৰিও স্বকীয় প্ৰতিভা প্ৰকাশৰ সুযোগ আৰু প্ৰেৰণা দিয়ে। ছাত্ৰ-ছাত্ৰীসকলেই একোটা শিক্ষানুষ্ঠানৰ প্ৰাণস্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বিদ্যায়তনিক, সাংস্কৃতিক, সাহিত্য, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত মানদণ্ড যিমানেই উন্নত হ'ব মহাবিদ্যালয়খনৰ গৰিমা আৰু মহত্বও সিমানেই উন্নীত হ'ব। স্বৰ্ণজয়ন্তী গৰকি হীৰকজয়ন্তীৰ দিশে অগ্ৰসৰ হোৱা ৰঙিয়া মহাবিদ্যালয়খনি যিসকল স্বপ্নদ্ৰষ্টাৰ আশাসুধীয়া প্ৰচেষ্টাত ১৯৬৩ চনৰ ৫ আগষ্টত প্ৰতিস্থাপিত হৈছিল সেইসকলৰ স্বপ্ন আজি বাস্তৱায়িত হোৱাই নহয় মহাবিদ্যালয়খনিয়ে ৰাইজ আৰু সকলো পক্ষৰে সহযোগিতা আৰু প্ৰচেষ্টাৰ ফলত এঢাপ আগবাঢ়ি গৈ এখনি উচ্চমান বিশিষ্ট গ্ৰাম্য বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হোৱাৰ পথত। এই ৰূপান্তৰৰ শিল্পী হিচাপে দায়িত্ব সম্পাদন কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, পৰিচালনা সমিতি, অভিভাৱক, ৰাইজ আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ বিষয়াবৰ্গলৈ আমি অতি আন্তৰিকতাৰে বিনম্ৰ আহ্বান জনালোঁ।

আমি বিনম্ৰতাৰে কামনা কৰোঁ 'ৰঙ্গন' আলোচনীখন অতি উচ্চমান বিশিষ্ট, সুন্দৰ আৰু মহাবিদ্যালয়খনৰ দাপোণস্বৰূপ হওঁক। চলিত বৰ্ষৰ সংখ্যাটিৰ সম্পূৰ্ণ সফলতা কামনা কৰি ৰঙিয়া মহাবিদ্যালয় পৰিয়ালবৰ্গলৈ আমাৰ আন্তৰিক শুভকামনা আৰু প্ৰীতি সম্ভাষণ জ্ঞাপন কৰিলোঁ।

মুৰাৰা, ৰঙিয়া

শ্ৰীভবেন্দ্ৰ নাথ ডেকা

# *Dr. Brajendra Saikia*

*Principal, Rangia College Rangia*




Date: 27-11-2020

## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০১৯-২০ বৰ্ষৰ ৪৭তম 'ৰঙ্গণ' বিভাগীয় সম্পাদকৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এক আধাৰ হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সহযোগত প্ৰতিবছৰে প্ৰকাশ হৈ অহা এই আলোচনীখনিয়ে মহাবিদ্যালয়খনৰ মানদণ্ড আৰু অধিক ত্বৰাণ্বিত কৰিব বুলি মই আশাবাদী।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু অগ্ৰণী উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰে পৰা অতি উন্নতমান বিশিষ্ট শিক্ষাদানৰ জৰিয়তে যুৱক-যুৱতীসকলক উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলা আৰু সমাজ তথা জাতিৰ ৰূপান্তৰৰ শিল্পী হিচাপে নিজৰ জীৱনৰ লগতে জাতীয় জীৱন নিৰ্মাণত নিয়োজিত কৰাৰ ক্ষেত্ৰত এক ইতিবাচক আৰু উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে।

কলা, বিজ্ঞান আৰু বাণিজ্য তিনিটা শাখাৰে মুঠ ২৭টা মুখ্য বিভাগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদানৰ লগতে অতিৰিক্তভাৱে ৯টা বিভিন্ন বৃত্তিমূলক শিক্ষা প্ৰদানৰ বাবে সু-ব্যৱস্থা আছে। তেনে বিভাগকেইটা— B.VOC RMIT, B.VOC CTHM, BCA, BBA, BPE, PGDCA, TOURISM & HOSPITALITY, SATTRIYA DANCE, MEDICAL LABORATORY TECHNICIAN.

ইয়াৰ উপৰিও যোৱা বিধানসভাৰ বাজেট অধিৱেশনত গৃহীত প্ৰস্তাৱমৰ্মে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে শিক্ষা বিভাগে অনুমতি প্ৰদান কৰি ৰঙিয়া মহাবিদ্যালয়ক স্নাতকোত্তৰ মহাবিদ্যালয়লৈ উন্নত কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

সেইমৰ্মে আৰবীক অৰ্থনীতি আৰু বড়ো বিভাগত ইতিমধ্যে স্নাতকোত্তৰ পাঠ্যক্ৰম আমাৰ মহাবিদ্যালয়ত প্ৰৱৰ্তন হৈ আছে।

স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বাবে অসম চৰকাৰৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক মাননীয় ভবেশ কলিতাদেৱে উত্তৰণ আঁচনিৰ জৰিয়তে প্ৰদান কৰা দহ কোটি (১০ কোটি) টকা অনুদানৰ জৰিয়তে PG Block নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে। এই ছেগতে আমি কলেজ কৰ্তৃপক্ষই মাননীয় বিধায়ক তথা মন্ত্ৰী মহোদয়ক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

আমি আশা ৰাখিম আমাৰ প্ৰাণৰ এই শিক্ষানুষ্ঠানখনি অদূৰ ভৱিষ্যতে এখন গ্ৰাম্য বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত শিক্ষা বিভাগে পদক্ষেপ গ্ৰহণ কৰি উত্তৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণৰ বাট মুকলি কৰিব।

ৰঙিয়া মহাবিদ্যালয়ৰ এই আলোচনীখনত জড়িত হৈ থকা লেখক-লেখিকা আৰু কৰ্মকৰ্তা সকলোলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সমগ্ৰ দেশতে এই 'ৰঙ্গণ' আলোচনীয়ে শিক্ষাৰ এক চানেকি হৈ উজলি উঠক তাৰেই আশাৰে।

ব্ৰজেন্দ্ৰ শইকীয়া




# Dr. Brajendra Saikia

*Principal, Rangia College Rangia*


Date: 27-11-2020

## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০১৯-২০ বৰ্ষৰ ৪৭তম 'ৰঙ্গণ' বিভাগীয় সম্পাদকৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এক আধাৰ হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সহযোগত প্ৰতিবছৰে প্ৰকাশ হৈ অহা এই আলোচনীখনিয়ে মহাবিদ্যালয়খনৰ মানদণ্ড আৰু অধিক ত্বৰান্বিত কৰিব বুলি মই আশাবাদী।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু অগ্ৰণী উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰে পৰা অতি উন্নতমান বিশিষ্ট শিক্ষাদানৰ জৰিয়তে যুৱক-যুৱতীসকলক উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলা আৰু সমাজ তথা জাতিৰ ৰূপান্তৰৰ শিল্পী হিচাপে নিজৰ জীৱনৰ লগতে জাতীয় জীৱন নিৰ্মাণত নিয়োজিত কৰাৰ ক্ষেত্ৰত এক ইতিবাচক আৰু উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে।

কলা, বিজ্ঞান আৰু বাণিজ্য তিনিটা শাখাৰে মুঠ ২৭টা মুখ্য বিভাগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদানৰ লগতে অতিৰিক্তভাৱে ৯টা বিভিন্ন বৃত্তিমূলক শিক্ষা প্ৰদানৰ বাবে সু-ব্যৱস্থা আছে। তেনে বিভাগকেইটা— B.VOC RMIT, B.VOC CTHM, BCA, BBA, BPE, PGDCA, TOURISM & HOSPITALITY, SATTRIYA DANCE, MEDICAL LABORATORY TECHNICIAN.

ইয়াৰ উপৰিও যোৱা বিধানসভাৰ বাজেট অধিৱেশনত গৃহীত প্ৰস্তাৱমৰ্মে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে শিক্ষা বিভাগে অনুমতি প্ৰদান কৰি ৰঙিয়া মহাবিদ্যালয়ক স্নাতকোত্তৰ মহাবিদ্যালয়লৈ উন্নত কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

সেইমৰ্মে আৰবীক অৰ্থনীতি আৰু বড়ো বিভাগত ইতিমধ্যে স্নাতকোত্তৰ পাঠ্যক্ৰম আমাৰ মহাবিদ্যালয়ত প্ৰৱৰ্তন হৈ আছে।

স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বাবে অসম চৰকাৰৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক মাননীয় ভবেশ কলিতাদেৱে উত্তৰণ আঁচনিৰ জৰিয়তে প্ৰদান কৰা দহ কোটি (১০ কোটি) টকা অনুদানৰ জৰিয়তে PG Block নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে। এই ছেগতে আমি কলেজ কৰ্তৃপক্ষই মাননীয় বিধায়ক তথা মন্ত্ৰী মহোদয়ক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

আমি আশা ৰাখিম আমাৰ প্ৰাণৰ এই শিক্ষানুষ্ঠানখনি অদূৰ ভৱিষ্যতে এখন গ্ৰাম্য বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত শিক্ষা বিভাগে পদক্ষেপ গ্ৰহণ কৰি উত্তৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণৰ বাট মুকলি কৰিব।

ৰঙিয়া মহাবিদ্যালয়ৰ এই আলোচনীখনত জড়িত হৈ থকা লেখক-লেখিকা আৰু কৰ্মকৰ্তা সকলোলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সমগ্ৰ দেশতে এই 'ৰঙ্গণ' আলোচনীয়ে শিক্ষাৰ এক চানেকি হৈ উজলি উঠক তাৰেই আশাৰে।

ব্ৰজেন্দ্ৰ শইকীয়া




## কৰ্তব্যৰত অৱস্থাত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়

## ড° ব্ৰজেন্দ্ৰ শইকীয়া

# সম্পাদকীয়



সাহিত্য এটা জাতিৰ চানেকি। সাহিত্যই মোকলাই প্ৰতিজন মানৱৰ আচাৰ-ব্যৱহাৰ তথা বৌদ্ধিক জ্ঞান, চিন্তা-চৰ্চাৰ শৈলী। মহাবিদ্যালয় পৰ্যায়তো ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ দিশটো উন্নত কৰাৰ স্বাৰ্থত আলোচনী এখনৰ খুবেই প্ৰয়োজন। য'ত প্ৰকাশ পায় তেওঁলোকৰ সৃষ্টিশীলতা। লিখনি এটাৰ জৰিয়তে ফুটি উঠে লেখক-লেখিকাৰ চিন্তা-চৰ্চা, আবেগ-অনুভূতি তথা লিখনিয়ে কি প্ৰকাশ কৰিছে তাৰ প্ৰতিচ্ছবি। ৰঙিয়া মহাবিদ্যালয়ৰ ৪৭তম্ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'তো মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে বিভিন্নজন লেখক-লেখিকা তথা ছাত্ৰ-ছাত্ৰীৰ লিখনি প্ৰতিফলিত হৈছে। আলোচনীখনত ইংৰাজী, অসমীয়া, বড়ো ভাষাৰ কবিতা, গল্প আদি প্ৰকাশ হৈছে। লগতে ছাত্ৰ-ছাত্ৰীৰ চিত্ৰাংকন, বাতৰি কাকত প্ৰকাশিত কবিতাবোৰ, মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি বিভিন্ন আন্তঃ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিজনৰে চিত্ৰসহকাৰে নাম উল্লেখিত হৈছে।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন তিতা-মিঠা অভিজ্ঞতা ল'ব লগা হৈছে যদিও ইয়াৰ পৰা পোৱা অভিজ্ঞতা চিৰযুগমীয়া হৈ ৰ'ব। 'ৰঙ্গণ' প্ৰকাশৰ বাবে কেইবাবাৰো জাননী দিয়াৰ পাছতো আওকাণ কৰাৰ ফলত হয়তো আলোচনীখনৰ প্ৰকাশৰ বাট বহুখিনি পিছুৱাই যাব লগা হ'ল। তথাপিও সেইসকল ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে ধন্যবাদ যিয়ে প্ৰতিদিনে আলোচনীখনৰ ওপৰত মোক ভালেখিনি দিহা-পৰামৰ্শ দি সাহস যোগালে। ইয়াৰোপৰি এইক্ষেত্ৰত চিৰকৃতজ্ঞ হৈ ৰম আলোচনী বিভাগৰ তত্ত্বাৱধায়ক অমৰজ্যোতি ভাস্কৰ ছাৰ তথা কাৰ্যালয় সহায়ক অনুপ ডেকা ছাৰৰ ওচৰত। যিয়ে মোৰ সৈতে অহৰহ কষ্ট কৰি প্ৰতিদিনে মোক সহায় আগবঢ়াইছে। সম্পাদনা সমিতিত থকা মোৰ শ্ৰদ্ধাৰ প্ৰত্যেকজন অধ্যাপক-অধ্যাপিকাক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সাহিত্য প্ৰেমিক হোৱাহেতুকে নিজৰ লগতে এই মহাবিদ্যালয়ৰ বাকীবোৰকো একেলগে লৈ আগবাঢ়ি যোৱাৰ ইচ্ছা জাগে। প্ৰথম অৱস্থাত সাহিত্যৰ দিশে আগবাঢ়ি আহিব বিচৰা ছাত্ৰ-ছাত্ৰী বিচাৰোতে কিছু পৰিমাণে কষ্ট হৈছিল যদিও সুপ্ত প্ৰতিভা দাঙি কোনোবাজনৰ অভাৱত বা লাজ-ভয়-শংকাৰ বলত তেওঁলোকে নিজকে দমন কৰি ৰাখিছিল। তাৰ বাবে মই আগ্ৰহীসকলৰ লগত সাহিত্যৰ ভেটি আগুৱাই নিয়াৰ বাবে যথা সময়ত জালুকবাৰী, লুহিতদাৰ কেণ্টিনত বহি থকা ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ জানিবলৈ চেষ্টা কৰো। এটা সময়ত এইবোৰ স্মৃতিৰূপে জীয়াই থাকিব যদিও আমাৰ প্ৰত্যেকৰে জীৱনত মিলি থাকিব এই জীয়া ছবিবোৰ। ৰঙিয়া মহাবিদ্যালয়ৰ নিচিনা আগশাৰীৰ শিক্ষানুষ্ঠানখন সাহিত্যৰ দিশে কোনো পৰিমাণে পাছ পৰি থকাটো বিচৰা নাছিলো। নতুনত্ব বিচাৰি ফুৰিছিলো। এই নতুনত্বৰ পাঠ শিকোৱা উল্লেখনীয় ব্যক্তি জিতু কলিতাদা। আনক চিনাকি কৰি দিব পৰাকৈ সাহিত্যৰ ভেটি হওক বিশাল। প্ৰতিশ্ৰুতিমৰ্মে ছাত্ৰ-ছাত্ৰীক দিয়া বিশ্বাস আটাইবোৰ কাম সুন্দৰকৈ কৰিবলৈ প্ৰচেষ্টা চলাইছিলো। দায়িত্বভাৰ লোৱাৰ পাছৰে পৰাই মহাবিদ্যালয়ৰ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বন্ধুবৰ্গই মোৰ আগত ব্যক্ত কৰে 'বৰ্ণালী এইবাৰ তুমি আলোচনী উলিয়াই দেখাব লাগিব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা অপৰিসীম আছে। এনেকুৱা এটা প্ৰচেষ্টা কৰা য'ত তেওঁলোকৰ প্ৰতিভাবোৰ বিকশিত হয়। তেওঁলোকক এই ছেগতে বিশেষভাৱে ধন্যবাদ জনালো। ইয়াৰোপৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰত্যেকজন দাদা-বাইদেউ, ভাইটি-ভণ্টি, সমনীয়াই মোৰ সৈতে সাহস ৰূপে থিয় হৈ আলোচনীখন প্ৰকাশৰ পথত কৰা সহায়ৰ বাবে বিশেষ ধন্যবাদ।

শেষত আগন্তুক বছৰসমূহত উন্নতমানৰ লিখনিৰে 'ৰংঙ্গণ'খন চহকী ৰূপত প্ৰকাশ হোৱাৰ আশা কৰি আৰু অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাগি প্ৰতিজন মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। যিয়ে মোক যোগ্য বাছনি কৰি মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ হকে কাম কৰাৰ সুবিধা প্ৰদান কৰিলে।

সম্পাদিকা
বৰ্ণালী ডেকা

# সূচীপত্ৰ...

## ।। আবিমত্ত গড় ।।


| | | |
|---|---|---|
| উদাৰতা আৰু অসমীয়া সত্তা | ✍ ময়ূৰ বৰা | ১ |
| যুৱ শিক্ষাৰ নৱ প্ৰৱণতা | ✍ দিগন্ত বিশ্ব শৰ্মা | ৭ |
| ভেৰিঅ'ব'লচ্ | ✍ ডাঃ নমিতা বৈশ্য | ১১ |
| শিক্ষকৰ ন'বেল বঁটা বিজয়িনী আৰু এখন ব্যতিক্ৰম বিদ্যালয়ৰ প্ৰসংগৰে | ✍ মুস্তাফাকামাল আহমেদ | ২১ |
| Through the lens of Nature (Interview) | | ২৪ |
| Positive Thinking | ✍ Dr. Apurba Kumar Goswami | ২৯ |
| বৰ্তমান সময়ত 'কালিকা পুৰাণ'ৰ প্ৰাসংগিকতা | ✍ দীপা ভট্টাচাৰ্য | ৩৪ |
| মহাকালৰ ছন্দে ছন্দে | ✍ ড° দীনেশ লহকৰ | ৩৭ |
| কবৰৰ ক্ৰন্দন | ✍ ড° চৈয়দ আব্দুল্লাহ আহমেদ | ৩৯ |
| A Study on drinking water quality available in different private Educational institution in Rangia town | ✍ Nayanjyoti Patowary & Dr. Gitimoni Deka | ৪৩ |
| Good habits formed at youth make all the difference | ✍ Digasmita Haloi | ৪৯ |
| বৰ্ধিত অৰ্থনৈতিক বৈষম্য ঃ একবিংশ শতিকাৰ এক অন্যতম প্ৰত্যাহ্বান | ✍ মফিদুল হাছান | ৫১ |
| India, COVID-19 and the Implications of the Lockdown | ✍ Dr. Ujjal Pratim Dutta | ৫৬ |
| অসমীয়া লোক সংগীত আৰু লোক সংস্কৃতি | ✍ জ্যোতিষ চন্দ্ৰ ডাউকা | ৫৯ |


# সূচীপত্ৰ...

## ।। হৰদত্ত-বীৰদত্ত ।।


| | | |
|---|---|---|
| The story of Gunjan Saxsena and Reality of women in Armies | ✍ Yubaraj Das | ৬২ |
| মন ডায়েৰীৰ পৰা...নষ্টালজিক একলম | ✍ টিকেন্দ্ৰজিৎ মহন্ত | ৬৬ |
| Sankardeva and the festival of colours in Assam | ✍ Amlan Deep Deka | ৭১ |
| নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা | ✍ ধৃতাশ্ৰী কলিতা | ৭৪ |
| উত্তৰণৰ দিশত গ্ৰন্থৰ প্ৰভাৱ | ✍ হিয়া ডেকা | ৭৫ |
| খেৰমে – খেৰমে | ✍ Munuraj Muchahary | ৭৭ |
| গোলাপৰ কাণে কাণে পখিলাই কথা কয় | ✍ নিকিতা ডেকা | ৮১ |
| Glimpses of the battle of alaboi | ✍ Nekibur Jaman | ৮৩ |
| "মই যেন তলসৰা এপাহ শেৱালী" ঃ Hem Barua | ✍ Akib Hussain | ৮৫ |
| অপূৰ্ণতাৰ দস্তাবেজ | ✍ ৰাজদ্বীপ বৰদলৈ | ৯০ |
| Ballot is powerful than Bullet | ✍ Himangshu Lahkar | ৯২ |
| Electronic-Waste | ✍ Kaustav Deka | ৯৩ |
| উপহাৰ | ✍ হৃষিকেশ কলিতা | ৯৫ |
| বিপ্লৱৰ মাজেৰে হেৰাই যোৱা এটি জীৱন চৰিত্ৰ 'নেতাজী সুভাষ চন্দ্ৰ বসু' | ✍ অৰ্জুন আচাৰ্য্য | ৯৬ |
| ভোলাগুৰি, জয়মতী আৰু জ্যোতিপ্ৰসাদ | ✍ লভিতা কুমাৰ | ৯৯ |
| সখীয়তি সময়ৰ গান | ✍ ৰিংকু সমাদ্দাৰ | ১০১ |
| নিয়ম | ✍ ইভলিনা চিদ্দিকা | ১০৭ |

# সূচীপত্ৰ...

।। দীপ্তেশ্বৰী দেৱালয় ।।


| | | |
|---|---|---|
| জীৱন | ✍ নৱনীতা কলিতা | ১১৫ |
| অনুভৱ | ✍ মলয়া কলিতা | ১১৫ |
| শিক্ষাগুৰু | ✍ লভিতা কুমাৰ | ১১৬ |
| উত্‍ৰাৱল মন | ✍ তুলিকা কলিতা | ১১৬ |
| অনুকম্পা | ✍ জিন্তি দেৱী | ১১৭ |
| গভীৰ বিষণ্ণতা | ✍ নয়নমণি শইকীয়া | ১১৭ |
| চাকৰিৰ আশা | ✍ বিৰাজ ৰয় | ১১৮ |
| সুখবোৰ ক্ষন্তেকীয়া | ✍ জিতুমণি দাস | ১১৮ |
| ৰঙিয়া মহাবিদ্যালয় | ✍ পাৰ্থপ্ৰতীম শৰণীয়া | ১১৯ |
| অনামী অনুভৱ | ✍ মূৰ্চ্ছনা কলিতা | ১১৯ |
| সংগ্ৰামী | ✍ গৌতম কলিতা | ১২০ |
| সময় | ✍ ৰীমা শৰণীয়া | ১২০ |
| সপোন | ✍ সুস্মিতা বৈশ্য | ১২০ |
| এজন নিবনুৱাৰ সপোন | ✍ মাহমুদুল হাচান | ১২১ |
| স্তৱক | ✍ বৰ্ণালী ডেকা | ১২১ |
| আংনি খন্থায | ✍ Chintam Sarma | ১২২ |
| গোৰবোনি খন্নাম | ✍ Sunu Khakhlary | ১২২ |
| লোগোফোৰ | ✍ Biswajit Basumatary | ১২৩ |
| হারসিং - হারসিং | ✍ Ansuli Boro | ১২৩ |
| খোমসি হরনি দাবজ্লা দাউ | ✍ Amula Boro | ১২৪ |

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষৰ সম্পাদক-সম্পাদিকাসকলৰ বাৰ্ষিক প্ৰতিবেদন




# বৈদ্যগড় বা আৰিমত্ত গড়

বুৰঞ্জীপ্ৰসিদ্ধ আৰিমত্ত গড় বা বৈদ্যগড় গৌৰৰ ৰজা কুমাৰ পালৰ সেনাপৰ্বত বৈদ্যদেৱে ১১৩৮ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰা বুলি বুৰঞ্জীবিদসকলে ধাৰণা কৰে।

অৱশ্যে পাছত ডেৰদশক শতিকাৰ শেষভাগত  কমতা ৰজা আৰিমত্তই পুনৰ নিৰ্মাণ কৰাৰ তথ্য পোৱা যায়।

এই গড়টো পূবৰ পৰা পশ্চিমলৈ দীঘলে প্ৰায় ৬ মাইল আৰু উত্তৰৰ পৰা দক্ষিণে প্ৰায় ৪ মাইল বহল।

তদুপৰি তুলসীবাৰী, তৰণী, গড়ভিতৰ কৰৰা, দীলগাঁও, বালাগাঁও, মাদৈকাটা, ধেপাৰগাঁও, সন্দিকৰ, বিহাপাৰা, হাতীমূৰা, চেনীমাৰা, লাহাপাৰা— এই বাৰখন গাঁৱৰ প্ৰায় ২৮ বিঘা মাটিকালি এই গড়টোৱে সামৰি লৈছে।

# উদাৰতা আৰু অসমীয়া সত্তা

✍ ময়ূৰ বৰা

**ম**ধ্য যুগৰ অসম বুৰঞ্জী অধ্যয়ন কৰিলে বহু আহুকলীয়া প্ৰশ্নই ভুমুকি মাৰে। তেনে কেতবোৰ প্ৰশ্নক ক্ষণস্থায়ী আৰু গুৰুত্বহীন বুলি উৰুৱাই দিব নোৱাৰি। অতি সীমিত অধ্যয়নৰ মাজেদি মই লক্ষ্য কৰো— ইতিহাসৰ বহু কথা ইমান বিষয়নিষ্ঠ (Subjective) যে তাৎক্ষণিকভাৱে কোনো নিৰ্ণায়ক সিদ্ধান্তলৈ অহা খুব সহজ নহয়। দৰাচলতে অহাতো উচিত নহয়। একাধিক ভিন্নধৰ্মী ঐতিহাসিক উৎসৰ দ্বাৰা চালি-জাৰি চাইহে যিকোনো বিষয়ত এটা সুস্থিৰ সিদ্ধান্ত ল'ব পাৰি। ইয়াৰ অন্যথা অস্থিৰ সিদ্ধান্তই পাছৰ যুগত সামাজিক অস্থিৰতা বৃদ্ধি কৰা দৃষ্টান্ত আমাৰ ইতিহাসত বহু আছে।

কেইবছৰমান আগতে যোৰহাটত অনুষ্ঠিত এখন সভাত বিশিষ্ট চিন্তাবিদ ডাঃ ধ্ৰুৱজ্যোতি বৰাই কোৱা এটা কথাই মোক কিছু ভবাই তুলিছিল। ঐতিহাসিক চেতনা সম্বলিত বক্তৃতাটোত একাধিক দৃষ্টান্ত দাঙি ধৰি ডাঃ বৰাই কৈছিল— ইতিহাসৰ বিশেষ এটা বিন্দুত দৃশ্যমান হৈ পৰা অসমীয়া মানুহৰ নৃশংসতাৰ কথা। ওঠৰ শতিকাৰ শেষৰ পৰা ঊনৈছ শতিকাৰ আৰম্ভণিৰ কেইটামান দশকত, বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহৰ সময়ত অসমীয়া মানুহৰ নিদাৰুণ চৰিত্ৰ প্ৰতিফলিত হৈছিল। এটা সময়লৈকে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ বিচাৰোতে কেৱল ধৰ্মীয় কাৰকৰ প্ৰভাৱকে মুখ্য স্থান দিয়া হৈছিল। ব্যাখ্যা কৰা হৈছিল— কিদৰে শিৱসিংহৰ পত্নী ফুলেশ্বৰীয়ে আহোম

> *এগৰাকী কুঁৱৰীৰ ধৰ্মীয় অসহিষ্ণুতাতকৈ শ্ৰমভিত্তিক সামন্তীয় শোষণৰ গাঁথনিটোৱে এটা সময়ত যেতিয়া সাধাৰণ পাইকক বেছিকৈ কেঁকোৰাচেপা দিবলৈ ল'লে, তেতিয়া এনে এক বিদ্ৰোহ অৱধাৰিত হৈ পৰিল...*

ৰাজ্যত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰি শাক্ত ধৰ্মক আগস্থান দিছিল আৰু সেইটো ধৰ্ম-প্ৰণালীৰ দ্বাৰা বলীয়ান হৈ মহাপুৰুষীয়া মহন্ত-গোসাঁইৰ লগতে আন বহু নেতৃস্থানীয় ব্যক্তিকো চূড়ান্তভাৱে অপমান কৰিছিল। ইয়াৰ ফলতে মহাপুৰুষীয়া লোকসকলে আৰু বিশেষকৈ মায়ামৰা সত্ৰৰ অনুগামীসকলে আহোম ৰাজশক্তিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল আৰু কিছুদিনৰ বাবে আহোম সিংহাসনো দখল কৰিছিল। এই বিদ্ৰোহৰ পাছত বদন বৰফুকনৰ প্ৰৰোচনাত অসমলৈ আহি ধ্বংসযজ্ঞৰ সূচনা কৰা মানৰ বৰ্বৰ উৎপীড়নে সমগ্ৰ অসমৰ প্ৰায় দুই-তৃতীয়াংশ লোকক নিঃশেষ কৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ আঁৰত থকা ধৰ্মীয় উৎপীড়ন-নিৰ্যাতনৰ কথাবোৰ দলিয়াই পেলাব নোৱাৰি। কিন্তু বিদ্ৰোহৰ মূল কাৰণ আছিল অৰ্থনৈতিক। যোৱা দুই-তিনিটা দশকত অসমৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত বস্তুবাদী বিশ্লেষণৰ প্ৰভাৱ বৃদ্ধি পাইছে আৰু মূলতঃ এনেবোৰ অধ্যয়নৰ ফলশ্ৰুতিতেই পূৰ্বৰ কেতবোৰ ধাৰণা ওলট-পালট

হৈ পৰিছে। স্পষ্ট হৈছে— এগৰাকী কুঁৱৰীৰ ধৰ্মীয় অসহিষ্ণুতাতকৈ শ্ৰমভিত্তিক সামন্তীয় শোষণৰ গাঁথনিটোৱে এটা সময়ত যেতিয়া সাধাৰণ পাইকক বেছিকৈ কেঁকোৰাচেপা দিবলৈ ল'লে, তেতিয়া এনে এক বিদ্ৰোহ অৱধাৰিত হৈ পৰিল। ধৰ্মীয় উৎপীড়নে সেই সময়ত তাৎক্ষণিকভাৱেহে সাধাৰণ মানুহক উত্তেজিত কৰি তুলিছিল। যিহেতু ডাঃ ধ্ৰুৱজ্যোতি বৰাই নিজেই মোৱামৰীয়া বিদ্ৰোহ সন্দৰ্ভত বিস্তৃতভাৱে অধ্যয়ন কৰিছে, সেয়েহে অসমীয়া মানুহ সন্দৰ্ভত তেওঁ পোষণ কৰা মতামতটোৰ যথেষ্ট তাৎপৰ্য আছে বুলি মই অনুভৱ কৰো।

কেইটামান বিশেষ কাৰণত অসমীয়া মানুহৰ উদাৰচিতীয়া বহল মনটোৰ কথাই প্ৰয়োজনাধিক গুৰুত্ব আহৰণ কৰিছে। ঐতিহাসিক কালৰ আৰম্ভণিৰ পৰা লক্ষ্য কৰিলে দেখা যায়— কামৰূপত ভাস্কৰ বৰ্মাৰ শাসনৰ সময়ৰ পৰাই সেইখন ৰাজ্যৰ লোকৰ সংস্কৃতি আচৰণ আৰু অতিথিপৰায়ণ স্বভাৱ। হিউৱেনচাঙে কামৰূপৰ মানুহক সৰল আৰু সাধু বুলি অভিহিত কৰাটো অধিকাংশ অসমীয়া মানুহে গৌৰৱেৰে সোঁৱৰে। কিন্তু প্ৰয়োজন হ'লে যে কামৰূপৰ লোকে উগ্ৰ ৰূপ ধাৰণ কৰিব পাৰে, সেই কথাও চীনা পৰিব্ৰাজকজনে লিখি গৈছে। ভাস্কৰ বৰ্মনৰ সৈন্য বাহিনীৰ বিশালতৰ লগতে ৬২৫ খ্ৰীষ্টাব্দত হৰ্ষবৰ্ধনৰ লগ লাগি গৌড়ৰ ৰজা শশাংকক পৰাভূত কৰা কাহিনীয়েও প্ৰয়োজন হ'লে কামৰূপৰ সৈন্যই যে যুযুধান স্থিতি ল'বলৈকো সক্ষম, সেই কথা প্ৰমাণ কৰে। কিন্তু কামৰূপৰ মানুহৰ পৰিশীলিত স্বভাৱৰ কথাটোৱে বেছি গুৰুত্ব পোৱা বাবে বহু মানুহৰ মনত এনে এটা ধাৰণাই জন্ম লৈছে যে অসমীয়া মানুহ ভাৰতৰ আন মানুহতকৈ বেছি উদাৰ। দৰাচলতে উদাৰতা জোখাৰ যিহেতু কোনো পৰিমাপক যন্ত্ৰ আমাৰ হাতত নাই, সেয়েহে বহু কথা ডাঠি ক'বলৈ অসুবিধা। মোৰ নিজৰ ধাৰণা— অসমীয়া মানুহ আন কেতবোৰ মানুহতকৈ উদাৰ হ'বও পাৰে, কিন্তু উপযুক্ত প্ৰমাণৰ অভাৱৰ বাবে আমি এইক্ষেত্ৰত জোৰ দি থকাটো বিদ্যায়তনিকভাৱে অশোভনীয় হ'ব।

আহোমসকল অসমলৈ অহাৰ আগতেই চুতীয়াসকলে উজনি অসমত ৰাজত্ব চলাইছিল। প্ৰায় তিনিশ বছৰ কাল ৰাজত্ব কৰাৰ পাছত ষোল্ল শতিকাৰ আৰম্ভণিতে আহোমসকলৰ হাতত চুতীয়াসকল পৰাস্ত হয় আৰু তেওঁলোকৰ ৰাজ্য আহোম ৰাজ্যত সোমাই পৰে। চুতীয়াসকলৰ গৌৰৱোজ্জ্বল ইতিহাসৰ মাজত সামৰিক অভিযানৰ কথাতকৈ সাংস্কৃতিক উৎকৰ্ষতাৰ কথাহে বেছিকৈ পোৱা যায়। বহু অসমীয়া মানুহ এতিয়াও অৱগত নহয় যে বৰ্তমান অসমীয়া সংস্কৃতি তথা জনবিশ্বাসৰ আঁৰত চুতীয়াসকলৰ বিশাল অৱদান আছে। সাধাৰণ মানুহৰ ঐহিক জীৱন-যাপনৰ লগত সংযুক্ত চুতীয়াসকলৰ বহু কথা পাছৰ কালত আহোমসকলৰ যোগেদি সমগ্ৰ অসমত বিয়পি পৰে। ইয়াৰ ভিতৰত চুতীয়াসকলৰ উচ্চ মানৰ শৈল্পিক কাৰুকাৰ্য আৰু সৌন্দৰ্যবোধৰ জীৱনদৃষ্টি অতিকৈ তাৎপৰ্যপূৰ্ণ।

শ্যাম বুৰঞ্জীত উল্লেখ আছে যে সৌমাৰত শ্যামসকল প্ৰৱেশ কৰোতে চুতীয়াসকলেহে কেৱল লেখা-পঢ়াৰ চৰ্চা কৰিছিল। বহু অসমীয়া মানুহে বৈদিক ৰীতিমতে কাম-কাজ সম্পাদন কৰাৰ সময়তে নিজৰ গোত্ৰৰ কথা মনত পেলায়। যাৰ কোনো গোত্ৰ নাথাকে, তেওঁলোকে কাশ্যপ গোত্ৰ বুলি ভাবি লৈ ধৰ্মীয় কামকাজবোৰ সম্পাদন কৰে। চুতীয়া জনশ্ৰুতিমতে এই কাশ্যপে চুতীয়া ৰাজ্যৰ অন্তৰ্গত হাবুঙত থাকি ব্ৰাহ্মণত্ব লাভ কৰে। তদুপৰি মেকুৰী মাৰিলে সিপুৰীত সোণৰ মেকুৰী দিব লাগিব বুলি বৰ্তমানেও অসমীয়া সমাজত প্ৰচলিত বিশ্বাসটো চুতীয়াসকলৰ পৰাই আহিছে। পূৰ্বতে চুতীয়াই মেকুৰীক সৎকাৰ কৰিছিল। বৰ্তমানৰ সংস্কৃতিত চুতীয়াসকলৰ প্ৰভাৱ কিমান গভীৰ, সেই কথা বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই দেখুৱাইছে। তেওঁ লিখিছে— 'Scratch a Russian, you will find him a Tartar'। এইদৰে উজনি অসমৰ সৰু ভাগটি অসমীয়াক Scratch কৰক, অৰ্থাৎ বখলিয়াই বা বাঁকুহি চাওক। দেখিব, তেওঁ আচলতে চুতীয়া। কথাযাৰ তুলা কমোৱাদি







কমাই ক'লে এইদৰে হ'ব, ময়েই এতিয়া মোৰ নামৰ পাছত আছে শৰ্মা উপাধি। শৰ্মা বুলিলে কি বুজায় সকলোৱে জানে। তথাপি মোৰ ঐতিহাসিক মনোবৃত্তি, ৰীতি-নীতি, সংস্কৃতি, সভ্যতা, ল'ৰাৰ পৰা ডাঙৰ হোৱালৈকে পুহি অহা ভাব আৰু কৰি অহা ধেমালিবোৰ টংকৈ চালে দেখিবলৈ পাওঁ মোৰো এফাল দেখোন চুতীয়া।'

বেণুধৰ শৰ্মাৰ বক্তব্যটোৱে চুতীয়াসকলৰ মাজত থকা সাংস্কৃতিক সৌন্দৰ্যৰ কথাটো প্ৰতীয়মান কৰে। যিহেতু এই সংস্কৃতিৰ মূল ভেটিটো সাধাৰণ জীৱন ধাৰণৰ সময়তে হোৱা কেতবোৰ জনবিশ্বাসৰ লগত গভীৰভাৱে সংপৃক্ত হৈ আছে আৰু যুদ্ধ বিগ্ৰহৰ কথাৰ পৰা কিছু দূৰৈত অৱস্থান কৰিছে, সেয়েহে উদাৰতা, সহিষ্ণুতা আদি গুণ অসমীয়া মনটোৰো অন্যতম আধাৰ হৈ পৰিছে।

১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ নেতৃত্বত বৰ্তমানৰ উজনি অসমত প্ৰৱেশ কৰা ৯ হেজাৰ আহোম সৈন্যই অসমীয়া উদাৰতাৰ ধাৰণাটো শক্তিশালী কৰে। সাত ৰাজ সামৰি এক ৰাজ কৰা চুকাফাৰ মূল পদ্ধতি কেৱল যুদ্ধ-বিগ্ৰহ নাছিল। তেওঁৰ দলটোত মহিলা নথকা বাবে ৰাজ্য স্থাপন কৰিয়েই তেওঁলোকে স্থানীয় নাৰীৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰে। চুকাফাই নিজেই বৰাহী আৰু মৰাণৰ চাৰিগৰাকী কুঁৱৰী আনিছিল। প্ৰথম অৱস্থাত তেওঁলোকে নিজৰ মাজত টাই ভাষাতেই কথা পাতিছিল যদিও স্থানীয় মানুহ আৰু নিজৰ পত্নীৰ লগত আন্তৰিকতাপূৰ্ণ সম্পৰ্ক গঢ়িবলৈ খুব সোনকালেই থলুৱা ভাষাৰ প্ৰয়োগ আৰম্ভ কৰে। উল্লেখযোগ্য যে আহোমসকল অহা সময়লৈ অসমীয়া ভাষাই এক বিশেষ মাত্ৰা লাভ কৰিছিল। প্ৰণিধানযোগ্য যে ইমান সহজতে আৰু সোনকালে নিজৰ ভাষা ত্যাগ কৰা আহোমসকলে নিজ ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল কেইবাটাও শতিকাৰ পাছতহে। ইয়ে প্ৰমাণ কৰে যে সময়ত সমন্বয়মুখী বাতাবৰণ সৃষ্টি কৰিবলৈ হ'লে ধৰ্মতকৈ ভাষাৰ গুৰুত্ব কিমান বেছি। চুকাফাই আৰম্ভ কৰা ৰাজনৈতিক বৰ অসমৰ যাত্ৰাতো এনেবোৰ কথা অন্তৰ্হিত হৈ পৰা নাছিল। বৰং কেতবোৰ বিশেষ সময়ত আৰু বেছি জিলিকিহে উঠিছিল।

সমদৰ্শী চেতনা, উদাৰতা, সহনশীলতা আদি গুণৰাজিক নিজৰ মহাজীৱনৰ বিভিন্ন নিদৰ্শনৰ জৰিয়তে ক্ৰমাৎ গঢ় লৈ উঠা থলুৱা সত্তাটোৰ লগত নিবিড়ভাৱে সংযুক্ত কৰি তোলা সৰ্বশ্ৰেষ্ঠ মহানায়কজনেই হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। তেওঁ আৰম্ভ কৰা সাংস্কৃতিক নৱজাগৰণটোৱে অসমীয়া সত্তাটোক দান কৰিলে এক অভূতপূৰ্ব উচ্চমানৰ চৰিত্ৰ। ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি, স্থাপত্য, ভাস্কৰ্য, নৃত্য, কলা, গীত আদি সকলো দিশতে শংকৰদেৱে অসমীয়া সত্তাটোৰ প্ৰাণসঞ্চাৰ কৰিছিল। আজি আমি যি উদাৰ অসমীয়া সত্তাৰ কথা কৈ গৌৰৱ কৰো, সেইটো নিৰ্মাণৰ মূল খনিকৰজনেই আছিল মহাপুৰুষজনা। তদুপৰি ৰুচিশীল অসমীয়া জীৱনবোধৰ স্ৰষ্টা হিচাপে শংকৰদেৱে অসমীয়া উদাৰতা আৰু পৰিশীলিত বিনয়ী স্বভাৱকো বহু ওপৰলৈ তুলি ধৰিছে। গুৰুজনাই পূৰ্বকবি মাধৱ কন্দলিক দেখুওৱা সন্মান, নাৰী জাতিৰ প্ৰতি দেখুওৱা সহমৰ্মিতাৰ লগতে পৰিৱেশ-প্ৰকৃতিৰ প্ৰতি যি এক যুগান্তকাৰী ইতিবাচক মনোভাৱ পোষণ কৰিছিল, তেনেবোৰ কথায়ো অসমীয়া মনটোৰ বিশালতা প্ৰতিফলিত কৰে। কিন্তু ইমানখিনি ব্যাখ্যা-বিশ্লেষণ কৰাৰ পাছতো মই কওঁ যে এটা জাতিক উদাৰ বুলি একে উশাহতে অভিহিত কৰাটো আহুকলীয়া। দৰাচলতে কোনো জাতিয়েই কেৱল উদাৰ হৈ পৃথিৱীত জিলিকিব নোৱাৰে। যুদ্ধ-বিগ্ৰহকে মুখ্য কৰি প্ৰতিটো জাতিৰ সন্মুখলৈ বিভিন্ন প্ৰত্যাহ্বান আহে আৰু তেনেবোৰ সময়ত কেৱল উদাৰচিতীয়া চেতনাই জাতিটোক ৰক্ষণাবেক্ষণ দিব নোৱাৰে। বাহিৰৰ প্ৰত্যাহ্বানৰ তীক্ষ্ণতা হ্ৰাস পোৱাৰ সময়ত আভ্যন্তৰীণ প্ৰত্যাহ্বানক উদাৰতা আৰু মানৱতাবাদী চিন্তাৰে নিমজ কৰিছিল শংকৰ-মাধৱৰ দৰে সাগৰ-সংকাশ ব্যক্তিত্বৰ পুৰুষে। আমি সকলোৱে জানো প্ৰাকশংকৰী যুগত কু-সংস্কাৰ আৰু ধৰ্মীয় ৰীতি-নীতিয়ে কি ভয়ংকৰ ৰূপ লৈছিল। সাহিত্যৰথী লক্ষ্মীনাথ

বেজবৰুৱাই লিখি থৈ গৈছে কিদৰে এই ভূমিতেই গৰ্ভৱতী মহিলাৰ গৰ্ভ ফালি ভ্ৰূণ উলিয়াই আনি তান্ত্ৰিক ধৰ্মীয় (?) আচাৰ সম্পাদন কৰা হৈছিল। সামাজিক সমতাৰ ভাবক চূৰ্ণ-বিচূৰ্ণ কৰিছিল উচ্চ বৰ্ণৰ কঠোৰ বৰ্ণাভিমানে। তথাকথিত হীনকুলীয়া মানুহক সমাজৰ তলত স্থান দি মনত হীনমন্যতাৰ ভাব কৌশলীভাৱে সুমুৱাই দিয়া হৈছিল। শংকৰদেৱে বেদান্তৰ ব্ৰহ্মক গীতাৰ শ্ৰীকৃষ্ণৰ মাধ্যমেৰে আৰু ভাগৱতৰ ভকতিৰ জৰিয়তে 'নাহি ভকতিত জাতি অজাতি বিচাৰ' বুলি ঘোষণা কৰি অসম মুলুকত আধ্যাত্মিক সাম্যবাদৰ আধাৰ নিৰ্মাণ কৰাৰ পাছৰ কালত পূৰ্বৰ সামাজিক বৈষম্য আৰু জাতিভেদ প্ৰথাৰ চোক যথেষ্ট হ্ৰাস পাইছিল। সত্ৰানুষ্ঠানসমূহতো ব্ৰাহ্মণ আৰু অব্ৰাহ্মণ দুয়ো শ্ৰেণীৰ সত্ৰাধিকাৰেই অধিষ্ঠিত হৈছিল। অব্ৰাহ্মণ সত্ৰাধিকাৰে ব্ৰাহ্মণ লোকক শিষ্যত্ব প্ৰদান কৰা ঘটনাও অসমৰ ইতিহাসত সাধাৰণ কথালৈ ৰূপান্তৰিত হৈছিল।

কিন্তু ধৰ্মীয় ক্ষেত্ৰখনত পৰিলক্ষিত হোৱা উদাৰতা, সমদৰ্শিতা একাষৰীয়া কৰি অনুদাৰ ভাবাদৰ্শৰ বতাহ বলিবলৈ ল'লে আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই লোৱা এটা সিদ্ধান্তৰ ফলত। ৰুদ্ৰসিংহ প্ৰথমে বৈষ্ণৱ হৈছিল যদিও পাছলৈ শাক্ত ধৰ্মৰ প্ৰতি বেছি অনুৰক্ত হৈ পৰে। পদ্মনাভ ভট্টাচাৰ্য ওৰফে মুকলিমূৰীয়া গোসাঁইৰ পৰামৰ্শানুসৰি ৰুদ্ৰসিংহই বংগদেশৰ নদিয়াৰ পৰা কৃষ্ণৰাম ন্যায়বাগিশ ভট্টাচাৰ্যক আমন্ত্ৰণ কৰি আনে। অৱশ্যে কৃষ্ণৰাম দেখিবলৈ সুশ্ৰী নাছিল বাবে ৰজাৰ পছন্দ নহ'ল আৰু তেওঁৰ শিষ্যত্ব গ্ৰহণ নকৰিলে। অৱশ্যে ৰজাৰ অনুগ্ৰহত কৃষ্ণৰাম বিশাল ভূমি-সম্পত্তিৰ অধিকাৰী হয়। ড° অমলেন্দু গুহৰ মতে পৰ্বতীয়া গোসাঁইৰ পৰিয়াল ১ লাখ ২৩ হেজাৰ বিঘা মাটিৰ গৰাকী হৈ পৰিছিল। তদুপৰি বংগৰ বৈষম্যমূলক কৌলীন্য প্ৰথা প্ৰৱৰ্তন কৰি কৃষ্ণৰামে অসমৰ সমদৰ্শী আৰু উদাৰ ভাবাদৰ্শক আঘাত কৰিছিল। সেই বিধি অনুসৰি অব্ৰাহ্মণ সত্ৰাধিকাৰে ব্ৰাহ্মণ লোকক ধৰ্মজ্ঞান দিব নোৱাৰা এক অৱস্থাৰ সৃষ্টি হৈছিল। পৰ্বতীয়া গোসাঁইৰ অনুদাৰ চিন্তাৰ বাবেই অসমৰ ধৰ্মীয় আৰু সামাজিক জীৱনত ব্ৰাহ্মণ-শূদ্ৰৰ ভেদ ক্ৰমান্বয়ে বৃদ্ধি পায় আৰু লগে বামুণীয়া আৰু মহাপুৰুষীয়া পন্থীৰ মাজতো সংঘাত তীব্ৰ হৈ উঠে। মুঠৰ ওপৰত বৰ্ণবাদৰ পোখা মেলি দি কৃষ্ণৰামে অসমৰ মানুহক ধৰ্মৰ নামত উন্মাদ কৰি তোলে। বহুতো ডাঙৰ সত্ৰতো বৰ্ণবাদী আৰু বঙলুৱা প্ৰভাৱ বেছিকৈ সোমাই পৰে।

অসমৰ বৈষ্ণৱ সত্ৰত এনেকৈয়ে কিছু বঙলুৱা প্ৰভাৱ প্ৰৱেশ কৰি আগৰ কালৰ নানা প্ৰগতিশীল উপাদান নিশ্চিহ্ন কৰিলে। বৰ্ণবাদী চিন্তাৰ গেৰেকনিত তথাকথিত হীনকুলীয়া লোকৰ অধিকাৰসমূহ অন্তৰ্হিত হৈ পৰিল। একশৰণ নামধৰ্মই সমাজত অৱহেলিত আৰু নিঃস্বজনক দেখুওৱা সোণালী সপোন বাটতে নোহোৱা হ'ল। বিশিষ্ট পণ্ডিত ড° নগেন শইকীয়াই তেওঁৰ 'বিষয় শংকৰদেৱ' শীৰ্ষক গ্ৰন্থত লিখিছে— 'বংগদেশৰ কৌলীন্য প্ৰথাৰ আমদানিৰে কৃষ্ণৰাম ভট্টাচাৰ্যইহে অসমৰ সমাজত এই বিভাজনৰ বীজ সিঁচি দিলেহি। অষ্টাদশ শতিকাৰ প্ৰথম ভাগৰ পৰাই অসমৰ ৰাজনৈতিক-সাংস্কৃতিক অৱনতি আৰম্ভ হৈ ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই অসমৰ ৰাজনৈতিক-সাংস্কৃতিক অৱনতি আৰম্ভ হৈ ঊনবিংশ শতিকাৰ প্ৰথম ভাগত সি আহি সম্পূৰ্ণ হ'লহি। অষ্টাদশ শতিকাৰ প্ৰাৰম্ভতে আনি সুমুওৱা এই বঙলুৱা প্ৰভাৱহে অসমৰ বৈষ্ণৱ ধৰ্মত সোমোৱা এনেবোৰ বিভাজনৰ ঘাই গুৰি।' বুজিবলৈ কঠিন নহয় যে এনেবোৰ কথাৰ বাবেই ড° লীলা গগৈয়ে পদ্মনাভ আৰু কৃষ্ণৰামক 'অসমৰ আকাশৰ দুটি কালগ্ৰস্ত ৰাহু-কেতু' বুলি আখ্যা দিছে। অসমীয়া সমাজত অন্তঃসলিলাৰ দৰে বৈ থকা উদাৰতা আৰু সহনশীলতা আদি বৈশিষ্ট্যৰ সন্মুখত প্ৰধান গতিৰোধক স্থাপন কৰে বংগৰ পৰা অহা কৃষ্ণৰাম ভট্টাচাৰ্যই।

ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজত এনে বিপৰীতধৰ্মী চিন্তা-চেতনাৰ প্ৰত্যক্ষ বা পৰোক্ষ সংঘাত মুঠেই আশ্চৰ্যজনক নহয়। বৰং ইয়াক অৱধাৰিত বুলিহে ভাবিব পাৰি। মোৰ বিশ্বাস— ৰুদ্ৰসিংহই পদ্মনাভৰ কথা শুনি



ৰঙিয়া মহাবিদ্যালয়ৰ ৪৭তম আলোচনী

কৃষ্ণৰামক আমন্ত্ৰণ নজনোৱাহেঁতেন অসমীয়া সমাজ আৰু বহুগুণে উদাৰ হৈ থাকিলহেঁতেন। এফালৰ পৰা চাবলৈ গ'লে আজান ফকিৰ আৰু কৃষ্ণৰাম ভট্টাচাৰ্যৰ কথা-কাণ্ডবোৰে ইতিহাসৰ বহু নতুন দিশ উন্মোচিত কৰিব পাৰে। দুয়ো শংকৰোত্তৰ যুগতে অসমলৈ আহিছিল। সুদূৰ বাগদাদৰ পৰা অহা আজান ফকিৰে মহাপুৰুষীয়া উদাৰতা, সহনশীলতা আদি গুণ আয়ত্ত কৰি লৈ ৰচিছিল কেতবোৰ অমৰ গীত, যেনে— 'হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান'। কিন্তু আমাৰ নিকটৱৰ্তী বংগদেশৰ পৰা অহা কৃষ্ণৰাম অসমীয়া সমাজৰ ভাল কথাখিনিৰ দ্বাৰা উদ্বুদ্ধ হওক চাৰি আমাৰ সমাজত বিভাজনৰ বীজাণুহে মেলি দিলে। শংকৰদেৱৰ লগত থকা তেওঁৰ পৰ্বতসম প্ৰভেদৰ কথা বা নকলোৱেই। সাধাৰণ মানুহৰ হিতৰ বাবে সমগ্ৰ জীৱন উছৰ্গা কৰা শংকৰদেৱে নিজ ৰজাৰ ঘৰৰ সন্তান হৈও শিৰোমণি ভূঞাঁৰ বাব ত্যাগ কৰি পূৰ্বৰ আহোম ৰাজ্য, মধ্যাংশৰ কামৰূপ ৰাজ্য আৰু পশ্চিমৰ বেহাৰ ৰাজ্যত একশৰণ নাম ধৰ্মৰ মানৱতাবাদী বাণী সিঁচি দিয়াৰ উপৰি কোনো ৰজাক শৰণ দিয়া নাছিল। ৰজাতকৈ সাধাৰণ প্ৰজা আছিল তেওঁৰ মনৰ আপোন। শংকৰদেৱৰ সেই সাংস্কৃতিক নৱজাগৰণৰ ফলত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিও অধিক সজীৱ আৰু সতেজ হৈ উঠিছিল। ইয়াৰ বিপৰীতে পৰ্বতীয়া গোসাঁয়ে দানৱীয় বৰ্ণবাদৰ বিষবাষ্প মেলিছিল ৰজাৰ প্ৰত্যক্ষ বা পৰোক্ষ ছত্ৰছায়াত। হেজাৰ হেজাৰ বিঘা মাটিৰ গৰাকী হৈ কৃষ্ণৰামে এখন বৈষম্যমূলক আৰু অনুদাৰ সমাজৰ ভেটি দৃঢ় কৰিছিল। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল— শংকৰদেৱৰ মহাসংগ্ৰামৰ আগৰ পৰাই অসমৰ সমাজখন ভাৰতীয় মূল ভূ-খণ্ডটোতকৈ অধিক উদাৰ আছিল জনজাতীয় উপাদানৰ গভীৰ প্ৰভাৱৰ বাবে। কৃষ্ণৰামৰ বিভাজনমুখী আদৰ্শই সেই চেতনাকো লেহুকা কৰি তোলে।

অসমীয়াৰ উদাৰতাৰ কথা নিৰ্মোহভাৱে বিশ্লেষণ কৰিবলৈ হ'লে শংকৰদেৱ আৰু কৃষ্ণৰাম ভট্টাচাৰ্যৰ আদৰ্শৰ বিপৰীত্যৰ কথাবোৰ স্বাভাৱিকভাৱেই আহি পৰে। সামৰিক দিশৰ কথাবোৰলৈ মই এইবাবেই যাব বিচৰা নাই, কিয়নো যুদ্ধৰ সময়ত সকলো জাতি, সকলো ধৰ্মৰ মানুহেই পৰিস্থিতিগত কাৰণত নৃশংস হৈ উঠিবলৈ বাধ্য হৈ পৰে। যুদ্ধ নোহোৱা সময়খিনিতহে কোনো কিমান উদাৰ বা কোন কিমান অনুদাৰ, সেই কথা স্পষ্ট হয়। ইমানখিনি আলোচনা কৰাৰ পাছতো অসমীয়া মানুহ ভাৰতৰ আন জাতিৰ মানুহতকৈ অধিক উদাৰ বুলি ক'বলৈ মই অসুবিধা পাইছোঁ। কিন্তু অসমীয়া সত্তাটোৰ লগত, বিশেষকৈ আধুনিক অসমীয়া সত্তাটোৰ লগত উদাৰতা আৰু ধৰ্মনিৰপেক্ষ চেতনাৰ প্ৰত্যক্ষ সংযোগ আছে যেন মোৰ অনুভৱ হয়।

মই ক'ব বিচৰা দুয়োজন মানুহেই 'অসম সাহিত্য সভা'ৰ সভাপতি আছিল আৰু দুয়োজনেই মুছলমান আছিল। এনেকুৱা সময়ত তেওঁলোক সভাপতি আছিল যি সময়ত সাহিত্য সভাক সকলো অসমীয়াই শিৰত তুলি সন্মান যাঁচিছিল। প্ৰথমজন আছিল শিৱসাগৰৰ মইদুল ইছলাম বৰা। তেওঁৰ লগতে আনন্দৰাম ঢেকীয়াল ফুকনৰ পুত্ৰ ৰাধিকাৰাম ঢেকীয়াল ফুকনে পিএইচডি ডিগ্ৰী লাভ কৰিছিল যদিও সম্পূৰ্ণ নিয়ম-প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা ড° বৰা কম বয়সতে সাহিত্য সভাৰ সভাপতিও হৈছিল আৰু ঢাকা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্যও হৈছিল। প্ৰাক-স্বাধীনতা কালত 'মুছলিম লীগ'ৰ প্ৰধান নেতা মহম্মদ আলী জিন্নাই ড° বৰাক লীগৰ লগত জড়িত কৰিবলৈ বহু ৰুচিশীল আৰু ধৰ্মনিৰপেক্ষ চিন্তাৰ অধিকাৰী ড° মইদুল ইছলাম বৰাই জিন্নাৰ আহ্বানত সঁহাৰি নজনালে। অসমীয়া স্বাভিমানৰ এটি উজ্জ্বল ৰত্ন আছিল ড° বৰা।

আনজন সন্মানীয় ব্যক্তি আছিল ছৈয়দ আব্দুল মালিক। অসমীয়া ভাষাৰ সাহিত্য চৰ্চা কৰা বা পঢ়া-শুনা কৰা মানুহৰ মাজত এনে লোক নোলাব, যিয়ে মালিকৰ কোনো গল্প-উপন্যাস পঢ়া নাই। মালিকেই হওক বা 'জ্ঞানমালিনী'ৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাই হওক বা ড° মইদুল ইছলাম বৰাই হওক, সুস্থ চিন্তাৰ অসমীয়াই

তেওঁলোকক কেতিয়াও মুছলমান হিচাপে চোৱা নাই। ধৰ্মবিশ্বাস গৌণ হৈ পৰিছে। মুখ্য হৈ পৰিছে তেওঁলোকৰ অনন্য অৱদানসমূহ। তিনিওজনৰ ভিতৰত চৈয়দ আব্দুল মালিক আটাইতকৈ জনপ্ৰিয় আছিল। শংকৰদেৱৰ অতুলনীয়া মহাজীৱনক লৈ কোনো হিন্দু ধৰ্মাৱলম্বী সাহিত্যিকে উপন্যাস ৰচনা কৰাৰ কথা নাভাবোতেই মালিকে অসমীয়া পাঠকক উপহাৰ দিছিল অমূল্য উপন্যাস 'ধন্য নৰ তনু ভাল'। এইখন উপন্যাসৰ পাছত তেওঁ আৰু বেছি জনপ্ৰিয় হৈ পৰে৷

ছৈয়দ আব্দুল মালিকৰ চিন্তা-চেতনাক সাম্প্ৰতিক অসমীয়া সমাজে যি ধৰণে ব্যাখ্যা বিশ্লেষণ কৰিছে, তাৰ মাজেদিয়েই প্ৰতিফলিত হৈছে আধুনিক অসমীয়া সত্তাটো। ইয়াৰ আধাৰ কেৱল উদাৰতাই নহয় কিন্তু। আন বহু যোগাত্মক বৈশিষ্ট্যই সত্তাটোক প্ৰাণ দিছে আৰু সতেজ কৰি তুলিছে। মালিকৰ জীৱনৰ কেইটামান উদাহৰণে মোৰ ধাৰণাটো প্ৰমাণ কৰাত সহায় কৰিব। তেওঁৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা প্ৰদৰ্শন কৰাৰ সময়ত কোনো অসমীয়াই মনত নেপেলায় যে ছৈয়দ আব্দুল মালিকে ১৯৪৫ চনত 'মুছলিম লীগ'ত যোগদান কৰে। কেৱল যোগদান কৰাই নহয়, তেওঁ লীগৰ মুখপত্ৰ 'পয়গাম'ৰ সম্পাদনাও কৰে।

একেজন মালিকেই স্বাধীনতাৰ পাছতে ১৯৫২ চনত 'ভাৰতীয় গণ নাট্য সংঘ'ৰ লগত জড়িত হৈ পৰে। ১৯৫৭ চনত যোৰহাট-গোলাঘাট লোকসভা সমষ্টিৰ পৰা কমিউনিষ্ট পাৰ্টিৰ সমৰ্থনত নিৰ্বাচন খেলি পৰাজিত হয়। ১৯৭৬ চনতহে তেওঁ কংগ্ৰেছ দলৰ পৰা ৰাজ্যসভাৰ সাংসদ হয়। ইয়াৰ পাছত ছৈয়দ আব্দুল মালিকে ১৯৯২ চনত 'পদ্মভূষণ', ১৯৯৫ চনত 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' আৰু ১৯৯৯ চনত 'সাহিত্য অকাডেমি'ৰ ফেল'শ্বিপ লাভ কৰে।

প্ৰতিবাৰ সন্মান লাভ কৰাৰ সময়তেই সচেতন অসমীয়াই গৌৰৱ অনুভৱ কৰিছিল। কোনেও মনত পেলোৱা নাছিল তেওঁৰ পূৰ্বৰ ৰাজনৈতিক আনুগত্যৰ কথাবোৰ। সেইটোৱেই অসমীয়া সত্তাৰ বিশেষত্ব। বৰ্তমান সময়ত এক বিশেষ শক্তিয়ে সেই সত্তাটোক কৌশলীভাৱে বিবৰ্ণ কৰি ধৰ্মাশ্ৰিত সমাজৰ কথাটোক বেছি গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। সেইটো শক্তিক প্ৰতিহত কৰিবলৈ হ'লে আমি অসমীয়া সত্তাটোৰ নিৰ্যাসৰ পৰা প্ৰাণশক্তি আহৰণ কৰিব লাগিব।

চৈয়দ আব্দুল মালিকৰ কেইটামান বাক্যই সেই অসমীয়া সত্তাটোক অধিক পোহৰাই তুলিছে। তেওঁ কৈছে— 'জগতৰ আগত মূৰ দাঙি থিয় হ'বলৈ বুকু ফিন্দাই ক'বলৈ আমাৰ এটাই পৰিচয় আছে। আমি শংকৰদেৱৰ দেশৰ মানুহ। তেওঁৰেই সতি-সন্ততি, তেওঁৰেই অনুগামী। হিন্দু-মুছলমান, বৈষ্ণৱ-শাক্ত নিৰ্বিশেষে এই চিনাকিৰে প্ৰতিজনে গৰ্ব অনুভৱ কৰিব পাৰে।'

এজন ইছলাম ধৰ্মাৱলম্বী লোকে হিন্দু ধৰ্মৰ এটা বিশেষ উপাসনা প্ৰণালীৰ প্ৰৱৰ্তকজনক সন্মান প্ৰদৰ্শন কৰোতে ধনিষ্ঠামানো কাৰ্পণ্য কৰা নাই। ইয়েই প্ৰতীয়মান কৰে আধুনিক অসমীয়া সত্তাটোৰ বিশালতা আৰু অনন্যতা। সংকটৰ সময়ত এই সত্তাটোক ৰক্ষণাবেক্ষণ দিয়াটো প্ৰতিজন স্বাভিমানী অসমীয়াৰ কৰ্তব্য হোৱা উচিত।□





# যুৱ শিক্ষাৰ নৱ প্ৰৱণতা

✍ দিগন্ত বিশ্ব শৰ্মা

**স**মৃদ্ধ অতীতৰ পৰিধি অতিক্ৰমি সন্ধানী মানৱৰ দৃষ্টি প্ৰসাৰিত আজি সমৃদ্ধতৰ ভৱিষ্যতৰ প্ৰতি। সমৃদ্ধ অতীতৰ বহু ঊষা পাৰ হৈ আমি অভিযাত্ৰী, লক্ষ্য আমাৰ ভৱিষ্যতৰ মধ্যাহ্নদীপ্তি। এয়া এক যুগসন্ধি। অনাগত দিনৰ প্ৰগতিৰ নব্য যুগৰ শীৰ্ষবিন্দুত উপনীত হৈছোঁ আমি। নৱতৰ, বৃহত্তৰ সমন্বয়-সাধন সেয়ে হৈ পৰিছে অপৰিহাৰ্য চৰ্ত আজি। শতাব্দী পূৰ্বে এই বাণী অনুৰণিত হৈছিল শ্ৰীঅৰবিন্দৰ Essays On The Gitaত এনেদৰে— we of the coming day stand at the head of a new age of development which must lead to such a new and large synthesis... we do not belong to the past dawns, but to the noons of the future...

বৰ্তমান যুগ নৱজন্মসম্ভাৱনাৰ যন্ত্ৰণাৰে পূৰ্ণ, চিন্তা আৰু কাৰ্যৰ যিসমূহ ৰূপৰ মাজত কাৰ্যকাৰিতাৰ বিশেষ শক্তি বা স্থায়িত্বৰ গূঢ় গুণ বিদ্যমান, সেইসমূহ চৰম পৰীক্ষাধীন, সেইসমূহক দিয়া হৈছে পুনৰ্জন্মৰ সুযোগ। দিব্য জীৱনৰ দ্ৰষ্টা শ্ৰীঅৰবিন্দৰ দিব্য দৰ্শনত সেই সত্য ভাস্বৰ হৈ উঠিছিল সেই তাহানিতে, অসামান্য গ্ৰন্থ— The Synthesis of Yogaত লিখিছিল— We are in an age, full of the throes of travail, when all forms of thought and activity that have in themselves any strong power of utility or any secret virtue of persistence are being subjected to a supreme test and given their oppotunity of rebirth...

যুৱ শক্তিয়েই অনাগত ভৱিষ্যতৰ চালিকা শক্তি। স্বৰূপতেই হওক বা গতি-প্ৰকৃতিয়েই হওক, মৌলিকভাৱেই ভিন্ন ৰূপত উদ্ভাসিত হ'ব ভৱিষ্যৎ। অনাগত ভৱিষ্যতৰ এনে সম্ভাৱনাৰ প্ৰতি প্ৰবুদ্ধ যুৱ-মানস সজাগ আৰু সক্ৰিয়; সেই মানসৰো নেপথ্যত আছে গভীৰ সন্ধানী দৃষ্টি। যুৱ অস্থিৰতাৰ আছে অৰ্থ; আছে সুগভীৰ তাৎপৰ্য। যুৱ আশা-আকাংক্ষা দৰাচলতে নৱ স্বপ্ন, নৱ উপলব্ধিৰ আহ্বান মাত্ৰ, সঁহাৰিও হ'ব লাগিব যথোপযুক্ত, গভীৰতম বোধসম্পন্ন।

শিক্ষাৰ প্ৰকৃত অভিনিৱেশ হ'ল যুৱ শক্তি। যুৱ শক্তিৰো যথাৰ্থ তন্ময়তা শিক্ষাৰ প্ৰতিয়েই, লক্ষ্যও শিক্ষাই। শিক্ষাৰ দীপ্ত শিখাৰ আলোকৰ মাজতেই জীৱন ধাৰণ কৰে যুৱ শক্তিয়ে; জীৱনে সন্ধান পায় স্বচ্ছন্দ গতিৰ সামৰ্থ, সুবিন্যস্ত সু-সংহত শক্তিৰ। সেই আলোকেই নিৰূপিত কৰে জীৱনৰ লক্ষ্য আৰু সাধনাৰ ক্ষেত্ৰ। জীৱনৰ সত্য, মূল্য আৰু সাৰ্থকতাও নিয়ন্ত্ৰণ কৰে সেই আলোকেই। যুৱ হৃদয়ত এই আলোক বৰ্তি প্ৰজ্বলিত কৰি ৰখাই জানো শিক্ষাৰো নিৰৱচ্ছিন্ন মুখ্য লক্ষ্য নহয়?

পৰীক্ষা পাঠ্যক্ৰমৰ সংকীৰ্ণ পৰিধিৰ মাজত বন্দী আজি যুৱশক্তি। সেই মানসৰ সন্ধানী দৃষ্টিয়ে বিচাৰে বন্দী আত্মাৰ মুক্তি। যেতিয়া আমি যুৱ কল্যাণৰ কথা কওঁ, চিন্তা কৰো গভীৰভাৱে, দুৰ্ভাগ্যজনকভাৱে তেতিয়াই আমি উত্থাপন কৰোঁ পাঠ্যক্ৰম বহিৰ্ভূত এলানি কাৰ্যসূচীৰ প্ৰসংগ। পাঠ্যক্ৰম বহিঃৰ্ভূত কাৰ্যসূচীয়েই জানো যুৱ কল্যাণৰ সমগ্ৰ? যুৱ আস্পৃহা, যুৱ স্বপ্নৰ যথা-সৰ্বস্ব? শ্ৰেণীকোঠাৰ ভিতৰত কল্লোলিত বক্তৃতাৰ সৈতে, পৰীক্ষাৰ পাকচক্ৰৰ সৈতে যুৱ আনন্দ, যুৱ কল্যাণ, সংপৃক্ত নিবিড়ভাৱে। উপযুক্তভাৱে সেই কথা কৰো জানো উপলব্ধি? পাঠ্যক্ৰম, পৰীক্ষা, শৈক্ষিক

কাৰ্যসূচীসমূহ কিন্তু অব্যাহত থাকে একেদৰেই— নিৰন্তৰ প্ৰবাহমান বৈচিত্ৰহীনভাৱে, অথচ শিক্ষাক্ষেত্ৰৰ বহিৰংগত যুৱশক্তিৰ বাবে আমি নিৰ্ধাৰণ কৰোঁ কেতবোৰ লক্ষ্য আৰু উদ্দেশ্য। যুৱ শক্তিয়ে যেতিয়া সঁহাৰি নজনায় তেনে প্ৰয়াসৰ প্ৰতি, তেতিয়া আমি হঠচকিত হওঁ, হৈপৰো হতাশ, বিস্ময়ান্বিত।

পাঠ্যক্ৰম আৰু পাঠ্যক্ৰম বহিৰ্ভূতৰ ধাৰণা দৰাচলতে মনে গঢ়ি লোৱা কৃত্ৰিম বিভাজন মাত্ৰ, সহজ জীৱনৰ গতিশীল ছন্দৰ প্ৰকাশ নহয়। শিক্ষাৰ প্ৰক্ৰিয়া ধাৰাবাহিক, অখণ্ড। সমগ্ৰ জীৱনেই শিক্ষাৰ অন্তৰ্ভুক্ত। শিক্ষাৰ প্ৰণালীক সেয়ে গঢ়িব লাগিব সংহতভাৱে, শিক্ষা হৈ উঠিব লাগিব সৰ্বব্যাপ্ত। যুৱ-আস্পৃহাৰ সৰ্ব বিষয়, সৰ্ব কাৰ্যসূচীকেই পাৰস্পৰিক ছন্দ-সুষমাৰে কৰিব লাগিব শিক্ষাৰ অবিচ্ছেদ্য অংগ। যুৱ সমাজে যাতে মুক্তভাৱে ল'ব পাৰে উশাহ, নিৰ্ভয়, সংশয়হীন হৈ আত্মবিকাশৰ পথত হ'ব পাৰে অগ্ৰসৰ, সেই কথাৰ প্ৰতিও দিব লাগিব গভীৰ মনোযোগ আৰু সতৰ্ক দৃষ্টি।

ভৱিষ্যতৰ চালিকা শক্তি যুৱশক্তি সম্প্ৰতি জৰ্জৰিত। কৰ্মহীনতাৰ আশংকাই ভাৰতীয় যুৱ শক্তিক আজিও কৰি তোলে আতংকিত। ভাৰতীয় যুৱ সমাজৰ বৃহৎ অংশ এতিয়াও নিৰক্ষৰ অথবা অৰ্ধ সাক্ষৰ। দাৰিদ্ৰ্য, অজ্ঞানতা, বৈষম্যৰ সমস্যাই এই শক্তিক কৰে বেদনাহত। এনেধৰণৰ সমস্যাৰ সমাধান সহজসাধ্য নহ'ব পাৰে; কিন্তু সেই বুলিয়েই সমাধানৰ বাবে কৰা প্ৰয়াস মধ্যপথত থমকি ৰ'ব নোৱাৰে। অলস আস্থাহীনতা, ভোগবাদ, ৰাজনৈতিক প্ৰতিযোগিতা, স্বাৰ্থপূৰ্ণ বাণিজ্য-সংস্কৃতি, ধ্বংসবাদ ইত্যাদিৰ প্ৰতি যুৱ সমাজক প্ৰলোভিত কৰাৰ নিৰন্তৰ সৰ্বগ্ৰাসী প্ৰয়াস অব্যাহত অতি শক্তিশালীভাৱে। সংগীত, সাহিত্য, কলা অথবা সম্পদ সম্প্ৰতি একাংশৰ বাবে অশিষ্ট, অশ্লীল উত্তেজনা, মাদকতা সৃষ্টিৰ আহিলা মাত্ৰ। ভোগবাদক ন্যায়সংগত কৰিবলৈ আধুনিক প্ৰয়াসৰ বৰ্বৰ আৰু কুৎসিত অংশটো হৈ উঠিছে সক্ৰিয় আৰু সংঘবদ্ধ। প্ৰগতিবিৰোধী শক্তিয়ে অন্তৰালৰ পৰা এনেদৰে যুৱ আস্পৃহাক কৰিছে মেঘাচ্ছন্ন। শ্বাসৰুদ্ধকাৰী পৰিৱেশৰ মাজত আমি হৈ পৰিছোঁ উদ্ভ্ৰান্ত, উদ্বিগ্ন। যুৱ-আস্পৃহাৰ গভীৰবোধ এতিয়াও সেয়ে হোৱা নাই স্পষ্ট।

তথাপিও আছে আশাৰ ৰেঙনি, আছে নৱজন্মসম্ভাৱনাৰ পূৰ্ণ প্ৰতিশ্ৰুতি। যুৱ মানসৰ নেপথ্যৰ সন্ধানী দৃষ্টি প্ৰসাৰিত দূৰ-দিগন্ত ব্যাপী। সংকীৰ্ণ সীমাৰ পৰিধি অতিক্ৰমি মহাকাশযান-মহাকাশযাত্ৰীৰ সাক্ষী, চন্দ্ৰ-বৃহস্পতিৰ প্ৰতিবেশী, বিজ্ঞানপ্ৰেমী যুৱ শক্তিয়ে প্ৰসাৰিত উদাৰ আন্তঃৰাষ্ট্ৰীয় চেতনাৰে উৰ্ধ্বৰ পৰা আজি দৃষ্টি দিছে পৃথিৱীত প্ৰতি। বিশ্বৰ বিভাজন, মানৱতাৰ ৰাজনৈতিক প্ৰভেদ অথবা জাতি, ধৰ্ম, বৰ্ণৰ বৈষম্যমূলক ধাৰণা তেওঁলোকৰ সহজাত আদৰ্শানুভূতি অসাৰ আৰু অসত্য সম্প্ৰতি। ব্যক্তি বৈশিষ্ট্য, বৈচিত্ৰ্য বিনাশকাৰী ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতি দেৱত্ব আৰোপত যুৱশক্তি আজি আৰুনহয় বিশ্বাসী। নৱ বিশ্বৰ বাবে প্ৰয়োজন নৱ মানৱৰ, সেই কথা গভীৰভাৱে কৰিছে উপলব্ধি, সেয়ে উভতি দৃষ্টি দিছে অন্তৰ সত্তাৰ প্ৰতি, শুনিছে অন্তৰাত্মাৰ স্পষ্ট বাণী। পৰিৱৰ্তন, উপদেশ অথবা আদৰ্শৰ ৰূপায়ণ যে প্ৰস্ফুটিত হ'ব লাগিব প্ৰথমতে নিজৰ মাজত, নিজৰ বেদনা, কষ্টৰ সমাধান যে দৰাচলতে বিশ্বৰ কষ্ট সমাধানৰ সৰ্বোৎকৃষ্ট উপায়, বিশ্ব ৰূপান্তৰ গোপন ৰহস্য, সেই কথাও অন্বেষী যুৱ শক্তিয়ে কৰিছে উপলব্ধি। ইচ্ছা শক্তি স্বত্বেও অন্তৰবাণীৰ কষ্টসাধ্য প্ৰয়াসৰ পথত যুৱশক্তি প্ৰায়েই হ'ব নোৱাৰে অগ্ৰসৰ, সংগ্ৰাম আৰু প্ৰয়াস তথাপি কিন্তু অবিৰত, অব্যাহত। যুৱ শক্তিয়ে বিচাৰিছে সেয়ে সহায় আৰু সহযোগিতা। সন্ধান কৰিছে জীৱনৰ লক্ষ্য, শিক্ষাৰ উদ্দেশ্য, শিক্ষাই এৰি যোৱা বিষয়ৰ ৰহস্য তথা পূৰ্ণতাপ্ৰাপ্তিৰ বাবে ক্ৰম প্ৰগতিশীল সাধন-সম্পদৰ।

আশা আৰু আস্পৃহাৰ সৈতে প্ৰাসংগিক শিক্ষাৰ নব্য দৰ্শনৰ সন্ধানী সমসাময়িক যুৱ শক্তি। যুৱ শিক্ষাৰ দাৰ্শনিক ভিত্তিৰ সন্ধান কৰাৰ পূৰ্বে আমি পৰিচিত হ'ব লাগিব বিশ্বজনীনভাৱে স্বীকৃত শিক্ষাতত্ত্বৰ মৌল ধাৰণাটোৰ সৈতে। শিক্ষাৰ বুনিয়াদী লক্ষ্য আৰু উদ্দেশ্যকো কৰিব লাগিব হৃদয়ংগম। আত্মানুসন্ধান আৰু বিশ্ব অস্তিত্বৰ সত্যানুসন্ধান, মানৱ তথা ব্ৰহ্মাণ্ডৰ স্বৰূপ সন্ধান, মানৱাত্মা আৰু বিশ্বাত্মাৰ মাজত বিদ্যমান সম্পৰ্কৰ গোপন ৰহস্যৰ অন্বেষণ তথা সেই অন্বেষণৰ সঞ্চিত জ্ঞানপুঞ্জক এটা যুগৰ পৰা অন্য এটা যুগলৈ কঢ়িয়াই লৈ যোৱা, সেই অন্বেষণৰ প্ৰেৰণাক পৰিপূৰ কৰা, প্ৰতিপালন অথবা উৎসাহিত কৰাই শিক্ষাৰ বিশ্বজনীন মূল্য লক্ষ্য আৰু উদ্দেশ্য। এনে লক্ষ্য আৰু উদ্দেশ্যত কেনেদৰে উপনীত হ'ব পাৰি, মূল প্ৰশ্নসমূহৰ বিপৰীতে লাভ কৰা সমিধানক কেনেদৰে যুগৰ পৰা যুগলৈ লৈ যাব পাৰি কঢ়িয়াই, সন্ধানী মানৱৰ এনে প্ৰেৰণাক কেনেদৰে কৰিব পাৰি পৰিপুষ্ট, সেইসমূহ বিষয়হে দৰাচলতে শিক্ষা-সমস্যাৰ কেন্দ্ৰীয় বিষয়-তত্ত্ব। স্পষ্টভাৱেই এইবোৰ কঠিন প্ৰশ্ন, সহজসাধ্য নহয়। শিক্ষকে এনে বিষয়ৰ সৈতে সন্মুখীন হওঁতে, উত্তৰ প্ৰদান কৰোঁতে নিৰ্বাহ কৰিব লাগে গভীৰ দায়িত্ব, পালন কৰিব লাগে সূক্ষ্ম সতৰ্কতা, কাৰণ বিষয়বোৰ প্ৰাসংগিকতা বৰ্তমানেই মাথোঁ নহয় নিঃশেষিত, অনাগত যুগৰ বাবেও সেইবোৰ বিষয়ৰ মূল্য আৰু তাৎপৰ্য অপৰিসীম।

আধুনিক বিশ্বৰ কেতবোৰ অনন্য সাধাৰণ পৰিস্থিতিয়ে আকৌ সমসাময়িক শিক্ষাবিদৰ কাৰ্য আৰু সমস্যাক বিশেষভাৱে কৰি তুলিছে আৰু অধিক জটিল। উদীয়মান অসাধাৰণ প্ৰৱণতাসমূহৰ তাৎপৰ্য গভীৰভাৱে অনুধাৱন কৰি সেই প্ৰৱণতাসমূহক শিক্ষাৰ বিষয়বস্তু আৰু লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ, প্ৰয়োজন অনুসৰি আনকি পৰিৱৰ্তন কৰিবলৈ এৰি দিব লাগে বুলিও আগবঢ়োৱা হয় যুক্তি। তথ্যৰ অভূতপূৰ্ব বিস্ফোৰণে শিক্ষাক অতি সম্প্ৰতি পৰিণত কৰিছে জীৱনব্যাপী কাৰ্যসূচী। অনুসন্ধানৰ প্ৰকৃতি হৈ উঠিছে অসামান্যভাৱে গভীৰ, ব্যাপক আৰু সৰ্বব্যাপ্ত। শিক্ষালৈ আহিছে নতুন ধ্যান আৰু ধাৰণা। যুগপৎ সামগ্ৰিকতা আৰু বিশেষীকৰণ উভয়েই হৈ পৰিছে প্ৰয়োজনীয়। ব্যক্তি ৰুচি-অভিৰুচিৰ তৃপ্তি সাধনৰ বাবেও বৈচিত্ৰ্যই পাব লাগিব পৰিপূৰ্ণ মৰ্যাদা। আধুনিক মানৱ সম্প্ৰতি পূৰ্বাপেক্ষা অধিক জটিল ৰূপত চিকাৰ হ'বলৈ ধৰিছে মনস্তাত্ত্বিক বিড়ম্বনাৰ। মনস্তাত্ত্বিক বিড়ম্বনাৰ ক্ৰমবৰ্ধমান প্ৰৱণতাই শিক্ষাত সংযোজন কৰিছে নতুন মাত্ৰা; যাৰ ব্যাখ্যা অথবা সংজ্ঞা এতিয়াও হৈ উঠা নাই স্পষ্ট, বিতং অনুসন্ধানৰ কথা কোৱাই বাহুল্য।

প্ৰসাৰিত উদাৰ দৃষ্টিৰে সমসাময়িক যুৱশক্তি সমন্বয় প্ৰয়াসী। অতীত শতকৰ জিজ্ঞাসাৰ স্বৰচিত সংকীৰ্ণ সীমাৰ মাজত বিজ্ঞানৰ সন্ধানী দৃষ্টি আজি আৰু নহয় বন্দী। অতীন্দ্ৰিয় সত্যানুসন্ধানৰ প্ৰতি বিজ্ঞানৰ উদাৰ অন্বেষী সম্প্ৰতি নহয় সংশয়ী। প্ৰযুক্তিয়ে প্ৰমূল্যক আজি আৰু নকৰে উপেক্ষা। নীতি আৰু কলাৰ মাজতো নাই আৰু তেনে কোনো বাদ-বিসম্বাদ। পৰস্পৰক সাবটি ধৰি, আঁকোৱালি লৈ মহাসংগমৰ দিশলৈ দ্ৰুতগতিত ধাবিত জ্ঞান আৰু সংস্কৃতি, কাৰণ বৃহত্তৰ নৰতৰ সমন্বয় সাধন অপৰিহাৰ্য চৰ্ত আজি। উদীয়মান সমন্বয়ী প্ৰৱণতাসমূহৰ প্ৰতি শিক্ষায়ো সেয়ে দিব লাগিব পূৰ্ণ সঁহাৰি।

ভাৰতআত্মা বিবেকানন্দই কৈছিল— বহিঃজগতক জয় কৰাৰ কৌশল ভাৰতবৰ্ষই শিকিব লাগিব ইউৰোপৰ পৰা, অন্তৰ জগতক জয় কৰাৰ কৌশল ইউৰোপে শিকিব লাগিব ভাৰতৰ পৰা। ভাৰতীয় আৰু ইউৰোপীয় বুলি তেতিয়া আৰু পৃথক একো নাথাকিব। থাকিব এটা আদৰ্শ মানৱ জাতি— যি জাতিয়ে বহিঃজগত আৰু অন্তঃজগত উভয়কে জয় কৰিছে। মানৱ মহিমাৰ এটা দিশ আমি বিকশিত কৰিছোঁ, তেওঁলোকে কৰিছে অন্য এটা দিশ। প্ৰয়োজন উভয়ৰ সন্মিলন।... শতিকাপূৰ্বেই প্ৰধ্বনিত হোৱা বিবেকানন্দৰ এই অমৰ বাণী শিক্ষাৰ নৱ দৰ্শনত উজলি উঠিছে পুনৰ আকৌ এবাৰ।

মানৱতাবাদীৰ প্ৰসাৰিত চেতনাই যিদৰে আমাক দিয়ে সন্ধানী দৃষ্টি, তেনেদৰে বিচাৰো আমি প্ৰযুক্তিবিদৰ দক্ষতাৰ দীপ্তি। নীতিবাদীৰ শৃংখলাবদ্ধ সংকল্প শক্তিৰ সাধনা যেনেদৰে হ'ব লাগিব শিক্ষাৰ অন্তৰ্ভুক্ত; কালাকাৰৰ পৰিশোধিত কল্পনাও আমাৰ বাবে অপৰিহাৰ্য। বিজ্ঞানীৰ সতৰ্ক, সংশয়ী, মনোযোগী জ্ঞানে যিদৰে আমাক দিয়ে সত্যৰ সন্ধান, আধ্যাত্মবাদীৰ মহৎদৃষ্টি, প্ৰজ্ঞা তথা ক্ৰমবিকাশশীল পূৰ্ণতা অবিহনে অন্বেষী মানৱৰ অখণ্ড

সত্যৰ সাধনা হৈ ৰ'ব অসম্পূৰ্ণ। নৱ বিশ্বৰ বাবে নৱ মানৱ নিৰ্মাণৰ ধাৰণা শিক্ষা ব্যৱস্থাত হ'ব লাগিব সব্যব্যাপ্ত, হ'ব লাগিব আৰু অধিক স্পষ্ট।

অন্য কেতবোৰ শক্তিমান বৈপ্লৱিক প্ৰৱণতাই শিক্ষা জগতলৈ আনিছে ব্যাপক আলোড়ন; সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ গৰ্ৱস্তম্ভ পাঠ্যক্ৰম, বক্তৃতা আৰু পৰীক্ষা পদ্ধতিৰ প্ৰতি সৃষ্টি কৰিছে প্ৰবল প্ৰত্যাহ্বান। পাঠ্যক্ৰম নিৰ্বাচন, অধ্যয়নৰ অগ্ৰগতিৰ মূল্যায়ন শিক্ষাৰ্থীৰ আপোন মৌল অধিকাৰ বুলি গণ্য কৰিছে আধুনিক শিক্ষাৰ নৱ আদৰ্শই। শিক্ষক নিৰ্বাচনৰ অধিকাৰো আনকি ন্যস্ত কৰিব বিচৰা হৈছে স্বয়ং শিক্ষাৰ্থীৰ হাততেই। উদীয়মান এনে প্ৰৱণতাসমূহে ব্যক্তিগত প্ৰভেদ নিৰ্ণয়ত আৰোপ কৰিছে যথাৰ্থ গুৰুত্ব। মনস্তাত্ত্বিক আচৰণ, অধ্যয়নৰ উপাদান অথবা কৃতিত্ব বিচাৰৰ মাপকাঠীৰো পৰিৱৰ্তন সেয়ে হৈ পৰিছে অপৰিহাৰ্য। শিক্ষাৰ্থীৰ মনস্তাত্ত্বিক প্ৰগতিৰ অনুৰূপ নতুন পাঠ্যক্ৰমৰ বাবেও দাবী উঠিছে সৰ্বত্ৰ।

একাগ্ৰতা আৰু ইচ্ছা শক্তিৰ ওপৰত শিক্ষাৰ্থীয়ে যেতিয়া পাব পূৰ্ণ অধিকাৰ, তেতিয়াহে সেই দীপ্তিত আলোকিত প্ৰাণ মনে পাব সংহত শক্তি আৰু স্বচ্ছন্দ গতিৰ সামৰ্থ, তথ্য আহৰণো তেতিয়া আনকি হৈ উঠিব সহজসাধ্য। একাগ্ৰতা আৰু অপ্ৰতিৰোধ্য ইচ্ছা শক্তিৰ জাগৰণ নৱ শিক্ষা পদ্ধতিৰ সেয়ে হৈ পৰিছে গুৰুত্বপূৰ্ণ অংগ। সত্যৰ তাৎপৰ্য সন্ধানৰ প্ৰতি আস্পৃহা শিক্ষা-সন্ধানীৰ আজি মুখ্য সাধনা। সৰ্ব-সমন্বয়ীবোধিৰ আলোকত মৌল চিন্তাৰ প্ৰতিও ক্ৰমশঃ বাঢ়িছে উৎসাহ আৰু উদ্দীপনা। আত্মানুসন্ধান আৰু সৰ্ব বিষয়ৰ সত্য অন্বেষণৰ ব্যাকুলতা উদীয়মান শিক্ষা দৰ্শনৰ নিগূঢ় প্ৰেৰণা। পৃথিৱীৰ প্ৰগতিত ব্যক্তিৰো যে ভূমিকা আছে, সেই সত্যও মৰ্মে মৰ্মে উপলব্ধি কৰিছে সত্য সন্ধানীয়ে। অতীতৰ পৰ্যালোচনা আৰু ভৱিষ্যতৰ উন্মেষ, ব্যক্তিগত আৰু মানৱতাৰ সমষ্টিগত বিকাশ, যুগপৎ অধ্যয়ন, কৰ্ম অভিজ্ঞতা আৰু বৃত্তিৰ উন্মেষ আদি বিষয়কো সেয়ে নৱ শিক্ষাই গুৰুত্ব দিছে পূৰ্ণ মহিমাৰে।

আদিম জৈৱ সংস্কাৰৰ ক্ষুদ্ৰতাৰ মাজত জীৱন নিৰ্বাহৰ অৰ্থহীন পুনৰাবৃত্তি অথবা লক্ষহীন যাত্ৰাপথত মৃত্যুও নহয় জীৱনৰ মহাসত্য। জীৱনৰ অৰ্থ আছে; আছে লক্ষ্য আৰু তাৎপৰ্য। শৰীৰৰ দাবী, প্ৰাণৰ বাসনা, মনৰ কল্পনাবিলাসৰ পৰিধি অতিক্ৰমি অন্বেষী মানৱৰ সন্ধানী দৃষ্টিয়ে সেয়ে পাতনি মেলিছিল সত্য-অন্বেষণৰ অবিৰত অভিযান সেই তাহানি। দীপ্ত অতীত উষা সেই ইতিহাসৰ সাক্ষী। সত্য, জ্যোতি, আনন্দ, স্বতন্ত্ৰতা আনকি অমৃতত্বৰ অধিকাৰ অৰ্জনৰ প্ৰতিও সন্ধানী মানৱাত্মা এদিন হৈ উঠিছিল তীব্ৰ অন্বেষী। আলোক সন্ধানী মানৱে আজি পুনৰ আৰম্ভ কৰিছে জীৱনৰ সত্য সন্ধানৰ নতুন অভিযান; অন্বেষণ কৰিছে জীৱনৰ লক্ষ্য, উদ্দেশ্য আৰু তাৎপৰ্য। যুগ-যুগান্তৰ ধৰি মানৱৰ অবিৰাম, নিৰৱচ্ছিন্ন, অবিশ্ৰাম এই অন্বেষণৰ নাই কোনো আদি, যেন নাই কোনো অন্ত। দেহ, প্ৰাণ, মন, অন্তৰাত্মা আৰু অধ্যাত্মৰ সৰ্বদিশ সাঙুৰি প্ৰসাৰিত চেতনাৰে উদাৰ-অন্বেষীয়ে উভতি দৃষ্টি দিছে পূৰ্ণ শিক্ষাৰ (Integral Education) প্ৰতি। সন্ধানী মানৱৰ দৃষ্টিত পূৰ্ণ মানৱ গঢ়াৰ নিগূঢ় অথচ সত্য আস্পহা নৱ প্ৰেৰণাৰ আলোকেৰে উঠিছে উজলি আকৌ এবাৰ। মানুহেই যে মানৱীয় শিক্ষাৰ সৰ্বোৎকৃষ্ট বিষয়, সেই সত্যও পূৰ্ণ মহিমাৰে হৈ উঠিছে ভাস্বৰ। পূৰ্ণতৰ, পূৰ্ণতম ভৱিষ্যতৰ প্ৰতি মানৱৰ এই যে আস্পৃহা, মানৱৰ আদৰ্শবোধৰো মূলতে দৰাচলতে নিগূঢ় হৈ আছে তাৰেই প্ৰেৰণা। সমৃদ্ধ অতীতৰ বহু উষা পাৰ হৈ পৰাক্ৰমী বৰ্তমানকো আনকি অতিক্ৰমি সমৃদ্ধতৰ ভৱিষ্যতৰ প্ৰতি সম্প্ৰতি লেলিহান হৈ উঠিছে মানৱৰ আস্পৃহা, নেপথ্যৰ পৰা মহাপ্ৰকৃতিয়েই মানৱ মনত প্ৰজ্বলিত কৰিছে দুৰ্নিবাৰ সেই আকাংক্ষা।❑

*উৎস ঃ শিক্ষাবিদ, পণ্ডিচেৰীৰ শ্ৰীঅৰবিন্দ আশ্ৰমবাসী কিৰীট যোশীৰ A Philosophy of Education for the Contemporary Youth শীৰ্ষক গ্ৰন্থৰ পৰাই এই প্ৰবন্ধৰ বিষয়বস্তুৰ অধিকাংশ গ্ৰহণ কৰা হৈছে।(৯৯৫৪০-৫৮০০৮, ৯৫০৮২-৮০০৮৪)*





# ভেৰিঅ'ব'লচ্

✍ ডাঃ নমিতা বৈশ্য
সহকাৰী অধ্যাপিকা
শল্য বিভাগ, চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়

**এ**ন্ধাৰৰ টোপোলা লৈ ওলাই আহিছে সন্ধিয়া। এন্ধাৰবোৰ গাঢ় হোৱাৰ লগে লগে গাঢ় হৈ উঠিছে নিসংগতাও। ষ্ট্ৰীট লাইটবোৰ জ্বলি উঠিছে। হালধীয়া পোহৰখিনিয়ে এন্ধাৰখিনিৰ পৰা সুকীয়াকৈ এটা পোহৰৰ ত্ৰিভুজ সাজি লৈছে। পোহৰৰ ত্ৰিভুজ এৰি দীঘল ৰাস্তাটোৰ ওপৰেৰে গাড়ীবোৰ দৌৰি আছে। ক'ব নোৱাৰাকৈয়ে গাড়ীৰ পোহৰবোৰো যেন দুভাগত ভাগ হৈ গৈছে। দূৰলৈ ধাৱমান গাড়ীবোৰৰ ক্ৰমশঃ অপসৃয়মান তীব্ৰ ৰঙা পোহৰ আৰু আগবাঢ়ি অহা গাড়ীবোৰৰ বিচ্ছুৰিত হালধীয়া পোহৰ। দূৰত মন্দিৰত বাজি উঠিছে— ঘণ্টা ধ্বনি। ক'ৰবাত ৰাগ এটাও গুণগুণাই গুণগুণাই নোহোৱা হৈ গৈছে নেকি? — ৰাগ দৰবাৰী নে ভৈৰৱী?

কাৰোবালৈ যেন মনত পৰিব খুজিছে। কিবা এযাৰ ক'বৰ মন গৈছে। বুকুখনত হাত দি চালে মনিষাই। গধূৰ গধূৰ ভাব। কিবা এটা যেন হেৰাই যোৱাৰ অনুভৱ।

তলৰ পৰা হুলস্থূলৰ শব্দ ভাহি আহিছে। তাই দৌৰি আহিল—

'কি হ'ল?' — তাই সুধিলে।

— বৌৰ হাতত এছাৰি। মজিয়াত ভঙা আইনাৰ টুকুৰা। ভাগি যোৱা নেক্সট ছিগনেচাৰ পাৰফিউমৰ অসহ্যকৰ সুগন্ধ।

'ৰং?' — তাই ইফালে-সিফালে চালে। ৰং— দুখন ছোফাৰ মাজৰ ঠেক অংশটোত সোমাই আছে। আউল-বাউল চুলি, উদাসীন চাৱনি—

'চাওঁ, ৰং, ইফালে আঁহা'।

'কোবাই ঠাণ্ডা কৰিম তাক আজি'— বৌৱে কৈছে।

'তুমি যোৱাচোন'— তাইৰ মাতটো চাগে প্ৰয়োজনতকৈ বেছি কঠোৰ হ'ল। বৌ গৰগৰাই উঠিল — 'চব তোমালোকৰ কাৰণে... তুমিয়েই তাৰ মূৰটো খালা...'

—ভোৰভোৰাই ভোৰভোৰাই গুচি গ'ল বৌ।

এক অন্তহীন শূন্যতাৰ অনুভূতিয়ে মেৰিয়াই ধৰে তাইক। কথাবোৰ ছাগে তেতিয়াই বেছিকৈ গাত লাগে, যেতিয়া কৰবাত মানুহে নিজেও কথাষাৰ শুদ্ধ বুলি বিবেচনা কৰে। মুহূৰ্ততে অকল ৰঙৰ দুষ্টামিৰ বাবেয়ে নহয়, পৃথিৱীৰ সমস্ত লোকৰ সকলো দুৰ্ভাগ্যৰ বাবে তাইৰ নিজকে জগৰীয়া যেন বোধ হ'ল—

'আচল কথাটোহ'ল ভেৰিঅ'ব'ল'। ষ্টেটিচষ্টিকচৰ কাৰণে ভেৰিঅ'ব'ল যিমানে জৰুৰী, জীৱনৰ কাৰণেও ই সিমানেই জৰুৰী। আ ষ্টেট অব্ অল্ৰেজ চেঞ্জিং— নহয়নে, কচোন?'— ৰুদ্ৰই কয়। ভৰি নচুৱাই নচুৱাই।

'হয় নেকি।'— তাই কয়।

'হয় নেকি।' নহয়, হয়েই। যি পৰিৱৰ্তনশীল নহয়, সি জীৱিত হ'ব নোৱাৰে। স্থিত প্ৰায়তাই সকলোকে মৃত্যুৰ

মুখলৈ লৈ যায়— সেয়া বস্তুৱেই হওক, জীৱন অথবা পৃথিৱী। — যেনে ঃ সংস্কৃত। 'সংস্কৃত'ৰ বিষয়ে এটা ইণ্টাৰেষ্টিং ফেক্ট কি জান, — তাই মূৰ জোকাৰে। 'নাজানো'।

'ইমান এফিচিয়েণ্ট, কেলকুলেটিভ আৰু ইমান ঐতিহ্যময় হোৱাৰ পাছতো— ই আজি এটা মৃতভাষ কিয়?'— হোৱাই?

উত্তৰ বিচাৰি ৰুদ্ৰই চাই থাকে তাইৰ মুখলৈ।

তাই কলমটোৰ সাঁফৰটো খোলে, বন্ধ কৰে। খোলে বন্ধ কৰে। খোলে...

'কি?— ৰুদ্ৰই সুধিছে।

'কি-কি?

'এই যে সুধিলো?'

'মই কি জানো।'

'লেক্ অব্ এডাপ্টিবিলিটি।' অৰ— ভেৰিয়েবিলিটি।

'পৰৱৰ্তী সময়ৰ লগত চেঞ্জ হ'ব নাজানিলে অথবা নুখুজিলে। হেৰাই গ'ল এটি উন্নত ভাষা। গতিশীল হ'ব নোৱাৰিলে চব শেষ। ফিনিছড।'

'এইবোৰ ফৰ্মুলা— তোৰ নিজৰ?'— তাই সোধে

'নহয়। ছাৰৰ, কিশোৰ ছাৰৰ। জান, ছাৰে যেতিয়া ক্লাছত ষ্টেটিছষ্টিকচ্ পঢ়াইছিল, আমি কবিতা শুনাদি-শুনিছিলো। কেনে গভীৰতা, সাৰলীলতা আৰু একনিষ্ঠতা। তেতিয়াই ভাবিছিলো শিক্ষক হ'লে— ছাৰৰ দৰে হ'ম।'

আৰু ক্লাৰ্ক হ'লে...?

'তোৰ দৰে— হাঃ হাঃ হাঃ'

'ভেৰি ফা-নি'— ভেৰী শব্দটোত বেছি জোৰ দি কৈ উঠে তাই...

আৰু শুন... ৰুদ্ৰ উঠি গৈ আকৌ উভতি আহিছিল 'এই যে পৃথিৱীখন ঘূৰি থাকে সূৰ্য্যৰ আশে-পাশে— চন্দ্ৰটো ঘূৰি থাকে পৃথিৱীৰ আশে পাশে— মই ঘূৰি থাকো— তোৰ আশে পাশে— এইবোৰ কিহৰ কাৰণে ক'—

'ভেৰিয়েবিলিটি?'

'ধূৰ— ভালপোৱা।

ৰুদ্ৰ গুচি গৈছে। হাঃ হাঃ হাঃ কৈ হাঁহিটো এৰি থৈ গৈছে। খিৰিকীৰে বাহিৰলৈ চাই বৈ থাকে তাই। গোল, কমলাবুলীয়া বেলিটো আকাশৰ এটা কোণত গোট মাৰি বৈ আছে। এই বেলিটোক কেন্দ্ৰ কৰিয়েই ঘূৰি আছেনে পৃথিৱীখন? সঁচাকৈয়ে কি সেয়া ভালপোৱা? নে স্থিতিস্থাপকতাৰ ভয়? হেৰাই যোৱাৰ ভয়? এটি বিন্দুক কেন্দ্ৰ কৰি পৰিভ্ৰমণ কৰা সকলো গতি ভালপোৱাৰ দিশলৈ নহ'বওতো পাৰে। কিন্তু কি ঠিক?— হ'বও পাৰে। এনেয়ো দেখোন সকলোবোৰ খেলিমেলি। সময়, মানুহ, সৌৰৱণী, ছাঁ-পোহৰ-সকলো। ক'ৰবাত যে আঁত এডাল লাগি থাকে— ইটোৰ লগত সিটোৰ।

'থাকে নেকি?'— তাই সুধিছিল

'ধেৎ নাথাকে।' — ঋতুৱে কৈছিল। 'কিন্তু কি ঠিক? থাকিবওতো পাৰে।' — তাইৰ মুখলৈ চাই সি কৈছিল আৰু পিছমুহূৰ্ততে হাঁহি দিছিল।

সেই যে আঁতডাল। আঁতডাল ধৰিয়ে মনলৈ আহি যায় ঋতুও—

শিল দিয়া কেঁচা ৰাস্তাটো, দুপাৰৰ বিস্তাৰিত পথাৰ, অ'ত ত'ত দুই এটা ঘৰ, দূৰৈৰ পাহাৰখন, আকাশ ঢাকি উৰি যোৱা জাক জাক বগলী আৰু দূৰ দিগন্তলৈ দেখা যোৱা স্বচ্ছ নীলিমা...

আমৰ গছেৰে ভৰা গেজেপা লগা হাবিখনলৈ চাই চাই সিহঁতে ভূতৰ কথা পাতে। আকাশলৈ মুখ কৰি মুকলি পথাৰত শুই যোৱা সময়বোৰত, গধূলিতে ৰাতিৰ নিঃশব্দতা নামি অহা পদূলিবোৰত, গোটেই ৰাতি টিঙৰ চালত নিয়ৰ সৰাৰ টুপ্ টুপ্ টুপ্ টুপ্ শব্দবোৰত, নিৰৱ নিশাৰ মাজনিশা টিলিঙা বজাই পাৰ হৈ যোৱা যদু খুৰাৰ চাইকেলখনৰ শব্দত, চুবুৰীটোৰ ইপাৰৰ পৰা সিপাৰলৈকে বৈ যোৱা ৰূপেই আতিৰ নামঘোষাৰ পদবোৰত, অথবা হঠাতে সাৰ পাই যোৱাৰ পাছত টোপনি নহা জয়াল ৰাতিবোৰত ভূতৰ ভয় যিমানে আছিলে ঋতুৰ সৌৰৱণীৰ গোন্ধও সিমানেই নাছিলে



ৰঙিয়া মহাবিদ্যালয়ৰ ৪৭তম আলোচনী

নে?

'গাঁৱলৈ যাব পৰা হ'লে।' মায়ে কয়— মাজে মাজে।

'কিনো অনবৰতে গাঁও গাঁও কৰি থাক? — কি আছে, গাঁৱত... মা?

দাদাই ওলটাই সোধে...

'চব পলিটিক্স।'

সেই সময়ত মাৰ নিৰ্বাক নীৰৱ চাৱনিটোৰ অৰ্থ তাই যিমান বুজি পায়, সিমানেই বুজি পায় দাদাৰ বিৰক্তিৰ কাৰণটোও—

অকল আজি ৰাতিটো—

— মোহন দাই কয়। মই ঘৰলৈকে লৈ গ'লো হয়, কিন্তু পুলিচ আহিব পাৰে।

সেয়া 'মোহনদা' নোহোৱা হোৱাৰ বহুত দিন পাছৰ কথা—

'হ'ব, কিনো।'— পাঁচজন মানুহে ৰাতি ভাত খাব আৰু থাকিব। কিনো ডাঙৰ কথাটো হ'ব?

'পিছে— দাইল-ভাতহে খাব লাগিব। আজি আকৌ একো এটা নাই।'— মায়ে কৈছিল।

'হ'ব খুৰী। কেতিয়াবাতো আমি জংঘলত গছৰ পাত খায়েই থাকো।

দাইল ভাত হ'লেও মাকে ভালদৰেই ৰান্ধিছিল ভাতসাজ। ৰঙা আহু চাউলৰ ভাত, মাটি মাহৰ দাইল, সৰু আলু ভাজি, বেঙেনা পোৰা, হাঁহকণীৰ ভাজি...

তাৰপাছত...

তাই বুজে, দাদাকৰ আক্ৰোশৰ কাৰণ। এই ঘটনাটোৰ কাৰণে সিহঁতৰ ঘৰখনে, দাদাকে, দেউতাকে যি কষ্ট খাবলগীয়া হ'ল, সেইটো ডাঙৰ কথা নহয়— ডাঙৰ কথাটো হ'ল সেই মোহনে কেতিয়াও এবাৰৰ কাৰণেও খবৰ এটাও নকৰিলে। জংঘলত থাকোতেও, জংঘল এৰি আহোতেও—

মাজতে মহিম দোকানীৰ ঘটনাটো অহুকাণে পহুকাণে ওলাইছিল। ঘটনাটোত হেনো জড়িত আছিল মোহনেই।

মতাদৰ্শৰ অমিল হ'ব পাৰে কিন্তু সেইবুলিয়েই?... সাবিত্ৰী বৰমাৰ বুকুৰ চিঞৰটো বহুদিনলৈ গাঁওখনত জাগি আছিল।

'কালি দেখিছিলো তাক— হুণ্ডাচিটি লৈ আহিছিল। এতিয়া ডাঙৰ মানুহ। মোহন নোহোৱাকৈ গাঁৱত একো কামেই নহয়। নামঘৰটোও নতুনকৈ বনাই দিছে, বিহু ফাংচনৰ গোটেইখিনি টকা স্পনছৰ কৰিছে, আৰু...

কথাযাৰ আধা শুনাকৈয়ে মা ৰুমৰ পৰা ওলাই যায়। তাই দাদালৈ চাই হাঁহে... লাহেকৈ।

'ক'ত দিখিলি?'... তাই সোধে—

'কি?'

'তাক?'

'দেখিলো আৰু।'

'ময়ো দেখিছিলো'

'তই?'

'ও'

অফিচৰ পৰা অহাৰ বাবে বাছষ্টেণ্ডত বৈ আছিল তাই। সন্মুখত ৰঙা ৰঙৰ ধুনীয়া গাড়ী এখন— গাড়ীৰ ভিতৰত? 'আ ঐ দেহি'— ইমান ধুনীয়া ছোৱালীও থাকেনে? — তাই ভাবিছিল— 'ঠিক যেন, সোণাৰু ফুলৰ বৰণ' — তাই চায়েই আছিল। হঠাতে সোফালৰ দৰ্জাখন গাড়ীৰ ভিতৰত আহি বহা মানুহজন দেখি থৰ হৈ ৰৈ গৈছিল তাই—

ইছ্, ইমান নিৰ্মম আৰু নিৰ্দয় লাগিছে। সময়ে নৃশংসতাৰ দাগ চেহেৰাত ৰাখি থৈ যায় নেকি?

কি ঠিক।

ফোনটো বাজি উঠিছে—

'অ' ৰুনি, ক'—

'কি কৰিছা?'

'একো নাই'—

'একো নাই— মানে?'

'বিছনাত পৰি পৰি ভূ-ভাৰস্তৰ কথা চিন্তা কৰিছো— ৰঙক টোপনি নিয়াবলৈ চেষ্টা কৰিছো।'

'ভূ-ভাৰস্তৰ কথা চিন্তা কৰিবলৈ বাদ দে। তোৰ নিজৰ কথা চিন্তা কৰ—'

'ভূ-ভাৰস্তৰময়ো এটা অংশ নহয় জানো।'

'সাহিত্যবাদ দে—' আৰু শুন, — ৰুনিয়ে কৈছে, 'তোৰ সেই চিৰঞ্জীৱটো বিয়া কৰোৱা মানুহ দেখোন—

'তাতে?' — মনিষাই সুধিছে।

'তাতে মানে—?'

'মই কি তেওঁৰ লগত বিয়া হ'বলৈ গৈ আছো নেকি?

'তেন্তে তাৰ লগত ইমান কথা কিহৰ?'

'কোনে ক'লে তোক— ইমান কথা হৈ আছো বুলি—

'মই তাৰ প্ৰফাইল চেক কৰিছো। তাৰ প্ৰতিটো প'ষ্টৰ তলতে তোৰ ইমান লম্বা লম্বা কমেণ্ট যে— ফাটা ফাটা লেকচাৰ...

'বাপৰে... তই মেচেঞ্জাৰো চেক কৰিছ নেকি?'

'তই মেচেঞ্জাৰতো আছ নেকি— তাৰ লগত?'

এইবাৰ সশব্দে হাঁহি দিয়ে— মনিষাই।

'তোক প্ৰতুলে এৰি দিলে নেকি?' 'প্ৰতুলৰ পাছত লাগিব এৰি তই মোৰ পাছত লাগি আছ যে?'

'যি কৰ কৰি থাক—' কৈয়ে ফোনটো কাটি দিলে ৰুনিয়ে।

সময়বোৰ গৈ থাকে... একেই বিবৰ্ণ আৰু শামুকীয়া গতিৰে। গৈ থাকেনে ৰৈ থাকে? কেতিয়াবা তাই ভাবে। একো সলনি নহয় যে। সময় তাইৰ বাবে এটি 'ভেৰিঅ'ব'ল' নহয় নেকি? ঘৰ-অফিচ, শৰীৰ-মন, সকলোতে যে এক ধৰণৰ আড়ষ্টতা। ৰঙৰ চিঞৰ-বাখৰ-উৎপাতবোৰ, বৌৰ খেচ্‌খেচনি, দাদাৰ বিৰক্তি আৰু মাৰ দুখবোৰ একেই থাকে—একে গতি—একেই দ্ৰুতি। অফিচৰ একেসোপাই ফাইল, ৰুদ্ৰৰ অযথা বক্‌বকনি, বৰাদাই 'লাঞ্চ টাইমত লৈ অহা খবৰবোৰ—

'এইটো ল'ৰা চোৱাচোন— দেখাত বেয়া যেন লগা নাই দেখোনা।' — বৰাদাই সোধে— তাইক। ৰুদ্ৰ আহি কাষত বহে—

'ফটো দেখি কেনেকৈ গম পাব, ভাল নে বেয়া—' ৰুদ্ৰই কয়।

'অনুমান এটা কৰিবই পাৰি দিয়াচোন— বৰাদাই কয়।

'কথা এটা অনুমান কৰা আৰু কথাটো সঁচাকৈ হোৱাৰ মাজত তফাৎ আছে। এই ধৰক 'ষ্টেণ্ডাৰ্ড এ'ৰৰ'...। আমি এজুঅ'ম কৰিছো কিবা এটা আৰু ৰিজাল্ট ওলাল কিবা এটা। এই যে মাজৰ পাৰ্থক্যখিনি— সেইখিনি ভুল। এই ভুলটো যিমানেই বাঢ়ি যাব... সিদ্ধান্ত এটা শুদ্ধ হোৱাৰ সম্ভাৱনা সিমানেই কমি যাব...। ষ্টেণ্ডাৰ্ড এ'ৰ'ৰ...

'বাদ দিয়াহে— তোমাৰ ষ্টেণ্ডাৰ্ড এ'ৰ'ৰ। বৰাদাৰ খং উঠিছে। পাৰা যদি মনিষাৰ বাবে তুমিয়েই আনি দিয়াচোন, এশ শতাংশশুদ্ধ কোনোবা ল'ৰা এটাৰ খবৰ...

ৰুদ্ৰই থত্‌মত্ খাই গৈছে। অলপ সময়ৰ বাবে।... তাৰ পাছত আকৌ তাৰ সেই একেই উদ্যম— Value ৰ প্ৰবেবিলিটি'ৰ ওপৰত। মানে ধৰক মই কৈছো 'ল'ৰাজন বেয়া', আপুনি কৈছে ল'ৰাজন ভাল।'

এতিয়া আপোনাৰ সিদ্ধান্তটো ভুল হোৱাৰ সম্ভাৱনা যদি এহেজাৰ ভাগৰ এক ভাগৰো কম হয়, তেতিয়া হ'লে এইটো প্ৰমাণিত হ'ব যে ল'ৰাজন ভাল... ৰিজাল্ট ইজ ছিগনিফিকেণ্ট'— মানে P Value যদি <.001 হয়—

'হেই, মনে মনে থাকাহে'— বৰাদাই ফটোখন থেকেচা মাৰি থৈ ওলাই গৈছে—

ৰুদ্ৰই হাঁহি দিছে।

মনিষাই ও।

ফোনটোত টংকৈ শব্দ এটা হৈছে। অফিচৰ বাহিৰৰ বাৰান্দাখনলৈকে ওলাই আহিছে— তাই।

'ব্যস্ত আছে?'— মেচেঞ্জাৰত ভাহি উঠিছে শব্দকেইটা





'নাই'—

'ছবি এখন আঁকিবলৈ লৈছিলো।' — 'আবেলিৰ আকাশখনৰ' — ক'লে চিৰঞ্জীৱ মহন্তই

'আঁকিলে?'

'নাই। আকাশৰ ছবিখন আঁকিবলৈ গৈ লাগিলে— আকাশখনৰ মাজত যেন মইয়েই হেৰাই গৈছো'—

সকলোৰেতো ক'ৰবাত নহয় ক'ৰবাত হেৰায়েই ন'— তাই ক'লে— নিজক কোৱাৰ দৰে

'আপুনিও?'

'কি?'

'আপুনিও এইদৰে হেৰায়?' — তেওঁ সুধিছে।

তাই ৰৈ থাকিল। সেইদৰে— আঁৰ-পাৰ নোহোৱা, দিক-বিদিক হীন মৰুভূমি এখনৰ মাজত মানুহ ৰৈ যায় যিদৰে—

একো ন'কলে—

'মইতো এনেকৈ হেৰাও, যে কেতিয়াবা নিজক বিচাৰিয়েই নাপাওঁ'—

কিছু সময়ৰ নিস্তব্ধতা। ইপাৰেও-সিপাৰেও...

মেছেঞ্জাৰৰ সেউজীয়া লাইটটো নুমাই গৈছে। তেতিয়াও তাই ৰৈ থাকিলে— একেদৰেই...

'লাটুদা।'— ঘৰলৈ আহি জাঁপ মাৰি উঠিছে তাই।

'অকলে আহিছা?'

'অ'

'বৌ'

'এই বুঢ়াৰ লগত নাহে বোলে।'

তাই হাঁহিলে।

'চুলিখিনি ৰং কৰি লোৱা। পিছে পিছে দৌৰিব।'

'কৰো অ'। ৰাতিপুৱা বঢ়িয়াকে ৰং কৰি ওলাই যাওঁ। এই 'পেচেণ্টৰ এটেণ্ডেণ্ড' মখাই কথা সুধি সুধি গধূলিলৈ আকৌ বগা কৰি পঠাই দিয়ে।'

'আৰু বৌ...? বৌৰখিনি কেনেকৈ ক'লা হৈ থাকে? এটেণ্ডেণ্ড বৌক দেখা নাপায় নেকি?...

— 'নাপায়তো। বৌৱে পেথল'জিষ্টহে। ঘৰৰ ভাত-পানী খাই সাজি-কাচি আৰামচে ওলাই যায়, মোক বুঢ়া গাড়ীখন দি 'ডাষ্টাৰ'খন নিজে লৈ যায়— চলাব যে নাজানেই। ৰাস্তাৰ গোটেইসোপা গাড়ীক খুন্দিয়াই কেল্‌ধপ কেল্‌ধপকৈ গৈ থাকে।

— হস্পিতালত নামি কাগজকেইখনমানত খচ্‌খচ্‌কৈ চহী কৰে আৰু ওলাই আহে। আহোতে আৰু এবাৰ 'পাৰ্লাৰ'ত সোমাই আহে। বেচেৰা পেচেণ্টে গমেই নাপায়— ডাক্তৰেই গ'ল নে, মডেলেই গ'ল...

'বৌক ফোনটো লগাওঁ নে?...'

'নালাগে দে। ঘৰৰ আভ্যন্তৰীণ বিষয়সমূহ বাহিৰত ফাদিল কৰাৰ দোষত মোৰ ওপৰত ঘৰদ্ৰোহীতাৰ কেছ হ'ব পাৰে। গতিকে 'যাবৎ জীবেৎ সুখং জীবেৎ'—

সশব্দৰে হাঁহি এটা বাগৰি যায়—

'মাইনা, জেঠীমা?'— তাই সোধে।

'চব ভালে আছে। তোৰ খবৰ ক'...

'কি খবৰ হ'ব আৰু তাইৰ?'

— তাইৰ হৈ মাকে উত্তৰটো দিয়ে 'তাইৰ লগৰ ৰুনি-প্ৰতুলৰ ছোৱালী গৈ হাইস্কুল পালেগৈ। 'তহঁতেও ল'ৰা এটা চাই নিদিলি?'

— মাকৰ শেষৰ শব্দকেইটা এটা অভিযোগ যেন হৈ পৰে— আৰু অভিযোগৰ শেষত, এটা হুমুনিয়াহ...

'টিভিটো কমাই দিয়া ৰং'— তাই ৰঙক ডবিয়ায়।

'এই ফুলকুমলীয়া বয়সতে এইক বিয়া দিবলৈ তোমাক কিহে পাইছে? — 'মাহী'... লাটুদাই কয়।

'কিমান বয়স অ'... তোৰ... মনি?

তাই হাঁহে.... 'সাতত্ৰিশ'...

'এয়া। সাতত্ৰিশ বছৰ হৈছেহে। নালাগে তই এতিয়াই বিয়া হ'ব... মনি। এয়া তোৰা খেলা-ধূলা কৰাৰ বয়স— 'লাইফ ষ্টাৰ্টছ এট্ ফৰটি'।

'কব নোৱাৰো, বোপাই। তহঁতে এইবোৰ কি কৰ— । বুঢ়া হৈছো। কোনোবাদিনা ফট্‌কে মৰি যাম।

— মাৰ পুৰণি কৌশল— সহানুভূতি আদায়ৰ বৃথা চেষ্টা...

বৌৱে চাহ লৈ আহে। ফুলা ফুলা লুচি আৰু আলু ভাজি—

'বাপৰে... আৰু নাই নেকি?' প্লেটখনলৈ চাই সুধিছে লাটুদাই।

'কি?' — বৌৱে সুধিছে।

'লুচি'—

'আছেতো। আৰু লাগিব?'

'দিয়ক। খাই দিও। পেটটো ঢোল হৈ গ'লে— আকাশেদি উৰি যাম। 'ফ্লাইট'ৰ খৰচটো বাচি যাব।'

'আপুনিও যে।'... বৌৱে লাজ কৰিছে— 'তিনিখন লুচি হে'।

'তাকেইতো কৈছো। আৰু দুখন দিয়ক। ভিতৰত এয়াৰ প্ৰেচাৰটো ভাল হ'লে— উৰিবলৈ ভাল হ'ব।'

— বৌৱে হাঁহিছে...

— দাদাই হাঁহিছে...

— মা আৰু মনি...

মজিয়াত থন্‌থন্‌কৈ শব্দ হৈছে— ৰঙে চকীত উঠি খোৱা মেজৰ পৰা বস্তুবোৰ তললৈ দলিয়াইছে।

— আচাৰৰ প্লাষ্টিকৰ বটল, চ'ফৰ পেকেট, প্লেটৰ তলত পাৰি দিয়া ক'ভাৰ।

বৌৱে তঁতাতৈয়াকৈ দৌৰি গৈছে।

'দেশৰ পৰিস্থিতি খুবেই জটিল— অন্ততঃ টিভিৰ প্ৰাইম নিউজবোৰ চাই তেনেকুৱাই লাগিছে। টিভিৰ ষ্টুডিঅ'ত চিঞৰ-বাখৰ... হুলস্থুল। এংকৰজন শান্তিত বহি থাকিব পৰা নাই। তেওঁ বাৰে বাৰে উঠি আহে। হাত-ভৰি, মুখৰ সঞ্চালন সকলো সমানেই চলিছে। কিবা যেন এখন ঐতিহাসিক নাটক চাই আছে— সকলোৱে তেনেকুৱাই বোধ হৈছে। কিন্তু নিচা... নিচাৰ দৰেই সকলোৱে টিভিটোৰ ফালে চাই আছে—

লাটুদাই মাজে মাজে ৰঙলৈ চাইছে। মুখৰ কথাখিনি বাদ দি ৰঙৰ বাকী অংগ সঞ্চালন চুলিৰ সেই 'এংকৰ'জনৰ দৰেই...

'ৰঙে কথা কয় নে নকয়?'... 'লাটুদা'ই হঠাতে সুধিছে দাদাক...

কয়তো... দাদাই ক'লে—

কি কয়?

কিবাকিবি...

কিবাকিবি মানে?

'কিবাকিবি মানে... মানে... দাদাৰ মুখত অসহজতা। সি তাইৰ মুখলৈ চাইছে।

'মা, ভাত খাম— চকলেট দিয়া— দুখ পাইছো— এই ধৰণৰ...

— লাটুদাই সুধিছে...

নাই... তেনেকৈতো নকয়...

'তাৰ বয়স... তিনি?'

'নহয়— চাৰি।'

'ৰং... লাটুদাই মাতিছে।

'ৰং... এইবাৰ আৰু জোৰকৈ।

'ৰং... চোৱা বৰতাই মাতিছে।

ৰঙে চোৱা নাই...

'কথাবিলাকত মনোযোগ দিয়েনে সি?'

তাই তেতিয়া ভাবিছে— সঁচাকৈয়ে ৰঙে কথাবিলাকত গুৰুত্ব দিয়ে জানো? ৰং... ৰং... ৰং...— তাই মাতিছে... দাদায়ো। এবাৰত সি ঘূৰি চালে আৰু হাঁহি দিলে। সূৰ্যমুখীৰ ফুল এপাহ হঠাতে ফুলি উঠাৰ দৰে লাগিল।

'মোৰ বন্ধু এজন আছে ইয়াতে... ডাঃ ভাস্কৰ বৰা। ৰঙক এবাৰ দেখুৱাই দেচোন। মই ফোন কৰি থম।'

নিউজ চেনেলৰ হুলস্থুলবোৰ শেষ হৈছে। এতিয়া কিবা এটা গোমা গোমা ভাব।

ফাগুন মাহ। নিস্তৰংগ গতিৰে সময়বোৰ গৈ থাকে— ক'তো যেন একো নঘটে। এনে লাগে... গছৰ পাত এটাও... যেন নলৰে। ৰ'দ জাকেও যেন ৰঙা হ'বলৈ পাহৰি থাকে। গোমা গোমা, উদাস উদাস সময়বোৰ—। শুকান, ধূলিময় পথবোৰ—

বনবোৰতো সেউজীয়া নাথাকে... মনবোৰতো...

তেনেতে কেতিয়াবা মেছেঞ্জাৰৰ সেউজীয়া লাইটটো জ্বলি উঠে—

'আজি আবেলি বহি আছিলো, নৈ এখনৰ পাৰতে। নৈৰ পাৰত ওখকৈ গৰা। কাষত এখন উদং নাও বান্ধি থোৱা আছে। নৈখন বৈ আছে অকলে অকলে। চাৰিওফালে হিয়া ধুনি নিয়া নৈঃশব্দতা। কিয় জানো এনেকুৱা লাগিল— চিৰদিন এইদৰে বৈ আছিলো নেকি... মই?' কাৰোবাৰ অপেক্ষাত—

— তেওঁ কৈছে।

'আমি প্ৰত্যেকেইটো অপেক্ষাত থাকো... কাৰোবাৰ, কিহবাৰ... আজীৱন। ভাবি চাওকচোন, যিদিনা এই অপেক্ষা— শেষ হ'ব, জীৱনটো কেনেকুৱা হ'ব...।'

— 'আপোনাৰ অনুভৱবোৰো একোটা শিল্পৰ দৰে'...

'আমি আপোনাৰ দৰে শিল্পী নহওঁ'— তাই লিখে...

'কিয় নহ'ব?' যি অনুভৱী— তেৰেই শিল্পী— তেওঁ কয়—

'অনুভৱনো আৰু কি? যিবোৰ অনুভৱে আমাক অনবৰতে আলোড়িত কৰি থাকে, সেই অনুভৱবোৰ প্ৰকাশ কৰোতেই আমি সবাতোকৈ কৃপণ। সেই কথাবোৰ কোৱা নহয়— সেই কথাবোৰ শুনা নহয়— বহুত কথাৰ মাজত হেৰাই যায় সেই কথাবোৰ—

কিজানি... আমি চাগে সেই শব্দবোৰৰ অপেক্ষাতেই থাকো—

কিছুসময়ৰ নীৰৱতা—

'আপোনাক কথা এষাৰ কওঁ'— তেওঁ সোধে

'নালাগে, দিয়ক।— তাই কয়... হঠাতে...

'ঠিক আছে, বাই'...

খত্‌খত্‌ শব্দৰ পাছত স্ক্ৰীণত জিলিকি উঠে শব্দকেইটা।

'বাই'...

নুমাই যোৱা সেউজীয়া লাইটটো পুনৰ জ্বলি নুঠে।

তাৰ মাজতে— 'বৰাদা'ই আৰু কেইটামান নতুন খবৰ আনে।

'ইয়াৰ বয়স বত্ৰিশ বৰাদা। মোৰ সাতত্ৰিশ। এই পেন্দুকণাটোৰ লগত মই কিয় বিয়া হ'ম?'

'আজিকালি বয়সটো ইমান ডাঙৰ ইছ্যু নহয়। নে কি কোৱা ৰুদ্ৰ? তোমাৰ হাতত কিবা ষ্টেটিচ্‌ষ্টিক্স আছেনে?'— বৰাদাই সোধে—

'সেইটোহয়'— ৰুদ্ৰই কয়।

'কোনটো?' — তাই সোধে—

'বয়সটো। বয়স ইমান ডাঙৰ ইছ্যু নহয়'...

'এয়া চোৱা, ৰুদ্ৰইও কৈছে— বৰাদাই কয়...

'কিন্তু কথাটো হ'ল'— বৰাদাৰ কথাৰ মাজতেই ৰুদ্ৰই আৰম্ভ কৰে। 'ৰিগ্ৰেচন এনালাইচিচ্'— ধৰা হওঁক, বয়স ইয়াতে এটা ডিপেনডেণ্ড ভেৰিঅ'বল'— এতিয়া এই ডিপেনডেণ্ড ভেৰিঅ'বল'ৰ লগত আন এটা ইণ্ডিপেনডেণ্ড ভেৰিঅ'ব'ল— সম্পৰ্কৰ গাঢ়তা— আমি এনালাইচিচ্ কৰি উলিয়াব লাগিব।

এতিয়া এই দুটা ভেৰিঅ'ব'লৰ মাজত আমি চাব লাগিব 'ষ্ট্ৰেংথ অব ৰিলেশ্যনশ্বিপ' আৰু লগতে 'ফিউচাৰ ৰিলেশ্যনশ্বিপ'ৰ এটা আৰ্হি আমি তৈয়াৰ কৰি উলিয়াব লাগিব—

'ধেই... এইডাল।' — বৰাদাৰ খং উঠিছে, ভীষণ। গুলীটো যোৱা দি উঠি গুচি গৈছে।

তাইৰ স্থিৰ দৃষ্টিৰ সন্মুখত অস্থিৰ হৈ বৈ গৈছে ৰুদ্ৰ। ভৰি নচুৱাই নচুৱাই বৈ আছে সি— এই অস্থিৰতাৰ অৰ্থ তাই বুজি পায়...

একেই অস্থিৰতাৰে তাই ফোন লগাইছে— 'লাটুদা'ক

'এ ডি এইচ ডি... কি?

'কাৰ?— ৰঙৰ?'— লাটুদাই সুধিছে—

‘ও’

‘এটেনচন ডেফিচিট হাই পাৰ এক্‌টিভিটি ডিজ্‌অৰ্ডাৰ—

‘মই চালো নেটত ... ভাল হোৱাৰ সম্ভাৱনা...?

‘চা, এইটো মেইনলি বিহেভিয়াৰেল ডিজঅৰ্ডাৰ। ইয়াত শৰীৰৰ কোনো বিসংগতি নাই। শিশুবোৰ সাধাৰণতে খুৱ বেছি অস্থিৰ আৰু অশান্ত হয়, কতো মন বহুৱাব নোৱাৰে, মানে মনোযোগ নাথাকে। কথা নাপাতেই বা পাতিলেও খুব সামান্য। ইয়াত যদিও ‘গ্ৰ’থ’ ঠিকেই থাকে, ডেভেলপমেণ্ট নাথাকে। মানে ডাঙৰ হ’লেও সি এটা সৰু ল’ৰা হৈ থাকি যাব পাৰে— ওৰেটো জীৱন।

‘তাৰ পঢ়া-শুনা?’

‘আশা কম। হ’লেও খুব সামান্য। সি কোনো বিষয়তে মনোযোগ দিব নোৱাৰিব—’

‘কিন্তু সি যেতিয়া ছবি আঁকে, ইমান ধুনীয়া আঁকে...’

‘সলনি হ’ব পাৰে। ইহঁতৰ আগ্ৰহবোৰো সলনি হৈ থাকে।’

‘এতিয়া তাক প্ৰয়োজন সম্পূৰ্ণ যত্ন আৰু মনোযোগৰ। স্পীচ্ছ থেৰাপিটোও আৰম্ভ কৰিব পাৰ।’

‘এনেকুৱা হোৱাৰ কাৰণ কি... লাটুদা?’

‘কাৰণবোৰনো কেনেকৈ জানিবি? কাৰণবোৰতো দেখা নাযায়। ‘কাৰ্য’টোহে দেখা যায়। কিছুমান কথা মানি লোৱাৰ বাহিৰে অন্য উপায় নাথাকে...

দিনবোৰ জীপাল হৈ নুঠে... ৰাতিবোৰ বৰ্ণময় হৈ নুঠে... বৰষুণে ধুৱাই নিনিয়ে শুকান বুকু...। ৰঙৰ অস্থিৰতাখিনি স্থিৰ হৈ নাহে, বৌ দুখী হৈ গৈ থাকে, মা নিসংগ, এই গোটেইবোৰৰ মাজত পিষ্ট হৈ ৰৈ যায় দাদা—

ৰৱাদাই খবৰবোৰ আনিবলৈ বাদ দিয়ে— ৰুদ্ৰৰ ষ্টেটিচ্‌ষ্টিকচ্‌বোৰ ভুল হ’ব ধৰে... ষ্টেণ্ডাৰ্ড এৰৰ বেছি হয় নে... P value বাঢ়ি যায়, তাই ধৰিব নোৱাৰে... আৰু সেউজীয়া পোহৰটোঙ্গ সেইটোও আকাশখনৰ লগতেই হেৰাই যায় চাগেঙ্গ সোঁৱৰণীবোৰৰ আঁতডাল কৰবাত বিচ্ছিন্ন হৈ ৰৈ যায়—

ইয়াৰ মাজতে এদিন ৰুণি আহে—

‘এনেকৈয়ে থাকিবিনে?... ৰুণিয়ে সোধে...

‘কেনেকৈ?’

‘জীৱনটোৰ কথা ভবা নাই?’...

‘জীৱনটোৰ কথাইতো ভাবিছো— অতদিনে...

‘কথা এটা কওঁ— চিৰিয়াছলি ল’বি—

‘ক’ ‘ৰুদ্ৰ কেনেকুৱা?’

‘ভাল’—

‘মই কি তোক সি ভাল নে বেয়া সুধিছো?’

‘সেইটোৰেইতো সুধিছ—

‘চা, মনি— ফটুৱামি নকৰিবি’—ৰুনিয়ে খং কৰে...

‘ঠিক আছে, নকৰো’। ৰুনিৰ ফালে ঘূৰি লৈ তাই কয়— লাহে লাহে— ‘এটা সম্পৰ্ক গঢ়ি উঠাৰ বাবে দুটা ভেৰিঅ’ব’লচ্‌ থকাটো জৰুৰী। অলপ গতিময়তা লাগে, অলপমান ভাৱনাৰ উঠা-নমা লাগে... আৰু সেইখিনি নোহোৱাকৈ সম্পৰ্ক এটা আৰম্ভ কৰাতো— অৰ্থহীন। অকল মিন, মুদ, মিডিয়াম, ষ্টেণ্ডাৰ্ড ডেভিয়েচনৰে ক’তনো জীৱনৰ পৰিসংখ্যা শুদ্ধ হ’ব...

‘কো-ৰিলেচন্‌ আৰু ৰিগ্ৰেচনো জৰুৰী’...

‘নাজানো দে। তই এইবোৰ কি বকি থাক... কি ভাবি থাক...’ ৰুনিয়ে কয়। হতাশা বিয়পি থাকে তাইৰ শৰীৰতো— কথাতো।

‘আৰু চিৰঞ্জীৱ? — চিৰঞ্জীৱৰ লগত কি গতিময়তা আছে?’ — ৰুনিয়ে সোধে

তাই বাহিৰলৈ চাই থাকে—

বাহিৰত গধূলি নামিছে সন্তৰ্পণে। কোমল শেলুৱৈ ৰঙৰ চাদৰ এখন পিন্ধি লৈছে চহৰখনে। মাজে মাজে জিলিকি আছে ৰঙা, নীলা, হালধীয়া পোহৰৰ বুটাবোৰ...

‘একো নামাতিলি যে...?— ৰুনিয়ে সোধে। তাইৰ মাতত সেয়া শ্লেষ আছিল নে খং— সেয়া তাই ধৰিব নোৱাৰে...





মনি...

‘মানে— কথা ইমানলৈআগবাঢ়িছে?’ — ৰুনিয়ে কৈছে...

‘একো আগবঢ়া নাই।’ তাইৰ মাতটো ডাঙৰ হৈ আহে। আৰু উশাহত উষ্ণতা। ‘কথাবোৰ তাতেই আছে, য’ত আছিল।’ — ‘যেনেকৈ আৰম্ভ হৈছে, তেনেকৈয়ে শেষ হৈছে’—

একে উশাহে কথাখিনি কৈ ওলাই যায় তাই। কিছু দেৰিৰ মূৰত চাহ দুকাপ লৈ তাই যেতিয়া সোমাই আহে— দেখে, ৰুনি বহি আছে, তেতিয়াও একেদৰেই—

তই বেয়া পালি? চা, ৰুনি— অকলে থকাতো মোৰ চইচ্চ নহয় সেয়া মোৰ পৰিস্থিতি— অলপ ৰৈ তাই কয়— ‘কিন্তু, সকলোৰে যেতিয়া একেটা কথাতে লাগি থাকে, মোৰ কেনেকুৱা লাগিব... ভাবি চাচোন—

মোৰ বয়স এতিয়া আঠত্ৰিশ। এই পূৰঠ বয়স আৰু মনৰেই মই ‘প্ৰেমহীন’ এটা সম্পৰ্কত বান্ধ খাব নোৱাৰিম। সিমানখিনি ‘ফ্লেক্সিবিলিটি’ মোৰ নাই—। অযথা সম্পৰ্ক এটাক টানি-টুনি কঢ়িয়াই থকাৰ কি দৰকাৰ ক?

ৰুনি উঠি আহে— বিছনাৰ পৰা। খিৰিকীৰে বাহিৰলৈ চাই ৰয়— বহুদেৰি...

‘কিন্তু প্ৰেমেৰে আৰম্ভ কৰা সম্পৰ্ক এটাকো যেতিয়া টানি-টুনি কঢ়িয়াই ফুৰিবলগীয়া হয়...

তেতিয়া?’... ৰুনিয়ে কয়... নিজকে কোৱাৰ দৰে...

‘মানে?’

‘সকলো থাকিও কিয় একো নাই যেন অনুভৱ হয়? ক’ত জানো খেলিমেলি হয়ঙ্গ শুদ্ধকৈ পাতি লোৱা অংক এটাও যেতিয়া মাজতে অশুদ্ধ হ’ব ধৰে... তেতিয়া?

‘কাৰ কথা কৈছ... তই?’

— মনি ওচৰ চাপি আহে... ৰুনিৰ চকুত পানী...

‘কাৰো কথা কোৱা নাই দে... যাবলৈ ওলাই ৰৈ তাই কয়— আৰু এটা কথা তই দেখিবলৈ ধুনীয়া হৈ আছে’...। মোক চাচোন, এই ওলমি পৰা পেট, বাহু, শৰীৰ... মই নিজেও নিজক লৈ সন্তুষ্ট নহয়... গতিকে...

কথাবোৰ আধা কোৱাকৈয়ে গুচি যায় ৰুনি। টেবুলত অপেক্ষাত ৰৈ থাকে... ধোঁৱাই থকা দুকাপ চাহ...

‘কোনো এটা পৰ্যায়ত হয়তো পৃথিৱীৰ সকলো মানুহেই নিসংগ। মাথোঁ নিসংগতাৰ ওচৰলৈ যোৱাৰ ৰাস্তাবোৰ, অনুভৱৰ প্ৰকাশ আৰু সময়বোৰ বেলেগ বেলেগ। কথাষাৰ সেই মুহূৰ্ততে কাৰোবাক কোৱাৰ ভীষণ ইচ্ছা হয়— তাইৰ। আশে-পাশে চাই তাই... টেবুলত ট্ৰেখনৰ ওপৰত ৰৈ থাকে দুকাপ চাহ, বিচনাৰ ওপৰত মোবাইলটো আৰু খিৰিকীৰ বাহিৰত ৰঙা-নীলা-সেউজীয়া পোহৰবোৰ—

‘কি হ’ল বৌ?’

বৌ মূৰ গুজি শুই আছে বিছনাত।

‘এইটো— বৌৰ হাতত কণমানি এটা কিট্‌। তাতে ৰঙাকৈ দুডাল আচ...।

‘আৰে। ইমান ভাল খবৰ।’

‘বৌ’... বৌয়ে একো মতা নাই।

‘মই ৰঙৰ লগত অন্যায় কৰিব নোৱাৰো, মনি’— বৌৰ মাতটো দূৰৰ পৰা ভাহি অহা যেন লাগিছে।

‘কিহৰ অন্যায়?’

‘ডক্তৰে কি কৈছে শুনা নাই... তাৰ প্ৰতি সম্পূৰ্ণ মনোযোগ দিয়াটো জৰুৰী। এনেয়ো ৰঙক ইমান সময় দি দ্বিতীয় সন্তান এটা ‘অসম্ভৱ’— মই ভাবিবই নোৱাৰো।

‘মই কি কৰো— ভাবিয়েই পোৱা নাই ‘মনি’— বৌৰ মাতটো ভাগি গৈছে।

‘এটা কথা কওঁ...?’ তাই সোধে। বৌয়ে ঘূৰি চায়... ‘ৰঙক মই চাম’...

‘তুমিতো তাক চায়েই আছা’... বৌয়ে কৈছে...

‘সেইটো কোৱা নাই। ৰঙক মোক দি দিয়া।’

‘মানে?’

‘তোমালোকক ক’ম বুলি ভাবিয়েই আছিলো। মই গাঁৱলৈ যাম। মাকো লৈ যাম। পুৰণি ঘৰখন ঠিক কৰি ল’ম।

যদি তুমি অনুমতি দিয়া... মই ৰঙকো লৈ যাব খুজিছো।

'তুমি মোক এনেকুৱা মাক বুলি ভাবিছা... মনি। যে ৰঙৰ প্ৰব্লেম থকা কাৰণে তাৰ দায়িত্ব তোমাৰ ওপৰত এৰি দি মই সুখৰ সংসাৰ লৈ ব্যস্ত থাকিম?

— বৌৰ মাতটোত দৃঢ়তা আছিল...

'নাই বৌ... তুমি কেনেকুৱা... সেয়া তুমি মোক ক'ব লাগে জানো। আচলতে এয়া তোমাৰ পৰা মই ভিক্ষাহে বিচাৰিছো। ৰং মোৰ বাবে কি, সেয়া তুমিও জানা। তাক তুলিতালি ডাঙৰ কৰাৰ সৌভাগ্যখিনি মোক দিয়া। বাকী মই তাৰ বাবে পেহীয়েকে... মাক নহয়। তুমি যেতিয়াই বিচাৰিবা... ৰং... তোমাৰ...

'আৰু তুমি? তুমি কি নিজৰ কথা নভবাকৈ আনৰ সন্তান ডাঙৰ কৰিয়ে থাকি যাবা?'

'নিজৰ কাৰণে ভাবিছো কাৰণেই কৈছো— মোক নিজৰ 'কোনোবা' লাগে। নোকোৱা কথাবোৰ ক'বৰ বাবে... মনখুলি হাঁহিবৰ বাবে... বুকুৰ মাজত সুমুৱাই লৈ এখন্তেক কান্দিবৰ বাবে— মোক এটা অৱলম্বন লাগে...।'

'তুমি কিবা ক'বা আৰু ৰঙে বুজি পাব... এনেকুৱা দিন এটা আহিব জানো... মনি...ঙ'

'আহিব, বৌ... বিশ্বাস ৰাখা। যিটো কণমানিয়ে এতিয়াই ইমান সুন্দৰ ছবি আঁকে... তাৰ মাজত কিমান সংবেদনশীলতা আছে... ভাবি চোৱা...

এদিন নহয়, এদিন... সি বুজি পাবই, আমি কি কওঁ...

.... আৰু যদি বুজি নাপায়ো তথাপি মোৰ বাবে কোনোবা থাকিব ন... বৌ— যাক মই ক'ব পাৰিম কথাবোৰ...

কথাবোৰ কাকো ক'ব নোৱাৰাৰ কষ্ট... ব-হু-ত..

'আৰু তোমাৰ চাকৰি?'

'চাওঁ... চাকৰিটো বাদ দিয়াৰ কথাই ভাবিছো। নিজাকৈ কিবা এটা কৰিম। বিয়া বিয়া বুলি ভালেখিনি পইচাও গোট খাইছে... এখন ফাইন আৰ্টছ এণ্ড ক্ৰাফটৰ স্কুল খোলাৰ মন আছে বহুদিনৰ পৰাই... চাও ৰ'বাচোন... কি হয়...

আচলতে মোক অলপ 'গতি' লাগে—

'তুমি কি ভাবিছা? দাদাৰে ইমান সহজে মানি ল'ব? দাদাৰতো গাঁওখন একেবাৰেই...

'তুমি বুজাবা।' — কথাৰ মাজতে কয় তাই... এজন মোহনে এখন গাঁৰক প্ৰতিনিধিত্ব কৰে জানো... ভাল মানুহ এতিয়াও আছে, বৌ... যদু খুৰা, ৰূপে আতিৰ সোঁৰৰণীবোৰ আছে, মুকলি বতাহবোৰ আছে, আপোন আপোন লগা ভাববোৰ আছে— আচলতে, ক'ৰবাত আঁতডাল বিচ্ছিন্ন হৈ গৈছে... আঁতডাল জোৰা লগোৱাতো জৰুৰী...

আৰু বাকীখিনি বুজাবলৈ... তুমিতো আছাই...

'এনেয়ো বাকী একো কথা মই ভবাই নাই। মই ভাবিছো— তোমাৰ কথা।'... 'তুমি কি কোৱা?'

ৰঙৰ চাইকেলৰ চকা এটা খুলি গৈছিল বোধকৰো। সেই খুলি যোৱা চকাটোক লৈ খেদি খেদি ঘৰটোৰ চাৰিওফালে ঘূৰি ফুৰিছে ৰং...

মাক আৰু পেহীয়েকক দেখি এবাৰ ৰৈ হাঁহি দিলে সি। হঠাতে ফুলি উঠা সূৰ্যমুখীৰ ফুলপাহিৰ দৰে তাৰ হাঁহিটো...

তাৰ পাছতে আকৌ দৌৰিলে সি... আগে আগে চকাটো... পিছে পিছে ৰং...

চকাটোৰ সেই ঘূৰ্ণনশীল গতিলৈ একেলগে, একে সময়তে, একেথৰে চাই স্থবিৰ হৈ থাকিল... দুগৰাকী নাৰী... বৌ আৰু মনি...❑





# শিক্ষকৰ ন'বেল বঁটা বিজয়িনী আৰু এখন ব্যতিক্ৰম বিদ্যালয়ৰ প্ৰসংগৰে

✍ মুস্তাফাকামাল আহমেদ

**বহুতৰ মতে মানৱ সেৱাৰ লগত প্ৰত্যক্ষভাৱে জড়িত কোনো প্ৰয়োগিক বিজ্ঞানে নহয় বাবেই হেনো এই 'হেমাহি'। সুখৰ কথা যে সম পৰ্যায়ৰ ছয় কোটিটকীয়া ন'বেল এৱাৰ্ড এতিয়া বেচ জনপ্ৰিয়, যিটো বঁটা নৰৱেৰ ৰজাই প্ৰতিবছৰে এজন উৎকৃষ্ট গণিতজ্ঞক প্ৰদান কৰে।**

এই কথা সৰ্বজনবিদিত যে ১৯০১ চনৰ পৰা প্ৰদান কৰি অহা ন'বেল বঁটাৰ মাত্ৰ ছয়টা বিষয়ৰ ক্ষেত্ৰতহে প্ৰদান কৰা হয়। সেইকেইটা হ'ল— পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, অৰ্থনীতি, সাহিত্য আৰু শান্তি। (অৱশ্যে অংক শাস্ত্ৰক এই তালিকাৰ পৰা কিয় বাদ দিয়া হ'ল তাক লৈ বিতৰ্কৰ অন্ত নাই। বহুতৰ মতে মানৱ সেৱাৰ লগত প্ৰত্যক্ষভাৱে জড়িত কোনো প্ৰয়োগিক বিজ্ঞানে নহয় বাবেই হেনো এই 'হেমহি'। সুখৰ কথা যে সম পৰ্যায়ৰ ছয় কোটিটকীয়া ন'বেল এৱাৰ্ড এতিয়া বেচ জনপ্ৰিয়, যিটো বঁটা নৰৱেৰ ৰজাই প্ৰতিবছৰে এজন উৎকৃষ্ট গণিতজ্ঞক প্ৰদান কৰে।

সি যি কি নহওঁক, শিৰোনামটো দেখি বহুতৰে মনত প্ৰশ্ন উঠিব যে শিক্ষকৰ ন'বেল বঁটা আকৌ ক'ৰ পৰা আহিল? হয়... শিক্ষকতাৰ বাবে কোনো ন'বেল বঁটা নাই। কিন্তু ২০১৫ চনৰ পৰা প্ৰদান কৰি অহা ন'বেল টিচ্ছাৰ এৱাৰ্ডটোকে এতিয়া সমগ্ৰ বিশ্বই শিক্ষকৰ ন'বেল বঁটা হিচাপে বিবেচনা কৰে। ডুবাইৰ ভাৰ্কি ফাউণ্ডেচনে ২০১৫ চনৰ পৰা প্ৰদান কৰি অহা এই বঁটাৰ লগত আছে ১ মিলিয়ন ডলাৰ নগদ ধনৰ পুৰস্কাৰ। অৰ্থাৎ ভাৰতীয় হিচাপত ৭ কোটি ১০ লাখ টকা। এনে সন্মানজনক বঁটা এটা অৰ্জন কৰিবলৈ বহু শিক্ষকে সপোন দেখা স্বাভাৱিক। কিন্তু কথা হ'ল বিশ্বৰ সমস্ত শিক্ষকৰ সমাজৰ বাবে মুকলি এই বঁটা অৰ্জন কৰাটো বা বঁটাৰ বাবে নমিনেট হোৱাটো মুখৰ কথা নহয়।

ইয়াৰ বাবে শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীয়ে পাৰ হ'ব লাগিব বাছনি প্ৰক্ৰিয়াৰ কেইবাখনো অত্যন্ত কঠিন আৰু

গোপন দুৱাৰ। এই বঁটাৰ বিচাৰকৰ আসনত কোন নাই... বিজ্ঞানী, সাংবাদিক, ধাৰাভাষ্যকাৰ, কোম্পানীৰ পৰিচালক, প্ৰবন্ধক, ৰাজনীতিবিদ, প্ৰযুক্তিবিদ ইত্যাদি ইত্যাদি। প্ৰথম বছৰতে সমগ্ৰ বিশ্বৰ ১২৭ খন দেশৰ প্ৰায় ৫ হেজাৰ শিক্ষকে উক্ত বঁটাৰ বাবে আবেদন জনাইছিল। এই তথ্যৰ পৰাই প্ৰমাণ হয় যে এই বঁটা লাভ কৰাটো অত্যন্ত জটিল আৰু কঠিন। ভাৰতীয় হিচাপে আমাৰ বাবে ভাল লগা কথাটো হ'ল এই বঁটাৰ আঁৰৰ মূল মানুহজন এজন ভাৰতীয় মূলৰ শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালক তথা এজন প্ৰতিষ্ঠিত বিলিয়নাৰ। ১৯৫৯ চনতে কেৰেলাৰ পৰা গৈ ডুবাইত প্ৰতিষ্ঠা লাভ কৰা চান্নি ভাৰ্কিয়েই আৰম্ভ কৰিছিল এই প্ৰশংসনীয় পদক্ষেপ। ১৪খন দেশত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয় স্থাপন কৰা ভাৰ্কিৰ পিতৃ-মাতৃও আছিল শিক্ষক। ভাৰ্কিৰ মতে শিক্ষকতাই হ'ল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বৃত্তি আৰু সৰ্বোত্তম শ্ৰদ্ধাও শিক্ষকসকলৰ প্ৰাপ্য। ৰাজীৱ গান্ধী প্ৰভাৱশালী শিক্ষাবিদ বঁটা, পদ্মশ্ৰী সন্মান, ইউনেস্ক' গুডউইল এম্বেচাদৰ আদি অনেক সন্মানেৰে বিভূষিত চান্নি ভাৰ্কিয়ে কেৱল শিক্ষাৰ উত্তৰণ আৰু প্ৰসাৰৰ বাবে বছৰি কোটি কোটি টকা ব্যয় কৰি আহিছে।

সি যি কি নহওক আজি আমাৰ আলোচ্য বিষয় ভাৰ্কি নহয়, গ্ল'বেল টিচ্ছাৰ এৱাৰ্ড বিজয়িনী এগৰাকী শিক্ষয়িত্ৰীয়েহে। ২০১৮ চনত এই বঁটা লাভ কৰি তেওঁ কৈছিল—

'There is no other job like being a teacher. In what other profession are you selfless and completly devoled to create the right opportunities for another person to achieve. Being in a class soo and watching a student have an idea and transfar it in to a for midable outcome is so satisfactory and fulfills me.'

এয়া লণ্ডনৰ এলপাৰ্টন কমিউনিটি স্কুলৰ শিল্পকলা আৰু বয়ন শিল্পৰ শিক্ষয়িত্ৰী এণ্ডিৰা জাফিৰা কৌৰৰ ভাষ্য— যিয়ে ২০১৮ চনৰ গ্ল'বেল টিচ্চিং এৱাৰ্ড লাভ কৰি ইতিহাস সৃষ্টি কৰিছিল। হিন্দী, পাঞ্জাৱী, গুজৰাটীকে ধৰি বিশ্বৰ ৩৫টা ভাষাত ছাত্ৰ-ছাত্ৰীৰে যোগাযোগ কৰিব পৰা এণ্ডিৰাৰ স্কুলখনত কমেও ১৩০টা ভাষা কোৱা অতি দৰিদ্ৰ আৰু হিংসা জৰ্জৰিত পৰিয়ালৰ প্ৰায় ১৪০০ শিক্ষাৰ্থী আছে। বয়সভিত্তিত দুটা পৰ্যায়ত ইয়াত পাঠদান কৰা হয়। স্বাভাৱিকতেই আমাৰ মনত প্ৰশ্ন জাগিব এণ্ডিৰা জাফিৰাকৌৰ এই সাফল্যৰ মূলমন্ত্ৰ কি? শ্ৰেণীকোঠাৰ কঠোৰ প্ৰশাসন, চোকা দৃষ্টি আৰু প্ৰণালীবদ্ধ নিৰলস পাঠদান— নাঃ; এইবোৰ এটাও নহয়। তেওঁৰ মতে শিক্ষকৰ প্ৰথম লক্ষ্যই হোৱা উচিত ছাত্ৰ-ছাত্ৰীৰ সৈতে বিশ্বাসযোগ্য সম্পৰ্ক স্থাপন। Build their trust and then everything else can happen.

Teaching is all about building relationship instead of worrying about your teaching the curriculam, build your relationship first. এণ্ডিৰাৰ এই বক্তব্যৰ মাজতে শিক্ষকতা সম্পৰ্কে স্পষ্ট আৰু অনুসৰণযোগ্য দৰ্শন ফুটি উঠিছে। এটা সাক্ষাৎকাৰত তেওঁ নিজেই কৈছে চৰকাৰী লক্ষ্য পূৰণৰ দৃষ্টিৰে তেওঁৰ শৈক্ষিক জীৱনৰ সফলতা-বিফলতা নিৰ্ণয় কৰাহেঁতেন তেওঁ কাহানিও উক্ত বঁটাৰ বাবে বিবেচিত নহ'লহেঁতেন। এইক্ষেত্ৰত শ্ৰেণীকোঠাৰ বাহিৰত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাই প্ৰদৰ্শন আৰু তেওঁলোকৰ বিশ্ব মানৱ হিচাপে গঢ়ি তোলাৰ বাবে লোৱা ভূমিকাহে বিবেচনা কৰা হৈছিল। সেইবাবেই হয়তো ৩০ হেজাৰ প্ৰতিদ্বন্দ্বীৰ মাজৰ পৰা বাছনিত উঠিছিল এণ্ডিৰা। ৪১ বছৰীয়া শিক্ষয়িত্ৰী গৰাকীয়ে স্বাভাৱিক অৱস্থাৰ শিক্ষাৰ্থীতকৈ সমস্যাক্ৰান্ত আৰু বিভিন্ন সামাজিক আৰু পৰিয়ালকেন্দ্ৰিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিক্ষাৰ্থীৰ অন্তৰ জয় কৰিবলৈ অধিক আগ্ৰহী হৈ উঠিছিল। বিদ্যালয়ত প্ৰৱেশ কৰিবলৈ ধৰা ছাত্ৰ-ছাত্ৰীক যেতিয়া দুৱাৰমুখত বৈ বিয়েন ভেনিদা (স্পেইন), য়াকুচু





(জাপান), বনভেমুতা (ইটালী), আহ্লান বিক (ছৌদি আৰব), ভাচ বিলক'মেন (জাৰ্মান), উব্ৰউচিল (বচনিয়া), নমস্তে (ভাৰত), হুৱান ইং (চীন), বুলি সম্ভাষণ জনাব তেতিয়া ছাত্ৰ-ছাত্ৰীৰ মুখৰ ৰং সলনি হোৱাই স্বাভাৱিক। তেওঁলোকে অনুভৱ কৰে অচিন পৃথিৱীত যেন কোনোবা এজন আপোন মানুহ তেওঁলোকৰ বাবে ৰৈ আছে, যিয়ে তেওঁলোকৰ অন্তৰৰ ভাষা বুজি পাব।

আৰু সেয়াই বাস্তৱতা তেওঁ কৰি দেখুৱাইছিল। কোনো নতুন ছাত্ৰ যেতিয়া শ্ৰেণীকোঠালৈ আহে তেওঁ ছাত্ৰজনৰ লগত মাতৃভাষাত কথা পাতিবলৈ চেষ্টা কৰে। নিজৰ বাহন থকা সত্ত্বেও ছাত্ৰ-ছাত্ৰীৰ লগত স্কুলবাছত অহা-যোৱা কৰে। পাৰ্যমানে ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ গৈ অভিভাৱকৰ সৈতে মত বিনিময় কৰে। এইবোৰেই ছাত্ৰজনৰ মনত সাহস আৰু আত্মবিশ্বাসৰ জন্ম দিয়ে।

শিক্ষকতাক মানৱ সেৱালৈ ৰূপান্তৰ কৰিবলৈ কি কৰা নাছিল তেওঁ। উল্লেখ্য যে লণ্ডনত থকা এলপাৰ্টন কমিউনিটি স্কুলত আছে অতিকে পিছপৰা পৰিয়ালৰ সন্তান। আছে চুৰি, ডকাইতি, লুটপাতত জড়িত পৰিয়ালৰ সদস্যও। বহু যৌথ পৰিয়ালৰ ছাত্ৰীয়ে ভাত ৰান্ধিবলৈ বিদ্যালয়ৰ পৰা পলায়ন কৰিবলগীয়া হৈছিল। অসহ্যকৰ কোলাহলৰ বাবে স্নানাগাৰত পঢ়িবলৈ বাধ্য হৈছিল। কিছুমানে ঘৰুৱা সমস্যাৰ বাবেই বিদ্যালয় ছুটীৰ পাছত খেল-ধেমালি, নাচ-গান বা অন্যান্য ক্ৰিয়াকলাপত ভাগ ল'বলৈ অপাৰগ হৈছিল। এনেবোৰ কথাই ব্যথিত কৰি তুলিছিল এণ্ডিৰাক। ছাত্ৰ-ছাত্ৰীবোৰৰ সমবেদনা শুনিবলৈ তেওঁ সিহঁতৰ ঘৰ পাইছিলগৈ। অপৰিচ্ছন্ন পোছাকেৰে স্কুললৈ অহাসকলৰ ইউনিফৰ্ম স্কুলতে ধোৱাৰ ব্যৱস্থা কৰি নতুন ইউনিফৰ্ম যোগান ধৰিছিল। ঘৰমুৱা পথত যাতে কোনো হিংসাৰ সন্মুখীন নহয় তাৰ বাবে স্কুলবাছত ছাত্ৰীসকলৰ সংগী হৈছিল। মানসিক হেঁচা আৰু সংশয়ৰ পৰা মুক্তি দিয়াৰ উদ্দেশ্যে এণ্ডিৰাই এক বিশেষ ব্যৱস্থা হাতত লৈছিল। আৰক্ষী বিষয়া, মনোৰোগ বিশেষজ্ঞ, অভিজ্ঞ শিক্ষকক লৈ অতিৰিক্ত পাঠদানৰ ব্যৱস্থা কৰিছিল। কলম ধৰিব নজনা, কথা ক'ব নোৱাৰা, ইংৰাজীত কথা ক'ব নোৱাৰা, চূড়ান্ত হীনমন্যতাত ভোগা ল'ৰা-ছোৱালীয়ো এণ্ডিৰাৰ হাতত পৰি হৈ উঠিছিল এজন ছাত্ৰ। ব্ৰিটেইনৰ হত্যা, হিংসাৰে জৰ্জৰিত এখন ঠাইৰ বিদ্যালয়ত শিক্ষকতা কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত বিশ্বাস স্থাপন কৰাটোৱেই আছিল ডাঙৰ প্ৰত্যাহ্বান। সেই প্ৰত্যাহ্বান সাহসেৰে গ্ৰহণ কৰিছিল এণ্ডিৰাই।

শেষত মহান শিক্ষয়িত্ৰীগৰাকীৰ এযাৰ কথাৰে লেখনিটো সামৰিছো। তেওঁ কৈছে–- 'বহুতৰ ধাৰণা শিক্ষক মানেই সৰ্বজ্ঞ হ'ব লাগিব। মোৰ মতে মাজে মাজে শিক্ষাৰ্থীৰ পৰা শিকিব' পৰাটোহে বৰ আনন্দদায়ক কথা।❑

# THROUGH THE LENS OF NATURE

Member : Good Morning, Sir!

Shirshendu Sekhar Das : Good Morning!

Member : Please tell us a short introduction of yourself.

Shirshendu Sekhar Das : My name is Shirshendu Sekhar Das. Basically, my background is Astro Physics but presently I am involved in Environmental Work. I am the founder of Midway Journey and I am also working with the team of "Fridays for Future", Guwahati.

Member : Where have you done your schooling?

Shirshendu Sekhar Das : I did my schooling from Guwahati itself, South Point School. Till 12, I was in South Point School. Graduation in Cotton College, Masters in Gauhati University. Then I was doing PhD in Shangai, China and then I came back here.

Member : What was your turning point which inspired you to start the work that you are doing now?

Shirshendu Sekhar Das : I came back home for a break during my initial days of PhD from China. Here, I was invited for a talk by a private school on plastic pollution. It was 5th June of 2018 (World Environment Day). I hardly had any knowledge about plastic pollution at that time. To prepare for that, I went on Internet and in the first video that I saw was named as "Midway Islands", which showed about Albatross birds in an Island and how they are dying, almost lakh every year because of pollution and that's when I myself, realised that how big is the problem of plastic. Because in that island, there is no human beings. So without human beings, lakhs of birds are doing every year. So that was the day, I went to the school and I gave the seminar and after that I decided to work something that now I know a problem exist. So that day, I decided to leave my studies and I gave my personal journey towards the plastic pollution or waste management system.

Member : Where is this island, that you have mentioned?

Shirshendu Sekhar Das : The island is right in between USA and Japan, that's why it is named as Mid-Way. There is no human beings present there but there is a lot of plastic thrash because when plastic is thrown in the water body and because of the current of the water, it floats away from one place to another. If I am throwing plastic in Brahmaputra then it will reach Bangladesh and then to Ocean.





Member : What is your overall view on the pollution level of Assam?

Shirshendu Sekhar Das : Regarding Assam, if I say the pollution level in different angles like if I consider about water, the Brahmaputra, the pollution level is really increasing with time. As we can see the pace of development is increasing in the entire North East. Along with it, if we see the air quality, it's very bad. Also because of unmanaged construction in urban areas, the kind of air pollution is really high. And second which I work, the waste management and plastic pollution. Brahmaputra right now is considered as the 6th most plastic polluted river in the world. So and that is too is increasing more because of urban hotspots like Tinisukia. The more the development, the more is the waste dumped in the water bodies and that is visible in the reports.

Member : As you have mentioned many pollution that is being there in Assam, tell us, which issues are of more concern to you?

Shirshendu Sekhar Das : For me, I started working in the sector of plastic pollution initially. Then I understood that I started working in the level of waste management and whole. When I say about waste, it is not only about plastic, it is also about food waste, metal waste, medical waste, electronic waste and so on. So, after like working in the sector of waste management, so it is of prime concern to me. How waste is increasing day by day with accelerating development in an unplanned way and finally these kind of waste are dumped on landfills and dump sites like Deepor Beel, which is a preserved site for us. We are finally damaging our sites which we should have been conserved. So, this is the area which is of prime concern to me. Other than that, I am working for Fridays for Future, there we are working on deforestation, logging, mining etc.

Member : What is this Fridays for Future?

Shirshendu Sekhar Das : Fridays for Future (FFF) is a movement initiated by Greta Thunberg in Sweden. Now, it is an International Movement with almost 190 to 195 countries having its own FFF. In India, we have more than 20 groups where one is in Guwahati. So, the main intention of this group is to hold the authorities accountable like we know there is something call individual change where like I switch off my fan and light when they are not in use, segregate my waste, I cycle to certain places, but everything is not in my hand like the source of power. So, we need to hold the concerned authorities accountable like the Environment Ministry. They have the decision making power so if they are not doing their job then we play the role of holding them accountable, asking them questions and also initiating discussions with them so that we can also be a part of the discussion. After all, we live in a democratic country where citizens must be a part of the decision making system too. So, we are trying to make it possible through more of youth involvement.

Member : Sir, who can join FFF?

Shirshendu Sekhar Das : Anyone who has interest in environmental works in any way can join FFF.

Member : According to you, which are the most concern places of Assam in the backdrop of pollution?

Shirshendu Sekhar Das : From my sector, it is Deepor Beel. NGT has already mention that our government should not dispose more waste in Deepor Beel and landfill. So, our government is trying to find a new landfill site like Chandrapur. But there is a lot of protest going on because no one wants a landfill site near to my home. So, we are very worried about this places which are very close to river. Because these areas are Biodiversity rich areas where we are dumping waste. There are many kinds of migratory birds that comes to Deepor Beel. We can see almost 300 to 400 cows eating waste in Deepor Beel. So, species are dying and we are polluting the ground water in that process by dumping waste in an unmindful way so until and unless, our government, municipality really focusses on segregating the waste, till then what ever place, we choose in and outside the city, we will just create another polluting land. Other than waste, now the talk is on Patkai Elephant Reserve. So, we know it is the last remaining stretch of rain forest in Assam. So, we need to take steps to protect that in everywhere. Open caste mining should never be allowed in those areas. Oil mining activities are also going on in those areas like in Baghjan. We know how close it is to Dibru Saikhowa National Park. In these biodiversity rich areas, our government is allowing powerful corporation to come in and mine and do everything. So, I believe we need to protect these areas. Our Assam's pride is in biodiversity and not in big factories. I think it is a very unique part of the entire country. So, people from all areas especially youth should unite and initiate talks with their parents, families, with their local councillors, with local government to protect these areas. We want greenery.

Member : You have explained in details about the pollution and the environmental issues that Assam is facing. While staring the journey, haven't you found any problems? In choosing the career path or anything?

Shirshendu Sekhar Das : In my career, the first problem that I faced, of course, when my parents didn't want me to leave my studies but thankfully when we have the conviction to do something, it took time for me but I was able to convince my parents. The second problem is about the behavioral condition of our city specially people who are dumping waste here and there. Inspite of us being biodiversity rich area in our country, unfortunately we are not aware of our biodiversity. So, when we work in the sector of waste management, there is a lot of problems like people think we are touching dirty things, people will not touch us, when we call for collective clean ups, the member of people coming out is quite less. But over the years, we can say that we are improving, we are able to make more awareness. We can see that in urban areas, people burn their waste. So, the entire concept on how to handle the waste, people really don't have a knowledge about it. But, we know, traditionally, in Assam or in most areas in India, they have been doing the composting quite naturally. They never use to mix waste. But now, we see everywhere is mix waste. So, we are finding out quite challenging in bringing out the behavioral change but I think, it is a part of the journey. We started knowing that we will be facing these challenges and gradually, we are overcoming it. Thirdly, I will say, people's knowledge about climate change, global warming is very less. Only during the covid time, people are talking about it. I am very surprised now to see so many people are talking about local issues like Dihing Patkai, Dibru Saikhowa National Park etc. But till as now, as I have grown up, global warming is a topic only in textbook. But gradually, now we talk more about how climate change is impacting us. So, we are able to make the connection on where people will feel – "Yes, I need to act.", because it is my house that is burning and not of Greta Thunberg.

Member : We have heard about odd even formula of Delhi. Should Assam too implement it citing the above increase of vehicles on road?

Shirshendu Sekhar Das : Actually, speaking, I don't know how much it has bought a change. But the thing is that we need to reduce the number of cars on our roads. Because of the increased number of vehicles, what our government is doing that they are increasing the number of flyovers but that's not the a solution actually. Because if we see a car, the amount of space, it takes on road is a big problem. One or two person sitting in a car taking such a big space is not acceptable. So, I think if we need to reduce the air pollution and the traffic, we have to focus on cycling and for that, the infrastructure needs to improve. We also have a Bicycle Mayor of Guwahati. Every ward of guwahati is going to have a councillor whose duty will be to promote cycling in schools, colleges, banks, everywhere. So, that is the real solution. So, odd and even will be good but solutions should be focusing on policies.

Member : You said something Cycling Mayor, what is this position?

Shirshendu Sekhar Das : Cycling Mayor is a position given by an NGO from the Netherlands. Guwahati is perhaps the third city in the entire country to have a cycling mayor.

Member : We have seen sites being filled up with wastes, wastes being thrown in water bodies. What is your take on all these?

Shirshendu Sekhar Das : First of all, thrash shouldn't be thrown in water body. Thrash needs to be managed. Today, Bharalu is very dirty but when we look back, we hear that our parents have done fishing in Bharalu. Solid waste has played a big role in the degradation of the water body. Even, now we follow the tradition of saying that river is our God. So, there is a level of hypocrisy inside us. That one side, we worshipped the river

and on one side, we are throwing thrash in the rivers. So, it's high time that before it goes into extinction, we need to realise the fact that we need to start diverting waste from water bodies to waste management facilities where they can be segregated. So, I believe, we need to really protect our water bodies. Conscious people and NGOs should come forward to start a conversation.

Member : What are the alternatives?

Shirshendu Sekhar Das : Definitely, there are alternatives. Today, we are moving in solar energy and there are many research done on the sector of Renewable Resources and our government is doing good job on it. Our country is energy self sufficient. Big dams are being made in Arunachal Pradesh. Now do we question for whom are we building those big dams. Of course, not for Arunachal Pradesh. We are energy efficient but we are not managing. Like, food, there is excess of it but people of India are not getting the food. People are dying of Hunger but does that mean we need to grow more food? So, if we rather than having more of thermal power station and more of dams, if we work on managing properly then I think, the problem can be solved. Also, we can save the biodiversity rich areas specially the global biodiversity hotspot areas.

Member : What is the power of 300?

Shirshendu Sekhar Das : Power of 300 is a social experiment that we are doing in Guwahati. There is no waste management happening in Guwahati. Most of the waste is dumped directly in the landfill. There is recycling factory over here but there is very less amount of recycling done. So, what we are doing is that we have been telling people to segregate waste. So, we are collecting the dry waste from people and not the wet waste because it is very difficult to collect it. But for the dry waste part, we are collecting the plastic waste only. So, the power of 300 is a social experiment by which we are willing to collect dry plastic waste from 300 families of Guwahati. They segregate waste, they inform us and we collect it from them and give it to the recycling centre. And the money that is generated from the recycling, we are providing ration to the families of Rag pickers for a complete month.

Member : What advices would you like to give to the young generation?

Shirshendu Sekhar Das : First thing, is self reflection. Just try to see how you are leading your life. If we don't realise what we are doing, nothing can happen. Second, we need to think about the system change. It is about our existence. People need to change from "I will save the Nature" to "I will save my family and myself". We need to have a right king of relationship with the system.

Member : Thank You Sir. Thanks a lot for your valuable time.

Shirshendu Sekhar Das : Thank You. ❑

***(The Interview was taken on 20th October,2020 at Assam State Zoo cum Botanical Garden.)***





# Positive Thinking

✍ **Dr. Apurba Kumar Goswami**
Associate Professor
Department of Zoology

Positive thinking is a mental and emotional attitude that focuss on the bright side of life and expects positive rsults. A positive person anticipates happiness, health and sucess, and believes that one can overcome any abstacle and difficulty.

Postive thinking is not accepted be everyone. Therefore some people consider positive thinking as nonsense and ridicule people who follow it. But there are a growing number of people who accept positive thinking as a fact, and believe in its effectiveness.

Is seems that this subject is going popularity in the recent post. An excellent example is the Vivekananda Institute of Human Excellence courses. Many corporate houses are also appointing quality trainers to train their employess on this particular subject.

**Benefits of Positive Thinking**

With a positive attitude we experience pleasant and happy feeling. This brings brightness to the energy, and happiness. Our whole being broadcasts good will and success. Even our health is affected in a beenficial way. We tall, our voice is more powerful, and our body language shows the way we feel.

**Positive and Negative thinking are contagious**

We affect, and are affected by the people we meet, is one way or another.

This happens instinctively and on a subconscious level, through words, thoughts and feelings, and through body language as well.

Is it any wonder that we want to be around positive people, and prefer to avoid negative ones? Yes, of course we need to, but how...?

A real example can be cited here : A person from a far of village used to be so tensed in life for anything and everything in thought, word and deed and used to be very negative of life. One day with blessing of God, she walked into Ramakrishna Math with one of her family friend and attended a training program by force and after that no looking back because she felt so relaxed forfull one week. She also attended few spiritual retreats in the math and observed the changes that the positive vibrations brought about in her, till date her visit and participation in the activities of the Ramakrishna Math did not stop and she prays that this should not stop till her last breath because of that positive energy which she received and absorbed in her life. She prays that this should not stop till her last breath because of that positive energy which she received and absorbed in her life. She believes that 'this' is her real life. She sincerely feels that the Ramkrishna Math and its atmosphere is her spiritual home wich is full of pure and positive vibrations.

**Strategies to Cultivate Postive Thinking**

In order to learn the mind towards the positive, some inner works is required, because attitude and thoughts do not change overnight.

1. One should real about this subject, about its benefits, and persuade the some to try it, The power of our thought is a mighty power that is always shoping our life. This shaping is usually done subconsciousty, but it is possible to make the process a conscious one. Even if the idea seems strange, one should give it a try. So here nothing to lose, but on by to again.

2. Ignore what other people say or think about you. if they discover that you are changing the way you think.

3. Every one should use their in againation to visualize only favourable





and beneficial situation like the examples given about the experience of the person at Ramkrishna Math.

4. Use of positive words in the inner dialogues, or when talking with others.

5. A little more smile, as this helps to think positivly... as our Mahatma Gandhi used to say that who is not wearing a smile is not fully dressed.

6. Once a negative thought enters our mind, we have to be aware of it and endeavor to replace it with a constructive one. It the negative thoughts re-enters, replace it again with a positive one. Persistence will eventually teach our mind to think positively and to ignore negative thoughts.

7. In case one experience inner resistance and difficulties when replacing negative thoughts with positive ones. One should not give up, but looking only at the beneficial, good and happy thoughts in the mind.

8. In doesn't matter what our circumstances are at the present moment. We should think positively, expect only favorable results and situations and circumstances will change accordingly. If we persever, we will tranform the way our mind thinks. At might take some time for the changes to take place, but eventually they will surely to change.

9. Another useful technique is the repetition of affirmations. This technique is similar to creative visualization and can be used together with it.

What is Creative Visualization?

Creative visualization is a mental technique that uses the power of the mind and the imagination to create what we want, with the help of this techniques, we can shape our life, charater and circumstances, and attract opportunities, people and the things, we desire if it is in a right way.

Creative visualization is similar to doydreaming. In both of them we create imaginary mental scenarios of events and situations just like a movie, but with the difference that with creative visualization we implement certatin rules and procedures that enable us to create these mental scenarios and events as reality in our

thinking and while talking. Use words such as, 'I can'. 'I am able', 'It is posible' 'it can be done' etc. Allow only feelings of happiness, strength and success into our awareness.

2. Disregard and ignore negative thoughts. Refuse to think such thoughts, by substituting them with constructive, happy thoughts.

3. In our conersation, use words that bring forth feelings and mental images of strength, happiness and success.

4. Read at least one page of inspiring book every day- which will generate possitive thinking in the mind.

5. Watch inspiring videos on sports, great leaders and interact with them.

6. Associate always with those people who think positively.

7. Always ist and walk with your back straight. This will strong then ones confidence and inner strength.

8. Walk, swin or engage in some other physical activity, This helps to develop a more positive attitude along with good health.

9. Before starting with any plan or action, visualize clearly in your mind its successful outcome. If one visualizes with concentration and faith, everyone will be amazed at the results.

By doing the above things the 'law of attraction' also works out wonders for sure... we need to experience this, them only we can develop conviction on these things and can go ahead doing the same in life.

Success never depends on the size of the brain; it always depends on the wise POSITIVE THOUGHTS, speed of execution, depth of determination and strength of the attitude. ❑

life.

A thoughts is often repeated goins power and tends to come true. This is in a nutshell, how creative visualization works. with creative visualization we can–

1. Achieve our dreams.
2. Improve our life.
3. Achieve sucess.
4. Attract money into our life.
5. Own a home of our own.
6. Get a better paying job.
7. Improve our health.
8. Improve our relationships.
9. Develope positive habits.
10. Quiet smoking/drinking.
11. Solve problems.
12. Manifest our dreams desires.

Like visualization, affirmations are also so powerful in our positive thought process they are as follows-

Affirmations- words with power.

Repeating affirmations strengthen our motivation, improve our life, and open new doors for us.

**What are affirmations?**

Affirmations are positive statements that describe a desired situation, event, habit or goal. When these positive statements are repeated often, mentally or allowed, thet engrave themselves on the subconscious mind. This changes the programming of our subconscious mind, which consequently, transforms the way we think, our habits and attitude and helps us to attract new opportunities and achieve success.

The gratness of the human mind is that it can turn thoughts and words into reality. Affirmations are away to make this happen.

The subconscious mind is like a great and wonderful computer, and affirmations are the commands that program it to act in the way we choose we should feel it with positive thoughts and words, and it will produce positive conditions and circumstances, Reverse will happen if we feel with negative thoughts and words.

When we expect success and say, 'I can', we feel ourselve with confidence and joy. Fill our mind with light, hope and feelings of strength and soon our life will reflect these qualities.

**Tips for positive thinking**

1. Use only positive words while





thinking and while talking. Use words such as, 'I can'. 'I am able', 'It is posible' 'it can be done' etc. Allow only feelings of happiness, strength and success into our awareness.

2. Disregard and ignore negative thoughts. Refuse to think such thoughts, by substituting them with constructive, happy thoughts.

3. In our conersation, use words that bring forth feelings and mental images of strength, happiness and success.

4. Read at least one page of inspiring book every day- which will generate possitive thinking in the mind.

5. Watch inspiring videos on sports, great leaders and interact with them.

6. Associate always with those people who think positively.

7. Always ist and walk with your back straight. This will strong then ones confidence and inner strength.

8. Walk, swin or engage in some other physical activity, This helps to develop a more positive attitude along with good health.

9. Before starting with any plan or action, visualize clearly in your mind its successful outcome. If one visualizes with concentration and faith, everyone will be amazed at the results.

By doing the above things the 'law of attraction' also works out wonders for sure... we need to experience this, them only we can develop conviction on these things and can go ahead doing the same in life.

Success never depends on the size of the brain; it always depends on the wise POSITIVE THOUGHTS, speed of execution, depth of determination and strength of the attitude. ❑

# বৰ্তমান সময়ত 'কালিকা পুৰাণ'ৰ প্ৰাসংগিকতা

✍ দীপা ভট্টাচাৰ্য
সংস্কৃত বিভাগ, সহযোগী অধ্যাপিকা

'পুৰাণমাখ্যানম্' ইতিহাসে ঢুকি পোৱাৰ আগৰ কাহিনী (আখ্যান) সন্নিৱিষ্ট পুৰাণসমূহ যদিও ধৰ্মভিত্তিক তথাপি ইয়াৰ ঐতিহাসিক তথা সামাজিক মূল্যবোধ যথেষ্ট পৰিমাণে ইতিবাচক। ভাৰতীয় ঐতিহ্য-পৰম্পৰাৰ বাহক এই পুৰাণসমূহ পৰৱৰ্তী কালৰ ভাৰতীয় সাহিত্যসমূহৰ আধাৰ। প্ৰকৃততে পুৰাণসমূহক চন-তাৰিখ নোহোৱা প্ৰাচীন ভাৰতৰ ঐতিহাসিক দলিল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ঐতিহাসিক সমলেৰে ভৰপূৰ পুৰাণসমূহত সৃষ্টিৰ পাতনিৰে পৰা মানৱৰ বৌদ্ধিক ক্ৰমবিকাশৰ ধাৰা বিদ্যমান। পুৰাণসমূহত পাঁচটা লক্ষণ সততে দেখা যায়। বিষ্ণুপুৰাণত এনেদৰে প্ৰকাশ কৰিছে—

'সৰ্গশ্চ প্ৰতি সৰ্গশ্চ বংশো মন্বন্তৰাণি চ
বংশানুচৰিতঞ্চৈৱ পুৰাণং পঞ্চলক্ষণম্।।

(৩।৬।২৪)

অৰ্থাৎ, সৰ্গ (সৃষ্টি), প্ৰতিসৰ্গ (প্ৰলয়ৰ পাছৰ নতুন সৃষ্টি), বংশ (দেৱতা আৰু ঋষিৰ বংশাৱলী) মন্বন্তৰ (মনুৰ শাসনকাল) আৰু বংশানুচৰিত (ৰাজবংশৰ ইতিহাস)। এই পাঁচপ্ৰকাৰ বিষয়বস্তুৰ বাহিৰেও পুৰাণসমূহৰ ভৌগোলিক

> মনিষীসকলৰ মনত জগত সম্বন্ধে জিজ্ঞাসা আৰু জীৱনৰ ৰহস্য উদ্‌ঘাটনৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰচেষ্টা অদ্যাবধি অব্যাহত আছে। তাৰেই ফলস্বৰূপে বেদ-উপনিষদৰ পৰৱৰ্তীকালত পুৰাণসমূহ ৰচিত হৈছে। সেয়েহে পুৰাণসমূহক 'বেদসন্মতম্' বুলি কোৱা হৈছে...

আৰু সাহিত্যিক মূল্যও উল্লেখযোগ্য। ঐতিহাসিক সময়ৰ ব্যাকৰণ, জ্যোতিষ, ভূগোল, পদাৰ্থ বিজ্ঞান, শৰীৰ বিদ্যা, চিকিৎসা বিদ্যা, অস্ত্ৰ বিদ্যা আদিৰ বিষয়েও এই পুৰাণসমূহেই দিক্‌দৰ্শন কৰে। গতিকে পুৰাণসমূহৰ বৈজ্ঞানিক ভিত্তিও প্ৰণিধানযোগ্য।

প্ৰাচীন কালৰে পৰা মনিষীসকলৰ মনত জগত সম্বন্ধে জিজ্ঞাসা আৰু জীৱনৰ ৰহস্য উদ্‌ঘাটনৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰচেষ্টা অদ্যাবধি অব্যাহত আছে। তাৰেই ফলস্বৰূপে বেদ-উপনিষদৰ পৰৱৰ্তীকালত পুৰাণসমূহ ৰচিত হৈছে। সেয়েহে পুৰাণসমূহক 'বেদসন্মতম্' বুলি কোৱা হৈছে।

খ্ৰীষ্টপূৰ্ব পঞ্চম বা চতুৰ্থ শতিকাত ৰচিত হোৱা গৌতম আৰু আপস্তম্বীয় ধৰ্মসূত্ৰ দুখনত পুৰাণৰ উল্লেখ





থকাক লক্ষ্য কৰি কিছুসংখ্যক হ'লেও তাৰ আগত লিখা বুলি অনুমান কৰিব পাৰি। পাশ্চাত্য পণ্ডিত উইণ্টাৰ নিটচ্‌ৰ মতে পুৰাণৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাৰ আগত। ওঠৰখন পুৰাণ বা মহাপুৰাণতকৈ উপ-পুৰাণসমূহ পাছৰ ৰচনা বুলি ভবা হয় যদিও ড° আৰ বি হাজাৰাৰ 'Studies in the Upapurana' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে উপ-পুৰাণৰূপে স্বীকৃত কালিকাপুৰাণৰ উল্লেখ ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, পদ্মপুৰাণ, গৰুড়পুৰাণ, কুৰ্মপুৰাণ, স্কন্দপুৰাণ আদি প্ৰধান পুৰাণসমূহত বহুবাৰ উল্লেখ কৰা হৈছে। গতিকে উপ-পুৰাণসমূহ পুৰাণসমূহৰ পাছৰ ৰচনা যে নহয় তাৰ প্ৰমাণ পোৱা যায়। উপ-পুৰাণসমূহৰ ভিতৰত কালিকা পুৰাণ এখন উল্লেখযোগ্য উপ-পুৰাণ। ভাৰতীয় শক্তি পূজাৰ অনুষ্ঠানত কালিকা পুৰাণত সন্নিৱিষ্ট দুৰ্গা পূজাৰ তিনিটা ধাৰা বিশেষভাৱে উল্লেখযোগ্য। কালিকা পুৰাণত উল্লেখিত (৫৯ অধ্যায়ৰ ১১ নং শ্লোক)

জটাৰ্জুটসমাযুক্তামৰ্দ্ধেন্দুকৃতশেখৰাম্
লোচনত্ৰয়সংযুক্তাং পুৰ্ণেন্দুসদৃশাননাম্।

এই শ্লোকটি দুৰ্গা পূজাৰ ধ্যানৰূপে গ্ৰহণ কৰা হৈছে।

পুৰণি কামৰূপৰ পৰা প্ৰাগজ্যোতিষৰ বিস্তৃত বিৱৰণ কেৱল কালিকাপুৰাণতে উপলব্ধ হয়।

অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাভ্নক্ষত্ৰং সসৰ্জহ।
ততঃ প্ৰাগজ্যোতিষাখ্যেয়ং পুৰী শক্ৰপুৰীসমা।। (কা. পু. ৩৮।১১৯)

এই নগৰত ব্ৰহ্মাই পূৰ্বতে এটি নক্ষত্ৰ ত্যাগ কৰিছিল, সেইবাবে ইন্দ্ৰপুৰী সদৃশ এই নগৰীৰ নাম প্ৰাগজ্যোতিষপুৰ হয়। নৰকাসুৰে প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰাৰ আগতে এই ৰাজ্যত কিৰাত বংশৰ ঘটকাসুৰ নামৰ ৰজাই ৰাজত্ব কৰিছিল। নৰক ৰজাৰ সময়তে শোণিতপুৰত বাণ ৰজাই ৰাজত্ব কৰিছিল। এনেদৰে ঘটক, নৰক, বাণ আদি বহুতো ৰজাৰ বাহিনী আৰু পৰশুৰাম, বশিষ্ঠ আদি ঋষি মুনিৰ কাহিনীয়ে ইয়াৰ অপৰিহাৰ্য ঐতিহাসিক মূল্যাংকনৰ কথাকে সূচায়।

এই কালিকাপুৰাণতে প্ৰাচীন কামৰূপৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে সুন্দৰ বৰ্ণনা পোৱা যায়। নীলাচল পৰ্বতকে ধৰি কামৰূপ ৰাজ্যৰ চাৰিওফালে সিঁচৰতি হৈ থকা বহুতো পৰ্বত-পাহাৰৰ অৱস্থিতি, ব্ৰহ্মপুত্ৰকে ধৰি বহুত সৰু-বৰ নদ-নদীৰ গতিৰ দিশ, কামাখ্যা, উমানন্দ, শুক্ৰেশ্বৰ, মণিকৰ্ণেশ্বৰ, বানেশ্বৰ, উগ্ৰতাৰা, নৱগ্ৰহ, বশিষ্ঠাশ্ৰম, অশ্বক্ৰান্ত, দীৰ্ঘেশ্বৰী আৰু মাধৱ-কেদাৰকে ধৰি দিক্‌কৰবাসিনীলৈকে অসংখ্য শিৱ, শক্তি আৰু বিষ্ণু আদি নানা দেৱী-দেৱীৰ তীৰ্থস্থানৰ বিস্তৃত বিৱৰণসমূহে এই গ্ৰন্থৰ ভৌগোলিক মূল্যৰ কথাকে সোঁৱৰায়।

কালিকা পুৰাণে কলা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। প্ৰাচীন কালত ঘাইকৈ ধৰ্মক ভিত্তি কৰিয়ে কলা-সাহিত্য-সংস্কৃতিৰ বিকাশ হৈছিল। ধৰ্মীয় নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, খাদ্য, পোছাক-পৰিচ্ছদ, নানাবিধ নিত্য ব্যৱহাৰ্য সামগ্ৰী, পশু-পক্ষীৰ বিৱৰণৰ বাহিৰেও জাতীয় চিন্তাধাৰাৰো বিস্তৃত বিৱৰণ এই গ্ৰন্থত উপলব্ধ। কাহিনী অংশৰ কবিত্বপূৰ্ণ বৰ্ণনা আৰু অলংকাৰ প্ৰয়োগ অতি চমৎকাৰপূৰ্ণ। ধৰ্মীয় শিক্ষাৰ মাধ্যমেৰেই সমাজৰ বিভিন্ন স্তৰত পালন কৰিবলগীয়া সদাচাৰ সম্বন্ধেও নীতি শিক্ষা দিয়া হৈছে (৮৫ অধ্যায়ত)। এই গ্ৰন্থৰ ৮৪ সংখ্যক অধ্যায়ত ৰাজনীতি বিষয়ক শিক্ষাও উপলব্ধ। সেই সময়ৰ প্ৰচলিত ৰাজনীতিৰ সম্যক আভাসে পাছৰ যুগৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

এই গ্ৰন্থ ৰচনাৰ সময়ত মানুহে বৰ্তমানৰ দৰে শালিধান আৰু যৱধানৰ খেতি কৰিছিল। পায়স, পিঠা আৰু খিচিৰি খোৱাৰ প্ৰচলন আছিল। মানুহে সেই সময়ত মদ্যপানো কৰিছিল। খাদ্য হিচাপে ফল-মূল, শাক-পাচলি, মাছ-মাংসৰো ব্যৱহাৰ প্ৰচলিত আছিল। লজ্জা আৰু শীত নিবাৰণৰ বাবে কপাহৰ বাহিৰেও এৰী, মুগা, পাটৰ কাপোৰ, জন্তুৰ নোমৰ কাপোৰৰ ব্যৱহাৰো কৰিছিল। গছৰ বাকলিও আচ্ছাদন হিচাপে বিভিন্ন অংগত পৰিধান কৰা অলংকাৰৰ

উল্লেখো ইয়াত পোৱা যায়। নানাবিধ সুগন্ধি দ্ৰব্যৰ প্ৰচলনো সেই সময়ত আছিল।

বিভিন্ন ফলৰ ৰস আৰু ঘি, তেলেৰে চাকি জ্বলাই পোহৰৰ ব্যৱস্থা কৰা হৈছিল। পোহনীয়া জীৱ-জন্তুৰ বিৱৰণ আৰু নানাবিধ পশু-পক্ষী আৰু মাছৰ নামো ইয়াত উল্লেখ আছে। সেই সময়ত নাৰীসকলৰ প্ৰতি বিশেষ সন্মান প্ৰদৰ্শন কৰা হৈছিল। বিশেষকৈ বিয়া-বাৰুৰ ক্ষেত্ৰত দৰা পক্ষৰ পৰা ছোৱালী বিচৰা নিয়ম প্ৰচলিত আছিল। ক্ৰমবৰ্ধমান নাৰী অৱদমনৰ সময়ছোৱাৰ বাবে ই নিশ্চয়কৈ এক সন্মানসূচক বাৰ্তা বহন কৰে। এই পুৰাণৰ প্ৰধান কাহিনীও শক্তিকেন্দ্ৰিক। ই অসম মুলুকৰ কালিকাপুৰাণৰে বিষয়বস্তু নহয়, সমগ্ৰ ভাৰততে সেই সময়ত নাৰীক উচ্চস্থানত অধিষ্ঠিত কৰা হৈছিল। তাৰেই ফলস্বৰূপে শক্তি পূজাৰ প্ৰচলন হৈছিল। বৈদিক যুগতো শক্তি পূজাৰ প্ৰচলন আছিল। ঋগ্বেদৰ দেৱীসূক্ত (১০/১০/১২৫), ৰাত্ৰিসূক্ত (১০/১০/১২৭), সামবেদৰ ৰাত্ৰিসূক্তই (৩/৮/২১) ইয়াৰ স্পষ্ট প্ৰমাণ বহন কৰিছে।

তান্ত্ৰিক শক্তিবাদৰ প্ৰধান কেন্দ্ৰ আছিল প্ৰাচীন কামৰূপ পাছৰ যুগৰ অসম। সেই বিষয়ে কালিকাপুৰণাত একেদৰে দেখা পোৱা যায়।

'অন্যত্ৰ বিৰলা দেৱী কামৰূপ গৃহে গৃহে।' (৫৮/৪২)

অৰ্থাৎ অন্য ঠাইত দুৰ্লভ দেৱী, কামৰূপৰ ঘৰে ঘৰে বিদ্যমান।

শক্তিবাদত কালী, দুৰ্গা আদি মহামায়াৰে ৰূপান্তৰ মাথোন। ধৰ্মীয় দৃষ্টিকোণৰ পৰা কালিকাপুৰাণ তান্ত্ৰিক শাক্তসকলৰ এখন ধৰ্মগ্ৰন্থ হ'লেও ইয়াৰ ধৰ্মীয় সহনশীলতা আৰু আন ধৰ্মৰ প্ৰতি সমানে ভক্তি প্ৰদৰ্শন কৰাটো মন কৰিবলগীয়া বিষয়। কালীৰ পূজকসকলে যে আন দেৱ-দেৱীকো সমানে পূজা কৰিছিল, সেই কথাৰ স্পষ্ট উল্লেখ এই গ্ৰন্থত আছে। কালিকা পূৰাণৰ আৰম্ভণিতে প্ৰথমে সূৰ্যৰূপী বিষ্ণুক তাৰ পাছত সূৰ্যৰূপিনী শক্তিক আৰু তাৰ পাছত আদি পুৰুযোত্তম ঈশ্বৰক (শিৱক) প্ৰাৰ্থনা কৰা হৈছে। ইয়াতেই ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ একত্ব প্ৰতিপাদন কৰা হৈছে। সকলো দেৱ-দেৱীয়ে এক পৰম শক্তিৰে ভিন্ন ৰূপ মাথোন। ব্ৰহ্মা, বিষ্ণু, শিৱ, শক্তি আটায়ে একেজনাই, কোনো ভেদ নাই। যিয়ে মহামায়া, সিয়ে ব্ৰহ্মশক্তি, সিয়ে বিষ্ণুমায়া, সিয়ে শিৱশক্তি। পৰম ব্ৰহ্মৰ কোনো লিংগভেদ নাই। সেয়ে বিষ্ণু যামালত কৈছে—

'সাধকানাং হিতাৰ্থায় ব্ৰহ্ম স্ত্ৰীপুংৰূপংধত্তে।'

এনে সহনশীলতাৰ বাবে বৰ্তমান সময়তো কালিকাপুৰাণৰ প্ৰাসংগিকতা অনস্বীকৰণীয়। ধৰ্মীয় দিশটো বাদ দিলেও এই গ্ৰন্থৰ সাহিত্যিক প্ৰমূল্যবোধ, সামাজিক, সাংস্কৃতিক আৰু ভৌগোলিক বৰ্ণণাৰ বাবে আজিও উপাদেয় গ্ৰন্থ হিচাপে স্বীকৃত হৈ আহিছে। অসমত ৰচিত হোৱা উচ্চ মানদণ্ডৰ এই গ্ৰন্থই প্ৰাক্ ঐতিহাসিক কালৰ পৰাই যে অসমত সংস্কৃতৰ চিন্তা-চৰ্চা হৈ আহিছে তাৰ নিশ্চিত প্ৰমাণ বহন কৰিছে। ❑





# মহাকালৰ ছন্দে ছন্দে

✍ ড° দীনেশ লহকৰ

সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ

*বন্ধ হৈছে শিক্ষাৰ দুৱাৰডলি, বিশ্বৰ বিদ্যালয়, মন্দিৰ-মছজিদ সকলো। ভগৱানে জিৰণি লৈছে অজান মুলুকত। নিজানত শুই আছে কলেজখন। চৌদিশে মহাশূন্যতা। ছাত্ৰ-ছাত্ৰী নাই, শিক্ষক নাই, নাই অহা কৰ্মচাৰী কলেজলৈ। মুখৰিত হোৱা নাই কলেজৰ চোতাল, কল্লোলিত হোৱা নাই জ্ঞান-বিজ্ঞানৰ কথা। পুখুৰীৰ পাৰত বৈ আছে ডাউকযোৰ। সিহঁতৰ বাবে ই যেন এক নুবুজা সাঁথৰ।*

(১)

ধৰিত্ৰীৰ অসুখ। 'এম্বুলেঞ্চ'ৰ চাইৰেন বাজিছে— ইটালী, নিউয়ৰ্ক, লণ্ডন, চীন, কোৰিয়া সকলোতে। চাওতে চাওতে ভাৰতবৰ্ষও পালেহি। হস্পিতালত 'চিট্ নাই, নাৰ্ছিংহোম ভৰ্তি। প্ৰথমতে একক, পাছলৈ দহক, শতক, হেজাৰ, শেষত লাখৰ আক্ৰান্ত। মৃত্যুৰ শীতল ছাঁত পৰি আছে জীৱন আৰু মূৰ্ছনা। ঘৰ এৰি মানুহ অঘৰী হৈছে, কৰ্মঠ বনুৱাৰ হাতৰ পেশীবোৰে জিৰণি লৈছে, অচল হৈছে যন্ত্ৰপাতিৰ সচল চকা। এমুঠি আহাৰ, মূৰ ঢকা এখনি চালৰ বাবে লক্ষজনে প্ৰব্ৰজন কৰিছে। পৰিৱেশ আৰু পৰিস্থিতি সঘনে সলনি হৈছে। মহকালৰূপত সৰ্বত্ৰ কোভিড-১৯।

সকলোতে কেৱল নতুন শব্দৰ 'মিছিল'— কৰ'না ভাইৰাছ, 'কনটেইণ্টমেণ্ট জ'ন', হোম কোৱাৰেণ্টীন, সামাজিক দূৰত্ব, ছেনিটাইজাৰ, মাস্ক, কোভিড চেণ্টাৰ, কোভিড হস্পিতাল, কোভিড ডিউটি, কোভিড যোদ্ধা, কোভিড প্ৰট'কল, 'পিপিই কীট, লকডাউন-১, ২, ৩ 'আনলক - ১, ২, ৩, ৪, ৰেপিড এণ্টিজেন টেষ্ট, অক্সিমিটাৰ। সংবাদ মাধ্যমত অহৰ্নিশে ঘোষণা কৰা হৈছে মৃতকৰ সংখ্যা, কোভিড আক্ৰান্তৰ গ্ৰাফ, ভেকচিনৰ প্ৰস্তুতিৰ কথা, গৱেষণাগাৰত ব্যস্ত এতিয়া জীৱাণু বিজ্ঞানী।

(২)

সকলো বন্ধ। বন্ধ হৈছে শিক্ষাৰ দুৱাৰডলি, বিশ্বৰ বিদ্যালয়, মন্দিৰ-মছজিদ সকলো। ভগৱানে জিৰণি লৈছে অজান মুলুকত। নিজানত শুই আছে কলেজখন। চৌদিশে মহাশূন্যতা। ছাত্ৰ-ছাত্ৰী নাই, শিক্ষক নাই, নাই অহা কৰ্মচাৰী কলেজলৈ। মুখৰিত হোৱা নাই কলেজৰ চোতাল, কল্লোলিত হোৱা নাই জ্ঞান-বিজ্ঞানৰ কথা। পুখুৰীৰ পাৰত বৈ আছে ডাউকযোৰ। সিহঁতৰ বাবে ই যেন এক নুবুজা সাঁথৰ। গণিতৰ অধ্যাপক ড° দাসৰ মনলৈ কিবা আহিছে— ৰিক্ত নে অসংযুক্ত সংহতিৰ সংজ্ঞা? কোনটো Variable কোনটো Constant জীৱন নে মৃত্যু? হাঁহি নে কান্দোন?

দুখ কিম্বা সুখ? অনলাইন নে অফলাইন ক্লাছ?

(৩)

লকডাউন-১। প্ৰাক-বসন্তৰ দুৱাৰডলিত বৈ আছে বৰদৈচিলাজনী। শুষ্ক পৃথিৱী সিক্ত হোৱাৰ বাবে আশাৰে বাট চাই আছে নাঙল-মানুহ আৰু পথাৰ। শস্যবোৰ লেৰেলি গৈছে মৰমৰ অভাৱত, কিনোতাহে কোনো নাই। দুশ বছৰীয়া ঐতিহ্যমণ্ডিত অসমী আইৰ 'এটি কলি দুটি পাত' চিঙিবলৈ নাই কোনো বুধুৱা, নাই কোনো লক্ষ্মী। ঝুমুৰৰ ছন্দ হেৰাই গৈছে, অসমীয়ে হেৰাইছে সেউজীয়া সোণ।

মোবাইল ফোনত বাজি উঠিছে অহৰহ সাৱধান বাণী— ঘৰতেই থাকক সুৰক্ষিত থাকক, মাস্ক আৰু ছেনিটাইজাৰ ব্যৱহাৰ কৰক। নিতান্ত প্ৰয়োজন নহ'লে বাহিৰলৈ নোলাব। জনগণে প্ৰাৰ্থনা কৰিছে নেদেখাজনক মহাসংকটৰ পৰিত্ৰাণ বিচাৰি। জনতাই অভিনন্দন জনাইছে চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী, চাফাই কৰ্মী, আৰক্ষী সকলোকে। কেতিয়াবা শংখ, ঘণ্টা, কাহী-বাতি বজাই আৰু কেতিয়াবা বন্তি জ্বলায়।

(৪)

'ছাৰ, ক্লাছ হ'বনে?'

'ছাৰ, পৰীক্ষা কেতিয়া হ'ব?'

'ছাৰ, পৰীক্ষা অনলাইন হ'বনে অফলাইন হ'ব?'

'ছাৰ, আমাৰ ইয়াত এফঁকাল বানপানী। নেটৱৰ্ক নাই। কি কৰিম ছাৰ?'

'হোম এছাইনমেণ্ট জমা দিব পৰা নাই। মোৰ এণ্ড্ৰয়ড মোবাইল নাই ছাৰ। জমা দিয়া তাৰিখটো পিছুৱাই দিবনে?'

এশ এবুৰি প্ৰশ্নৰে ভাৰাক্ৰান্ত অধ্যাপক-অধ্যাপিকাবৃন্দ। সকলোৰে ভাবিছে সমস্যাবোৰৰ সমাধান হওঁক। অথচ কোনেও ৰুদ্ধ কৰিব পৰা নাই কোভিড-১৯ৰ দুৰ্বাৰ যাত্ৰা।

কবিসকল আকৌ সাজু হৈছে নতুনকৈ 'ছনেট' লিখিবলৈ হৃদয় বিদাৰক মৃত্যুক লৈ। শ্মশানত দেখা নাপায় পুত্ৰই কোভিডবিদ্ধ দেউতাকৰ মুখ, দেউতাকে দেখা নাপায় জীৱনবিহীন পুত্ৰৰ নিথৰ দেহ। বিষাদৰো জানো হিচাপ থাকেঙ্গ বঙহৰ কান্ধত ধৰি গঞাই কান্দিছে কোভিডে হৰি নিয়া ডেকাজনক লৈ মেছেজেৰে ভৰি আছে কেৱল ৰিপ্‌ আৰু ৰিপ্‌। সময় কি যে দুঃসময়।

(৫)

আপুনি থমাছ হাৰ্ডিৰ সেই বিখ্যাত উপন্যাসখন পঢ়িছিলনে? 'How Green was my valley'? নায়কে প্ৰকৃতিৰ কোলাৰ পৰা আঁতৰি কি যে যন্ত্ৰণা ভুগিছিল? বুদ্ধিজীৱী, চিন্তাবিদ, শিক্ষাবিদ, বিজ্ঞানীসকলো চিন্তিত কোভিডক লৈ। প্ৰকৃতি আৰু মানুহৰ সহ-অৱস্থানৰ সলনি কৰবাত জবৰদস্ত সংঘাত হৈছে। কদৰ্যময় ভোগবাদৰ বলি হৈছে মানুহ, ৰুষ্ট হৈছে প্ৰকৃতি। সকলোৱে আলোচনা কৰিছে কোভিডক লৈ যেনেকৈ আলোচনা কৰে উমনি লৈ থকা কণীবোৰ ফুটিলে কেইটা পোৱালি হ'ব? পোৱালিৰ ৰঙবোৰ কি হ'ব? কেইটা মতা হ'ব? অথচ এটা প্ৰশ্নৰো আগতীয়া সমাধান নাই। সাগৰত পালতৰা জাহাজৰ অনিশ্চিত যাত্ৰা।

**উপ-সংহাৰ ঃ**

প্ৰখ্যাত অৰ্থনীতিবিদ ৰবাৰ্ট মালথাছে কৈছিল— অধিক জনসংখ্যাৰ বিস্ফোৰণ প্ৰকৃতিয়ে যুদ্ধ-বিগ্ৰহ, মাৰি-মৰকৰ দ্বাৰা নিবাৰণ কৰে। সেয়ে নেকি কোভিডৰ বিশ্বজুৰি সন্ত্ৰাস। তথাপিও মানুহ আশাবাদী। শেষত ভৱন্ত সুখিনঃ সৰ্বে সন্ত নিৰাময়া... ❑





# কবৰৰ ক্ৰন্দন

✍ ড° চৈয়দ আব্দুল্লাহ আহমেদ
সহকাৰী অধ্যাপক, আৰবী বিভাগ

**খ্যা**তনামা আৰবী সাহিত্যিক তথা গল্পকাৰ খলিল জিব্ৰান (জ. ১৮৮৩-মৃঃ ১৯৩১ খ্ৰীষ্টাব্দ) বিৰচিত 'আল-আৰৱাহ আল-মুতামাৰৰিদা' (বিদ্ৰোহী আত্মা) নামৰ গল্পপুথিত সন্নিৱিষ্ট 'কবৰৰ ক্ৰন্দন' এটি বাস্তৱধৰ্মী গল্প। গল্পটোৰ জৰিয়তে লেখকে অত্যাচাৰী শাসকৰ হাতত কেনেদৰে সাধাৰণ দুৰ্বল প্ৰজা শোষিত, নিষ্পেষিত তথা অত্যাচাৰিত হয় তাৰ এখন জীয়া ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। তিনিজন নিৰীহ লোকৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ বিষয়ে গল্পটোত বৰ্ণনা কৰা হৈছে। গল্পটো থূলমূলকৈ তলত উল্লেখ কৰা হ'ল—

আমীৰে আদালতৰ বিচাৰ কক্ষত প্ৰৱেশ কৰি মুখ্য আসন গ্ৰহণ কৰিছিল। তাৰ পাছতে কাৰাগাৰৰ ভিতৰত থকা অপৰাধীকেইজনক এজন-এজনকৈ তেওঁৰ সন্মুখত হাজিৰ কৰাবলৈ তেওঁ তেওঁৰ সৈন্যবাহিনীক নিৰ্দেশ দিলে। কথামতে কাম। লগে লগে কাৰাগাৰৰ দুৱাৰ খুলি দিয়া হ'ল। ক্ষন্তেক পাছতে দুজন সৈন্যই এজন যুৱকক আগবঢ়াই আনি আমীৰৰ সন্মুখত হাজিৰ কৰালে। আমীৰে কঢ়াভাৱে সোধ-পোছ আৰম্ভ কৰিব ধৰিলে। তেনেতে বিচাৰ কক্ষত উপস্থিত থকা এজন লোকে মাত লগালে— 'তেওঁ এজন হত্যাকাৰী, যোৱা কালি তেওঁ আমীৰৰ বিষয়া এজনক হত্যা কৰিছে'। এইখিনি শুনাৰ পাছত আমীৰে তেওঁৰ সৈন্যক হুকুম কৰিলে— 'তাক (দোষী যুৱকজনক) কাৰাগাৰৰ এন্ধাৰ কোঠালৈ নিক্ষেপ কৰি মজবুত শিকলিৰে বান্ধি থোৱা। পুৱতি নিশা তাৰ মূৰটো কাটি শৰীৰটো গছৰ ওপৰত দলিয়াই দিবা যাতে পশু-পক্ষীয়ে তাৰ মাংস ভক্ষণ কৰিব পাৰে আৰু তাৰ আত্মীয়-স্বজনে যাতে তাৰ গেলি যোৱা মাংসৰ গোন্ধ লাভ কৰিব পাৰে'। শুনানিৰ পাছত যুৱকজনক কাৰাগাৰৰ ভিতৰলৈ লৈ গ'ল আৰু তাত উপস্থিত থকা সকলোৱে সেমেকা চকুৰে তেওঁৰ পিনে চাই ৰ'ল।

এইবাৰ আমীৰৰ সৈন্যকেইজনে কাৰাগৰৰ পৰা এজনী ধুনীয়া মহিলাক উলিয়াই আনিলে। দেখাত তাই অত্যাচাৰিত যেন অনুমান হৈছিল। আমীৰে তাইৰ অপৰাধৰ বিষয়ে সোধাত সদনত উপস্থিত থকা এজনে ক'লে— 'তাই এজনী বেশ্যা, যোৱা নিশা তাইৰ স্বামীয়ে তাইক এজন পুৰুষৰ লগত কথা পাতি থকা অৱস্থাতে দেখা পাই তাইক তালাক দিছে। পাছত প্ৰেমিকজন (উক্ত পুৰুষজন) পলায়ন কৰে। গতিকে স্বামীয়ে তাইক আইনৰ ওচৰত দ্বাৰস্থ কৰাইছে'। আমীৰে তেওঁৰ কথাখিনি শুনিয়েই অতি নিষ্ঠুৰভাৱে হুকুম কৰিলে— 'তাইক এন্ধাৰ কোঠাৰ ভিতৰত নিক্ষেপ কৰা আৰু কাইটযুক্ত বিছনাত শুৱাই দিয়া, তিতা ভিনেগাৰ পান কৰাই দিয়া। পুৱতি নিশা তাইৰ নগ্ন শৰীৰ চহৰৰ বাহিৰত পেলাই দি তাৰ ওপৰত শিলগুটি নিক্ষেপ কৰিবা। আমীৰৰ এই নিৰ্দেশৰ পাছতে মহিলাগৰাকীক কাৰাগৰৰ এন্ধাৰ কোঠালৈ লৈ যোৱা হ'ল।

ৰক্তপাত কৰা নিষিদ্ধ, কিন্তু আমীৰৰ বাবে যেন বৈধ। কাৰোবাৰ পৰা পইচা চুৰি কৰাটো অপৰাধ কিন্তু কাৰোবাৰ জীৱন কাঢ়ি লোৱাটো যেন মহান কাম। স্বামীক বিশ্বাসঘাটকতা কৰাটো নিঃসন্দেহে এক কুকৰ্ম, কিন্তু জীৱন্ত শৰীৰৰ ওপৰত শিলাবৰ্ষণ কৰাটো আকৌ সৎ কৰ্ম! কু-কৰ্মৰ সমাধান জানো কু-কৰ্মৰ দ্বাৰা সম্ভৱ! অপৰাধ মষিমূৰৰ উদ্দেশ্যে তাতকৈ ডাঙৰ অপৰাধ সংঘটিত কৰাটো জানো আইন হ'ব পাৰে...

তাৰ পাছত সৈন্যকেইজনে এজন দুৰ্বল ক্ষীণকায় ব্যক্তিক উক্ত কাৰাগাৰৰ পৰা উলিয়াই আনিলে। মানুহজন দেখাত তেনেই চিন্তাক্লিষ্ট আছিল, দৰিদ্ৰতাৰ ছবি তেওঁৰ মুখত সু-স্পষ্ট আছিল। কঁপি থকা ভৰি দুখনৰ ওপৰত ভৰ দি আমীৰৰ সন্মুখত থিয় হোৱাৰ পাছত আমীৰে তেওঁৰ অপৰাধৰ বিষয়ে সুধিলে। সদনত উপস্থিত থকা এজনে উত্তৰ দিলে— 'তেওঁ এজন চোৰ। দুৱাৰ ভাঙি গীৰ্জাৰ ভিতৰত চুৰি কাৰ্য কৰিছে।' লগে লগে আমীৰ ক্ৰোধান্বিত হ'ল আৰু তেওঁৰ সৈন্য বাহিনীক নিৰ্দেশ দিলে— চোৰজনক কাৰাগাৰৰ ভিতৰলৈ লৈ গৈ শিকলিৰে বান্ধি থোৱা আৰু পুৱতি নিশাই কোনো এডাল ওখ গছত ফাঁচী দিবা। আমিৰৰ হুকুম মতে চোৰজনক কাৰাগাৰৰ ভিতৰত নিক্ষেপ কৰা হ'ল।

এনেদৰে তিনিটা গোচৰৰ হুকুম শুনাই আমীৰে বিচাৰৰ সামৰণি মাৰিলে আৰু কিছু ভদ্ৰলোক আৰু সৈন্য-সামন্ত সহিতে আদালতৰ পৰা ওলাই গুচি গ'ল।

এই সকলোবোৰ খলিল জিব্ৰানৰ চকুৰ সন্মুখতে সংঘটিত হৈ গ'ল আৰু তেওঁ ভাবুক হৈ সন্মুখেদি ভূত-প্ৰেত পাৰ হৈ যোৱা মানুহৰ দৰে অবাক হৈ থিয় দি থাকিলো। তেওঁ আইনখনৰ বিষয়ে ভাবিব ল'লে যিজন মানুহে বনাইছে মানুহৰ বাবেই আৰু যাক মানুহে আখ্যা দিয়ে 'ন্যায়' বুলি। লগতে গম্ভীৰভাৱে 'জীৱনৰ ৰহস্য'ৰ ওপৰতো তেওঁ চিন্তা কৰিব ধৰিলে। পিছদিনা তেওঁ চহৰ পৰিত্যাগ কৰি নাতিদূৰৈত থকা মুকলি পথাৰলৈ ঢাপলি মেলিছিল। কিছুদূৰ গৈ দেখিলে যে এজাক কাউৰী আৰু কিছুমান শগুণে আকাশত চিঞৰ-বাখৰ কৰি উৰি আছে। মনত কৌতূহল হোৱাত আৰু অলপ আগবাঢ়ি গ'ল, তেতিয়া তাত তেওঁ তিনিটা মৃতদেহ দেখা পালে— এজন পুৰুষৰ মৃতদেহ ওখ গছ এডালত ওলোমাই থোৱা আছে, এজনী মহিলাৰ নগ্ন মৃতদেহ শিলৰ দ'মৰ মাজত পুতি থোৱা আছে আৰু এজন যুৱকৰ মুণ্ডহীন মৃতদেহ তেজেৰে লুতুৰি-পুতুৰি হৈ মাটিত পৰি আছে। মানৱসৃষ্ট আইনৰ বলি হৈ মৃত্যুক সাবটি লোৱা ব্যক্তিকেইজনৰ দুখত কাউৰীজাকৰ পৰা অহা কা কা মিশ্ৰিত বিননিৰ বাহিৰে তাত অইন একো শব্দই যোৱা নাছিল।

তিনিজন ব্যক্তি যিয়ে যোৱাকালি পৰ্যন্ত জীৱিত আছিল, সামাজিক নিয়ম উলংঘন কৰা অপৰাধত আজি তেওঁলোকক মৃত্যুদণ্ডৰে দণ্ডিত কৰা হ'ল। যেতিয়া এজন সাধাৰণ মানুহে অইন কোনোবা এজনক হত্যা কৰে মানুহে তেওঁক নাম দিয়ে হত্যাকাৰী, কিন্তু আমীৰজনে যেতিয়া হত্যা কৰে তেওঁক হত্যাকাৰী নাম দিয়া নহয় কাৰণ তেওঁ আমীৰঙ্গ সাধাৰণ মানুহ এজনে গীৰ্জাত চুৰি কৰিলে তেওঁক চোৰ বুলি কোৱা হয়, কিন্তু আমিৰে যেতিয়া কাৰোবাৰ জীৱন কাঢ়ি লয় তেতিয়াও আমিৰজন সন্মানৰ পাত্ৰ হৈ থাকে। এজনী মহিলাই তাইৰ স্বামীক বিশ্বাসঘাটকতা কৰিলে সমাজে তাইক বেশ্যা উপাধি দিয়ে, আকৌ আমিৰে যেতিয়া সেই মহিলাগৰাকীক মুকলিভাৱে নাঙঠ কৰায় তেতিয়া আমীৰজন কিন্তু মহান। ৰক্তপাত কৰা নিষিদ্ধ, কিন্তু আমীৰৰ বাবে যেন বৈধ। কাৰোবাৰ পৰা পইচা চুৰি কৰাটো অপৰাধ কিন্তু কাৰোবাৰ জীৱন কাঢ়ি লোৱাটো





যেন মহান কাম। স্বামীক বিশ্বাসঘাটকতা কৰাটো নিঃসন্দেহে এক কুকৰ্ম, কিন্তু জীৱন্ত শৰীৰৰ ওপৰত শিলাবৰ্ষণ কৰাটো আকৌ সৎ কৰ্মঙ্গ কু-কৰ্মৰ সমাধান জানো কু-কৰ্মৰ দ্বাৰা সম্ভৱঙ্গ অপৰাধ মষিমূৰৰ উদ্দেশ্যে তাতকৈ ডাঙৰ অপৰাধ সংঘটিত কৰাটো জানো আইন হ'ব পাৰেঙ্গঙ্গ আমীৰজনে কাৰো পৰা পইচা আত্মসাৎ কৰা নাছিলনে? তেওঁ কেতিয়াও দুৰ্নীতি কৰা নাছিলনে? অপৰাধী তিনিজনক শাস্তি বিহা লোককেইজন কি স্বৰ্গৰ পৰা অৱতৰণ কৰা নিষ্পাপ মহাপুৰুষ আছিল নেকিঙ্গ

এনেবোৰ চিন্তা কৰি থাকোতে হঠাৎ এজনী মহিলা সেই ঠাইত আহি উপস্থিত হ'লহি। তাত পৰি থকা মুণ্ডহীন যুৱকজনক দেখি তাই চিঞৰ মাৰি উঠিল আৰু কঁপি থকা হাত দুখনেৰে মৃতদেহটো সাৱটি ধৰিলে। তাৰ পাছত তাই এটা গাত খান্দি তাৰ মৃতদেহটো শুৱাই থলে; লগতে পৃথক হৈ পৰি থকা মূৰটো আনি মৃতদেহটোত লগাই তাক কবৰস্থ কৰি থলে। মহিলাগৰাকীক মৃত যুৱকজনৰ প্ৰতি দেখুওৱা সহানুভূতিৰ বিষয়ে সোধাত তাই ক'লে— 'আমিৰৰ এজন বিষয়া কৰ সংগ্ৰহ কৰিবলৈ আমাৰ ঘৰত আহি উপস্থিত হৈছিল। মোৰ দেউতাৰ ওপৰত অনৈতিকভাৱে ইমানেই বেছি কৰ আৰোপ কৰিছিল যে এজন ধনী ব্যক্তিৰো সিমানখিনি কৰ আদায় কৰাটো অসম্ভৱ আছিল। দেউতাই কৰ পৰিশোধ কৰিব নোৱাৰা বাবে মোক গ্ৰেপ্তাৰ কৰি আমীৰৰ ওচৰলৈ নিব বিচাৰিলে যাতে কৰৰ সলনি মোৰ গহনাখিনি হ'লেও নিব পাৰে। তেতিয়া মই সহায় বিচাৰি চিঞৰিব ধৰিলো। সেই মুহূৰ্তত আমীৰে মৃত্যুদণ্ড দিয়া এই যুৱকজনেই মোক উদ্ধাৰ কৰিছিল। যুৱকজনে মোৰ ওচৰত আহি উপস্থিত হৈছিল আৰু কৰ সংগ্ৰহকাৰী বিষয়াজনক হত্যা কৰি মোৰ জীৱন ৰক্ষা কৰিছিল। হত্যাকাণ্ড সংঘটিত কৰি তেওঁ তাৰ পৰা পলায়নো কৰা নাছিল আৰু অৱশেষত আমীৰৰ সৈন্য আহি তেওঁক গ্ৰেপ্তাৰ কৰি লৈ গৈছিল।'

অলপ পাছত তাত এজন যুৱক আহি উপস্থিত হ'ল। মুখখন তেওঁৰ চাদৰেৰে ঢাকি লোৱা আছিল। যুৱকজন বেশ্যাগৰাকীৰ মৃতদেহটোৰ ফালে আগবাঢ়ি গৈ এটা গাত খান্দিব ল'লে, নিজৰ গাত থকা চাদৰখনেৰে মৃতদেহটো ঢাকি সুন্দৰভাৱে কবৰস্থ কৰি থলে আৰু ওপৰত কিছুমান ফুলও ছটিয়াই দিলে। বেশ্যাগৰাকীৰ প্ৰতি দেখুওৱা সহানুভূতিৰ বিষয়ে সোধাত যুৱকজনে অতি দুখেৰে উত্তৰ দিলে— 'ময়েই সেইজন দুৰ্ভগীয়া ব্যক্তি যাৰ বাবে তাই মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল। শৈশৱৰে পৰা আমি দুয়ো দুয়োকে ভাল পাইছিলো। এবাৰ মই চহৰৰ পৰা বাহিৰত আছিলো। কিছুদিন পাছত ঘূৰি আহি গম পালো যে তাইৰ দেউতাকে এনেকুৱা এজন ল'ৰাৰ লগত তাইক বিয়া দিলে যাৰ প্ৰতি তাইৰ কোনো মৰম-ভালপোৱা নাছিল। খবৰটো শুনি মই ৰ'ব নোৱাৰিলো আৰু তাইক লগ ধৰিব গ'লো। স্বামীগৃহত তাইক দুখ মনেৰে বহি থকা অৱস্থাত দেখিবলৈ পালো। আমি ইজনে-সিজনৰ লগত অত্যন্ত পৱিত্ৰ মনেৰে ভাৱৰ আদান-প্ৰদান কৰিব ল'লো। তেনেতে তেওঁৰ স্বামী আহি উপস্থিত হোৱাত তেওঁ অগ্নিশৰ্মা হৈ উঠিল আৰু তাইক বেশ্যা বুলি গালি দি চোচৰাই ৰাস্তালৈ উলিয়াই বাহিৰ কৰি দিলে। কিছু সময় পাছত প্ৰশাসনৰ মানুহ আহি তাইক আমিৰৰ ওচৰলৈ লৈ যায়। কথাখিনি বৰ্ণনা কৰি যুৱকজন তাৰ পৰা গুচি গ'ল।

এইবাৰ এজনী মহিলা আহি তাত উপস্থিত হ'ল আৰু ওখ গছত ওলমি থকা চোৰৰ মৃতদেহটোৰ ওচৰলৈ গৈ তাত থিয় দিলে, গছৰ ওপৰত উঠি মৃতদেহটো ওলোমাই ৰখা ৰছীডাল তাই দাঁতেৰে কামুৰি ছিঙি পেলালে আৰু মৃতদেহটো বাকী দুজনৰ কাষতে কবৰস্থ কৰি থলে। এনেদৰে এজন চোৰক কবৰস্থ কৰাৰ কাৰণ সোধাত তাই ক'লে যে— 'সেইজন ব্যক্তি মোৰ স্বামী আছিল। তেওঁ এজন অতি সৎ আৰু নিষ্ঠাৱান লোক আছিল। মোৰ স্বামী কেতিয়াও চোৰ নাছিল। তেওঁ এজন খেতিয়ক আছিল, ডেকা বয়সৰ পৰাই গীৰ্জাৰ মাটিত খেতিৰ কাম কৰিছিল আৰু তাৰ উৎপাদিত শস্যৰ পৰা গীৰ্জাৰ পাদুৰীয়ে অকণমান

# A Study on drinking water quality available in different private Educational institution in Rangia town

Nayanjyoti Patowary & Dr. Gitimoni Deka
TDC Chemistry 6th Semester Major
Associate Professor, Department of Chemistry,
Rangia College, Rangia

## DECLARATION

This is result and findings of an academic activity conducted by Nayan Patowary 6th Semester student of Chemistry Major of Rangia College daring 2018-2019 Academic Session under Gauhati University Major syllabus of paper 606 under the Guideship of Dr. Gitimoni Deka, Associate Professor Department of Chemistry Rangia College. The whole work is original and no funding received from any source.

## INTRODUCTION

Water quality concerns our often the most important component for measuring access to improved water sources. Acceptable quality shows the safety of drinking water in terms of its physical,chemical and bacteriological parameters (WHO,2004).User weight communities perceptions of quality also carry great weight in their drinking water safety (Doria,2010). Depending on their perception on test, dour and appearance (Sheat, 1992; Doria (2010), this can lead to having different opinions about the aesthetic values of water quality. Consumer perceptions and aesthetic criteria need to be considered when accessing drinking water supplies even though they may not adversely affect human health (WHO, 2004). The WHO (2000) supports that polluted drinking water causes about 1.8 million people die

খাদ্যবস্তু প্ৰদান কৰিছিল সেইখিনিৰে আমাৰ পৰিয়ালটো কেনেবাকৈ চলি আছিল। বয়স বাঢ়ি অহাত শৰীৰ দুৰ্বল হোৱা বাবে তেওঁক কামৰ পৰা বাহিৰ কৰি দিলে আৰু সন্তান ডাঙৰ হ'লে উক্ত কামত নিয়োগ কৰা হ'ব বুলি গীৰ্জা কৰ্তৃপক্ষই কৈ দিলে। সেই সময়ত সন্তানকেইটা একেবাৰে সৰু থকা বাবে স্বামীয়ে চাকৰিটোৰ পৰা অব্যাহতি নিদিবলৈ কৰ্তৃপক্ষক কাতৰ অনুৰোধ জনাইছিল। কিন্তু নাবালক ভোকাতুৰ শিশুকেইটাৰ প্ৰতিও গীৰ্জা কৰ্তৃপক্ষ তথা তাত থকা পাদুৰীয়ে অকণো সহানুভূতি প্ৰদৰ্শন নকৰিলে। নিৰুপায় হৈ তেওঁ চহৰত অন্য কাম বিচাৰি ওলাই গ'ল যদিও দুৰ্বল দেহাৰ বাবে কোনোৱে তেওঁক কামত নলগালে। আশাহত হৈ তেওঁ এইবাৰ পদপথতেই ভিক্ষা বিচাৰি বহি গ'ল। কিন্তু ভিক্ষা দিয়াৰ পৰিৱৰ্তে সকলোৱে তেওঁক এলেহুৱা বুলি তিৰস্কাৰ কৰি গৈ থাকিল। গতিকে আমি বেছিভাগ সময় ভোকত কটাবলগীয়া হৈছিল। এদিনাখন ৰাতি সৰু ল'ৰাজনে ভোকত অলপ বেছিয়েই অস্থিৰ হৈছিল। তেতিয়া মোৰ স্বামীয়ে হিতাহিত জ্ঞান হেৰুৱাই নিশাৰ সেই ঘোৰ অন্ধকাৰৰ মাজতে ঘৰৰ পৰা ওলাই গৈছিল। তেওঁ চিধাই গীৰ্জাত প্ৰৱেশ কৰি তাত এটা পাত্ৰত পৰি থকা কিছু খাদ্যবস্তু উঠাই ল'লে। তেনেতে তাত শুই থকা সন্যাসী এজনে সাৰ পাই তেওঁক কৰায়ত্ত কৰিলে আৰু মাৰধৰ কৰি আমীৰৰ ওচৰলৈ লৈ গৈ তেওঁৰ ওপৰত এইবুলি মিছা অভিযোগ আৰোপ কৰিলে যে তেওঁ মাজনিশা গীৰ্জাৰ ভিতৰত থকা সোণৰ কলহটো চুৰি কৰিবলৈ আহিছিল। আমীৰে এই অভিযোগ শুনাৰ পাছতে মোৰ স্বামীক জেলত ভৰাই থলে আৰু তাৰ পিছদিনাই তেওঁক মৃত্যুদণ্ড দিয়ে। মোৰ স্বামীয়ে নাবালক ভোকাতুৰ সন্তানৰ ক্ষুধা নিবাৰণৰ নিমিত্তে সামান্য ঘেহু আনিবলৈ গীৰ্জাত প্ৰৱেশ কৰিছিল যিখিনি এটা সময়ত আনকি তেওঁৰ হাতেৰেই উৎপাদন কৰা হৈছিল, কিন্তু আমীৰে তেওঁক হত্যা কৰিলে আৰু তেওঁৰ মাংসৰ দ্বাৰা পশু-পক্ষীৰ ক্ষুধা নিবাৰণ কৰিলে।'

এইখিনি কৈ মহিলাগৰাকী তাৰ পৰা বিদায় ল'লে আৰু খলিল জিব্ৰান বাক্‌ৰুদ্ধ হৈ কবৰকেইটাৰ সন্মুখত অশ্ৰুসিক্ত নয়নেৰে থিয় হৈ থাকিল। □



ৰঙিয়া মহাবিদ্যালয়ৰ ৪৭তম্ আলোচনী

# A Study on drinking water quality available in different private Educational institution in Rangia town

✍ **Nayanjyoti Patowary & Dr. Gitimoni Deka**
TDC Chemistry 6th Semester Major
Associate Professor, Department of Chemistry,
Rangia College, Rangia

## DECLARATION

This is result and findings of an academic activity conducted by Nayan Patowary 6th Semester student of Chemistry Major of Rangia College daring 2018-2019 Academic Session under Gauhati University Major syllabus of paper 606 under the Guideship of Dr. Gitimoni Deka, Associate Professor Department of Chemistry Rangia College. The whole work is original and no funding received from any source.

## INTRODUCTION

Water quality concerns our often the most important component for measuring access to improved water sources. Acceptable quality shows the safety of drinking water in terms of its physical,chemical and bacteriological parameters (WHO,2004).User weight communities perceptions of quality also carry great weight in their drinking water safety (Doria,2010). Depending on their perception on test, dour and appearance (Sheat, 1992; Doria (2010), this can lead to having different opinions about the aesthetic values of water quality. Consumer perceptions and aesthetic criteria need to be considered when accessing drinking water supplies even though they may not adversely affect human health (WHO, 2004). The WHO (2000) supports that polluted drinking water causes about 1.8 million people die

from Diarrheal disease annually worldwide. The UNDP (2008) says the minimum absolute daily water need per person per day is 50 liters (13.2 Gallons), which include 5 liters for drinking. However because of scarcity of drinking water, millions of people try to exist on 10 liters (2.6 Gallons) a day (ADF, 2005). Quality of drinking water should be checked at regular time interval because due to use of contaminated drinking water, human population suffers from a variety of water borne disease (Simpi et.al.; 2011, Manjare et al.;2010). Water is the liquid of life. Providing access to drinking water in schools is a novel way to ensure increase in attendance is in schools in developing countries, as per a research. Ensuring drinking water quality at these facilities is important because that's where children spend their day, and they are likely to drink water while they are there. Consuming enough fluids on a daily basis is important for children health. Water is a great choice because it does not contain the calories, caffeine or sugar that may be found in other beverages, and it helps nearby every part of human body function efficiently. Ground water has been used for drinking purposes for a long time and its purity has made it a well known source of potable water (Unnisa and Khalilullah ,2004).Ground water has historically been considered as reliable and safe source of water protected from surface contamination by geological filters that's remove pollutants from water as it percolates through the soil (Prasad and Bhagan 2004).The domestic waste generated directly enters into the different sites of water bodies without any treatment, also the continuous flow from agricultural waste water contaminates the water source of surrounding area. This entire problem affects the water resources and ultimately human health. Water is one of the three major components of the environment, therefore, there exists a close linkage between the quality of water and the environment which bears an almost importance for eco system (Tambekar,2012). It is therefore necessary that the quality of drinking water should be checked at regular time of interval, because due to use of contaminated drinking water, human population suffers from varied of water borne diseases (Basavaraja,et al,2011).

## SAMPLE COLLECTION

Drinking water samples were collected in pre cleaned plastic bottles and are preserved as per standard method (APHA,





1995). The water samples from three different private institutions located in and around the Rangia town were collected in previously washed and dried plastic bottles and brought to the laboratory with all necessary precautions. All together three drinking water samples were collected.

| Sampling code | Source | Name of the private institutions in Rangia town |
|---|---|---|
| 1 | Ring water filter | Oxford Academy (OA) |
| 2 | Tap water | Symbiosis Academy (SA) |
| 3 | Tap water | Faculty Academy (FA) |

## OBJECTIVE OF PRESENT STUDY

The present study has been taken to understand the quality of drinking water available in different Private Educational institute which are uses by students during their stay time at institution in Rangia town area. For this different parameters are to investigate the nature of drinking water sources. In this study some physico chemical parameters as well as most probable number (MPN) a microbiological study has been investigated

## METHODOLOGY

For estimated the physical and chemical process using standard method (APHI, 1995, Trivedy and Goel, 1986; Gupta, 2000). Colour and turbidity were noted by just seeing the sample. Physical and Chemical parameters like pH, total solids (TS) ,total dissolved solids (TDS), total hardness (TH) ,calcium (Ca) , magnesium (Mg) , total alkalinity (TA) , chloride (Cl) are measured by standard methods and biological parameters like MPN (most probable number of microbs) have been estimated by using standard protocol ( Water Quality monitoring, 1996, UNEP/WHO). Distilled. water was used for the preparation of reagents and solutions.

## RESULT AND DISCUSSION

The result obtained from physics, chemical and biological analysis of different samples collected from the private Institutions of Rangia are compared with drinking water standards of BIS-10500

Drinking water temperature for all samples was found 2 1°C. At the time of collection of all samples, no characteristic colour & odour were observed for all samples. Results and findings are presented in Table 1 & 2

Tabke I:

| Samples | pH | TA mg/L | Cl mg/L | TH mg/L | Ca mg/L | Mg mg/L |
|---|---|---|---|---|---|---|
| OA | 7.4 | 575 | 22.72 | 186 | 26.45 | 159.55 |
| SA | 7.3 | 270 | 5.68 | 70 | 18.43 | 51.57 |
| FA | 8.1 | 450 | 5.68 | 72 | 21.64 | 50.30 |
| RIO-IS 10500 permissible Drinking water quality | Highest desirable limit 6.5-8.5 | Maximum permissible limit 600mg/L | Highest desirable limit 200mg/L | Maximum permissible limit 600mg/L | Maximum permissible limit 75mg/L | Maximum limit 100mg/L |

Measurement of pH is one of the most important and frequently used tastes in water chemistry. Fluctuation of pH values in ground water may be due to leaching of surface solid from surrounding areas with rain water. In this study pH and total alkalinity values were found within permissible limit. The factors like air temperature bring about changes the pH of water. Most chemical & biochemical reactions are influenced by pH. Alkalinity of water is probably due to increase in bicarbonate in water. Little abnormal value of alkalinity is not harmful to human being (Singh et al., 1999). Chloride, total hardness and calcium were obtained within permissible limit. In potable water, the salty taste produced by chloride concentration in variable and dependent on the chemical composition of water (Garg, 2003). According to Zoeteman (1980) hardness in drinking water above 500mg/L is considered as unacceptable for drinking purposes. According to Trivedy and Goel (1984) calcium may not impair physiological in human up to the level of 1800 mg/L. High value of magnesium may be cathartic and diuretic for initial but tolerance may be developed in short time (Kumarsan & Bagavathiraj, 1996).

| Samples | TS (mg/L) | TDS (mg/L) | TSS (mg/L) | MPN |
|---|---|---|---|---|
| OA | 600 | 600 | Nil | 5:5:4 |
| SA | 000 | 400 | 400 | 0:0:0 |
| FA | 2000 | 400 | 1600 | 5:5:5 |
| | | Maximum permissible limit (600mg/L) | | |





Table2: Results of TS, TDS, TSS & MPN

In present study total dissolve solids is within permissible limit. It is reported that higher concentration of total solids is aesthetically unsatisfactory and may also produce distress in human and livestock (APHA, 1989). The MPN results indicate that water samples from Symbiosis academy were absolutely free from microbial growth. Substantial amount of microbial growth was observed in drinking water samples collected from Faculty Academy and Oxford Academy.

## CONCLUSION

Some physico chemical and biological parameters results, obtained in present study for different sampling locations indicates Mg was found more than permissible standard. Other parameters such as pH, TH,Ca,Cl, TA, TS, TDS, are within the permissible standard limit. But MPN in sample 1&3 have microbiological growth, but it does not mean that it's not fit for drinking purpose because present study could not identify kind of microbes present in samples. More study will require for specific identification of microbes. Therefore, the quality of drinking water sources in different private Institutions in the Rangia Town is good for human consumption.

## SUGGESTIONS

- Analysis of more physico chemical parameters
- Analysis of more metals including heavy metals
- Detail microbiological analysis

## ACKNOWLEDGEMENT

We would like to thank Abispa Bora,J.R.F.and Bina Agarwal,Research Associate,Adv.level IBT Hub,Rangia college for their help, when conducting microbiological test.

## REFERENCES

1. APHA( 1989) American Public Health Association, Standard methods for the examination of water and waste water, 1 7 Ed, Washington, D.C.
2. APHA(1995) American Public Health Association, Standard methods for the examination of water and waste water, Ed, Washington, D.C.
3. Doria M.D.F (2010). Factors influencing public perception of drinking water quality. Water policy 12:1-19.
4. Garg, S.S., Water quality of well and bore well of 10 selected locations of Chitrakoot region, IJEP 23 (9): 966-974 (2003).
5. GujSta, P.K. Methods in environmental analysis water, soil and air. Agrobios Jodhpur 2000.
6. Kumaresan, A and Bagavathiraj,B.K.1996 Physico chemical

and microbiology. Omons Publications Garden, New Delhi

7. Manjare S. A., S. A. Vhanalakar and D. V. Muley, Analysis of water quality using physico-chemical parameters Tamdalge tank in Koihapur district, Maharashtra; International Journal of Advanced Biotechnology and Research ISSN 0976-2612, Vol 1, Issue 2, Dec-2010, pp 115-119

8. Prasad, C.K.Shanmugha and V.Umayoru Bhagan Physico chemical characteristics of underground water in Nagercoli town (south) IJEP 24 (1): 53-56 2004.

9. Pratiksha Tambekar, Pravin Morey, R. J. Batra and R. G. Weginwar, Quality assessment of drinking water: A case study of Chandrapur District (M.S.) Journal of Chemical and Pharmaceutical Research, 2012, 4(5):2 564-2570.

10. Sheat A. (1992). Public perception of drinking water quality. Should we care? Paper presented at the New Zealand Water Supply and Disposal Association Annual Conference.

11. Simpi , Basavaraja, S.M. Hiremath, KNS Murthy, K.N.Chandrashekarappa, Anil N Patel, E.T.Puttiah Analysis of Water Quality Using Physico-Chemical Parameters Hosahalli Tank in Shimoga District, Karnataka, India, Global Journal of Science Frontier Research, Volume 11 Issue 3, 2011, ISSN: 0975-5896.

12. Singh, T.B., Bala,I., and Singh, D. 1999, Assessment of ground water quality of Panota Sahib (H.P.) Poll res. 18 (1): 111-114.

13. Trivedy,R.K. and Goel,P.K.,1984, Chemical and biological methods for water pollution studies. Environmental Publications, Karad, India.

14. United Nations Development Program (UNDP) (2008). Millennium development goal report

15. Unnisa, Syeda Azeem and Khalilullah, M. Impact of industrial pollution on ground and surface water quality in the Kattedan industrial area. Journal IAEM, Vol 31, 77- 80 (2004).

16. World Health Organization (2000). Disinfectants and disinfectant by products. (Environmental health criteria 216). Geneva: world health organization.

17. World Health Organization (2004). Guidelines for Drinking-water Quality, World Health Organization, Geneva

18. Zoeteman,B.C.G., 1980, Sensory assessment of water quality. Oxford, Pergaman Press, U.K ❑





# Good habits formed at youth make all the difference

✍ Digasmita Haloi

Assistant Professor of Physical Education

'It is not my country's duty to push me ahead. It is my duty to push my country ahead'– Major Dhyan Chand, 'Hockey Wizard'

Sports and games become crucial roles in helping the development of human minds and body especially for children. Students now a days are broadly exposed to many sport activities. With the awareness of healthy life style and the facilities provided surroundings their living areas, most students could choose the best sport that suit then well. However, there are several barriers to stop students from actively involved in sport. These include the current life style whereby more students are interested in playing game online instead on the field. From the school time, a person is taught about the significance of physical fitness. If our body is not fit and the mind is fragile then our academic performance gets affected. Although, it is necessary to consume a healthy diet but it is equally vital to release sweat through our body via physical workout. As this world becames the world without the limit, students tend to enjoy their life by using ipad, smart phones, computer and ignoring the real world around them. Many of them live in imaginary world by playing football, tennis, squash and many other games that could be played online. They have made their own online community and live without the need to go out from home or without ever move their feet from their room to enjoy the games. Sport promotes good health to students whereby those involve in sport normally have good stamina and healthier than others. These

students are normally active, more confident and cheerful. Sport is physical activities that help human to sustain health and prevent them from chronic disease such as obesity, depression, anxiety, heart attack diabetic etc. Sports helps to keep more energetic and physically fit because they are able to burn the fat and calories. Sports develop muscles and help body co-ordination. Physical activities also increases concentration of a chemical Norepinephrine that can moderate the brain's response to stress. Exercises releases endorphins which create feeling of happiness and euphoria.

Sports promotes good values to students and could prevent students from involving in negative activities. Unfortunately, students now a days prefer to spend their leisure time which embarks into bad activities such as drug, alcohol, laitering, vandalism, snatcher etc. Jamieson and Ross said that a well structured spont activities could reduce crime amongs youth by giving them a positive identity, feelings of empowerment and by helping youth acquire leadership, teamwork and self governance skills under adult supervision.

Parents should encourage their children to get involved in sports from the early childhood, as they played an important role to develop healthy lifestyle behaviour. Therefor, the government of India has approved the revamped 'Khelo India' programme to develop a sporting culture in the country, identify talents from grassroots and groom them for internaticnal success. The programme aims at mainstreaming sports as a tool for individual, community, economic and national development. The revamped Kelo India programme would impact the entire sports ecosystem including infratructure community sports, Aabnt identification, coaching for excellence, competition structure and sports economy. Indian sports scholarship scheme shall receive an annual scholarship worth Rs. 5 lakh for 8 consecutive years.

A healthy society leads to a productive country. Mahatma Gandhi in this regard had rightly said, 'It is health that is the real wealth and not pieces of gold and silver.' ❑





# বৰ্ধিত অৰ্থনৈতিক বৈষম্য ঃ একবিংশ শতিকাৰ এক অন্যতম প্ৰত্যাহ্বান

✍ মফিদুল হাছান
সহকাৰী অধ্যাপক, অথনীতি বিভাগ

*আৰম্ভণিতে কিছু সংখ্যক বিকাশ অৰ্থনীতিবিদে কম উন্নয়নশীল দেশত সঞ্চয়ৰ হাৰ বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল যাতে এই দেশ সমূহে অধিক মূলধনৰ জৰিয়তে দৰিদ্ৰতাৰ অভিশাপৰ পৰা মুক্ত হ'ব পাৰে। কিন্তু বৈষম্য কমাই আনি দৰিদ্ৰতা হ্ৰাস কৰাটো এক সাঁথৰৰ নিচিনা, কিয়নো দুখীয়া মানুহৰ সঞ্চয়তকৈ ভোগৰ প্ৰৱণতা বেছি...*

আৰম্ভণি ঃ

বৈষম্য বা অসমতা মানে হ'ল অসমান অৰ্থাৎ সমান নহয়। সেয়া সম্পত্তি বা আয়ৰ বিতৰণ, ভূমিৰ বিতৰণ, শিক্ষা-স্বাস্থ্য ইত্যাদিৰ সুবিধা বা ই অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ মানুহে লাভ কৰা সম-অধিকাৰৰ ক্ষেত্ৰতো হ'ব পাৰে। কিন্তু প্ৰধানত আমি ইয়াত অৰ্থনৈতিক বৈষম্যৰ কথাহে আলোচনা কৰিম। একবিংশ শতিকাত গোটেই বিশ্বত গৱেষক আৰু সমালোচক সকলৰ মাজত কাঢ়ি অহা অৰ্থনৈতিক বৈষম্য এক প্ৰধান আলোচ্যৰ বিষয় হৈ পৰিছে।

অৰ্থনৈতিক বৃদ্ধি আৰু বৈষম্যৰ মাজৰ সংযোগ ঃ

১৯৫০-৬০ চনত অৰ্থনীতিবিদ কুজনেটছ আৰু কেলডৰে অৰ্থনৈতিক উন্নয়নৰ হাৰ আৰু বৈষম্যৰ মাজত এটা নিৰ্দিষ্ট সম্পৰ্ক থকা বুলি যুক্তি আগবঢ়াইছিল। আৰম্ভণিতে কিছু সংখ্যক বিকাশ অৰ্থনীতিবিদে কম উন্নয়নশীল দেশত সঞ্চয়ৰ হাৰ বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল যাতে এই দেশ সমূহে অধিক মূলধনৰ জৰিয়তে দৰিদ্ৰতাৰ অভিশাপৰ পৰা মুক্ত হ'ব পাৰে। কিন্তু বৈষম্য কমাই আনি দৰিদ্ৰতা হ্ৰাস কৰাটো এক সাঁথৰৰ নিচিনা, কিয়নো দুখীয়া মানুহৰ সঞ্চয়তকৈ ভোগৰ প্ৰৱণতা বেছি। যি দীৰ্ঘকালত মূলধন গঠনত বাধাৰ সৃষ্টি কৰিব পাৰে।

১৯৬৩ চনত কুঞ্জনেটছে অৰ্থনৈতিক উন্নয়নৰ হাৰ আৰু বৈষম্যৰ সম্পৰ্ক ইংৰাজী বৰ্ণমালাৰ ওলোটা ইউ ()ৰ জৰিয়তে বুজাব খুজিছে যে দেশ এখন বিকাশৰ পথত অগ্ৰসৰ হোৱাৰ লগে লগে প্ৰথম অৱস্থাত ইয়াৰ অৰ্থনৈতিক বৈষম্য বৃদ্ধি পায় আৰু ক্ৰমে যিমান বিকাশ ঘটি থাকে সিমানে বৈষম্য সৰ্বোচ্চ হয় আৰু তাৰ পাছত আৰু অধিক বিকাশৰ সৈতে এই বৈষম্য হ্ৰাস পাবলৈ আৰম্ভ কৰে। তেখেতৰ মতে ইয়াৰ মূল কাৰণ হ'ল উদ্যোগীকৰণ আৰু

নগৰীকৰণ। প্ৰথম অৱস্থাত অনুন্নত দেশ এখনত মুঠ জনসংখ্যাৰ বেছি সংখ্যক লোকে অনুন্নত কৃষি কাৰ্যৰ লগত জড়িত হৈ থাকে। আধুনিক উদ্যোগবোৰত মজুৰিৰ হাৰ বেছি হোৱা কাৰণে কৃষি কাৰ্যৰ লগত জড়িত ব্যক্তিসকল অধিক মজুৰিৰ প্ৰতি আকৃষ্ট হৈ উদ্যোগসমূহত কাম কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে প্ৰথম অৱস্থাত বৈষম্য বৃদ্ধি পায় যদিও পৰৱৰ্তী সময়ছোৱাত অধিক বিকাশৰ ফলত এই বৈষম্য হ্ৰাস পাব ধৰে। কিয়নো গ্ৰাম্য অঞ্চলত কৃষি কাৰ্যৰ পৰা উদ্যোগিক খণ্ডলৈ প্ৰব্ৰজন হোৱাৰ ফলত গ্ৰাম্য অঞ্চলত ভূমিৰ ওপৰত জনসংখ্যাৰ বোজা হ্ৰাস পায় যাৰ ফলত জনমুৰি ভূমিৰ আয় বৃদ্ধি পায়। লগতে শিক্ষাৰ সুবিধা বৃদ্ধিত বৈষম্য হ্ৰাসৰ অন্য এটা কাৰণ।

অৰ্থনৈতিক বিকাশ আৰু বৈষম্যৰ মাজৰ এই সম্পৰ্ক পশ্চিমীয়া উদ্যোগীক দেশসমূহৰ মাজত উনবিংশ শতিকাত আৰু কুৰি শতিকাৰ প্ৰথম ভাগত দেখিব পোৱা যায়। কিন্তু ১৯৭০ ৰ মাজভাগৰ পৰা যেতিয়াৰ পৰা বিশেষকৈ বিশ্বায়নে প্ৰায় গোটেই বিশ্বত ছানি ধৰিছিল। যাৰ ফলস্বৰূপে বিশ্বৰ বিভিন্ন দেশসমূহৰ মাজত অৰ্থনৈতিক বিকাশৰ হাৰ দ্ৰুতগতিত বৃদ্ধি পায়। তেতিয়াৰ পৰাই অৰ্থনৈতিক বিকাশৰ সৈতে অৰ্থনৈতিক বৈষম্যও বৃদ্ধি পায়।

অৰ্থনীতিবিদ কুজনেটছৰ এই ব্যাখ্যা উনবিংশ শতিকাত আৰু বিংশ শতিকাৰ প্ৰায় প্ৰথম সাতটা দশকত বাস্তৱায়িত হোৱা দেখা যায়। উনবিংশ শতিকাত উদ্যোগীকৃত দেশবিলাকত অৰ্থনৈতিক বৈষম্য ক্ৰমান্বয়ে বৃদ্ধি পোৱা পাছত বিংশ শতিকাৰ আগভাগৰ পৰা অৰ্থনৈতিক বৈষম্য এই দেশসমূহত কমি অহা দেখা যায়। অৰ্থনীতিবিদ থমাছ পিকেটিৰ মতে এই নিম্নগামী বৈষম্য কুজনেটৰ তত্ত্বৰ বিপৰীতে দুই বিশ্বযুদ্ধ আৰু ১৯ শতিকাৰ তৃতীয় দশকৰ মহামন্দা অৱস্থা আদিহে প্ৰধান কাৰক। দুই বিশ্ব মহাসমৰ আৰু মহা মন্দাৰ ফলত এই দেশবোৰৰ ধনী মানুহ চামৰ যথেষ্ট অৰ্থক্ষয় হয়, ফলত বৈষম্য কিছু কমা দেখা যায়। দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰপাছত বিশ্বৰ গণতান্ত্ৰিক দেশসমূহত শ্ৰমিক শ্ৰেণী সংঘটিত হৈ অধিক অৰ্থনৈতিক লাভালাভ সংগ্ৰহ কৰাত সফল হয়। ইয়াৰ ফলত এই দেশবোৰত ১৯৫০-১৯৬০ৰ দশকত বৈষম্য হ্ৰাস পায়। ইতিমধ্যে পূব এছিয়াৰ দেশ কিছুমানত অৰ্থনৈতিক বিকাশৰ ধাৰা ত্বৰান্বিত হয়। উন্নত আৰু উন্নয়নশীল দুয়োশ্ৰেণীৰ দেশৰ তথ্য বিশ্লেষণ কৰি টোডাৰোৱে বিকাশ আৰু বণ্টনৰ মাজৰ সম্পৰ্কৰ এক নতুন বিশ্লেষণ দাঙি ধৰে।

অৰ্থনীতিবিদ টোডাৰোৰ মতে গড় আয় আৰু অৰ্থনৈতিক বৈষম্যৰ মাজত এটা নিৰ্দিষ্ট সম্পৰ্ক থকা বুলি ক'ব নোৱাৰি। তেখেতে আঙুলিয়াই দিছে যে নিম্ন গড় আয়ৰ দেশ যেনে ইথ'পিয়াৰ অৰ্থনৈতিক বৈষম্য কম, কিন্তু অন্য নিম্ন গড় আয়ৰ দেশ যেনে মজামবিক, জামবিয়া আদিৰ অৰ্থনৈতিক বৈষম্য বহুত বেছি। কিছুমান মধ্যবিত্ত আয়ৰ দেশত অৰ্থনৈতিক বৈষম্য বেছি আৰু নিম্ন বৈষম্যৰ দেশো মধ্যবিত্ত আয়ৰ শাৰীত দেখা পোৱা যায়। তেখেতে আৰু উনুকিয়াই দিছে যে উচ্চ আয়ৰ দেশ যেনে— আমিৰকা যুক্তৰাষ্ট্ৰ, স্পেইন আদিৰ বৈষম্য উচ্চ। কিন্তু নিম্ন বৈষম্যৰ নৰৱে আদি ধনী ৰাষ্ট্ৰ। সেয়ে তেওঁ ক'ব বিচাৰিছে যে বিকাশ, বৈষম্য আৰু দৰিদ্ৰতাৰ মাজৰ সম্পৰ্ক বিভিন্ন ধৰণৰ হ'ব পাৰে। বিকাশে উচ্চ আয়ৰ অনুশোচনা কৰিব পাৰে, বৈষম্য আৰু দৰিদ্ৰতা কমাব পাৰে। একেধৰণে বিকাশে উচ্চ আয় উপাৰ্জনৰ সুবিধা কৰি দিব পাৰে, বৈষম্য বঢ়াব পাৰে দৰিদ্ৰতাৰ পৰিৱৰ্তনৰ ওপৰত কোনো প্ৰভাৱ নেপেলাব পাৰে। তেখেতে গুৰুত্ব প্ৰকাশ কৰিছে যে বিকাশ আৰু বৈষম্যৰ মাজৰ সম্পৰ্ক এটা ওতঃপ্ৰোত এৰিব নোৱাৰা সম্পৰ্ক। তেখেতৰ মতে মূল আলোচ্যৰ বিষয় হ'ল দেশ এখনৰ সৰ্বমুঠ জাতীয় আয় কি ধৰণে বৃদ্ধি পায়? কম সংখ্যক জনসাধাৰণৰ দ্বাৰা নে বেছি সংখ্যক জনসাধাৰণৰ দ্বাৰা নে বেছিসংখ্যক জনসাধাৰণৰ দ্বাৰা। যদি ই কম সংখ্যক জনসাধাৰণৰ দ্বাৰা আৰ্জিত তেনেহ'লে অৰ্থনৈতিক বৃদ্ধিৰ ফল কম জনসাধাৰণেহে ভোগ কৰিব। কিন্তু যদি এই







জাতীয় আয় সৰহসংখ্যক জনসাধাৰণৰ দ্বাৰা উপাৰ্জিত তেনেহ'লে জাতীয় আয় বৃদ্ধিৰ যি ফল সেয়া অধিক সংখ্যক জনতাই ভোগ কৰিব পাৰে।

**বিশ্বায়ন বৈষম্য আৰু বিকাশ ঃ**

কুৰি শতিকাৰ শেষ ভাগত প্ৰযুক্তি বিদ্যাৰ উত্থানে গোটেই বিশ্বত আনকি অৰ্থনৈতিক কাৰ্য-কলাপসমূহো পৰিৱৰ্তন কৰিছে। ইয়াৰ ফলত বিশ্বাৰ প্ৰায়সমূহ দেশত অৰ্থনৈতিক বৃদ্ধিৰ হাৰ আশানুৰূপভাৱে বৃদ্ধি পায় আৰু এই বৃদ্ধিৰ ধাৰা ২০০৭ চনৰ বিশ্বজুৰি হোৱা বিত্তীয় সংকটলৈকে চলি থাকে। তাৰ পাছত অৱশ্যে বিশ্বৰ বিভিন্ন প্ৰান্তত অৰ্থনৈতিক মন্দা অৱস্থা এটাৰ সৃষ্টি হয়। গতিকে বৰ্তমান অৱস্থাত আগৰ সেই কুজনেটছৰ ওলোটা ইউ আকৃতিৰ বৈষম্যৰ ৰূপৰেখা অনুমান কৰিব নোৱাৰি। কিয়নো কুজনেটছৰ সতে অধিক অৰ্থনৈতিক বৃদ্ধিৰ ফলস্বৰূপে বৈষম্য হ্ৰাস পাব লাগিছিল। কিন্তু গৱেষণাপত্ৰ আৰু অধ্যয়নৰ পৰা দেখা পোৱা যায় যে আমেৰিকা, চীন আৰু ভাৰতবৰ্ষকে আদি কৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশসমূহত উচ্চ অৰ্থনৈতিক বৃদ্ধিৰ হাৰৰ লগতে অৰ্থনৈতিক বৈষম্যও বৃদ্ধি হৈছে। বিশ্বায়নৰ পৰৱৰ্তী কালছোৱাত আচলতে আয়ৰ বিতৰণৰক্ষেত্ৰত কুজনেটছৰ ওলোটা ইউৰ সলনি মিলানৱিকৰ 'ঐৰাৱত ৰেখা'হে বেছি প্ৰযোজ্য হোৱা দেখা যায়।

১৯৭০ৰ দশকৰ মাজভাগত বিশ্ব অৰ্থনীতিত এক বিশ্বায়ন প্ৰক্ৰিয়া সূত্ৰপাত ঘটে। ১৯৮০ আৰু ১৯৯০ দশকও এই প্ৰক্ৰিয়া অতি গতিশীলতা লাভ কৰে। অৱশ্যে ২০০৭-০৮ চনৰ বিশ্ব বিত্তীয় সংকট আৰু তাৰ ফলস্বৰূপে হোৱা মন্দা অৱস্থাৰ ফলত এই বিশ্বায়ন প্ৰক্ৰিয়া যথেষ্ট ব্যাহত হৈ পৰিল। কিছুসংখ্যক গৱেষণাপত্ৰৰ পৰা দেখা পোৱা যায় যে বিশ্বায়নৰ পৰৱৰ্তী কালছোৱাত বিশ্বৰ বিভিন্ন দেশসমূহৰ মাজৰ যি অৰ্থনৈতিক বৈষম্য সেয়া হ্ৰাস পাইছে। কিন্তু দেশসমূহৰ নিজ নিজ দেশত সেই বৈষম্য বৃদ্ধি পাইছে। মিলানভিকে ইয়াক বৈষম্যৰ সাঁথৰ বুলি অভিহিত কৰিছে।

**অৰ্থনৈতিক বৈষম্যৰ কাৰণ ঃ**

অৰ্থনৈতিক বৈষম্যৰ বহুত কাৰণ আছে। কিন্তু ইয়াৰ প্ৰধান কাৰণ হ'ল সম্পত্তিৰ মালিকীস্বত্বৰ বৈষম্য— যি জন্মগত সূত্ৰে লাভ কৰাই লওক বা নিজে আৰ্জিতই হওক। বৈষম্যৰ আন এক প্ৰধান কাৰণ হ'ল সুযোগ বা সুবিধাৰ বৈষম্য। সুযোগৰ বৈষম্যৰ কাৰণ হ'ল উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত বিভিন্ন অসুবিধা, কৰ্মক্ষেত্ৰত বৈষম্য, বিত্তীয় সুবিধা আনকি ঋণ সুবিধাৰ ক্ষেত্ৰতো বিভিন্ন ধৰণৰ বৈষম্য দেখিব পোৱা যায়। যেতিয়া দুখীয়া শ্ৰেণীৰ লোকে ঋণ আদিৰ ক্ষেত্ৰত বিশেষ সুবিধা নাপায় তেতিয়া এই শ্ৰেণীৰ লোকসকলে অধিক উচ্চ হাৰত ঋণ লোৱা দেখা যায়। যিয়ে অৰ্থনৈতিক বৈষম্য বৃদ্ধিত ইন্ধন যোগায়। একেধৰণে সমাজৰ পিছপৰা শ্ৰেণীৰ লোকে যদি উচ্চ শিক্ষাৰ সুবিধা নাপায় তেতিয়াহ'লে এই শ্ৰেণীৰ লোকে আৰু পিছপৰি যাৰ ফলত অৰ্থনৈতিক বৈষম্য আৰু বৃদ্ধি পাব।

অৰ্থনীতিবিদ থমাছ পিকেটীৰমতে অৰ্থনৈতিক বৈষম্য বৃদ্ধিৰ মূল কাৰণ হৈছে আয়ৰ বেছি অংশ মূলধনৰ মালিকেহে লাভ কৰে। ইয়াৰোপৰি বিশ্বায়নৰ পাছত অৰ্থনৈতিক বৈষম্য বৃদ্ধিৰ অন্যতম কাৰণ হ'ল স্থায়ী কৰ্মচাৰী আৰু অস্থায়ী কৰ্মচাৰীৰ মাজৰ মজুৰিৰ এক বৃহৎ পাৰ্থক্য। ন'বেল বঁটা বিজয়ী অৰ্থনীতিবিদ ষ্টিগলিটছৰ মতে উচ্চ ব্যয়বহুল শিক্ষা সমাজৰ পিছপৰা শ্ৰেণীৰ জনগণৰ বাবে আহৰণ কৰা সম্ভৱ নহয় যিয়ে পাছলৈ উচ্চ মজুৰিপ্ৰাপ্ত চাকৰি পোৱাত অসুবিধাৰ সৃষ্টি কৰে। আনহাতেদি স্বয়ংক্ৰিয় মেচিন আৰু অত্যাধুনিক যন্ত্ৰপাতি আদিৰ অধিক ব্যৱহাৰৰ ফলতো কম কাৰ্যক্ষম ব্যক্তিয়ে চাকৰি হেৰুৱাব বা কাম নোপোৱা হৈছে।

দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত যেতিয়াৰ পৰা মহিলাৰ শ্ৰম বজাৰত অংশগ্ৰহণ বৃদ্ধি পায়, বেছি আয় উপাৰ্জন কৰা পুৰুষে কম আয় উপাৰ্জন কৰা মহিলাক বিয়া পতা দেখিব পোৱা গৈছিল। কিন্তু ১৯৮০ চনৰ পৰা বিশেষকৈ পুৰুষ আৰু মহিলাই একে আয় উপাৰ্জন কৰা ব্যক্তিৰ

লগতহে বিবাহপাশত আবদ্ধ হোৱা দেখা যায়। আৰু এই বিবাহ বিন্যাসে বৈষম্য বৃদ্ধিত সহায় কৰিছে।

অৰ্থনীতিবিদ জোন ই ৰৈমাৰৰ মতে বৈষম্যক দুই ভাগত ভাগ কৰিব পাৰি এটা হ'ল ন্যায় আৰু আন এটা হ'ল অন্যায় বৈষম্য। যিবোৰ উপাদানৰ ওপৰত ব্যক্তি এজনৰ কোনো নিয়ন্ত্ৰণ নাথাকে যেনে— জাতি, ধৰ্ম, বৰ্ণ, লিংগ ইত্যাদিৰ কাৰণে উদ্ভৱ হোৱা বৈষম্যক অন্যায় বৈষম্য বুলি কোৱা হয়। আনহাতেদি নিজৰ কষ্ট আৰু উদ্যোগ প্ৰৱণতাৰ ফলত যদি বৈষম্যৰ সৃষ্টি হয় সেয়া ন্যায় বৈষম্য বুলি কোৱা হৈছে। ৰৈমাৰৰ মতে ন্যায় বৈষম্য আমি মানি ল'ব পাৰো কিন্তু অন্যায় বৈষম্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

**অৰ্থনৈতিক বৈষম্য, নিয়ন্ত্ৰণৰ বাঞ্চনীয়তা আৰু উপায় ঃ**

যিহেতু দীৰ্ঘকালত বৈষম্যই সামাজিক আৰু অৰ্থনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে, সেয়েহে ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ নীতি নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয়। অধিক অৰ্থনৈতিক বৈষম্যই আনকি গণতন্ত্ৰতো বাধাৰ সৃষ্টি কৰে। কিয়নো ধনী শ্ৰেণীৰ লোকৰ গণতন্ত্ৰত ভোটাধিকাৰৰ উপৰিও কোনো এক নিৰ্দিষ্ট ৰাজনৈতিক দলক দান-বৰঙণি দিও চৰকাৰ গঠনত সহায় কৰা দেখা যায়। আনকি চৰকাৰী ঠিকা-ঠুকলি লোৱা অৰ্থনৈতিক বৈষম্য বৃদ্ধিৰ অন্যতম কাৰণ।

আগৰ পৰাই চলি অহা কিছুমান নীতি যেনে— কৰ, হস্তান্তৰযোগ্য আয়, চৰকাৰী আৰ্থিক সাহায্য আদিৰ যদিও ভাল আৰু বেয়া দুয়োটা দিশে আছে এইবোৰ বৈষম্য হ্ৰাস কৰাত সহায় কৰে। বৰ্তমান সৰ্বচৰ্চিত সাৰ্বজনীন ন্যূনতম আয়কো বৈষম্য কমোৱাৰ মূল আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি বুলি অৰ্থনীতিবিদে মতপোষণ কৰিছে। সকলোৰে বাবে শিক্ষা, স্বাস্থ্য আৰু প্ৰশিক্ষণৰ সুবিধা, জন্মগত সূত্ৰে পোৱা সম্পত্তিৰ ওপৰত অধিক হাৰৰ কৰ, চৰকাৰী আৰ্থিক সাহায্য বিতৰণৰ ক্ষেত্ৰত অত্যাধুনিক তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ ইত্যাদিও বৈষম্য হ্ৰাস কৰাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। বৰ্তমান সময়ত সাৰ্বজনীন মৌলিক আয়ৰ ধাৰণা অৰ্থনীতিবিদসকলৰ মাজত বিশেষভাৱে আলোচিত হৈছে। অৰ্থনৈতিক বৈষম্য সীমিত ৰখাৰ উদ্দেশ্যে যদিও এই ধাৰণাৰ প্ৰথমতে উদ্ভাৱণ হৈছিল কোভিড-১৯.... বিশ্বমাৰীৰ আগ্ৰাসনৰ পাছত এতিয়া জনগণক অৰ্থনৈতিক আক্ৰাম্যৰ পৰা ৰক্ষা কৰাৰো ই এক সুব্যৱস্থা হ'ব পাৰে বুলি বিবেচিত হৈছে।

সাৰ্বজনীন মৌলিক আয় হৈছে প্ৰতিজন প্ৰাপ্ত বয়স্কই নিয়মীয়া আৰু চৰ্তবিহীনভাৱে পাবলগীয়া আয়। নিয়োজিত বা নিবনুৱা সকলোৰে বাবে ই প্ৰাপ্য। ইয়াৰ পৰিমাণ এনে হোৱা উচিত যাতে কোনেও ভোকত থাকিব নালাগে আৰু প্ৰতিজনে জীৱনধাৰণৰ এটা ন্যূনতম মান ৰক্ষা কৰিব পাৰে। আনহাতে এই আয় ইমানো বেছি হ'ব নালাগে যাৰ ফলত মানুহৰ কৰ্মস্পৃহা কমি যাব পাৰে। এই আঁচনি সাৰ্বজনীন হোৱা এইবাবেই প্ৰয়োজনীয় যে কেৱল দুখীয়া শ্ৰেণীলৈ লক্ষ্য কৰি আঁচনি তৈয়াৰ কৰিলে বহু সময়ত দেখা যায় যে আঁচনিত অন্তৰ্ভুক্ত হ'বলগীয়া এচাম মানুহ বাদ পৰি যায়। দ্বিতীয়তে এনে আঁচনি পৰিয়ালভিত্তিক নহৈ ব্যক্তিভিত্তিক হোৱাৰো কিছু ভাল ফল থাকিব পাৰে। পৰিয়ালৰ নাৰী-পুৰুষ সকলোৰে এনে আয় লাভ কৰিলে পৰিয়ালত তেওঁলোকৰ মৰ্যাদা বৃদ্ধি পাব। ইয়াৰ ফলত মহিলা সবলীকৰণ প্ৰক্ৰিয়া বিশেষভাৱে আগবাঢ়িব পাৰিব।

কিন্তু এইখিনিতে প্ৰশ্ন উঠিব যে এনে এখন আঁচনিৰ বাবে প্ৰয়োজনীয় ধন কেনেধৰণেৰে সংগৃহীত হ'ব। এই বিষয়েও অৰ্থনীতিবিদসকলে চিন্তা নকৰা নহয়। প্ৰকৃতিয়ে দিয়া পৰিৱেশ, খনি, পানী ইত্যাদি আমাৰ উমৈহতীয়া সম্পদ। যেতিয়া ব্যক্তি বা প্ৰতিষ্ঠানে এনে সম্পদবোৰ ব্যৱহাৰ কৰে তাৰ মূল্যও সমাজে লাভ কৰিব লাগে। এই ধাৰণাটোক নৈতিক খাজনা (Virtuous rent) বুলি আখ্যা দিয়া হৈছে। এই নৈতিক খাজনাৰ পৰা সংগৃহীত ধন সাৰ্বজনীন মৌলিক অধিকাৰ আয়ৰ (Universal Basic






Income) কাৰণে ব্যৱহাৰ কৰিব পাৰি। তদুপৰি অৰ্থনীতিবিদ ষ্টিগলিটছৰ মতে বৃহৎ নিগমসমূহ সংগ্ৰহ কৰা ধনৰ এটা বুজন পৰিমাণ দৰাচলতে তেওঁলোকৰ প্ৰাপ্য নহয়। এনে ধন কৰ হিচাপে সংগ্ৰহ কৰিব পাৰি। ফৰাছী অৰ্থনীতিবিদ থমাছ পিকেটীৰ মতে অৰ্থনীতিত সম্পদ সৃষ্টিৰ উদ্‌গনি যোগাব লাগে। কিন্তু তেখেতে সম্পদৰ কেন্দ্ৰীভূতকৰণ ৰোধ কৰি তাৰ অধিক সঞ্চাৰণৰ সপক্ষেহে মত পোষণ কৰিছে। এই উদ্দেশ্যে তেওঁ জন্মগতসূত্ৰে লাভ কৰা সম্পত্তিৰ ওপৰত অধিক কৰ যাপনৰ পোষকতা কৰিছে।

সাৰ্বজনীন মৌলিক আয়ৰ ধাৰণা সম্পৰ্কে কিছুমান আকাংক্ষা নথকাও নহয়। কিছু সংখ্যক সমালোচকে ক'ব খোজে যে এনেধৰণৰ আয় লাভ কৰিলে মানুহবোৰ নিষ্কৰ্মা আৰু এলেহুৱা হৈ পৰিব। কিন্তু এই আয়ৰ পৰিমাণ সীমিত কৰি ৰাখিলে এনে আকাংক্ষা বাস্তৱায়িত নহবও পাৰে। অভিজিত বেনাৰ্জী আৰু আস্থাৰ ডাফলো তেওঁলোকৰ বিশ্বজোৰা তৃণমূল পৰ্যায়ৰ অনুসন্ধানৰ পৰা পাইছে যে এনেধৰণৰ কু-প্ৰভাৱ বিশেষ গুৰুত্বপূৰ্ণ নহয়। ইয়াৰ বিপৰীতে কোনো কোনোৱে যুক্তি দৰ্শাই যে মানুহৰ এক ন্যূনতম আয় নিশ্চিত হ'লে তেওঁলোকে ব্যৱসায়িক বা উদ্যোগিক আঁচনি ল'বলৈ সাহস কৰিব পাৰে। এনেহ'লে সাৰ্বজনীন মৌলিক আয়ৰ ফলত ব্যাপক অৰ্থনৈতিক আঁচনি ল'বলৈ সাহস কৰিব পাৰে। এনেহ'লে সাৰ্বজনীন মৌলিক আয়ৰ ফলত ব্যাপক অৰ্থনৈতিক বিকাশো গঢ় লৈ উঠিব পাৰে। এই ধাৰণা সম্পৰ্কে আন এটা উত্থাপিত শংকা হৈছে এনেধৰণৰ একো কাম নকৰাকৈ আয় লাভ কৰিলে মানুহে মাদক দ্ৰব্য সেৱন বা জুৱা আদিত লিপ্ত হ'ব পাৰে। এইক্ষেত্ৰতো কিন্তু তৃণমূল পৰ্যায়ৰ অনুসন্ধানৰ পৰা দেখা গৈছে যে এনে শংকা সাধাৰণতে অমূলক।

আনকি বহুক্ষেত্ৰত দেখা গৈছে যে এক নিশ্চিত আয় লাভ কৰিলে বহুতে ওপৰোক্ত বদ অভ্যাসবোৰ কমাইহে দিয়ে। ইয়াৰ কাৰণ হৈছে যে অনিশ্চয়তাৰ মাজত অন্ধকাৰ দেখিও বহুতে নিচা বা জুৱাৰ আশ্ৰয় লয়। ভাৰত চৰকাৰেও দুখীয়া ৰাইজক সকাহ দিবলৈ প্ৰত্যক্ষভাৱে ধন দিয়াৰ কিছুমান আঁচনি গ্ৰহণ কৰিছে। এনেবোৰ আঁচনি সংযোজিত আৰু সবল কৰি এটা সময়ত তাক সাৰ্বজনীন মৌলিক আয়ৰ ব্যৱস্থালৈ পৰিৱৰ্তন কৰিব পৰা যাব। ❑

(টোকা ঃ কোভিড-১৯ৰ ফলত মানুহে ইজনে-সিজনৰ মাজত দূৰত্ব ৰাখিবলগীয়া হোৱাত বহু অৰ্থনৈতিক কাম-কাজ বন্ধ বা নিম্নগামী হৈ পৰিছে। ফলত বহু মানুহে নিজৰ জীৱিকা আৰু বহুত পৰিয়ালে নিজৰ আয় বিপন্ন হোৱাৰ ফল ভুগিবলগীয়া হৈছে।)

# INDIA, COVID-19 AND THE IMPLICATIONS OF THE LOCKDOWN

✍ Dr. Ujjal Pratim Dutta
*Assistant Professor*
*Department of Economics*

The threat of coronavirus is still looming large on the Indian economy and the accompanying uncertainty continues to still affect us adversely. After the extended lockdown, things have not improved significantly and the economy is still struggling to cope with the long-term effects of the sudden implementation of the lockdown. The facts and figures of the previous few months have not been optimistic, hinting at an already worrying scenario, and this terrible blow is sure to hit the economy hard as it was already struggling to come out of the economic slowdown. It is indeed a novel situation and calls for some rather desperate measures, the far-reaching impact of which we are yet to comprehend. Economically speaking, there is no sector that will come out of this trauma unscathed. The lockdown is sure to have a significant impact on the economy including economic slowdown, trade, supply chain disruption, commodities, and logistics. The most severely hit will undoubtedly be the daily wage earners until the things return to normalcy completely. Even though the economy is slowly returning to normality, the threat to health is still a challenge as most people do not have access to basic and affordable healthcare.

Things are becoming serious with rupee falling at an all-time low, which intensify recession because import cost will go up and this will also lead to an





increase in the domestic cost of production (particularly when imported materials is used in domestic manufacturing industries). Measures were implemented to ease matters for various businesses across the nation but the question remains whether it was enough to ensure that economy can fight back. With only the essential items being sold, the retailers faced unimaginable losses as they were forced to close down in the wake of the spread of coronavirus. The hospitality, aviation and tourism and medical tourism industries, which employs a large number of people, have been severely hit. The hotels are slowly seeing activity after an indefinite period of no guests. With pay cuts and staggered flights, the aviation industry is also facing a tough time. Tourism sector will face a direct impact as leisurely travel will take a back seat. Even after the threat of COVID-19 subsides, it will take considerable time for people to return to their normal lives which, in turn, will affect these sectors adversely. Many business concerns are curtailing the travels of their employees by cutting down travel and accommodation expenses in a bid to improve the bottom lines. Entertainment industry is facing a severe crisis mainly due to social distancing measure. Further, revenues from advertisements will be dependent on the revival of demand over time in the economy.

The fashion and accessories industry mainly operate through malls, supermarkets and standalone stores and, being non-essentials, it might be a long time before it starts attracting customers to them like before. Exports constitute a sizeable portion of the sales of the domestic companies in the gems and jewellery industry. It can be foreseen that the recessionary pressures all around the world will result in severe slowdown in the next few quarters. Discretionary spending by the people will be muted for a while following this period. Demand and sales of essentials and FMCGs may experience a short dip but would not be negatively impacted like the luxury goods. Consumption of low-priced products will definitely revive slowly, however, reduced or loss of income may obstruct a possible quick recovery.

The metal industry, as we all know, forms the backbone of the economy and has strong links to many important sectors like construction, automobiles, etc. Hence, a slowdown in the associated sectors will drive down the demand for basic metals. Subdued economic activities, higher prices and low

disposable income will adversely bring down the demand for cars. Again, demand for commercial vehicles will solely depend on the growth of production, which is termed as Gross Material Production (GMP). While goods and higher end consumer durables will have an impaired demand as their demand will be deferred by the consumers since they are not essentials and the low disposable income will further hinder it. Moreover, the electronics market has a direct relation with China and it is uncertain how the consumers will react and what will be the policies of the manufacturers. Imported items and shortage of electronics may keep the prices high and demand low. The MSMEs are likely to be hard hit due to the COVID-19 pandemic. They are responsible for a considerable portion of exports. Recession across the globe is expected to directly affect the global exports, thereby pointing towards a gloomy picture for these industries. The impact of this would be long drawn for the enterprises. Delayed payments will stagger them ever more as there would be liquidity constraints coupled with the strain in banking system which will lead to credit gap.

Private consumption, ranging from food and alcoholic beverages to recreation and household items, will be severely impacted, which in turn will affect the economy as consumption is a major component of the economy. The informal sector is sure to face dire consequences even after the announcements of various stimulus packages as many workers do not have access to bank accounts or the financial literacy to take advantage of the schemes and save money for the unpredictable future. The risk assessment and projections have to be done with a two-way view, that is, from the demand as well as the supply point of view in order to understand and mitigate to the maximum extend possible. Having said that, at the moment we can project and make assumptions but surely the mammoth task of seeing the economy through the tough times await us in the near future which Raghuram Rajan has aptly termed as the 'greatest' challenge. Considering the circumstances, proper monetary and fiscal policies need to be formulated and implemented but the question still emerges that how will the Indian economy steer itself out of the impending crisis. ❑







# অসমীয়া লোক সংগীত আৰু লোক সংস্কৃতি

✍ জ্যোতিষ চন্দ্ৰ ডাউকা
গাণনিক, ৰঙিয়া মহাবিদ্যালয়

প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশ, ডেকা-গাভৰুৰ প্ৰণয়, ফুল, জান-জুৰি, চৰাই-চিৰিকটি, ফল, পৰ্বত-পাহাৰ, বীৰ-বীৰাংগনা, তেজীমলা, মণিকোঁৱৰ, ফুলকোঁৱৰ, আইনাম, গোসাঁইনাম, অপেশ্বৰৰ নাম, দেহবিচাৰৰ গীত, শ্বহীদসকলৰ উদ্দেশ্যে গোৱা গীত, নিচুকনি গীত, বুৰঞ্জীমূলক গীত, কাহিনী প্ৰধান গীত, শ্ৰীকৃষ্ণৰ গীত, লক্ষ্মীদেৱীৰ গীত, বিলাপ-বিননি লোকগীত আদি অনেক ধৰণৰ সৃষ্টিৰে সমৃদ্ধ...



**অ**সমীয়া লোক সংগীতৰ লগত অসমীয়া লোক সংস্কৃতিৰ ওতঃপ্ৰোতভাৱে জড়িত। লোকসংগীত মানুহৰ আপোন মনৰ স্বভাৱগত সুকীয়া প্ৰকাশ। প্ৰত্যেক জাতিৰে ভাষা-সাহিত্য সুকীয়া সুকীয়া দেখিবলৈ পোৱা যায়। অৱচেতন মনত অহৰহ ক্ৰিয়া কৰি সৃষ্টিশীল মনটোৱে প্ৰকাশৰ বাট বিচাৰি ফুৰে। মানুহৰ জীৱনত ঘটা প্ৰতিটো মুহূৰ্ত চিৰসেউজ তথা চিৰযুগমীয়া কৰি ৰাখিবলৈ প্ৰয়াস কৰে। আদি অৱস্থাত মানুহে কৃষি কৰ্মৰ লগত সংগতি ৰাখি



গীত-মাতৰ উৎসৰ উপভোগ কৰিছিল। দেখা যায় অধিক সংখ্যক লোকগীতেই প্ৰেম-ভালপোৱা, পোৱা-নোপোৱা আৰু হাঁহি-কান্দোনেৰে ভৰা। লোকগীতৰ ৰচনাৰ আদি পুৰুষ আৰু সময় সঠিক কৈ কোৱা টান। প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশ, ডেকা-গাভৰুৰ প্ৰণয়, ফুল, জান-জুৰি, চৰাই-চিৰিকটি, ফল, পৰ্বত-পাহাৰ, বীৰ-বীৰাংগনা, তেজীমলা, মণিকোঁৱৰ, ফুলকোঁৱৰ, আইনাম, গোসাঁইনাম, অপেশ্বৰৰ নাম, দেহবিচাৰৰ গীত, শ্বহীদসকলৰ উদ্দেশ্যে গোৱা গীত, নিচুকনি গীত, বুৰঞ্জীমূলক গীত, কাহিনী প্ৰধান গীত, শ্ৰীকৃষ্ণৰ গীত, লক্ষ্মীদেৰীৰ গীত, বিলাপ-বিননি লোকগীত আদি অনেক ধৰণৰ সৃষ্টিৰে সমৃদ্ধ। ইয়াৰ উপৰিও অসমীয়া লোকগীতক দুই ভাগত ভগাব পাৰি। যেনে— উজনি অসমৰ লোকগীত আৰু নামনি অসমৰ লোকগীত। নামনি অসমৰ লোকগীতসমূহক প্ৰধানকৈ দুই ভাগত ভগোৱা দেখা যায়। যেনে— গোৱালপৰীয়া লোকগীত আৰু কামৰূপীয়া লোকগীত। গোৱালপৰীয়া লোকগীতত দেহ বিচাৰৰ গীত বিশেষভাৱে মানুহৰ মাজত প্ৰচলিত হৈ থকা দেখা যায় যদিও ইয়াৰ উপৰিও মানুহৰ মন স্পৰ্শ কৰি যোৱা একাধিক গীত গোৱা যায়। যেনে—

একবাৰ হৰি বোল মন ৰচনা।
মানৱ দেহৰ গৌৰৱ কৰো না।। ইত্যাদি

**অসমীয়া সমাজত পূৰ্বৰ পৰা চলি অহা প্ৰথামতে বিয়াত বিয়াগীত গোৱাতো এক বিশেষ পৰম্পৰা। এই বিয়াগীতবোৰ প্ৰেম মিলন স্মৃতি, বৈবাহিক জীৱনৰ অম্ল মধুৰ সুবাস, জীৱনৰ পৰিপূৰ্ণতা, সুখ-অনুভূতি, কামনা, আকাংক্ষা আদিৰ ওপৰত গোৱা হয়।**

শেষৰফালে গোৱালপৰীয়া লোকগীতৰ সম্ৰাট প্ৰয়াত প্ৰতিমা পাণ্ডে বৰুৱাৰ নাম উল্লেখ কৰিব পাৰি। প্ৰতিমা পাণ্ডে বৰুৱাই একাধিক গীতত সুৰ দি গোৱালপৰীয়া লোকগীতৰ সোৱাদ বহু পৰিমাণে উচ্চস্তৰলৈ নিয়া পৰিলক্ষিত হৈছে।

কামৰূপীয়া লোকগীতসমূহো অনেক ভাগত পোৱা যায়। যেনে— (ক) নিচুকনি গীত, (খ) শিশুৰ খেল-ধেমালি বিষয়ক গীত, (গ) গৰখীয়া গীত, (ঘ) নাওখেলৰ গীত, (ঙ) হাউখেলৰ গীত, (চ) বিয়াগীত, (ছ) দেহ বিচাৰৰ গীত, (জ) তামোল চোৰৰ গীত, (ঝ) মহখেদা গীত, (ঞ) সদাশিৱৰ গীত ইত্যাদিয়ে প্ৰধান।

**(ক) নিচুকনি গীত ঃ** শিশুসকলৰ মন জয় কৰিবলৈ





নাইবা টোপনি অনোৱাৰ উদ্দেশ্যে কিছুমান গীত গোৱা হয়, সেই গীতসমূহ অসমীয়া সমাজত প্ৰচলিত আৰু এৰাব নোৱাৰা সম্পদ। যেনে— আমাৰে মইনা শুৱ এ

বাৰীতে বগৰী ৰুৱ এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব। ইত্যাদি

**(খ) গৰখীয়া গীত ঃ** গৰখীয়াসকলে পথাৰত উদাত্ত কণ্ঠে কিছুমান গীত মন-প্ৰাণ উজাৰি গাই মনৰ ভাৱ প্ৰকাশ কৰে। সেই গীতসমূহৰ কোনো নিৰ্দিষ্ট সুৰ-তাল-লয় নাথাকিলেও গীতৰ মাধুৰ্য্য বহু পৰিমাণে চৰ্চা লাভ কৰা দেখা যায়। মুকলি আকাশৰ তলত হিয়া উজাৰি এই গীত পৰিৱেশন কৰি অন্তৰ শাঁত পেলায়।

**(গ) শিশুৰ খেল-ধেমালি বিষয়ক গীত ঃ** শিশুৱে খেল-ধেমালি কৰি থাকোতে সিহঁতৰ মনত সৃষ্টি হোৱা গীত মুখৰ পৰা আপোনা-আপুনি নিৰ্গত হয়। ইয়াৰ কোনো নিৰ্দিষ্ট সুৰ-তাল নাই যদিও শিশুৰ সামাজিক দিশটোলৈ লক্ষ্য কৰিলে ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। খেলসমূহৰ ভিতৰত ঘাইখেল, কুট-কুট খেল, চকুত বন্ধা খেল আদি উল্লেখ কৰিব পাৰি।


**(ঘ) নাওখেলৰ গীত ঃ** বাৰিষা কালত পথাৰত পানী উপচি পৰে। সেই সময়ত পানীৰ মাজত হোৱা খাঁহ বা আহুধান কাটিবলৈ মানুহে নাও ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ উপৰিও নদ-নদী আদিটো কেতিয়াবা কেতিয়াবা উৎসৱ-পাৰ্বনত নাওখেল অনুষ্ঠিত কৰা দেখা যায়। নাৱৰ কৰিত উঠি পানীৰ মাজত বঠা ধৰি গীতৰ ৰাগ দিয়া পূৰ্বৰ প্ৰথা বুলিয়ে ক'ব পাৰি।

যেনে—
অ' হায় মোৰ মোলোৱা ৰে
অ' মোৰ মোলুৱাক কোনে মাৰিলে
এ যতৰ যতৰ কৰে তাই
হায় মোৰ মোলোৱা ৰে
এ যতৰ আনি দিলো মই
হায় মোৰ মোলোৱা ৰে
এ যতৰতে ধৰি কান্দে।।

**(ঙ) হাউখেলৰ গীত ঃ** হাউখেলৰ গীত বুলিলে অসমীয়া সমাজত প্ৰচলিত গীতৰ কথা ক'ব পাৰি। হাউখেল বিভিন্ন প্ৰকাৰে নামকৰণ কৰা দেখা যায়, তাৰ ভিতৰত বোন্দা হাউখেল, ঢৰা হাউখেল। এই খেল আৰম্ভ হয় দুই ফৈদৰ মাজত। ল'ৰাহঁতে দুই ভাগত বিভক্ত হৈ এই খেল অনুষ্ঠিত কৰে, এই খেল কুট কুট শব্দ কৰি উশাহ নসলোৱা পৰ্যন্ত কুট কুট কৰি থাকে আৰু উশাহ ল'লে তেওঁ খেলত হাৰে, কাৰণ বিপৰীত পক্ষই তেওঁক উশাহ ল'বলৈ জোৰকৈ ধৰি ৰাখে।

**(চ) বিয়া গীত ঃ** অসমীয়া সমাজত পূৰ্বৰ পৰা





চলি অহা প্ৰথামতে বিয়াত বিয়াগীত গোৱাতো এক বিশেষ পৰম্পৰা। এই বিয়াগীতবোৰ প্ৰেম মিলন স্মৃতি, বৈবাহিক জীৱনৰ অম্ল মধুৰ সুবাস, জীৱনৰ পৰিপূৰ্ণতা, সুখ-অনুভূতি, কামনা, আকাংক্ষা আদিৰ ওপৰত গোৱা হয়। আকৌ দৰাঘৰীয়া বা কইনাঘৰীয়াক লৈও গীতৰ জাউৰী তোলা দেখিবলৈ পোৱা যায়।

যেনে—

অযোধ্যাৰ পৰা শ্ৰীৰাম আহিছে।
অ তাৰো নানান দুখ নাৰায়ণ।।
হাতে পাণ বটা লৈ দেউতাক মাতা গৈ
দেউতা মই যাবলৈ ওলালো, যাবৰে সময়ত প্ৰণামহে জনালো। ইত্যাদি

**(ছ) দেহ বিচাৰৰ গীত ঃ** এই সংসাৰৰ প্ৰতি সচেতন হোৱাৰ উদ্দেশ্যে আৰু নিজৰ দেহটোৰ ওপৰত বিশ্লেষণ কৰি গীত গোৱা হয়। দেহতত্ত্ব এই গীতৰ মূল বিষয়বস্তু। যেনে—

অ' হেৰ পগলা মন বলিয়া মন ভাই ঐ
ভজ তই হৰিৰ চৰণ।
পঞ্চতত্ত্ব ভৈলা মনুষ্যৰ কায়া
এক তত্ত্ব বিনে নাই।
মাটিৰ দেহাটি মাটিতে মিলিব
বৰবৰিব যায় মেনকা সংগে দুনীঘাট।
মথাৰ কাপোৰ গুচাই চাইলা
জোঁৱাই উলংগতেয়।।
প্ৰথমতে জোঁৱাই বুলি অ' বৰ বৰিবাক গৈলা।
হাড়িহেন পেট দেখি উলটি আহিলা।
হাড়িহেন পেট তেওঁৰ মূলাহেন দাঁত।
চকু দুটা লতাৰ গুটি টটাটিঙাৰ জাত।।
বাইছখন ঢেঁকী ভাঙৰাৰ অ' তেইছখন কুলা।
দিনে ৰাতি খুন্দি মৰে জইতা ভাঙৰ গুৰা।। ইত্যাদি।

অসমীয়া লোক সাহিত্যৰ ভঁৰাল চহকী কৰি ৰখা অসমীয়া লোকগীতৰ গুৰুত্ব আৱহমান কালৰে পৰা নিৰবিচ্ছিন্নভাৱে বৈ থাকিব। নামনি অসমৰ লোকসংগীতৰ জনক প্ৰয়াত ৰামেশ্বৰ পাঠকৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। তেখেতৰ লোকগীত আদৰণীয় হৈ ৰ'ব। □






# হৰদত্ত বীৰদত্ত

অবিভক্ত কামৰূপ জিলাৰ ৰঙিয়াৰ দুই ঐতিহাসিক বীৰ হৰদত্ত-বীৰদত্তই অবিভক্ত কামৰূপ জিলাৰ কমাৰকুছিৰ পৰা আহি ৰঙিয়াৰ ওচৰৰ জিকেৰি নামৰ স্থানত অৰ্থাৎ তিতকুৰিত থাকিবলৈ লৈছিল।

আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত আহোম বিষয়াই তলতীয়া প্ৰজাক কৰা অত্যাচাৰ-অৱহেলাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা হৰদত্ত-বীৰদত্তয়ে দৰঙৰ ৰজা কৃষ্ণ নাৰায়ণৰ লগত নেতৃত্ব দিয়া প্ৰজা বিদ্ৰোহক লৈয়েই উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে বুৰঞ্জীমূলক উপন্যাস দন্দোৱাদ্ৰোহ ৰচনা কৰিছিল।

তিতকুৰি গাঁৱত থকা বৃহৎ আকাৰৰ গোসাঁই পুখুৰী আৰু হৰদত্ত পুখুৰীয়ে তেওঁলোকৰ স্মৃতিকে বহন কৰে।

# The story of Gunjan Saxsena and Reality of women in Armies

✍ Yubaraj Das
1st semester

If I tell you to imagine an Indian Army soldier or an officer of the Indian Air force or Navy then the picture in your mind will always be that of a male soldier — a man. Because our society historically didn't consider women to be fit for these jobs , they considered women to be fit to work in the kitchen or to run the households - Talking about the female officers in the armed forces, Business standard said that the number of women personnel in the Indian Armed forces is 9,442 (March, 2020). Minister of state for Defence Shripad Naik said there are 685 women personnel in the Navy, 1,872 in the Air force and 6892 in the Indian Army. While talking about Gunjan saxsena, she was born into an army family in 1975, Her father — IT colonel, Anup saxsena was also a retired army officer as well her brother Anshuman Saxena is also an Indian army officer. she graduated from Hans raj college ;New delhi ,then she learnt the basic of flying and having cleared the SSB exams and took entry into the Indian army force, she along with 25 other women became India's first female Indian Air force Trainee pilots, her first posting was in udampur. The biggest high point in the story of Gunjan saxsena came during the Kargil war. When the war broke out in Kashmir's Kargil district in 1999, then 9 pilots along with Gunjan Saxsena were deployed ,as things began to worsen in kargil and it escalated into a huge war then she was asked if she wanted to get out of danger zone , would she want to get out considering the fact that she is a female officer and she would not want to participate in it ? she refused to do so and

thus Gunjan Saxena became a part of the operation vijay in the kargil war. She was sent on surveillance sorties right at the start. Surveillance means keeping a watch on any area , sorties refer to an individual mission that would have to complete on her own . so, she was conducting her surveillance missions at a height of 18,000 feet, she later participated in many more mission as well, surveillance was just one type of mission only. According to the reports of NDTV, Gunjan saxsena and her comrade,shri Vidya ji completed around 80 sorties mission . In the last stage, Indian Air force made use of fighter planes in the place of small helicopters, but by then Gunjan Saxena and her comrade Shri Vidya ii and other Indian Air force pilots had already rescued around 900 injured soldiers and those martyred were dropped off at hospitals or to their proved that females are also capable of being recruited into the Indian Army and they too can occupy top positions and fulfil that job and can play that role extremely well. it is because of women like Gunjan saxsena , today we can discuss upon what are the roles of females in the armed force, her story proved that.

**Women in Armed Foces worldwide**

Acoording to a report by the wionews there are 16 countries where women recruited in combat positions in the armed forces , only 16! There are more than 200 countries in the world today.

Norway, Canada and Denmark were among the countries that allowed this in 1980's and then gradually change began to be noticed in countries like china, Germany and Japan but these changes came very slowly. What is surprising is that women played a very important role in the world wars, for example in world war II, women had three regiments in Russia but that was not something to be proud off because during the time of world wars the need of militant was much higher .Russia Government thought that if they include women they can be used as Medical personnel in their forces. But the question is What is the reason that government do not allow women to join the armed force ? why is it that they neglect and not allow half of the population to join the armed forces?

**Why women not allowed ?**

This question has raised several questions in all the countries. Questions were raised in India too. One of them pertains to the fact that allowing women might have an adverse affect on the psychology of the armed force if someday women are captured as prisoners of wars by an enemy country or some terrorists,





some unofficially said that if women are given the post of commanders then the people in the position subordinate to her mightn't take her seriously, they mightn't obey her commands with requiste seriousness . SC said they are ashamed of such people who raised these type of questions, in the one hand we talk about "Beti Bacho ,Beti parhao "and on the other we raised these type of questions. Because of this mindset, the progress of women in armed force is seen very slowly.

**History of women in Indian Armed Force**

Historically prior to 1992, women were allowed only in medical roles in the Indian Armed forces. After 1992 came the SSC, the short service commission under SSC, one can remain in the armed force only for 10 years, In 2006, it was increased to 14 years and It was through SSC that Gunjan saxsena and her female comrade officers could come into armed forces. A problem cropped up when it was found that according to SSC and Government regulations women couldn't get pension . one must serve for atleast 20 years. This was not possible for the women because the rules were such that they could only be recruited under SSC. This discrimination raised questions again.

A petition regarding this was filed in 2003 and 2006 that female officers should also be granted permanent commission. In its 2010 ruling , the Delhi High Court said that all female officers in the army and the Air force who were being denied the permanent commission just because they are females should be granted. This judgement was passed in 2010 and Air Force complied with the ruling. In Oct 2015, the Air force opened up its stream of fighter pilots for women. Having been commissioned in july 2018, Avani Chturvadi, Bhawna and Mohana singh created history they become India's first fighter pilots. Moreover, Bornali Gogoi from lakhimpur, Assam became the first Assamese women to be wing commander of IAF. If we see the highest proportion of female officers is in Indian Air force, It took 9 years in Indian Army, 9 years later Feb 2019, the government finally passed an order to open more streams for women to get permanent commissions but there are some restrictions in that as well. This opportunity would only be given to female officers who haven't yet completed their 14 years in service. More importantly female officers wouldn't be given commanding Positions.

**Supreme court ruling 2020**

Supreme court (SC) rejected all the objections of the Defence Ministry and accorded an equal status to the male and

female officers in 10 different streams of the army forces. The right to be considered for permanent commissions and the right to occupy commanding post was given to female officers but only in non-combat fields. It hasn't yet been granted in combat fields, the court had granted a period of three months to the army to implement this ruling but due to Covid it got delayed, The SC has also directed to give permanent commissions to women in 7 streams in the Navy. There is an acute shortage of around 9427 officers and 68,864 jawans in the Indian armed forces. This shortage can be filled up recruited these capable women. Big change take time, slowly but changes has starting occouring in society as well as in our forces. Women should be treated equally. Topic is all about equality, equality of opportunity, equal pay they shouldn't be considered as unequal due to biological differences. ❑

**Source :-**

1. Wionews.com
2. Business standard
3. Dhruv rathee youtube channel








## মন ডায়েৰীৰ পৰা...

# নষ্টালজিক একলম

✍ টিকেন্দ্ৰজিৎ মহন্ত
ষষ্ঠ যাণ্মাসিক

**নষ্টালজিয়া, ফ্লেচবেক (১)**

ইং ২০১৪ চন, পহিলা আগষ্টৰ ৰাতিপুৱা;

— ঐ ধীৰাজ, ভাৰ্গৱ, তহঁত মোৰ ঘৰলৈ আহিবি। একেলগে কলেজলৈ যাম।

— হ'ব দে, ৮.১৫ত ৰেডি হৈ থাকিবি। ৯টাত ফিজিক্সৰ ক্লাছ আছে।

তেতিয়া কলেজৰ মুখ্য দুৱাৰখন অলপ বেলেগ আছিল। আজিৰ দৰে টিনপাট লগোৱা কৰিডৰ নাছিল। তাত সুনীল দাদা আৰু আব্দুল দাদাই সকলোৰে আইকাৰ্ড চেক কৰিহে সোমাব দি আছিল আৰু কামৰ ব্যস্ততাৰ মাজত মোক কৈছিল—

— আই কাৰ্ড বেগত নহয় ডিঙিত ওলোমাই ল'বা।

— হ'ব দাদা...

সেইদিনা ধীৰাজক কাণত ধৰাই থৈছিল গেটৰ আগত। ৰেগিং কৰিছিল বহুতক। ভয় লাগিছিল। নতুন অভিজ্ঞতা। যিহেতু... পাছত জানিলো মিতুল দাদাহঁতে ছাত্ৰ-ছাত্ৰীক (নৱাগত) বুজোৱাৰ উদ্দেশ্যে বাটৰ নাট কৰিছিল ৰেগিঙৰ ভয়াৱহতাৰ ওপৰত। বাটৰ নাটখনৰ নাম আছিল সাঁকো।

এনেকৈয়ে আৰম্ভ হৈছিল জীৱন... ৰঙিয়া কলেজৰ কলেজীয়া জীৱনঙ্গঙ্গ

**নষ্টালজিয়া, ফ্লেচবেক (২ )**

ঃ ঐ বন্ধু, জোৰেৰে চাইকেল চলা... গীতি মেমে ৱাৰ্ণিং

দি থৈছো। দেৰি হ'লে ক্লাছত (ৰসায়ন বিজ্ঞান) সোমাব নিদিব।

ঃ গৈ আছো চোন। যাই পাম ব'ল।

ঃ হে কৃষ্ণঙ্গ ৰেলগেট পৰিল। খা বাপ্পেকে। আজি গালি খোৱাটো খাটাং।

ঃ বন্ধু, আজিৰ ক্লাছটো জৰুৰী আছিল। এলকাইল হেলাইড পঢ়াব মেমে। ব'ল দেৰি হ'লেও সোমাম ব'ল। গালি খালেও খাম আৰু...

সেইদিনা গালি নিদিলে। মেমে সেইদিনা বুজালে 'চোৱা, টিকেন্দ্ৰজিৎ মই সদায় ১৫-২০ মিনিট সময় হাতত লৈ আহো সেইকাৰণে। আজিৰ পৰা তোমালোকো আহিবা।

**নষ্টালজিয়া, ফ্লেচবেক (৩)**

ঃ ঐ টিকেন্দ্ৰ; অসমীয়াৰ ক্লাছত যোৱাকালি অমৰজ্যোতি ছাৰে যে কৈছিল চিনেমাৰ পাঠটোত 'Quamat se Quamat tak'ত আমিৰ খান আৰু জুহি চাওলাৰ দুৰ্দান্ত অভিনয়ৰ কথা আজি ডাউনলোড দিছো। জেপ্তাৰ অন কৰ... লৈ ল'... চাবি তই। গানকেইটা ইমান ধুনীয়া 'পাপা কেহতে হ্যে বড়া নাম কৰেগা', 'এ মেৰে হম ছফৰ', 'অকেলে হ্যে তো কিয়া গম হে'...

— ঐ কি মোবাইল উলিয়াই আছা? জাননী পোৱা নাই... মোবাইল উলিওৱা কলেজ চৌহদত নিষেধ... দে মোবাইল দে...

— সুনীল দাদা। আজিৰ পৰা আৰু নুলিয়াও। আজিলৈ মাফ কৰা প্লিজ...

**নষ্টালজিয়া, ফ্লেচবেক (৪)**

— লোহিত দা, গৰম চাহ আৰু চিঙৰা দিয়াচোন...

ঃ দি আছো বাবা বহচোন...

— ঐ ৰাজ, কাইলৈ জুবিনদা আহিব আমাৰ কলেজত 'মিছন চাইনা'ৰ প্ৰমোচনৰ বাবে।

— লোহিত দা আৰু এটা চাহ...

— ঐ কি কৈছো শুনিছনে নাই? কাইলৈ জুবিনদা আহিব।

ঃ মজাচোন... কাইলৈ ফটো উঠিম জুবিনদাৰ লগত।

'দিন জ্বলে ৰাতি জ্বলে, মন জ্বলে দেহ জ্বলে, কলিজা কঁপে মাথোঁ তোমালে...'

'দৌৰি দৌৰি যাম... মিছন চাইনা চামঙ্গ'

— ঐ অ'কে হ'ব দে। কাইলৈ ফুটবল খেল নহয়। ব'ল আজি কলেজ ফিল্ডত ফুটবল খেলো। কাইলৈ জুবিনদা আহিলে খেলা নহ'ব।

ঃ কলেজ পেন্টটো লেতেৰা হ'ব। কাইলৈ জুবিনদাৰ লগত কি লেতেৰা পেন্ট পিন্ধি ফটো উঠিম নেকি?

— একো নাই দেই। ধুই দিলে শুকাই যাব।

ঃ সেইদিনা অঘটন এটা ঘটিল। ফুটবল খেলোতে সৌৰভ দাদাৰ হাতখনত অলপ দুখ পালে। দৌৰাদৌৰিকৈ কাষৰ বনগাঁও হস্পিতাললৈ লৈ গ'লো। ডাক্তৰে ক'লে প্লাষ্টাৰ কৰিব লাগিব। কেইদিনমান 'বেড ৰেষ্ট'ত থাকিব লাগিব।

বুজিচেই ছাগে... কি অঘটন ঘটিছিলঙ্গঙ্গ
সাৱধান সেই কাৰণে ফুটবল খেলিলে...
একেবাৰেই সাৱধান...

**নষ্টালজিয়া, ফ্লেচবেক (৫)**

— টিকেন্দ্ৰ দা, কুইজৰ টপিকবোৰ ভগাই দিয়া আজি।

ঃ হ'ব দিয়া... হিষ্ট্ৰি কাৰেণ্ট এফেয়াৰ্ছ মই চাম, তুমি জিঅ'গ্ৰাফী, পলিটিক্স, তুমি ছায়েন্স, স্প'ৰ্টছ চাবা...

কাইলৈ প্ৰত্যেকে ৰাতিপুৱা ছয় বজাত কলেজত উপস্থিত হ'বা। গাড়ী তালৈ আহিব। আমি কাইলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ যাম।

আমি কেইজনমান বন্ধু লগ হৈ ৰঙিয়া কলেজৰ কুইজাৰ্ডসকলক একত্ৰিত কৰাৰ সপোন দেখিছিলো। কৌস্তভ, মই, মোস্তাক, অম্লান, আকিব, অক্ষয়... বহু কুইজত ৰঙিয়া কলেজক প্ৰতিনিধিত্ব কৰি জিকি আহিছো। বহু ঠাইত পুৰস্কাৰ পোৱা নাই যদিও শিকিছো।

মই, আকিব মিলি ইণ্টাৰ ডিপাৰ্টমেণ্ট কুইজ প্ৰতিযোগিতা পাতিছিলো নিজৰ সাঁচতীয়া ধনেৰে পোনপ্ৰথমবাৰৰ বাবে... কুইজ মাষ্টাৰ নহয় কাৰণ যোগ্যতা মোৰ এতিয়াও ইমান হোৱা নাই। মাত্ৰ কুইজখন





পৰিচালনাহে কৰিছিলো।

এইটোৱে বিচাৰো কুইজৰ ধাৰাটো এনেকৈয়ে বৈ যাওঁক ভৱিষ্যতলৈও... আমি কেণ্টিনত প্ৰায়ে আলোচনা কৰো 'ৰঙিয়া কলেজে কুইজ বুলিলে আমাক মনত ৰাখিব



লাগিব'। কাৰণ আমি কেইজনমান কুইজপ্ৰেমী লগ হৈ 'ৰঙিয়া কুইজিং চাৰ্কিট'ৰ শুভাৰম্ভ কৰিছিলো। তেতিয়া আমি ৰঙিয়া কলেজৰ ছাত্ৰ আছিলো।

**নষ্টালজিয়া, ফ্লেচবেক (৬)**

শিক্ষক দিৱসৰ পাছদিনাৰ পৰাই আৰম্ভ হয় বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মাৰ পূজাভাগিৰ প্ৰস্তুতি। সেইকেইদিন গাত তৰণি নাই... কামৰ আজৰি নাই। পূজাৰ চিঠি ছপা কৰাৰ পৰা বৰঙণি লোৱা ৰিচিপ্ত বুকলৈ, চাইকেল মাৰি পূজাৰ মূৰ্তি দেৱজিৎ, ৰাহুল, মৃদুপন, হীৰক, জিতুহঁতৰ লগত অৰ্ডাৰ দিব যোৱাৰ পৰা দ্বাৰকুছিৰ সাপ্তাহিক বজাৰত বজাৰ কৰিব যোৱালৈ... নিমন্ত্ৰণী চিঠি দিব যোৱাৰ পৰা আগদিনা ৰাতি ১১-১২ বজালৈ ৮-৯ জন ল'ৰাই ৩০০-৩৫০ মানুহৰ আতিথ্য পালনৰ বাবে কৰা প্ৰস্তুতিলৈ সকলোবোৰ এতিয়া মাথোঁ নষ্টালজিয়া...


**নষ্টালজিয়া, ফ্লেচবেক (৭)**

২০১৮-১৯ বৰ্ষৰ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ সাধাৰণ সম্পাদকৰ পদত প্ৰাৰ্থিত্ব আগবঢ়োৱা বন্ধু জিতু কলিতাৰ সময়ত কৰা কলেজত কেম্পেইনিং... আহঙ্গ কি যে সুন্দৰ স্মৃতিঙ্গ ঢোল, তাল, শংখ লৈ মনোনয়নপত্ৰ দিব যোৱাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক ভোটাধিকাৰ সম্পৰ্কে সচেতন কৰোৱা। সোণোৱালী দিনৰ সাধুকথা...

কলেজৰ ৱাল পেইণ্টিং কৰা দিনবোৰ যে আজিও চকুৰ সন্মুখত ভাঁহি আছে। স্মৃতিৰ পেৰা খুলিবৰ প্ৰয়োজন নাই। লিজা, আলিয়া, অলিউলহঁতৰ লগত কৰা ৱাল পেইণ্টিংবোৰে এইটোৱে প্ৰমাণ কৰিছিল যে 'ৰঙিয়া মহাবিদ্যালয় আমাৰ... আৰু এয়াই আমাৰ পৰিচয়।'

**নষ্টালজিয়া, ফ্লেচবেক (৮)**

সকলোতকৈ স্মৰণীয় দিন হৈ ৰ'ব ৰঙিয়া কলেজৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'ৰ বাবে লেখা বিচাৰি চকুৰে ৰঙা, নীলা, হালধীয়া দেখা দিনবোৰ। এইখিনিতে ২০১৮-১৯ বৰ্ষৰ আলোচনী 'ৰঙ্গণ'ৰ বাবে মোক ছাত্ৰ প্ৰতিনিধি হোৱাৰ সুযোগ দিয়া বাবে আলোচনী সম্পাদক থুলুংগা বড়োলৈ অশেষ ধন্যবাদ। আলোচনীখনত আমাৰ প্ৰত্যেক ছাত্ৰ-



ছাত্ৰীয়ে অংশগ্ৰহণ কৰাটো আমি বিচাৰো... নহ'লে লেখাৰ অভাৱত যদিহে আলোচনী এখন সম্পূৰ্ণ হৈ নুঠে ইয়াতকৈ আৰু ছাত্ৰ হিচাপে লাজৰ কথা নাই।

এতিয়াও মনত পৰে দিনটো প্ৰত্যেক ডিপাৰ্টমেণ্ট, ক্লাছৰুমত গৈ গৈ লিখনিৰ বাবে অনুৰোধ কৰা আৰু গধূলি থুলুংগা, বিশ্বজিৎ বড়োহঁতৰ লগত বৰষুণত ভিজি ভিজি প্ৰেছলৈ গৈ সেইবোৰ ৰাতিলৈ ডিটিপি কৰাত ব্যস্ত থকা... আহঙ্গ সময়বোৰ যেন পাখি মেলি পলকতে উৰি গুচি গ'ল।

**নষ্টালজিয়া, ফ্লেচবেক (৯)**

কৰ'না মহামাৰীত কম্পিত সমগ্ৰ বিশ্বই ত্ৰাহি মধুসূদন সুঁৱৰিছে। সৰুৰে পৰা দল-সংগঠনৰ জিলা বন্ধ, অসম বন্ধ, ভাৰত বন্ধ দেখিছো বা শুনিছো। কিন্তু 'বিশ্ব বন্ধ'ৰ সময়ছোৱাত প্ৰত্যেকেই নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে অনলাইন মাধ্যমেৰে

সামাজিক মাধ্যমত। ২০১৯-২০ বৰ্ষৰ সাংস্কৃতিক-সম্পাদিকা (মোৰ ৰাখী ভণ্টি ডেইজী)ৰ লগত লগ হৈ সদৌ অসম ভিত্তিত কামৰূপী লোকগীতৰ সম্ৰাট প্ৰয়াত ৰামেশ্বৰ পাঠকৰ সোঁৱৰণত বৰগীত আৰু কামৰূপী লোকগীত প্ৰতিযোগিতাৰ আয়োজন কৰা সময়খিনি আছিল সোণালী দিন... জীৱনত কেতিয়াও পাহৰিব নোৱাৰা মধুৰ স্মৃতি...

এটা ফোনকলত উচপ খাই উঠিলো। ধনদা পাঠক বাইদেৱে কল বেক কৰিছে...

ঃ হেল্ল' টিকেন্দ্ৰজিৎ... মই ধনদা পাঠকে কৈছো বোপা। সেইটো নম্বৰত নেটৱৰ্ক প্ৰব্লেমৰ বাবে ক্লিয়েৰ হোৱা নাই কথাবোৰ...

— হয় বাইদেউ কওক...

ঃ তোমালোকক শুভেচ্ছা জনালো। ৰঙিয়া কলেজৰ এই সুন্দৰ পদক্ষেপটিক মই অভিনন্দন আৰু শুভেচ্ছা জনাইছো...

এনেকৈ কথামতেই কাম... ডেইজী আৰু মোলৈ সদায় ফোন আহিব ধৰিলে... দাদা আমি তোমালোকক ভিডিঅ'বোৰ (বৰগীত, লোকগীতৰ) হোৱাটছ্এপত ছেণ্ট কৰিছো।

— তোমালোকে কিন্তু, অসমীয়া সাজপাৰ আৰু ডিঙিত গামোচা লৈহে পৰিৱেশন কৰিব লাগিব...

ঃ হ'ব দাদা... মেখেলা-চাদৰ আৰু গামোচা লৈয়ে গাম...

'আৰে... কম্পিত মাধৱ নয়ন জুৰাই'...

'আৰে... উদ্ধৱ চলহু গকুলে লাই...

আৰে... হামু বিনে গোপী....'

'এ শংকৰ-মাধৱহে ... পাতিলা নামৰে খেলা।

বৈকুণ্ঠৰ হৰিনাম আনি... ভাৰস্তে প্ৰচাৰ কৰিলা।'

আৰু...

'শংকৰ গুৰু আমাৰে... জগত গুৰু আমাৰে...

লুকাই আছা দেখা নেদা... মণিকূটৰ ভিতৰে।'

এনেকৈয়ে সাফল্যমণ্ডিতভাৱে প্ৰতিযোগিতাৰ সামৰণি পৰিল। কোনোবা কটন বিশ্ববিদ্যালয়ৰ পুৰস্কাৰ পোৱা প্ৰতিযোগীৰ মুখত শুনিলো 'টিকেন্দ্ৰ ককাইদেউ', এনে প্ৰতিযোগিতা আগতে শুনা নাছিলো...

ছাগে, সফলতা এয়াইঙ্গঙ্গ আমাৰ সফলতাঙ্গ ৰঙিয়া কলেজৰ সফলতা...

**সৰাপাতবোৰো যেন সোঁৱৰণী...**

ক'ত আৰম্ভ কৰি ক'ত শেষ কৰিম নাজানো। আবেগ বিহ্বল মনটোৱে বাৰে বাৰে কৈছে— বহু আৱেগিক মুহূৰ্ত আছে যিবোৰ শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। এই যোৱা বছৰবোৰত মোক সাহস আৰু শিক্ষা দিয়া শিক্ষাগুৰুসকললৈ এই ছেগতে শ্ৰদ্ধা নিবেদিছোঁ।

বৰযুণত ভিজি ভিজি কলেজ ফিল্ডত ৰাজ, সৌৰভ দাদা, উদীপ্ত, জাভেদ, নৰুলহঁতৰ লগত ফুটবল খেলা, শিক্ষক দিৱস, ডিপাৰ্টমেণ্ট ৱাল মেগাজিন, কলেজ ৱাল মেগাজিন (প্ৰাচীৰ পত্ৰিকা), বিশ্বকৰ্মা পূজা, নিৰ্বাচন, কলেজ সপ্তাহ, কুইজ, ৱাল পেইণ্টিং সকলোবোৰে এটাই কথা কৈছে—

'বন্ধু, বিদায়...ঙ্গ বিদায়...ঙ্গ'

হে ৰঙিয়া মহাবিদ্যালয় তুমি শতায়ু, সহস্ৰায়ু হোৱা। তোমাৰ যদিও নিৰ্জীৱ আকৃতি-অৱয়ৱ, তথাপি সদায় কলেজলৈ সোমাই যাওঁতে কৰা প্ৰাৰ্থনাৰ সাকাৰ ৰূপ দিবা বুলি আশাবাদী। ভৱিষ্যৎ জীৱনত প্ৰত্যেক বন্ধু-বান্ধৱীৰ উজ্বল ভৱিষ্যৎ আৰু সুস্বাস্থ্য কামনা কৰিলো। তোমাৰ জ্ঞানৰ বটবৃক্ষৰ পৰাই সৃষ্টি হওক দ্বিতীয়জনী লতা মংগেশকাৰ, দ্বিতীয়জন শচীন তেণ্ডুলকাৰ, ধোনী, কোহলী, অমিতাভ বচ্চন, ড° ভূপেন হাজৰিকা, জুবিন, পাপন মহন্ত...

অজানিতে কৰা অনিচ্ছাকৃত ভুলৰ ক্ষমা বিচাৰি লগতে ৰঙিয়া কলেজ পৰিয়ালৰ সকলোৰে সু-স্বাস্থ্য কামনা কৰি নামঘোষাৰ প্ৰাৰ্থনাৰে সামৰিছো...

'নাজানোহো আৱাহন, নাজানোহো বিসৰ্জন, পূজা-মন্ত্ৰ নাজানো কিঞ্চিত।

এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণত, মোৰ গতি সাধিবে উচিত।।'

জয় বিদ্যা। জয় সংস্কৃতি।

জয়তু ৰঙিয়া মহাবিদ্যালয়।। ☐






# Sankardeva and the festival of colours in Assam

✍ Amlan Deep Deka
*B.A 5th Semester*

During the spring season, the holi festival is celebrated in all parts of northern India. Before the appearance of Srimanta Sankaradeva, it is not clearly known whether the spring festival, known as Doul Yatra or holi, was celebrated in Ancient Assam. It seems that Sankaradeva was the person who for the first time introduced. This festival after returning from his first pilgrinage in order to propagate the Bhakti culture in Assam.

It has been emphatically expressed in the Bhakti treaties especially in the Bhagavat Purana, that the Leelas (divine activities of Lord Krishna) play the most important role rouse the Krishna consciousness in the heart of his devotees, In the 11th can to of the Bhagavata, it has been specially devised that the people who desire to have firm devotion to Krishna should worship his image and display his Leelas in congregation with pomp and grandeur. Sankaradeva elaborately



depicted this portion of the Bhaganata in his Kritan and in his Niminauasidha sambada, and also in his creations about Lord Krishna.

Srimanta Sankaradeva described the details of the Holi played by Lord Krishna also in other creations about Bhakti cult of his vaishnavite literature.

Almost all the biographers of Sankaradeva said that he spent several years in Jaganath Puri, Odisha. He witnessed all the festivals of at Puri several times and was extremely impressed by the performances of thousands of people. The Jaganath Temple was of pivotal importance and a host of shrines and temples were created around the vast tract of land for several hundred years. Srimanta Sankaradeva wrote a chapter in his monumental work, The Kirtan Gosha, on several shines surrounding the Jaganath Temple. He uaborately described in injunctions of the scriptures how the ceremony of Rath Yatra was performed in that time which is being celebrated even to day.

He wrote a ghosa, "Range faku khele chaitanya Banamali duhate fakure gura sinchanta Murari.'' This means the incarnation of that ever conscious reality in the form of sri krishna Jaganath, playing with faku or coloured powder with both hands with his beloved devotees. Here in Assam, the Doul Yatra is celebrated in the month of Fagun. Sankaradeva has Aescribed explicity all the formalities in this context. Sankaradeva has given an impressive picture of the whole ceremony. Moreover, his chief disciple Mahapurush Madhavdeva composed a Borgeet suitable for singing in the Holi festival. From all this, we can say that the Daulotsav or Phalgutsav or holi in popular par lance has been celebrated in the Satras and Namghars in Assam since the time of Srimanta Sankaradeva.

Many other Satras of Assam also follow this tradition as it has been described in the Kirtana and the Bhagavata. Some biographers of Sankaradeva and Madhavdeva have expressed that for the first time Mahapurush Sankaradeva celebrated the Doulotsav or Holi festival at Batadrawa following the advice of his family priet Ram Ram Guru. Sankaradeva ordered his disciple korole Barhoi, an expert carpenter of that time, to make a wooden image or idol of lord Jagarnath (Lord Krishna). Ram Ram Guru duly placed the idol on Namghor. He also performed the religious ceremony, that is Doul festival.

It may be mentioned that in that holy place, Srimanta Sankaradeva also exhibited the Chinha Yatra Bhaona in collaboreation with Ram Ram Guru and one of his devotees and local followers. It is said that Chinha Yatra Bhaona remained the centre of inspiration for the performance of Doulatsov in the later years. Even in the later times the Ahom kings also celebrated Doulotsav or Holi festival.





The Doul Yatra or the Holi festival of Assam was given a new shape and devotion by Mahapurush Srimanta Sankaradeva. His prime objective was to involve the people of Assam with the neo-vaishnavite movement without any discrimination, In the eyes of Sankaradeva, all people in the world are equal and hence he tried to propagate the Ek Saran Naam Dharma among all the sections of Assamese people irrespective of their caste and creed only to propagate one Krishna Darsan among the people, he gathered all sections of the people through this colourful Holi festival.

Srimanta Sankaradeva had disciples from the local tribal people and also from the Muslim community. He used khol, taal (cymbal) and others musical instruments produced by the local indigenous people of Assam. There was no distinction of caste, creed and religion in Practise Bhakti; everybody was equal in his eyes. He choose the Holi festival amongst other festivals to unite all sections of people of Assam. Through the Chinha Yatra Bhoana and Bargeets, he made the festival more enjoyable. Even the illiterate villagers could understand the Highly philosophical and spiritual ideals by witnessing the bhaona and listening to the melodious Borgeets.

After Srimanta Sankaradeva, his chief disciple Mahapurush Madhavdeva and others following their guru's footsteps spred the Bhakti cult through the Satra and Namghar institution in Assam. It may be mentioned here that the king Narnarayana and his brother chilarai were attracted by his personality and schoolarship and request him to build a Satra and Namghor in their koch kingdom.

It may be mentioned that the prominent Satras like Barpeta, Batadrawa, Sundaridiya, Auniati, Dakshinpat, Garmur, Samaguri and Kuruwabahi and also other Satras are observing the Holi festival as per their own traditional ways. ❑

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

ধৃতাশ্ৰী কলিতা
দ্বিতীয় ষাণ্মাসিক
অৰ্থনীতি বিভাগ

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে। প্ৰগতিৰ পথ দেখুৱায়। শিক্ষা হৈছে সমাজ পৰিৱৰ্তনৰ এক আহিলা। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে সেই দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। এই শিক্ষা ব্যৱস্থাৰ লগত বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈছে মহিলাসকলৰ শিক্ষা। নাৰী আৰু পুৰুষ উভয়ৰে অৱদানতহে সমাজ এখনৰ উন্নয়ন নিৰ্ভৰ কৰে। কাৰণ মহিলাসকলৰ শিক্ষাৰ ওপৰত এখন দেশৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। সেয়েহে সকলো বিষয়তে পুৰুষ-মহিলা উভয়ে সমান অধিকাৰ লাভ কৰা উচিত। কিন্তু পৰিতাপৰ বিষয় যে এতিয়াও আমাৰ সমাজত শতাধিক নাৰী অন্ধকাৰত ডুব গৈ আছে আৰু কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বলি হৈ আছে। বৰ্তমান সময়তো সমাজ ব্যৱস্থাত পুৰুষৰ সাক্ষৰতাৰ তুলনাত নাৰীৰ সাক্ষৰতাৰ হাৰ যথেষ্ট কম। ২০১১ চনৰ লোকপিয়ল অনুসৰি পুৰুষৰ সাক্ষৰতাৰ হাৰ ৭৮.৮১ হোৱাৰ পৰিৱৰ্তে মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৭.২৭। বিশেষকৈ কিছুমান গ্ৰাম্য অঞ্চলত এতিয়াও নাৰী শিক্ষাৰ প্ৰতি অৱহেলা দেখা যায়।

এগৰাকী নাৰী জন্মদাত্ৰী মাতৃ হোৱাৰ লগতে তেওঁৰ সন্তানৰ প্ৰথমগৰাকী শিক্ষয়িত্ৰী। সেয়েহে মহিলাসকল শিক্ষিত হ'লেহে আমাৰ দেশৰ ভৱিষ্যৎ প্ৰজন্মও শিক্ষিত হ'ব। আৰু ভৱিষ্যৎ প্ৰজন্ম শিক্ষিত হ'লেহে দেশখন শিক্ষিত হৈ উন্নতিৰ দিশত আগবাঢ়িব। তাৰোপৰি এগৰাকী শিক্ষিত মহিলাৰ চিন্তাধাৰা, ভাৱভংগী যিকোনো দিশতে এগৰাকী অশিক্ষিত মহিলাতকৈ বহুগুণে ওপৰত। এগৰাকী শিক্ষিত মহিলাৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতা বেছি। নাৰীসকলৰ আত্মনিৰ্ভৰশীলতাই সমাজৰ পৰা যৌতুক প্ৰথা, নাৰী নিৰ্যাতন, ডাইনী হত্যা, ছোৱালী সন্তানৰ প্ৰতি অৱহেলা আদি সমস্যাবোৰ আঁতৰাব পাৰে। কাৰণ এগৰাকী শিক্ষিত মহিলাইহে দেশৰ আইন-কানুনবোৰ ভালদৰে বুজিব পাৰে। তদুপৰি নাৰী সবলীকৰণো শিক্ষিত মহিলাইহে আনিব পাৰে। দৰিদ্ৰতা দূৰীকৰণ, স্বাস্থ্য, সমতা সুস্থিৰ অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰত নাৰী শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

একোটা জাতিৰ সৃষ্টিৰ মূলতে হ'ল নাৰী। গতিকে একোটা জাতিৰ উন্নতি সাধন হ'বলৈ নাৰী জাতিৰ উন্নতি হ'ব লাগিব আৰু এয়া শিক্ষাৰ দ্বাৰাহে সম্ভৱ। পণ্ডিত জৱাহৰলাল নেহৰুৱে নাৰী শিক্ষাৰ ওপৰত মন্তব্য দিছিল যে— 'এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে গোটেই পৰিয়ালটোক শিক্ষা দিয়া।' ❑





# উত্তৰণৰ দিশত গ্ৰন্থৰ প্ৰভাৱ

হিয়া ডেকা
তৃতীয় ষাণ্মাসিক
ৰসায়ণ বিজ্ঞান বিভাগ

ৰংচঙীয়া বেটুপাতেৰে দোকানত শাৰী-শাৰীকৈ সু-শৃংখলাবদ্ধভাৱে সজাই ৰখা কিতাপবোৰৰ প্ৰতি আকৰ্ষণ নথকা মানুহ সম্ভৱত খুব কমেই ওলাব। 'কিতাপ' এই ক্ষুদ্ৰ শব্দটিত এখন বিশাল জগত লুকাই আছে। মানুহৰ নিসংগতাৰ সময়ছোৱাত 'কিতাপ' সবাতোকৈ প্ৰিয় সংগী। সেয়ে হয়তো দাগ হেমাৰশ্বলেড কৈছে—

'নিসংগতাৰ যন্ত্ৰণানাশক প্ৰতিষেধক হিচাপে কাম;
মানুহৰ সংগৰ বিকল্প হিচাপে কিতাপ।'

মানুহৰ ব্যাকৰণহীন জীৱনশৈলীক সু-শৃংখলিতভাৱে পৰিচালিত কৰায় একো একোখন মহৎ গ্ৰন্থই। গ্ৰন্থ অধ্যয়নৰ দ্বাৰা মানুহে ভ্ৰমণ নকৰাকৈ বিশ্ব জ্ঞান লাভ কৰিব পাৰে। বিখ্যাত ব্যক্তিসকললৈ চালে দেখা যায়— সকলোৰে পৰাই তেওঁলোকৰ জ্ঞানপিপাসা প্ৰবল আছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনৰ গ্ৰন্থানুৰাগ আছিল অতি প্ৰবল। আৰ্থিক দৈন্যতাৰ বাবে লিংকনে বাইবেলৰ বাহিৰে অন্য কিতাপ কিনিবলৈ অসমৰ্থ হৈছিল। কিন্তু তেওঁ সৰুকালতে সেই বাইবেলখন পঢ়ি মুখস্থ কৰি পেলাইছিল। নাৱৰ ভাড়া দিবলৈ হাতত ফুটাকড়ি এটাও নথকা স্বত্বেও একমাত্ৰ কিতাপ পঢ়াৰ দুৰ্বাৰ আকাংক্ষাৰ বাবে সাঁতুৰি নদী পাৰ হৈ ভদ্ৰলোক এজনৰ ঘৰত কিতাপ পঢ়িবলৈ গৈছিল। বিখ্যাত ব্ৰিটিছ সাহিত্যিক এইচ জি ৱেলছে এবাৰ কোনো দুৰ্ঘটনা এটাত পতিত হৈ ভৰি ভগা অৱস্থাত বিছনাত পৰি থাকিবলগীয়া হয়। সেই সময়ছোৱাত চুবুৰীয়া এজনে তেওঁক কিছুমান কিতাপ পঢ়িবলৈ দিয়ে। এই কিতাপসমূহ পঢ়োতে পঢ়োতে তেওঁ নতুন জ্ঞানৰ জগতৰ সন্ধান লাভ কৰে। জীৱনৰ বহুতো ঘাট-প্ৰতিঘাত নেওচি তেওঁ সফলতা লাভ কৰে। তেওঁৰ বিখ্যাত গ্ৰন্থ 'টাইম মেচ্ছিনে' এশ পাউণ্ডত সেই সময়ৰ লণ্ডনৰ আগশাৰীৰ পত্ৰিকা পলমল গেজেটে কিনি লয়। ইয়াৰ পাছৰে পৰা এইচ জি ৱেলছ সু-লেখক হিচাপে বিখ্যাত হৈ পৰে। বিশিষ্ট লেখক হোমেন বৰগোহাঞিৰ 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক গ্ৰন্থখনত উল্লেখ থকা মতে মূল বিষয়বস্তু ভালদৰে উপভোগ কৰিব পাৰিলে গ্ৰন্থতকৈ আনন্দদায়ক পৃথিৱীত আন একো বস্তু নাই।

শিশুৰ পঠন অভ্যাস আৰু বৰ্তমান সময়ত শিশু সাহিত্যৰ প্ৰয়োজনীয়তা আমি নুই কৰিব নোৱাৰো। এই গঠন অভ্যাস গঢ় দিবৰ বাবে বিদ্যালয় পৰ্যায়ৰ পৰা

শিক্ষানুষ্ঠানসমূহত পুথিভঁৰাল থকাটো অতি প্ৰয়োজনীয়। কিন্তু আমাৰ বিদ্যালয়সমূহত এই সুবিধা কিমানখিনিলৈ উপলব্ধ সেই বিষয়ে আমি সকলোৱে জ্ঞাত। এই ছেগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'Thousand books before Kindergaten' শীৰ্ষক আঁচনিৰ কথা উনুকিয়াব লাগিব। এই আঁচনিৰ অধীনত কিতাপ পঢ়াৰ প্ৰতি শিশুৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ বিনামূলীয়া পুথিভঁৰালৰ ব্যৱস্থা আছে। ছাত্ৰ-ছাত্ৰীৰ পঠন অভ্যাস বিকাশৰ ক্ষেত্ৰত নিঃসন্দেহে আমেৰিকাৰ 'Thousand books before kindergarten' এক লেখত ল'বলগীয়া প্ৰচেষ্টা।

সাম্প্ৰতিক কালত ইণ্টাৰনেটৰ বহুল প্ৰসাৰৰ লগে লগে ই-বুকৰো পয়োভৰ ঘটিছে। ই-বুকৰ জৰিয়তে আমি দেশী-বিদেশী বিভিন্ন কিতাপ-আলোচনী অতি সহজে পঢ়াৰ সুযোগ লাভ কৰিছো। ই-বুকৰ আৰু আন ভালেমান সুবিধা আছে। কিন্তু মোৰ দৃষ্টিভংগীত, হাতত কিতাপ এখন লৈ পঢ়াৰ মাদকতাই সুকীয়া। গ্ৰন্থানুৰাগিৰ বাবে গ্ৰন্থ বা কিতাপ এনে এটি শব্দ, য'ত প্ৰতিটো পৃষ্ঠাতে আৱেশিত হৈ উঠে এক অনামী সুবাস। নতুনেই হওক বা পুৰণি ছপা পুথিয়ে হওক প্ৰতিখনৰ সুবাসেই সুকীয়া। ছপা পুথি এখন পঢ়ি যি মানসিক সন্তুষ্টি লাভ কৰা যায় সেই আমেজ ই-বুকত পোৱা নাযায়। তদুপৰি মোবাইল, কম্পিউটাৰ আদিৰ স্ক্ৰীণৰ পৰা নিৰ্গত ক্ষতিকাৰক বিকিৰণৰ কু-প্ৰভাৱৰ বিষয়ে আমি সকলোৱে জ্ঞাত। পুথিভঁৰাল বা গ্ৰন্থমেলাৰ পৰা ক্ৰয় কৰা কিতাপৰ ৰঙীন বেটুপাতৰ আকৰ্ষণ ই-বুকত বিচাৰি পোৱা নাযায়। লগতে গ্ৰন্থানুৰাগী ব্যক্তিয়ে নিজস্বভাৱে গ্ৰন্থ সংৰক্ষণ আৰু লেখকৰ চহী অথবা অট'গ্ৰাফ সংৰক্ষণ কৰা ক্ষেত্ৰত ই-বুকৰ ব্যৱহাৰ ফলপ্ৰসূ নহয়। ২০১৭ চনৰ এটি সমীক্ষাত প্ৰকাশ পোৱা হিচাপে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাত্ৰ ২৬ শতাংশ লোকেহে ই-বুকৰ ব্যৱহাৰক প্ৰাধান্য দিয়ে। বাকী ৬৯ শতাংশই ছপা পুথিক।

ই-বুকেই হওক বা দোকানৰ পৰা ক্ৰয় কৰা ছপা পুথিয়েই হওক, গ্ৰন্থ এখন মানুহৰ বাবে ভগৱান স্বৰূপ। হোমেন বৰগোহাঞিও ডাঙৰীয়াই গ্ৰন্থক 'জীৱনৰ সঞ্জীৱনী সুধা' বুলিছে। অসমত বিশিষ্ট শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰীৰ নেতৃত্বত কিতাপ পঢ়াৰ আন্দোলন গঢ় লৈ উঠিছে। কিন্তু এই বৌদ্ধিক আন্দোলনটি সমাজৰ কিছুসংখ্যক লোকৰ মাজতহে সীমাবদ্ধ হৈ আছে, অসমৰ গাঁৱে-ভূঞেঁ সমাজৰ সকলো স্তৰৰ লোকৰ মাজলৈ এই আন্দোলনৰ ধাৰা বোৱাই নিব পাৰিলেহে আন্দোলনটি সাৰ্থক হ'ব। কিয়নো গ্ৰন্থইহে মানৱ সভ্যতাৰ অস্তিত্ব বৰ্তাই ৰাখিব। ড° মামণি ৰয়ছম গোস্বামীয়ে কোৱাৰ দৰে 'কিতাপ হ'ল মানুহৰ চমকপ্ৰদ সৃষ্টি। স্থাপত্য, নিৰ্মাণ কাৰ্য, ৰাষ্ট্ৰ আদি ধ্বংস হ'ব পাৰে। কিন্তু কিতাপৰ প্ৰভাৱ যুগমীয়া হৈ ৰৈ যায়। ❑





# खेरमे - खेरमे

Munuraj Muchahary,
B.A. 5th Sem.

**भा**रत हादोर नि साहा थानाय उन्दै हादर सा भुतान रायजो। बे भुतान रायजो आवनो आंखाल सुफुंनो थाखाय साननैसो सोर (लहा) कलकारखानायाव (कम्पानियाव) खामानि मावनो थांदोमोन आं।

खामानिखौलाप मोनानाया मोनबायमोन, नाथाय बिराद गिथाव बाथाव जायनि जाहोनाव गावखौ जोबोद सांग्राङै लाखिनो नांगौ। स्लेग, भेटेल फोरा जोबोर गोबौ-गोबौ एसेयावनो बौनो गेरलै, फारसेंथिं बारहावायाबो गाज्रि। बिदि होननानै खामानिखौ मानसिफ्रा मावहैला बे नङा। आंखाल सुफुंनो बे खलावनो गोबां भारतारि फोरा खायफा बिसि फिसानि, खायफाया नख'रनि, खायफाफ्रा गावनि गाननाय-जोमनायनि गरसे गरनै मोनगीन होनना मावहैयो। आंना नाथाय थांखिया बिदि नङामोन। आंना जाबाय साननैसो आनजाद बायखांना गरम बन्द मोन्दोंजेला उनाव माबा मोनसे पास जाबा एदमिसननि गरनैसो मोनगोन खोमा होननासो मावनो थांदोंमोन। सिरला, सेग्रा, बोराय, बुरै, हारसा, नेफाल गोबां मावहैयो। बुंनो थांब्ला बे खलाव बांसिन खामानि मावग्रायानो भार'तारि होनब्लाबो गोरोनथि जाया। बिदिनो आंबो मावहै नायनि उनाव आंहा सासे सिररलाजों मुला-खाद जादों। मानोबा बै सासै सिररलाखौ बोरैबा जावलिया मेगना जोबोर मोजां नुबाय। दंनायालाय, सिररलफ्रा गोबां दं। थेवबो बे सासेखौसो मेगन खेबाय। लासै लासै बिनि खाथियावल' खामनिखौ मावनो गोसो जाग्रा जाबाय। साननैसो मावबायबो। बिदिनो नुनानै गमिनि लोगोआ आंखौ मेगन सानायजों जंखायसै आरो गोनांथि जायाब्लाबो बिसोरनो एसे-एसे हेफाजाब होग्रा जाबाय। दानिया मुंखौबो मोनथिया, मिथिनो लुबैबाय। सानसेखालि गावसोर गाबज्रि लायनाय खौ थाल लादोमोन।

बेखौ आं एसे खोनाज्रिदना मोननाय मुङा जाबाय रिजुमि आंजो लोगोसे गामिनि सासे लोगोअबो बिखौनो मेगन खेबबाय मुंआ राजिब मोसाहारि। नाथाय बिबो मुंखौ मोननथियामोन। आंहानाथाय मुंखौ मोनथिग्रोनायखाय एसे गोरासिन आरो अननायखौ हमदांनो ह्राथों होनना खामानि मावना होनायाबो एसे बारासिनमोन। मुङा नाथाय सिगाङाव आं खोनानाया नङामोन। बिनि गुबै मुंआ जाबाय रूफाथिसोमोन। आरो बै गुबै मुंखौ मोननानै आं गोसोखौ रंजासिननाय मोनदोंमोन।

सानसेखालिनि बाथ्रा, बिसोर आंखौ जामबुं सारजिं होनो होनायसै। बे खाबु आवनो खाबु सानना आंबो हैनायसै आरो जामबुं अनजिमाखौ हाखु-दाखु आंनि मबाइलाव (जामबुंआव) कल खालमना लानायसै। नङाब्ला सालिया सिगांनि दिनफ्राव गंगार सेंग्रानोसो होनो होबाय थायोमोन जामबुं सारजिंखौ। मुङा रकबाइ। मावजिबो बुङो, बुंनो थांब्ला कम्पानियाव मावजि मुंखौसो दा बांसिन मिथियो। मावजियासो मुंदाखा, सालाया बेबो बेखौनो मेजेरो। गावसिनि एफा नारें खमला बादि जारौ जारौ आदै फेन्दा सोलाजालायनाय थानानैबो ज्राब गारना बिखौसो गोसो होदों। आरो सिखलायाबो मेजेरो होनना गुबुनि खुगानिफाय

मिथिदों। सानसेखालि आं ब्रायैनो नुगारबाय बियो गनाय समाव मबाइल हरनो जमबाय थादों। जेब्ला सिरब्लाया खाथिजों फैयो अब्ला बियो जामुबंखौ थाब हरखोमादों। आं सान दों अ',, सालिया बिखौसो मेजेर मारो। बेयावबो आंहा बिसोर सानैनि गेजेराव बिदिखौ नुना खेरमे-खेरमे। आं सानफि नदों सालि नों बे गंगार हैवाजों सोलिनो हाखानाय नङा। सान्से खालिनि बाथ्रा बे महाइल हरलाय बाय थानायखौ नायनो हायैनि जाहोनाव जों गामिनिनो हिनजाव मोननाय सासे मानसिया बेखौ खामानि मावबाय थानायाव थांना थिग रायदोंनो। हौवा मोनाखै नोंहा वे गंगार ना गोरान जाग्रा जाथि जोंसो गोसो - थोलायनो मोनबाय होनना थिखोनानो। मुंआ लमबिरमोन बिना (रायग्राना) सिगां एम.ए स्कूलाव क्लास फ्रेनमोन। दा बियो हिन्जाव लाबाय। फाग्लाया क्लास सेबेनावनों गारबाय। गुवाहाटियाव खामानि मावनो थांनायाव मोनबोदों हिनजावखौ। बोरै जानाय-थाय गावसो मोनथिसिगौ। दा आंहाबो बिदिनो होननाय बादि सिबाय सिखलाया थिखोना गाबबायदोंनो रायजानानै। बै दिन खालि आं थांफ्लाङखैमोन खामानियाव मानिबा जाहोनाव। बाथ्राफोरखौ आं उनावसो गामिनि लोगो फोरनिफ्राय खोना जोबदों। आं सानदों सिरि सिरि मोजाङनो जादोंदे साला मानोथो गंगार सेग्राखौ गोसो थोनांगौ। नांगौबा आंखौनो थो। बुंफ्लांगारदों बो आं बाथ्राखौ।

उनाव आंबो मिल्क एन्ट नाट सबलेट गरनै, गरथाम हैग्रा जाबाय बिसोर बो जाया होनाफेरा, आं सानो गोसो सिंजों बिदि आखायावनो होनो सक्लेट खौ नाथाय लाजिनायजों बिनि लोगोनोसो आखायाव होयो। आरो बिनो न' जानोबा होनना गारनानै सो हरनाय जायोमोन। जिखिजाया बिबो जायोमोन। अब्ला आं सानो अ एसे राजज्लाय नो सान्स मोनसिगोन नाथाय गैया हाया। गोसोनि खोथा बोरै फोरमायनो। बिखाया गावो खुगाया गेवा। जामबुं अनजिमाखौ मोननानैबो आं फन हरनो लाजिनाय मोनो। खोथाया जाबाय दिनैसिम आं जामबुंजो बिदि मोजां मोननायनि खोथा रायज्लायफेराखै। थेवबो गिबांसिन हरबाय आं, रूफाथिनि राव हेल्ल' सोर? आं बुंदों आं दहाय नोंनो कम्पानियाव सक्लेटोहोनाया। बियो बुंबाय अ' नोंसो साला सिखाव, माथो सिखावथार, मबाइल सार्स होहोनायाव नामबार खौसो खावनो होनााय जादों। आं बुंबाय, नाम बारसो लादोंब्रा नोंनि जेबोथ' गोमायाखै। बियो बुंफिनबाय, गोमायाखै, माथो पाहा मोननो (खाबां रावै) आं बुंफिनबाय जेबो नङा ओरैनो रायज्लायनो लुबैना हरदोंमोन। बियो बुंबाय एबिदिब्लालाय दोन आंहा सम गैया, बिदि होनना दानना होनाय जाबाय फनरनौ। आं सानदोंमोन गाबोन कलखार खानायाव फैगोना फैया होनना सोंहरनो, आरो बिदिनो गोबां खोथा रायज्लायलांनो। नाथाय गैया फैमालसो। आंहा बेखौसो सानो खेरमे-खेरमे साला बे मावजि-खौसो गोसो थोमार नंगौना। आं मेगन जोंनो नुबोबायबो साहा लोंहोनाय मेथाय बायना हरनाय फोरखौ। दखानाव आं जासिब्ला जाया नाङा होनना बुङो। आं बुनो सानो, मावजि होनायखौ बासो जायो आं होनाय खौबा जाया, नाथाय सिबानि सिखौ सिबायावनो दोन, गोसोनि खोथा गोरबो आवनो दोन होननाय बाथ्रावादि सिरियैनो थामारसै आं।

उनावहाय सानसेखालि लाजिनाय आरो गिनायखौ दाबसे खनायाव दोनखो मानानैब्लाबो मबाइल्जों साखाथियावनो थानानै भिदिय रेकद पिकसार साफायनानै लाबोबाय। आरो दोंसे मेथायखौ ओरैबादि मोजां मोनबाय, मानोना बै खम्पानियावनो खोना जेनदोंमोन। मेथाया बागानपारानि सासे सेंग्रानि जाम्बुंआव दंमोन। बिबो बै खम्पानिथावनो मानिबा आंखाल सुफुंनो थांदोंमोन (मुंआ थमास) उनाव आंनि मेमानियाव सेन्द खालामना लानायसै। मेथाया जाबाय ओरै जाय -

बुहुमाव जोनोम जादोंबोला खामानि नोंनि लादो सायख'ना रंजा-खुसियै, रूफाथि सानखौ दा-हगारनों बेसेन गैया, होनना, दासान अराय दासान नों अराय ............ ।

आं साननायसौ बा बिदिब्लाथ बिनि मुंआ गोबां गोथौ ओंथि दंखायोमोन। आं मानसि नि खै मुंखौसो बांसिन गोसो थोबाय। जिखियानो जाया आं बिजों एसे रायज्लायनो गोरलै मोनबाय नायाथ जोंसो। गोंबा सान बार लांनायनि उनावसो आं मिथिबाय बिस्रा ख्रिस्थान सोनो। आंनि बिखायाव सोरबा अन्थाय - खुबैनाय बादि दुब नांफैदों, माने बै खिृस्टान सोदोबा बिखाखौ खें मोनहोदों। अब्लाबो उनाव नाथाय मोजां मोननाया मेगन खाना एबा मेगन गैया होननाय बादिनो बेखौनो खेब जादों। माखासे गोबां सम, सानफोर बारलांखांनायनि उनाव बरदिन फैथारगौ। दानिया जामबुंजों रायज्लायनायाव जंखायनाय रावै बुंहरफ्लांदोंमोन आं गाबोन नोंसिनाव बरदिन जानो थांगोन, बियो बुंदोंमोन, आयौ नों फैब्ला जोंहानि न'खौ बासिनासो थांगोन। गोरान थार, जोंना न'वानो गैया। आं बुंदों न' गैया ब्लालाय अबावथो थायो गोबाय गिजि गंसे सोबाबो थ' दंदा। बियो बुंदोंमोन फैब्लानो जाबाय हा सोर -सोर फैनो नागिरदों? नङाब्ला आं गोसोजों आंखौ माबा माबि बुंनारायसिगोनसो नामा सानदोंमोन। अखानायै बायैनो गामिनि सासे लोगो लांफाना थांमारनाय जानायसै। थांनायाव सोंग्राव - सोंग्राव जाम्बुंजों फन खालाम-खालाम थांबाय। थाङै - थाङैनखौ मोनहैमारबाय। जायगायालाय बारा गोजानबो नंथारा थेवबो बारा बेरायनाय हुदा गैया नालाय बिफोरनि बारा उदिस गैया। जिखिजाया लाजि बांसिनै बिसिनि न' मोनहैबाय। लांगोनाखौ बारहांजाब्ला दरखंजों सासे सिरखला भंदबना नायहरदों जोंखौ। सिखलाया जोंखौ नुहुरना ओय, होनहरबाय आंबो ए'बेनो माथो होनना सायखेलखौ दोम बेक हमना लाखिबाय जों दाब्लिंमोन। लाजि बांसिनै न'आव हाबहैबाय। न' गैया होननाया माथो गंनै जोंगो दं। आं सानखुमादों बुंथ'नाय जायाखै। सिखलायाव गंसे बेन्स दं बेथावनो जनो थिनबाय, जागोन होनना जबाय। संग्रा नआव माखासे दावराव सिखलाफोर दं। मा मा रायज्लायदों बुदुं बुदां ग्लाब-ग्लाब मिनिलाबाय थारदों। आं सानदों जोंखौसो मायबा मायबि बुंनानै मिनि दोंनामा, आं मा खालामनो मानो जाबाय दसे मबायल खौनो मेथाय दामलाय एलबाम नायलाय खालामबाय थाबाय। रूफाथियाबो जथ'होनना संग्रा नआव थ्रोब हाबहैबाय। दसे 10 मिनित सोनि उनाब सासे सेंग्राया गथ' मबाइल दामखावनानै सानजाहानि नआव थ्रोब हाबहैबाय। आं आन्दास खालामदों फंबाय सासे दं होन्दोंमोन बेनो जाथारनांगौ आन्दासाव। दसे सिंआव मायबा मायिबि नागिरना ब्लाद ओंखार लांफिन्दों गथ'आ। आरोबाब बिनिनो दसे उनावहाय सासे 35 बोसोर सो बैसोनि हौवा सासे जवान बैसोनि फैलायबाय। बियो जोंखौ बाबुमोन होननाल'रायदावबाय बबेनि सोङासै। जोंबो औ होननाल' थाबाय। आं सानबाय गामिनि सोरबाफोर नामा। नाथाय उनाव बियो बाबुमोन थालायथ' आं एसे गामियाव गिदिं हैनि होनना थांबाय। उनाव मिनिबाय बियो रूफाथिनि बिफासोमोन आं मोखांआव बारा नायनाय जायाखैमोन माब्लाबा लामा सामायाव नुब्ला रायदावनो सिनायनायसो नंलिया। मानोना आं गामिनि सोरबाफोर होननासो सानदोंमोन। मानसिया लाय बारा बैसो जायाराखै। उनाब जोंखौ गावसोर उन्दुग्रा रूमाव लांना जाग्रा-लोंग्रा लाना हैबाय। जोंबो लाजि बांसिन जाबाय। मानोना आंहा सिगाङव बिदि बरदिन जाबथिंनाय हुदा गैपामोन। बेयावबो नाथाय मोनसे जारलायानो जालायबाय आंजों थांफानाय सासे लोगोआ अमा बोदरखौनो मोनजाया। आंबो बावथारदों खोन्थाहरनो, रूफाथिया बुंबाय मानसिखौ लाबोना बिदि खालामो मानिसैबेलाय खिनथाहरखायाबो। आं बे रावाव जोबोर गोजोन्दों मानोना गोसो गोरबोजों सायखलायखाना मोजां मोनबोलायखानाय बादि जादों बै फंसे रावा, उनाव जेबो नङा जायो होननानैनो थानायसै। जाग्रा मुवाफ्रा जाबाय। अमा बेदरजों खुम्बा, मुरिबो गामलासे गामलासे, साहा गिलास गोलावजों गिलासे-गिलासे, थावनि सिथाव प्लेट गेदेरजों प्लेट से - प्लेटसे। आरोबाब मुरि आरो सिथावखौ प्लेटसे गामलासे होफैबावदों। बेलासेनि ओंखाम जाना फैखानायानो, सेंग्रा उन्दैनालाय रायखसफोर बादिनो जों

सानैबो जाजोबथारदों। जानायाव सानैबो नामबार 1 खा। दानियाजों सानैबो जाखां - लोंखां फैनोसै समाव सावरायदों। आं सानदों दा मोना बा थांफिननो एसे बोंरैबा जागोन। दैमाबो बारनांगौ। समाथ मोनाब्लि जाबो हांबायानो। सुमिरा बुंबाय, ओय फाग्ला लामारदोलै साफा जाथार बाय माथो। आं बुंबाय नाङलै-दानो नाङ होनफ्लाबाय, जायखिजाया लाखा गोनदा सोंबावबाय बियो ? आं बुंबाय, होद जाम्बा खोनाहैगोन। दसे बिनि सावगारि खौ नायबाय, बाबा इन्जुर गंसे बुंफबजोबनाय फथ'गोजा। सुनिरा नायसो गारदों आं नाथाय साग्रां नायला बायना थाबनो गामिनिनो सासे आंजो फरायजाबनाय बिबार मुंनि सेंग्राखौ थाब नुदों। बाखिखौ नाथाय नोजोर होआसै। बिनिफ्राय आं रूफाथिनाव सोंफ्लाबाय बिबारनमोननि न'आलाय बबेखिनियाव ? बियो बुंबाय गोजान जायो खोलाहा थांथारनांगौ आंग्रा खाथा नांजाब हां जायो। आं सानबाय बिदिब्लाथ' बि गामिया बिराद गिदिर। जागोनबो मानोना कुमारि का तायाव थांब्ला जि गोलाव नुलाङों दैमा सेर-सेर नाथाय अन्थाय साव साव गोरान जेबो आबादनि सुबिदाबो गैया। खालि दैमायाव अन्थाय बुरनाय, बे खिनियानोसै, बाखिखिनिफ्रा मा मावना जादों आं जेंबो मोनथिया। दानिया जों फैनो ओंखारबाय, आं बुंबाय सुमिर, माथो साना हाबनो सैयानो थ' थांला नामा ? रूफाथिया बुंबाय थांनोसैबो ? दे होमबालाय, जोंना जायगायानो गोरानथार, नंमारगौबो बियो सिगाङवनो बुंखादोंमोन नों जोंनाव फैबा जोंहानि नखौ मुगैनासो थांगोन। आं बुंबाय जेबो नङ गोरान बाबोथ' थांना दंदा। जोंनिथिंनिफ्रासो सोलिनो रोंनाय नङमो। बिदि होननानैल' बुंफ्लाबाय आं। आं नाथाय फसायदोंमोन रूफाथिखौ, नाथाय बोंरैबा सानब्ला बियो आंखौसो फसायाबो जानो हागौ। जिखिजाया बिदि समा बारलांनानै थांखां बाय। दानिया फैनाय समाव ससे लामा फैखांना दैमा गेजेराव सासे मुसलमाना बस्था बलाय ना मोना बिलिनि आरज गाबदों। आं सानदों साला मुसलामान फोरालाय खुलुमनाया लामा द'थामानि जाला बायथारोनामाब्रा। जों खाथि मोनब्ला बस्थाखौ थनखांबायमोन सुमिरा मा बस्था थ'नखो बेलाय होनना आंनाव सोंबाय। बियो नुसनह'राखैमोन। आं बुंबाय आलला गाबदोंलै जाम्बा बियो बुंबाय आया आलला गाबदों ? फाग्ला फाग्ला ग्ला ग्ला मिनिबाय। जामबा जाम्बा मा आलला गाबखो बिलाय लामा थारै लाय। आंबो सानबाय मालाय सम जाब्लानो बिसोरना बिदिनो गाबमारो खोमा। फैनाय थारै बेखौनो सानैजों जों एसे सावराय बोबाय थादोंमोन। फैयै-फैयै, दैमा बारहां जाब्ला सासे बुरैद'ब 30-35 सो बोसोरनि हिन्जाव लोगो मोनबाय। जोंखौ एसे मोजाहैनो नायदों। बबे गामिनि सेंग्रा गय' बिसोरलाय सानाखैबे आं आनदास खालामदों रूफाथिनिसो बिमा नामाथाय। मोखांफोरा नुनायाव रूफाथिजों एसे एखे, सुमिरा माबायदि नुदोंथाय मिथिया आं बुंदों ससे थांखाना बिखुमजोफोर जागोना बिनोमोन नामावा। सुमिरा मिनिनायसै आरो बुंदों जानोबो हागौ। जिखिजाया बिदि जालां खांनायनि उनाव आंहा खेरमे-खेरमे बिखौ गोसो खांग्रासो जाबाय। दानिया आं बिनो बेलासेआव खनसे खौरां लानो थाखाय फन खालामाब्ला गोजोनासो जाबाय। आं नाथाय दाबो गोथार गोसोनि खोथाफोरखौ बिनो दाबो गुवारै फुवारना बुंनो मोनाखै बिनि थाखायनो आंहा खेरमे-खेरमे गोसोआ उसुखुथु मोनबाय थायो। ❑





# গোলাপৰ কাণে কাণে পখিলাই কথা কয়

✍ নিকিতা ডেকা
তৃতীয় যাণ্মাসিক

আবেলিৰ সময়। চিনাকি পথটোত অগণন মানুহৰ চিঞৰ-বাখৰ। নিউজ চেনেলবোৰ আহি ঘেৰ মাৰি ধৰিছে বয়োজ্যেষ্ঠ লোকজনক। তেওঁৰ হেনো তিনিটা বছৰ পাৰ হ'ল পেঞ্চনৰ পাছত দৌৰি ফুৰা। এজনৰ পৰা আনজন, এটাৰ অফিচৰ পৰা আনটো অফিচলৈ দৌৰাই মাৰিছে বিল পাছ হোৱা নাই বুলি...। সাংবাদিককেইজনেও ওচৰৰ মানুহকেইজনৰ পৰা মতামত জানিব বিচাৰিছে...।

কোনেও গুৰুত্ব দিয়া নাই... সকলোৰে মুখে মুখে কেৱল এযাৰেই কথা মাত্ৰ— কোনোবাই পেঞ্চন পোৱা নাই আমাৰনো কি? এনেতে এজন ২০-২৪ বছৰৰ ল'ৰা অৰণ্যে তেখেত সাংবাদিক। মোলৈ প্ৰশ্ন কৰিছে—

সাংবাদিক ঃ এই বয়োজ্যেষ্ঠ মানুহজনৰ প্ৰতিবাদত তুমি কি ক'ব বিচাৰিবা?

নেহা ঃ হয়, দুখ লাগিছে এখেতৰ প্ৰতি। এজন বয়োজ্যেষ্ঠ মানুহক এনেকৈ দৌৰাই ফুৰিছে তেওঁলোকে এইটো এটা লাজৰ কথা।

নিউজটো গধূলি টিভিত পালো। মা-দেউতাই আচৰিত মানিছে... কাকোৱেই নমতা ছোৱালীজনীয়ে এইদৰে কথা কৈছে কেমেৰাৰ সন্মুখত। এইখিনি সময়তে ফেচবুকত এটা মেছেজ আহিল।

অৰ্ণৱ ডেকা ঃ ভাল কৈছা আজি নিউজত... এনেকুৱা নিৰ্ভীক ছোৱালীৰ প্ৰয়োজন মোৰ।

নেহা ঃ (ময়ো মেছেজটো লগালগ চাই) ধন্যবাদ। কথাবোৰ সামৰি... দিনে দুই-এটাকৈ মেছেজ লিখিবলৈ ল'লো তেখেতৰ প্ৰতি। গম নোপোৱাকৈ আহিছে মনত অক্লান্ত ভালপোৱাৰ বৰষুণ। এয়া যেন মোৰ মনৰ শুকান পদূলিত প্ৰেমৰ বৰষা। মেছেজবোৰ চাই চাই অকলে হাঁহি ওপঙি আহে মুখত। হয়তো এইবোৰেই ভালপোৱা। ভালপোৱাই দি যায় নতুনত্ব। যিয়েই প্ৰকাশ কৰে লুপ্ত প্ৰতিভা। ময়ো নজনাকৈয়ে তেখেতৰ বাবেই গান লিখিবলৈ, কবিতা লিখিবলৈ ল'লো। প্ৰতিটো কবিতাত আগস্থান তেখেতৰ...। মাক-দেউতাকৰ বুকুত মূৰ গুজি, সপোন দেখা ছোৱালীজনী সলনিৰ গৰ্ভত বিলীন হ'বলৈ লৈছে নেকি মনটোক প্ৰশ্ন কৰিছো? নাই-নাই এয়া সলনি নহয়... ভালপোৱা। গোলাপৰ পাহিত লিখা তেওঁৰ প্ৰতি প্ৰেম।

দিনবোৰ বাগৰিল। পখিলাই গোলাপৰ কাণে কাণে কথা কোৱাৰ নিচিনাই তেখেতেও মোৰ কথা-বতৰাবোৰ জানিবৰ বাবে অংকুৰক মাজৰ মানুহ পাতিলে। অংকুৰ মোৰ বন্ধু, বিতুৰ দদায়েক... তেনেকৈয়ে মোৰো দাদা। সম্পৰ্কটো বাঢ়িল ভালপোৱাৰ নাম নিদিয়াকৈ... এবছৰ বাগৰিল কোনোৱেই ভালপোৱাৰ প্ৰস্তাৱ নিদিয়াকৈ। এইদৰেই অহকাণে-পহুকাণে ইজনে-আনজনৰ খবৰ লৈ...। অৰ্ণৱৰ জন্মদিনৰ দিনা একেলগ হোৱাৰ কথা তাকো অংকুৰ দাক কৈ পঠিওৱা। তেখেতৰ জন্মদিন ওচৰ চাপিলে...। মনটোত

নাচোনৰ লহৰ উঠিছে। উক্ত দিনটো আহিল তেখেতৰ লগ-বন্ধুৰ ঘৰটো ভৰপুৰ। মই প্ৰৱেশ কৰাৰ লগে লগে সকলোৰে চিএৰ। সেয়াও মোৰ বাবে এক ভাল লগা মুহূৰ্ত। সকলোৰে বিভিন্ন প্ৰকাৰে জন্মদিনৰ শুভেচ্ছা প্ৰকাশ কৰিছে। মোকো তেখেতে হাতত ধৰি অৰ্ণৱৰ কাষলে টানি আনিছে। সকলোৰে অনুৰোধত জন্মদিনৰ শুভকামনা এইদৰে জ্ঞাপন কৰিলোঁ।

ভালপোৱা দিনজোৱা মোৰ বাবে সদায়েই তোমাৰ জন্মদিন। চিৰদিন একেলগে থকাৰ প্ৰতিশ্ৰুতি। যেতিয়ালৈকে মই আছো তেতিয়ালৈ তোমাৰ বাবে জীয়াই থকাৰ হেঁপাহ। জন্মদিনৰ অযুত শুভকামনা। হাতত হাত থৈ জোনৰ কথা, তৰাবোৰ গণিবলৈ জানো তুমি মোৰ হ'বলৈ নিবিচৰা? তেখেতেও ভালপোৱাৰ প্ৰস্তাৱ ৰাজহুৱাকৈ গ্ৰহণ কৰি ভালপোৱাৰ নাম দিলে 'গোলাপৰ কাণে কাণে পখিলাই কথা কয়'।

আমাৰ ভালপোৱাও গোলাপৰ পাহিকেইটাৰ নিচিনাই কোমল, মনখুলি সকলোকে আকৃষ্ট কৰিব পৰা... ভালপোৱাৰ বৰষুণত পখিলাৰ সাজোন-কাচোন গোলাপক আদৰিবলৈ... ❑

## মহৎ লোকৰ বাণী

❖ 'প্ৰত্যেক ধৰ্মই আমাক কয়, কৰ্ম, বিশ্বাস আৰু অৰ্চনা এই তিনিটা মানুহৰ প্ৰধান লাগতিয়াল বস্তু।'
— ৰাধাকৃ ষ্ণন।

❖ 'এটা ভাষাৰ সাহিত্য কৰ্মত যিমানেই অন্য ভাষাৰ প্ৰভাৱ থাকে সিমানেই অনুসৃষ্টি থাকে, সিমানেই সেই সাহিত্য উন্নত হয়।'
— কবীন ফুকন।

❖ 'কিতাপৰ পাতৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী সকলে তোমালোকৰ চৰিত্ৰ দিব নোৱাৰে। চৰিত্ৰ গঠন আচল জীৱনৰ পৰাহে আহে। প্ৰকৃত পক্ষে তোমালোকৰ নিজৰ ভিতৰৰ পৰাহে চৰিত্ৰ বিকাশ হ'ব।'
— মহাত্মা গান্ধী।

*(সংগ্ৰাহক ঃ লভিতা কুমাৰ তৃতীয় যাণ্মাসিক)*





# GLIMPSES OF THE BATTLE OF ALABOI

✍ Nekibur Jaman
BSc. 3rd Semester

The Battle of Alaboi is one of the major Battle in the history of Assam during the tenure of Ahom Dynasty. It was fought between the Ahoms and the Mughals.

Ram Singh, the lieutiuant general of Mughals sent by Auranzeb to invade Assam was intensely irritated and frustated with the delaying actions of Ahom General Lachit Borphukan. He sent a proposal of dueling to Ahom King, Chokradhwaj Singha. In the proposal sent by Ram Singh, he promised to withdraw his armies from Assam if he was defeated. Lachit Borphukan updated King Chakradhwaj Singha about the proposal who rejected the offer on the ground saying that it was beneath his dignity to duel with a mere servant of Mughals Having no umbrella over his head Annoyed with Ram Sigh's proposal for dneling with, Ahom King Chakradhwaj Sigha ondered Ahom Senapati Lachit Borphukan to confront the Mughals with high military. In a battle that was set up as a challenge, a force of 10,000 Mughals were sent under the leadership of Mir Nawab by Ram Singh to confront a force of 20,000 Ahom cavalries ( in ancient days, soldiers who fought on horseback). Ram Singh's approach was cleverly, psychological, chivatry (the medieval knightly system with religious, moral & social codes) and to take revange. The Ahoms approach by covering their basic weakness, was based on mispresentation and deception, So instead of sending 20,000 armies, they sent 40,000 and used the anti-koch tactic (action) which they took against Chilarai, they dressed their vanguards, arechers and musketeers as Brahmin and pandits to avoid the Rajput warriors from killing them. On the other hand Ram Singh also approach a woman, Madanavati dressed up like a man, the command their vanguards and Mughal armies to deny the ahoms any glory in case of victory. The battle took place in the fields adjoining the Alaboi Hills near the river Brahmaputra on about 5th of August 1669. The battle was named as the

"Battle of Aloboi" in the history of Assam.

In the begining phase of the battle. Mughal's Madanavati dispersed and killed the front four lines of the Ahom soldiers easily. but Ahom General Lachit Borphukan had trenches dug to hide his other lines of soldiers and vanguards. In the second phase of the battle, a diversion of Mughals tried to cross approach the other bank of Brahmaputra. but Lachit Borphukan and his armies stopped them from doing that and Madanavati was killed on the spot. As well as the battle turned into a third and the final phase, Mir Nawab's majority of forces were being defeated by Ahoms. Angty ar the deception. Ram Singh let loose his veteram horsemen and in the carnage that followed, 10,000 brave Ahom soldiers were nassacred on the hands of Mughal's.

Mughal King, Aurangzeb was very pleased with the sucecess of the Mughal in the battie of Alaboi and increased Ram Singh's Position and salary. Ram Singh was also ordered to invade Guwahati soom, and if it was not possible , them he asked to devaste the land and steal the wealths and goods and properties from the local people forcefully. Thus the battle of Alaboi ends after 10,000 Ahom soldiers massacred in the battle.

Now also if we travel from Guwahati to Hajo, we will still see a huge fiels near the Aagiyathuri Hills on the bank of Brahmaputra river. In that field of Alaboi about 351 years ago on 5th of Augast, 1669, more than 10,000 Ahom soldiers sacrificed their life fighting to protect Kamrup(Assam) against the powerful Mughals soldiers under Ram Singh and Mir Nawab sent by Mughal Emperor Aurangzeb. People say that till now also Geologist and Archeologist finds the skul and bones of human while they dig on that field of Alaboi. By seeing those bones and skuls, many of our assamese people turned their faces and cover their nose, But peoples might not know the actual address of these skulls, these are the skuls of our brave heart soldiers who had sacrificed their life to save their motherland and their generations to come. These skulls and bones are thje living proof of 10,000 true patriots of our motherland who never set their journey back in fear of death Every assamese people say that they carry Lachit Borphukan's blood on their body, But they forgot the efforts of those 10,000 braveheart Ahom soldiers. These Braveheart soldiers are the most "Unsung wartiors" in the history of Assam. This is very sad for us. Let's appreiete them too... ❑





# "মই যেন তলসৰা এপাহ শেৱালী" ঃ Hem Barua

✍ Akib Hussain
4th Semester

Hem Barua, one of the famous Assamest poet who was also a freedom fighter of Assam. Along with it, he was also the President of Assam Sahitya Sabha in the year 1972. The author of 'Tal xora', 'The Red River and the Blue Hill in English' was also an MP from Assam. He represtnted Gauhati in 1957 and 1962 and Mangaldoi in 1967. Hem Barua was known for his debating skills in the parliament. During his time as an MP, He made more than 800 speeches. He was a charismatic man who even had the audacity to question PM Nehru. The below speech was made by him in the Parliament which follows as–

## Assam is the Most Neglected Part of India

I am thankful to you for kindly allowing this discussion on the devastation caused by the floods in Assam and the measures Government have taken so far. True it is that Assam is one of the most neglected parts of India, although the strategic importance of the State is recognized. The problems of Assam are viewed with indifference, callousness and apathy by this Government. As a result, prices are spiraling up in the State. There is scarcity which haunts the State like a nightmare. On the top of the floods, earthquake has also occurred. To cap it all, the strike by railwaymen in Siliguri has dislocated traffic. All these things have affected the economy of the State by raising the prices and by creating a sort of artificial scarcity in the State.

When I said that Assam is one of the most neglected parts of India, I have reasons for it. When the Chinese aggressed on us, our Prime Minister at that time did only one thing: heroadcast a message of farewell to the people ofAssam. This has gone deep into the hearts of people there and they will never forget it. The people of Assam had expected from the Prime Minister Defence measures, not a farewell message broadcasted over A.I.R.

Floods are worse than foreign aggression.

They are a regular feature in Assam. Floods visit the State not once and twice but even thrice a year. The devastation caused is indescribable, Could not their intensity be reduced to a minimum by careful planning? They could have plugged the vulnerable points there which they have not done. There is technological development in the world and the gap between earth and moon has been narrowed down. But to say that we cannot apply technology to abate the intensity of floods in the State is entirely wrong.

I do not want to give a detailed account of devastation caused by floods in the State. But the fact remains that granaries and cattle have been washed away, paddy fields have been submerged and washed off, and embankments have been broken. According to the Minister himself, there were 14 breaches, and 12 cuts in embankments. Now what has happened? Some 3 million people have suffered because of these floods. As an aftermath of the floods, cholera has broken out in the Barpeta sub-division, which is represented by Shri F. A. Ahmed. 15 people have died there; there was one death in Sibsagar, total 16 dead. The immensity and fury of the floods was so much that the Army had to be called out in Sibsagar to cope with the situation. True, the Prime Minister gave Rs. 50,000 for flood relief there. But the amount is so horribly poor and infinitesimal that it is not even a drop in the ocean. It does not meet even a fraction of the massive problem. with which Assam is confronted today.

I know committees and commissions are appointed to make suggestions and recommendations for amelioration of the lot of the people. I say there is no dearth of plans. Plans and schemes are there galore and these committees and commissions have also made valuable recommendations, But what has happened to these recommendations? They are conveniently cold-storaged.

You have an investment in cash. At the same time, it should be supplemented by an investment in will. 'Will is lacking, the will to implement is absent. That is why I say Assam is treated in a very apathetic way, in a very indifferent way. I remember the hon. Minister, Dr. Rao, went to to the USA accompanied by an officer to study flood control measures taken by the USA in relation to the Mississippi. He has come back possibly enlightened, but he has not applied any of those measures so far as Assam is concerned.

Some foreign experts also visited Assam and studied the problem of floods there. Those foreLgn experts have also made certain recommendations and suggestion, but these recommendations and suggestions have not been put into practice. This is how year in and year out floods visit that unhappy State and year in and year out that State is neglected.

I remember that in 1954 on 5 September Prime Minister Nehru visited Assam and







made certain suggestion, but those suggestions and recommendations have been conveniently put in cold storage and nothing has been done up till now. I remember that he made a suggestion for a Brahmaputra Valley Commission, but that did not come into existence. For 15 years the suggestion of Prime Minister Nehru has been lying in the old files, and nothing has been done so far, Therefore, I say that there arc schemes and plants, but those schemes and plans are not implemented. Government has possibly understood the gravity of the problem and, therefore, I think, the Government has appointed a three-tier authority, and I think, Dr. Rao is going to speak about it.

The problem of floods in Assam is two-fold. One is erosion and the other is inundation. Erosion has caused havoc. After the floods recedes, there is the erosion of the river banks and people suffer because of this, I remember that from 1954 upto 1967 the Government spend Rs. 103 crores to combat this situation. That would come on an average to Rs. 7.7 crores a year The Revenue Minister of Assam has said recently that since 1950 up till now the state exchequer had to incur a loss of Rs. 150 crores, but nothing has been done up till now. The floods are there and they create havoc.

We talk of improving agriculture, but what about the impact of the floods on agricultural production? Ten percent of the agricultural land is being washed away by the floods. This is the position.

The National Flood Control Policy was announced in 1954. It visualized three major steps, immediate, short term and long tern measures. 'Where are the lon term measures taken? Nothing. Although the Brahmaputra and the Barak rivers of Assam cover only 27 percent of the land in that State, the havoc created by their tributaries like the Pagladia, Puthimari, Jiabharali, Nona, Dikrang, Longlai and Katakhal and other feeding streams is immense.

A high level Committee on floods was also appointed and it said that the annual per capita damage is the highest in Assam. You know that, yet what have you done? That is the question that arises in the minds of the people ofAssam because of this devastation. I do not want to give a description of the devastation because it is too well known to be recounted. This year, according to the admission of the Minister, you have to spend Rs. 8.6 crores to combat this situation. At the same time, 21 persons are dead. In 1962, when the floods came, 115 people died, do not forget that. Now then, as an aftermath of the floods, cholera has broken out and as I have already stated, 16 persons are dead because of this epidemic. I have already said that there are plans and programmes for improving the situation. Dredging is one of them. I remember a long time back one of Dr. Rao's predeccessors said in the House that the people of Assan'i should learn to live with floods; another said they should build houses

on stilts. There might be some originality in their suggestions. But these things do not help the people. Ministers have aerial survey of flood affected areas in helicopters or other aircraft and they make all sorts of promises to the people and unless they are translated into action, empty promises do not help.

Whatever that might be. I have doubts the three tier authority's efficacy. It was the Prime Minister of India who made a suggestion some 15 years ago on 5 September 1954. If his suggestions could be cold-storaged like this,m recommendations of this authority can also be cold-storaged. The Brahmaputra Commission was inaugurated in Gauhati and the State Ministers and Officials came down from Shillong to Gauhati for the inaugural ceremony. Two Ministers flew to Gauhati from Delhi. One Minister was enough; what is the purpose in asking another Minister to fly down to Gauhati. It is the people who have to bleed through their nose to pay the DA and TA of the Ministers. it may sound a minor thing and yet I should say : what business did two Ministers have there to fly down from Delhi to Gauhati at the expenses of the people? One Minister, Mr. Fakhruddin Al Ahmed had to attend a Congress meeting at Gauhati; he wanted to attend that meeting and therefore and official programme had to be arranged for him and therefore he flew down from Delhi to Gauhati. If they have to do party work, they can do so with their own money; they should not do party work using public resources. I do not understand this. It is a cruel joke.

There should be steady flow of the waters in the channels even during the monsoon. It is said that rainfall was not heavy in Assam; still the floods were the heaviest. It is true that the mouth of the Brahmaputra is in foreign countries. There is also a news item that China has built a certain nuclear device in Tibet and dynamited the catchments areas and so all that water has come down. It is called Tsangpo in Tibet. They have done it one order to drown India. Possibly because of that Assam is suffering from heavy floods, as also East Pakistan...

Unfortunately there is only one meterological office in Shillong; it functions there even during the monsoon and there is no warning to the people in the monsoon or floods affected areas.

The Chinese blasted the catchments areas in Tibet. The meteorological department has supplied the data; this year the floods have been heavier inspire of the fact that rainfall was not heavy, Whenever there are floods in Puthimari or Pagladia or J iabharali or Brahmaputra. embankments are raised. I remember in 1954 it was the Ayyangar Committee that suggested the construction of embanktnents all along the Brahmaputra. But now the whole world has dismissed the idea of embankments. After the earthquake of 1950, the bed of the rivers in Assam has risen. At Dibrugarh, the bed of the river Brahmaputra has risen by 10 feet and in





other places it has risen by 18 feet. 'Whenever the beds of rivers rise, embankments are built. What about the embankment? The whole world has dismissed the idea of embankments These embankments are the sources of corruption and trouble in the area in the sense that they bring money into the pockets of those who build the embankments; whether they are the contractors or the PWD men, it does not matter. It brings money into the pockets of the men who have the responsibility for building the embankments. (Interruption) In this country almost every body is corrupt and the country has degenerated into the catacombs of corruption. That is the trouble.

Then what about the catchment area? It is said that the Brahmaputra is located in the valley ofAssam and that the source and mouth of the river are in foreign countries. But I remember that on the floor of this House the Minister gave us an assurance that he is going to build retention dams in Assam, What about the retention dams? Not a single retention dam has been created up till flow, and where as there are several multi-purpose projects, they are in the rest of India, there is not a single multi-purpose project in Assam. Do not forget that. There is nothing of the sort in Assam. The rivers in Assam are not being harnessed. The Brahmaputra alone, according to official figures, is capable of producing 36 million kilowatts pf electricity. Have you ever harnessed this power? You do not propose to do it. You have not harnessed the power resources. There are other rivers that can produce power like the Kapili valley project. What has happened to the Kapili project? God alone knows. There is a warning on the wall in Assam. The Government must not forget it.

I am sorry to say that what is happening has been forgotten. At the same time, as I have already said, Assarn is a very neglected part of India. Although it is said that it is part of India, yet Assam is the most neglected part of India.

I would say that the Government should adopt measures to see that the floods are controlled in Assam. To say that it is difficult to control the floods is meaning less; it is erroneous, Of course I know floods cannot be eliminated lock, stock and barrel. But the intensity of the floods can be reduced to the minimum by careful planning; you can plug the loopholes at vulnerable points, and it is for the experts to point out where the vulnerable points lie. ❑

***Source :***

*The fearleass Democrat : Hem Barua*

*Compiled & Edited by*

*Kumar Deepak Das*

# অপূৰ্ণতাৰ দস্তাবেজ

✍ ৰাজদ্বীপ বৰদলৈ
২য় ষাণ্মাসিক

ইচ্ছা নাছিল তাৰ মাকজনীক এৰি থকাৰ, তথাপিও টকাৰ তাগিদাতেই সি এনেকৈ থাকিবলগীয়া হৈছে। এসময়ৰ মেধাৱী ছাত্ৰ ৰূপম, ডিগ্ৰীৰ ওপৰত ডিগ্ৰী থকা স্বত্বেও এতিয়া সেই মাৰ্কশ্বিটবোৰ ফাইলৰ মাজতেই আবদ্ধ। মেধা থাকিলেও টকাৰ অভাৱত উপযুক্ত চাকৰি এটা নাপালে। সাধাৰণভাৱে ব্যক্তিগত কোচিং চেণ্টাৰ এটাত কাম কৰি আছে। মাহটোৰ শেষত পোৱা টকাকেইটাৰে ঘৰ ভাৰা আৰু প্ৰয়োজনীয় সামগ্ৰী কিনাৰ পাছত ৰুগীয়া মাকজনীলৈ পঠিয়াবলৈ তাৰ হাতত টকা প্ৰায় নাথাকেই। সাঁচতীয়া বুলিবলৈকো একো নাই। গাঁৱত খেতি-মাটি দুবিঘামান থাকিলেও সি খেতি কৰিব নোৱাৰে হয়তো খেতিয়ক বুলি নিজকে পৰিচয় দিয়াতকৈ শিক্ষিত নিৰনুৱা হৈ থকাটোৱে প্ৰাধান্য দিছে। বহুক্ষেত্ৰত এতিয়াও আমাৰ সমাজখনে সফলতাৰ সংজ্ঞা চৰকাৰী চাকৰিৰে দিব বিচাৰে। মুঠতে জীৱনৰ এই সাফল্যৰ তুলাচনীত ৰূপমে এফালে আত্মসন্মানক ৰাখিছে আৰু আনটো ফালে সমস্ত আশা-আকাংক্ষা আৰু পৰিশ্ৰমিক তুলি দিছে।

অতবোৰ কথাকে মনতে পাগুলি ৰূপমে শেষ ৰাতিকণ পাৰ কৰিলে। গতানুগতিক জীৱনটোত সি ব্যতিব্যস্ত হৈ পৰিছে। খৰধৰকৈ দিনটোলৈ ওলাই গৈছিলহে মাথোঁ, তেনেতে গাঁৱৰে দদায়েক এজনে ফোন কৰি তাক খবৰ দিলে যে তাৰ মাক আৰু নাই। হঠাৎ এনেকৈ মাকে তাক এৰি যাব বুলি কাহানিও সি ভবা নাছিল। খবৰটো পোৱাত যেন তাৰ মূৰৰ ওপৰত আকাশী সৰগহে ভাগি পৰিল। গাঁৱলৈ গৈ কোনোমতে মাকৰ শেষকৃত্য সমাপন কৰি নীতি-নিয়মবোৰ কৰি আটাই পুনৰ গুৱাহাটীলৈ উভতিল। দিনবোৰ একো নতুনত্ব নোহোৱাকৈ পাৰ হৈ গৈছিল। মাক নোহোৱা হোৱাৰ পৰা সি বৰকৈ অকলশৰীয়া অনুভৱ কৰিবলৈ লৈছিল। বুকুৰ কোনোবাখিনিত একেবাৰে ভিতৰলৈ কেতিয়াবা চেঁচা পৰি গৈছিল। এটা নতুন চিন্তাই উক দিছিল তাৰ মনত। মাজে মাজে ভাবিছিল বিয়াখন পাতিব পাৰিলে অন্ততঃ অকলশৰীয়া ভাবটো দূৰ হ'ব। সংগী এজনী পাব। কথাটো ভাবিলেই তাৰ মনটো পোহৰ হৈ উঠিছিল আৰু পিছ মুহূৰ্ততেই তাৰ বাস্তৱ অৱস্থাটোলৈ মনত পৰিছিল। বিয়া পাতিবলৈ হ'লে ছোৱালী লাগিব আৰু তাৰ এনে দেউলীয়া অৱস্থাটো চাই কোনো দেউতাকে তাঁলৈ ছোৱালী নিদিয়ে। কথাটো ভাবিয়েই মনটো সেমেকি গ'ল ৰূপমৰ। তথাপি কোনোবা দৈৱীপাকত ছোৱালী পালেও যে টকাৰ অভাৱত বিয়াখন পাতিব নোৱাৰিব সেইটো নিশ্চিত। গতিকে কথাবোৰ মনতে দমাই তাৰ সপোনটো সপোন হিচাপেই থাকিবলৈ দি বিছনাখনতে বাগৰি ফেচবুকটো উলিয়াই ল'লে। এটা নিৰ্দিষ্ট নাম বিচাৰিবলৈ ধৰিলে। বহুদিনৰ মূৰত তাইলৈ মনত পৰিছে আজি ৰূপমৰ। প্ৰফাইলটো উলিয়াই প্ৰথমে ফটোখনত চকু দিয়াৰ লগে লগে সি দেখিলে তাইৰ শিৰত দগমগাই থকা সেন্দুৰীয়া আলিবাটটো। হয়তো সেই বাটটোৰেই তাই তাইৰ সপোনৰ ৰাজকুমাৰজনৰ সৈতে আগুৱাই গৈছে জীৱনৰ অন্য এটি পৃষ্ঠালৈ। যিটো পৃষ্ঠা হয়তো দেখাৰ সৌভাগ্য ৰূপমৰ আৰু নহ'ব। আকৌ এবাৰ বিমৰ্ষতাৰে ভৰি পৰিল তাৰ মনটো।

মোবাইলটো বিছনাতে দলিয়াই দি সি চকু দুটা মুদি দিলে আৰু এটা সপোনৰ গহ্বৰলৈ সোমাই গ'ল...

বুঢ়া লুইতৰ বালিচৰ। আবেলিৰ অস্তমিত সূৰ্যৰ হেঙুল ৰং গোটেই আকাশখনতে সিঁচৰিত হৈ গ'ল। কিছু দূৰৈত এটা সৰু ল'ৰাই তাৰ মাকৰ হাতত ধৰি দেও দি ফুৰিছে। এটা কোমল নিষ্পাপ মন লৈ বালিৰ সৈতে খেলি আছে। ৰূপম কিছু দূৰ আগুৱাই গৈ ল'ৰাটোলৈ চালে... এয়া কিঙ্ক এয়া চোন তাৰেই ল'ৰালিৰ এটি প্ৰতিবিম্ব, সি পাহৰি যোৱা তাৰ হাঁহি আৰু ৰঙীন মনটো।

ৰূপমে চাই ৰ'ল নিজকে... কোনোবা অজানা অচিনাকি মানুহৰ দৰে। ❑

## মহৎ লোকৰ বাণী

❖ সৰ্ব সাধাৰণৰ মঙ্গলেই শিক্ষাৰ মুখ্য উদ্দেশ্য হোৱা উচিত। প্ৰত্যেকেই নৈতিক উন্নতি কৰিব পৰা শিক্ষা লাভ কৰক। শিক্ষা সমাজৰ আদিমূল। ই মানুহক চিন্তা, জ্ঞান আৰু কৰ্ম নিপুণ কৰাত সহায় কৰে। শিক্ষা হৈছে সঞ্জীৱনী অমৃত সদৃশ, নিৰক্ষৰতাই জীৱনৰ কাইটীয়া বাট'

— ড° জাকিৰ হুচেইন।

❖ 'পিয়ো পিয়ো অমিয়া মাধুৰী হৰি ৰাম ৰাম ৰাম। দূৰতে তেজিয়ো থৈয়ো আন যত মনকাম ৰাম ৰাম।'

— মহাপুৰুষ মাধৱদেৱ।

(সংগ্ৰাহক ঃ হৰজ্যোতি দাস
প্ৰথম ষাণ্মাসিক)

# BALLOT IS POWERFUL THAN BULLET

✍ Himangshu Lahkar
B.A. Third Semester

Students politics is essential to promote the democratic culture in students. It is also important to raise awareness about democracy actually functions in India. While some may claim that it is disturbing in a way and shows the worst of politics which would in turn put people's minds of voting as a whole, I think it is more on the enlighting side. It tells the students that in the current scenario on the other hand, it also gives a students a platform– a means of getting into politics, being the servents of society. Politics is both a study and a skill as to how proper is excersied, by whom, through the administration of of public power to manage people's affairs. Students politics has become an integral part of colleges and other higher educational institutions.

The introduction of politics in educational institutions has not only about leadership values, socialising abilities and healthy student voice but also better shaping of younger minds for voting in future. As Aristotle said, 'Man is by nature a political Animal' young people today are more informed and civic minded than before. Student organisations provide oppurtunities for various opinions and political interests on campus. Students now adays are better informed about the day to day politics and current affairs. Participaition in various conferences and forums have increased today with the involvement of politics in students groups. Politics is wrought with chaos. When students feel that their rights are being interfered they came up with revolts. There are riots, choos, people's being intured due to the primary reason for unrest and indiscipline in institutions. Students choose or sometimes are forced to choose a political side of the students groups, the fight for authority and unfair means.

Its true that politics is a major cause for the unrest and indiscipline in educational institutions. Students get biased and sidelined by politicians. Students hence, should shun away from political choos and devote their time to education and career. Even a good political leader should have good knowledge. Mere rioting on rallies or on devotes won't help in establishing a better country without knowledge. ❑





# Electronic-Waste

✍ Kaustav Deka
6th Semester

Electronic waste (e-waste) is loosely refers to any white goods, consumer and business electronics, and information technology hardware that is in the end of its useful life. Used electronics which are distined for refurbishment, reuse, resale, recycling through material recovery or disposals are also considered e-waste. Informal processing of e-waste in developing countries can lead to adverse human health effects and environmental pollution. The rapid expansion of technology and the consumption driven society results in the creation of a very large amount of e-waste in every minute.

E-waste has created many problems all over the world. E-waste has raised concern because many components in these products are toxic and do not biodegrade easily if at all. Based on these concerns, many countries banned e-waste from landfills electronic equipments contain many hazardous metallic contaminats such as lead, cadmium, beryllium and brominated flame-retardants. These all metals resulting in a variety of health hazard due to environmental contamination. Lead enters biological systems via food, water, air and soil. Longterm exposure to these substances damages the nervous systems, kidney, bones, reproductive and endocrine systems. On the otherhand when e-waste is warmed up toxic chemicals are released into the air damaging the atmosphere. The damage to the atmosphere is one of the biggest environmental impacts from e-waste. When electronic waste is thrown away in landfills their toxic materials seep into groundwater, affecting both land and sea animals.

According to the global e-waste monitor 2017, India generates about 2 million tonnus of e-waste annually and rank fifth among e-waste producing

countries, after US, China, Japan and Germany. Seelampur in Delhi is the largest e-waste dismantling centre of India. In India over 95 % of the e-waste is treated and processed in the majority of urban slums, where untrained workers carry out the dangerous procedures without personal protective equipments. The ministry of environmental forest and climate change rolled out the e-waste (management) Rules in 2016 to reduce e-waste production and increasing recycling. The e-waste Management Rules. 2016 were amended by the Government in March 2018 to facilitate and effectively implement the environmentally sound management of e-waste in India.

E-waste management is a great challenge for governments of many devloping countries such as India. This is becoming a huge public health issue and is exponentially increasing the day. Many developed countries have developed scientific techniques and equipments to reduce and recycling the e-waste products. Japan is a good example of successful e-waste management country. Japan recycled neaely 80,000 tonnes of cell-phones and other electronics to make the medals for the 2020 Tokyo Olympics (Postponed to 2021 due to the covid-19 pandemic). ❑





# উপহাৰ

✍ হৃষিকেশ কলিতা
প্ৰথম ষাণ্মাসিক

প্ৰাচীন কালৰে পৰা উপহাৰৰ প্ৰাসংগিকতা ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বুকুত বাৰুকৈয়ে অনুভৱ কৰা হৈছে। বাণভট্টই ‘হৰ্যচৰিত’ পুথিত উল্লেখ কৰা অনুযায়ী ৰজা ভাস্কৰবৰ্মাই ‘হংসবেগ’ নামে দূত এজনৰ হতুৱাই মহাৰাজ হৰ্য বৰ্ধনলৈ বুলি, তেওঁলোকৰ বন্ধুত্ব আৰু অধিক গাঢ় কৰি তোলাৰ মানসেৰে বিবিধ মূল্যৱান সামগ্ৰী উপহাৰ স্বৰূপে প্ৰদান কৰিছিল। অৰ্থাৎ সু-সম্পৰ্ক এটি বৰ্তাই ৰখাৰ ক্ষেত্ৰত উপহাৰে ইতিহাসৰ আদিম পাতৰ পৰাই ভূমিকা পালন কৰি আহিছে।

আজিৰ সময়তো সেই তাহানিৰ লেখিয়াকৈ উপহাৰৰ প্ৰাসংগিকতা তথা গৰিমা অটুট থকা আমাৰ দৃষ্টিৰে স্পৰ্শ হয়। বৰং ইয়াৰ পয়োভৰ কালৰ গতিৰে বৰ্তমানত আৰু অধিক বৃদ্ধি পোৱাহে দেখিবলৈ পোৱা যায়। যদিও উপহাৰ প্ৰদানৰ এই প্ৰক্ৰিয়া প্ৰাচীন কালৰে পৰা চলি আহিছে, আজিৰ উপহাৰৰ প্ৰকাৰ আৰু তেতিয়াৰ উপহাৰৰ প্ৰকাৰৰ মাজত ভালেমান পাৰ্থক্য লক্ষ্য কৰা যায়। ইয়াৰোপৰি এই উপহাৰ প্ৰদানৰ প্ৰক্ৰিয়া আমাৰ সমাজ জীৱনৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত।

সি যি কি নহওক, বৰ্তমানৰ আধুনিক সমাজৰ জনজীৱনৰ সৈতেও উপহাৰ যথেষ্ট পৰিমাণে প্ৰাসংগিক বুলি আগতেই উল্লেখিত কৰা হৈছে। কিন্তু কালৰ বৰ্তমানত আধুনিকতাৰ আৱৰণে ঢকা এই নবীন সামাজিক বাতাৱৰণত উপহাৰ প্ৰদানৰ এই প্ৰক্ৰিয়াও হৈ পৰিছে সম্পূৰ্ণৰূপে আৱেগ শূন্য তথা যান্ত্ৰিক। মৰমৰ সফুৰা বুটলি সজোৱা উপহাৰটিক আৱৰি দিয়া হৈছে যান্ত্ৰিকতা আৰু অত্যাধুনিকতাৰ ৰঙীন কাগজেৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত উপহাৰৰ প্ৰকাৰসমূহো হৈ পৰিছে এই যান্ত্ৰিক তথা অত্যাধুনিক সমাজৰ দ্বাৰা নিৰ্ধাৰিত কিছুমান নিৰ্দিষ্ট। প্ৰেমিক এজনে নিজ প্ৰেয়সীলৈ বুলি উপহাৰস্বৰূপে দিব নোৱাৰে দুযাৰি মৰমেৰে লিখা কবিতাৰ পংক্তি, বন্ধুজনে নিজৰ প্ৰিয় বন্ধুক উপহাৰ হিচাপে দিব নোৱাৰে এখন কিতাপ, এয়া অত্যাধুনিকতা আৰু যান্ত্ৰিকতাৰ দৃষ্টিত Below Standard। এই সমাজৰ উপহাৰবোৰ আৱদ্ধ Cadbury Celebration, Smart Phone আদিৰ দৰে কিছুমান সস্তীয়া ভাৱৰ সামগ্ৰীৰ মাজত আৰু আৱেগবোৰ আৱদ্ধ মোবাইলৰ ৩২ এমপি, ৪৮ এমপি কেমেৰাৰ লেন্সৰ মাজত।

ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে উক্তোল্লেখি এনেবোৰ সস্তীয়া আৰু যান্ত্ৰিক মানসিকতাবোৰ ত্যাগ কৰি মৰমৰ টুকুৰাৰে উপহাৰ এটি সজাই উপহাৰৰ পৱিত্ৰতা আৰু সৌন্দৰ্য আৰু অধিক বৃদ্ধি কৰি ভৱিষ্যৎ প্ৰজন্মৰ দুহাতত এই উপহাৰৰ সংস্কৃতি সুকলমে তুলি দিয়াই শ্ৰেয়। ❑

# বিপ্লৱৰ মাজেৰে হেৰাই যোৱা এটি জীৱন চৰিত্ৰ 'নেতাজী সুভাষ চন্দ্ৰ বসু'

অৰ্জুন আচাৰ্য্য
পঞ্চম যাণ্মাসিক

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চিৰস্মৰণীয় কিংবদন্তী নেতা, যি জন নেতাই আইচিএছ (Indian Civil Service) পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈয়ো স্বাধীনচেতিয়া মন লৈ বিদেশী চৰকাৰৰ অধীনত চাকৰী কৰিবলৈ অমান্তি হোৱা ভাৰত মাতাৰ এজন সুযোগ্য সন্তান 'নেতাজী সুভাষ চন্দ্ৰ বসু'।

১৮৯৭ চনৰ জানুৱাৰী মাহৰ ২৩ তাৰিখে উৰিষ্যাৰ কটকত সুভাষ চন্দ্ৰ বসুৰ জন্ম হয়। সেই সময়ত উৰিষ্যা এখন সুকীয়া ৰাষ্ট্ৰ নাছিল। বেংগল, বিহাৰ আৰু উৰিষ্যা একেলগে বেংগল প্ৰভিন্সৰ শাসনাধীন আছিল। জনসংখ্যা আছিল অতি তাকৰ। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে চহৰখনৰ পৰিসৰ যিদৰে বৃদ্ধি পাবলৈ ধৰিলে ঠিক সেইদৰে বৃদ্ধি পালে চহৰখনৰ জনসাধাৰণ, ব্যৱসায়, বাণিজ্য আৰু কাম-কাজ। সুভাষৰ পিতৃ জানকী নাথৰো সেই সময়ত জনপ্ৰিয়তা আৰু আয় দোপতদোপে বৃদ্ধি পাবলৈ ধৰে। কিন্তু তেওঁৰ উপাৰ্জনৰ এটা বৃহৎ অংশ দুখীয়া-নিচলাৰ কল্যাণৰ বাবে মুক্ত হস্তে দান কৰিছিল। তেওঁ বহু দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ সমুদায় খৰচ বহন কৰিছিল। সেইবাবে হয়তো সুভাষে উদাৰ দানশীলতা আৰু বিশ্ব ভাতৃত্বৰ শিক্ষা পিতৃৰ পৰাই আহৰণ কৰিছিল। সৰুৰে পৰা স্বদেশৰ প্ৰতি সুভাষ চন্দ্ৰ বসুৰ আছিল অগাধ প্ৰেম; সেয়েহে অতি কম বয়সতে সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰে। মাত্ৰ ২৩ বছৰ বয়সত গান্ধীৰ সৈতে অসহযোগ আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে। কম দিনৰ ভিতৰতে জাতীয় কংগ্ৰেছৰ এজন একনিষ্ঠ কৰ্মী হিচাপে খ্যাতি অৰ্জন কৰি সুভাষ চন্দ্ৰ বসু সৰ্বভাৰতীয় ৰাজনীতিত এজন লেখত ল'বলগীয়া ব্যক্তি হৈ পৰিছিল। কিন্তু মহাত্মা গান্ধীৰ নৰম পন্থী ভাৱধাৰাই কংগ্ৰেছৰ বহু নেতাৰ লগতে সুভাষ চন্দ্ৰ বসুৱেও গান্ধী আদৰ্শৰ পৰা আঁতৰি আহিব ধৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদী শক্তিৰ কঠোৰ দমন নীতি আৰু আনফালে ভাৰতীয় জাতীয় কংগ্ৰেছৰ কেৱল স্বাধীনতাৰ বাবে আবেদন-নিবেদন কাৰ্যই এচাম জাতীয় ভাৱাপন্ন দেশপ্ৰেমীয়ে সশস্ত্ৰ বিপ্লৱেৰে ভাৰতৰ স্বাধীনতাৰ সপোন দেখিছিল। পৰৱৰ্তী সময়ত স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰৰূপে চিহ্নিত কৰাৰ দুৰ্জয় আশাৰে যিসকল সশস্ত্ৰ বীৰে শেষত হাতত অস্ত্ৰ তুলি লৈছিল সেই সকল বিপ্লৱীৰ ভিতৰত বীৰ সুভাষ চন্দ্ৰ বসু আছিল অন্যতম। যি সময়ত অহিংস নীতিৰ পূজাৰী মহাত্মা গান্ধীয়ে অহিংসা নীতিৰে ভাৰতৰ স্বাধীনতা সংগ্ৰাম পৰিচালনা কৰিছিল, সেই সময়ত সুভাষ চন্দ্ৰ বসুৱে সশস্ত্ৰ সংগ্ৰামেৰে দেশ স্বাধীন কৰাৰ সপোন দেখিছিল। তেওঁ ভাবিছিল অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত জাতি এটাৰ পৰা দীৰ্ঘকাল ধৰি পৰাধীনতাৰ শিকলিৰে বান্ধ খাই থকা ভাৰতবাসীক শিকলি মুক্ত কৰাৰ বাবে তথা ভাৰতক স্বাধীন কৰাৰ বাবে অস্ত্ৰ-শস্ত্ৰৰেই যুঁজিব লাগিব। এনে আদৰ্শগত সংঘাতে সুভাষ চন্দ্ৰ বসু আৰু গান্ধীৰ মাজত বৃহৎ ব্যৱধান আনিছিল যদিও গান্ধীজীৰ প্ৰতি তেওঁৰ অপৰিসীম শ্ৰদ্ধা আছিল। মহাত্মা গান্ধী আৰু সুভাষ চন্দ্ৰ বসুৰ এনে মতবিৰোধ চলি থকা সময়ত ১৯৩৯ চনৰ ত্ৰিপুৰাত কংগ্ৰেছ অধিৱেশনত গান্ধীজীৰ মনোনীত প্ৰাৰ্থী পট্টাভি সীতাৰামায়াক পৰাস্ত কৰি সুভাষ চন্দ্ৰ বসু কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচিত হয় আৰু এক সৰ্বভাৰতীয় পৰ্যায়ত অপৰিহাৰ্য ব্যক্তি হিচাপে চিহ্নিত হয়। পৰৱৰ্তী সময়ত কংগ্ৰেছৰ বিভিন্ন নেতাৰ নীতি আৰু আদৰ্শৰ সৈতে কাম কৰি যোৱাটো তেওঁৰ কাৰণে অসম্ভৱ হৈ পৰিছিল বাবে সভাপতিৰ পদৰ পৰা পদত্যাগ কৰে। কিন্তু কংগ্ৰেছৰ সদস্য পদৰ পৰা পদত্যাগ নকৰিলে। তেওঁ উপলব্ধি কৰিলে যে কংগ্ৰেছৰ মাজত থাকিয়ে স্বাধীনতা সংগ্ৰামৰ নতুন ৰণ-কৌশল ৰচনা কৰিব লাগিব। ১৯৩৯ চনত জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰে, লগে লগে দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হয়। দ্বিতীয় বিশ্বযুদ্ধ দুটা শক্তিৰ মাজত সংঘটিত হৈছিল— মিত্ৰশক্তি আৰু চক্ৰশক্তি। মিত্ৰ শক্তিৰ দেশবোৰ আছিল ব্ৰিটেইন, ছোভিয়েট ৰাছিয়া, আমেৰিকা, ফ্ৰান্স আদি আৰু চক্ৰশক্তিৰ দেশবোৰ আছিলে জাৰ্মানী, ইটালী আৰু জাপান। সুভাষ চন্দ্ৰ বসুৱে সেই সময়ৰ কথা গভীৰভাৱে অনুধাৱন কৰিছিল যে ইংৰাজ চৰকাৰৰ পৰা ভাৰতক সম্পূৰ্ণৰূপে স্বাধীন কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰাৰ এটি সোণালী সুযোগ। ভাৰত স্বাধীন কৰিবলৈ হ'লে ব্ৰিটিছ বিৰোধী শক্তিৰ সৈতে লগ লাগি সশস্ত্ৰ বিপ্লৱ কৰাটোহে সমুচিত হ'ব। সেয়েহে নেতাজী সুভাষ চন্দ্ৰ বসুৱে যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে দেশৰ কৃষক, শ্ৰমিক আৰু যুৱ সম্প্ৰদায়ক ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ আহ্বান জনাইছিল। ইয়াৰ ফলত ব্ৰিটিছ বিৰোধী, বিপ্লৱী নেতা সুভাষ চন্দ্ৰ বসুক ইংৰাজ চৰকাৰে ১৯৪০ চনৰ ২ জুলাই তাৰিখে কাৰাৰুদ্ধ কৰিছিল। ইংৰাজ চৰকাৰৰ বাবে সুভাষ চন্দ্ৰ বসু হৈ পৰিছিল চকুৰ কুটা দাঁতৰ শাল। তেওঁলোকৰ বাবে নেতাজী সুভাষ চন্দ্ৰ বসু হৈ পৰিছিল সেই সময়ত প্ৰধান শত্ৰু। সেইবাবে মনে সজা অভিযোগ আনি তেওঁক জেইলত আবদ্ধ কৰিছিল। কিন্তু নেতাজীয়ে তেওঁৰ বিৰুদ্ধে কৰা অন্যায়ৰ প্ৰতিবাদত আমৰণ অনশনত বহিল বাবে কেইদিনমান পাছত তেওঁৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিবলৈ ধৰিছিল। সেইবাবে চৰকাৰৰ ভয় হ'বলৈ ধৰিলে আৰু অনুভৱ কৰিছিল যদি নেতাজীৰ জেইলৰ ভিতৰত মৃত্যু হয় তেতিয়া সমগ্ৰ ভাৰতবৰ্ষতে গঢ়ি উঠা হিংসাৰ দাবানল চৰকাৰৰ বাবে চম্ভালাটো সম্ভৱপৰ নহ'ব। গতিকে ১৯৪০ চনৰ ৫ ডিচেম্বৰ তাৰিখে তেওঁক জেইলৰ পৰা মুক্ত কৰি দিলে আৰু নিজৰ বাসভৱনতে গৃহবন্দী কৰি ৰাখিলে। পাছলৈ ইংৰাজ চৰকাৰৰ সকলো আঁচনি ব্যৰ্থ কৰি সকলোৰে চকুত তবধ লগাই বন্দী অৱস্থাতে ১৯৪১চনৰ জানুৱাৰী মাহত মৌলবী জিয়াউদ্দিন নাম লৈ ছদ্মবেশেৰে নেতাজীয়ে নিজ ঘৰৰ পৰা অন্তৰ্ধান হৈ আফগান সীমান্তত উপস্থিত হয়গৈ। ভাৰত ত্যাগ কৰাৰ পাছত বিভিন্ন ঘাত-প্ৰতিঘাত আৰু বিপদ সংকুল যাত্ৰাই তেওঁক ভাৰাক্ৰান্ত কৰি তুলিছিল। ইতিমধ্যে জাৰ্মানীয়ে ছোভিয়েট ৰাছিয়া আক্ৰমণ কৰে ১৯৪১ চনৰ ২২ জানুৱাৰী তাৰিখে। জাৰ্মানীৰ লৌহ পুৰুষ এডলফ হিটলাৰ আছিল ইংৰাজৰ পৰম শত্ৰু। তেওঁ সুভাষ চন্দ্ৰ বসুক সাদৰেৰে গ্ৰহণ কৰিছিল আৰু ভাৰতবৰ্ষক ব্ৰিটিছৰ শাসনমুক্ত কৰাত সৰ্বতোপ্ৰকাৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। সেয়েহে নেতাজীয়ে পৰিকল্পনা কৰিলে যে জাৰ্মান সেনানীৰ সহযোগিতাত মধ্য ইউৰোপত বাস কৰি থকা ভাৰতীয়সকলৰ লগতে জাৰ্মানীত বন্দী হৈ থকা ভাৰতীয় সৈনিকসকলৰ লগত ভাৰত স্বাধীনতাৰ সংকল্পৰে দেশমাতৃক বিদেশীমুক্ত কৰিব। ১৯৪২ চনত দক্ষিণ-পূব এছিয়াত এটি সেনা বাহিনী গঠিত হৈছিল। ৰাসবিহাৰী বসুৰ তৎপৰতাত ১৯৪২ চনৰ ২৮-২৯ মাৰ্চত ট'কিঅ'ত এটি সন্মিলন অনুষ্ঠিত হৈছিল। আৰু এই সন্মিলনত ইণ্ডিয়ান

ইণ্ডিপেণ্ডেন্স লিগ গঠনৰ সিদ্ধান্ত লয়। এই সন্মিলনতে ৰামবিহাৰী বসুৱে এটি সেনা বাহিনীৰ দল গঠনৰো প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯৪২ চনৰ ২২ জুন পুনৰবাৰ লীগৰ দ্বিতীয় সন্মিলন অনুষ্ঠিত কৰিছিল আৰু ৰামবিহাৰী বসুৱে সভাপতিত্ব কৰিছিল। এই সভাতে আজাদহিন্দ ফৌজ (Indian National Army) নামেৰে সেনা বাহিনী দল এটা গঠনৰ সিদ্ধান্তটো গৃহীত হয়। ঐক্য, আত্মবিশ্বাস আৰু আত্মোৎসৰ্গ এই তিনিটা আদৰ্শৰ ভিত্তিতে গঠিত হৈছিল আজাদ হিন্দ ফৌজ। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল সশস্ত্ৰ সংগ্ৰামেৰে ভাৰতৰ মাটিৰ পৰা ব্ৰিটিছ শাসন উচ্ছেদ কৰা। এনেদৰে পৰৱৰ্তী সময়ত নেতাজী সুভাষ চন্দ্ৰ বসুক আজাদ হিন্দ ফৌজৰ সৰ্বাধিনায়ক হিচাপে ঘোষণা কৰা হয় আৰু ব্ৰহ্মদেশ, ইম্ফল আৰু কোহিমা আদিত জাপানী সেনাবাহিনীৰ সহযোগিতাত ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধাভিজান চলায়। বহু কষ্ট আৰু ক্ষিপ্ৰতাৰে ইংৰাজৰ হাতৰ পৰা ভাৰত ভূ-খণ্ড দখল কৰিবলৈ ধৰিছিল। এনে সময়ছোৱাতে দ্বিতীয় বিশ্বযুদ্ধৰ গতিপথ সলনি হ'বলৈ ধৰিলে। জাপানী সৈন্যই মিত্ৰশক্তিৰ ওচৰত পৰাজিত হৈ আত্মপক্ষ ৰক্ষাত ব্যস্ত হৈ পৰিল। এনে সময়ছোৱাত ফৌজৰ অস্ত্ৰ-শস্ত্ৰ আৰু ৰচদ-পাতিৰ সমস্যাই দেখা দিলে। এনেদৰে ১৯৪৫ চনৰ ছেপ্টেম্বৰ মাহত জাপানে মিত্ৰশক্তিৰ ওচৰত আত্মসমৰ্পণ কৰে। ক্ৰমাৎ আজাদ হিন্দ ফৌজৰ শক্তি হ্ৰাস পাই আহে আৰু শেষত ফৌজৰ পতন ঘটে। আজাদ হিন্দ ফৌজৰ ভাৰত স্বাধীন কৰিবলৈ চলোৱা ঐকান্তিক আৰু প্ৰাণান্তক প্ৰচেষ্টা ব্যৰ্থ হোৱাৰ কেইবাটাও কাৰণ আছে। প্ৰথম ইংৰাজৰ দৰে দুৰ্জেয় সৈন্যবাহিনী এটাৰ সৈতে মোকাবিলা কৰিব পৰাকৈ আজাদ হিন্দ ফৌজৰ সৈনিকসকলক উপযুক্তভাৱে প্ৰশিক্ষণ দিয়া হোৱা নাছিল। দ্বিতীয়তে ইংৰাজ সৈন্য বাহিনীৰ ভাৰতীয় সৈন্যসকলে আজাদ হিন্দ ফৌজৰ সমৰ্থনত কোনোধৰণৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা নাছিল। কিন্তু সুভাষ চন্দ্ৰ বসুৱে ইংৰাজ সৈন্য বাহিনীত থকা ভাৰতীয় সৈনিকসকলে আজাদ হিন্দ ফৌজৰ সৈনিকসকলৰ লগত সহযোগ কৰিব বুলি দৃঢ় বিশ্বাসী আছিল। তৃতীয়তে ফৌজে ইংৰাজৰ বিৰুদ্ধে কৰা যুদ্ধৰ প্ৰতি ভাৰতীয় জাতীয় কংগ্ৰেছে সম্পূৰ্ণভাৱে উদাসীন আছিল।

এইদৰে মহান বিপ্লৱী নেতা গৰাকীয়ে ভাৰতবৰ্ষক স্বাধীন কৰাৰ বাবে সংগ্ৰাম কৰি থাকোতে হঠাৎ এদিন তেওঁৰ বিমান দুৰ্ঘটনাত মৃত্যু হোৱাৰ বাতৰি সমগ্ৰ ভাৰততে বিয়পি পৰে। কিন্তু ভাৰতীয়সকলে সুভাষ চন্দ্ৰ বসুৰ বিমান দুৰ্ঘটনাত মৃত্যু হোৱা বাতৰি মানি লোৱাৰ বাবে কোনোপধ্যেই প্ৰস্তুত নাছিল। ভাৰতত নানাধৰণৰ উৰা বাতৰি প্ৰচাৰ হ'বলৈ ধৰে যে তেওঁ ছদ্মবেশত জীয়াই আছে। ভাৰতীয়সকলৰ হেঁচাত সেও মানি ভাৰত চৰকাৰে ১৯৭০ চনত বিচাৰপতি জি ভি খোছলাৰ নেতৃত্বত সুভাষৰ আচলতে বিমান দুৰ্ঘটনাত মৃত্যু হৈছিলনে নাই সেই কথা অনুসন্ধানৰ বাবে এখন কমিটী গঠন কৰিছিল। কমিটীখনে ১৯৭৪ চনত প্ৰতিবেদন দাখিল কৰিছিল যে সুভাষ চন্দ্ৰ বসুৰ বিমান দুৰ্ঘটনাত মৃত্যু হৈছে। প্ৰকৃততে তেওঁৰ মৃত্যু বিমান দুৰ্ঘটনাত হৈছিলনে নাই সেয়া এতিয়াও ৰহস্যৰ আঁৰত। ☐





# ভোলাগুৰি, জয়মতী আৰু জ্যোতিপ্ৰসাদ

✍ লভিতা কুমাৰ
দ্বিতীয় ষাণ্মাসিক

ঐতিহ্যপূৰ্ণ ভোলাগুৰি চাহ বাগিচা। ঐতিহ্যপূৰ্ণ বুলি এই কাৰণেই কোৱা হৈছে যে এই ভোলাগুৰি চাহ বাগিচাতে সৃষ্টি হৈছিল প্ৰথম অসমীয়া কথাছবি 'জয়মতী'। ডিব্ৰুগড়ৰ তামোলবাৰীৰ চাহ বাগিচাৰ পাছতেই ভোলাগুৰি চাহ বাগিচাখন গঢ় লৈ উঠিছিল। এই ভোলাগুৰি চাহ বাগিচাতেই আগৰৱালা পৰিয়ালৰ অন্যতম বংশধৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কিছুকাল কটাই ছিল। এই গৰাকী মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰেই অভিনৱ সৃষ্টি আছিল জয়মতী। আজিৰ তুলনাত সেই সময়ত একোৱেই নাছিল। তেনে এটা দুৰ্যোগপূৰ্ণ মূহূৰ্তত 'জয়মতী' সৃষ্টি কৰাটো কম কথা নহয়। 'জয়মতী' কথাছবিৰ পাতনি মেলাৰ আগতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে দু-আষাৰ কোৱাৰ প্ৰয়োজন নিশ্চয় আছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয় ১৯০৩ চনত তামোলবাৰী চাহ বাগিচাত। পিতৃৰ নাম পৰমানন্দ আগৰৱালা। তেওঁ আছিল সংগীত প্ৰিয়, যাৰ অনুপ্ৰেৰণা পাই জ্যোতিপ্ৰসাদ, কমলা প্ৰসাদ আদিয়ে অসমৰ সংগীত জগত চহকী কৰিব পাৰিছিল। ১৯২১ চনত জ্যোতিপ্ৰসাদে কলিকতা বিদ্যাপীঠত পঢ়িবলৈ যায়। কলিকতাত আধাৰ আলো নামৰ বাঙালী বায়োস্কোপ এখন চোৱাৰ পাছতে জ্যোতিপ্ৰসাদে অসমীয়া বায়োস্ক'প এখন কৰাৰ বাবে অনুপ্ৰেৰণা পায়। তেওঁ এনেধৰণে অনুপ্ৰাণিত হৈছিল যে শেষত বায়'স্ক'প কৰাৰ কাৰিকৰী

১৯২১ চনত জ্যোতিপ্ৰসাদে কলিকতা বিদ্যাপীঠত পঢ়িবলৈ যায়। কলিকতাত আধাৰ আলো নামৰ বাঙালী বায়োস্কোপ এখন চোৱাৰ পাছতে জ্যোতিপ্ৰসাদে অসমীয়া বায়োস্ক'প এখন কৰাৰ বাবে অনুপ্ৰেৰণা পায়। তেওঁ এনেধৰণে অনুপ্ৰাণিত হৈছিল যে শেষত বায়'স্ক'প কৰাৰ কাৰিকৰী দিশৰ জ্ঞান লভিবলৈ তেওঁ বিলাতলৈ যায়...

দিশৰ জ্ঞান লভিবলৈ তেওঁ বিলাতলৈ যায়। ইতিমধ্যে দেশত স্বাধীনতাৰ সংগ্ৰাম তীব্ৰতৰ হৈ উঠিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনত সহযোগ কৰাৰ কাৰণে জ্যোতিপ্ৰসাদে ১৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰিবলগীয়া হয়। জ্যোতিপ্ৰসাদ শ্বিলং জেলত থকাৰ সময়তে লক্ষ্মীনাথ বেজবৰুৱাৰ জয়মতী নাটখনিকে ছবিৰ উপযোগী কৰি লিখি উলিয়ায়। জেলৰ পৰা আহি অভিনেতা-অভিনেত্ৰীৰ সন্ধানত নামে। নানা বাধা-বিঘিনী সত্ত্বেও জ্যোতিপ্ৰসাদে 'চিত্ৰলেখা মুভিটোন' নামেৰে প্ৰথম অসমীয়া ফিল্ম প্ৰতিষ্ঠান

আৰম্ভ কৰি কথাছবি নিৰ্মাণৰ প্ৰচেষ্টা চলায়। ভোলাগুৰি চাহ বাগিচাত 'চিত্ৰবন' নামৰ এটি ষ্টুডিঅ' নিৰ্মাণ কৰি ১৯৩৪ চনত জয়মতীৰ চিত্ৰগ্ৰহণৰ কামত লাগি যায়।

জয়মতীৰ কাৰণে জ্যোতিপ্ৰসাদে সমগ্ৰ অসমৰ পৰা শিল্পী বাচি উলিয়াইছিল। বিভিন্ন ভাওত অংশগ্ৰহণ কৰা সকলক মাননি দিয়া হৈছিল। তেতিয়া সেই মাননি জ্যোতিপ্ৰসাদে নিজে নিৰ্ধাৰণ কৰি দিছিল। ভাৱৰীয়া অনুযায়ী ২৫ টকাৰ পৰা ২০০টকা পৰ্যন্তহে আছিল। জয়মতী কথাছবিত সৰু-সুৰা ভাওৰ উপৰিও উল্লেখযোগ্য ভাৱৰীয়া আছিল ১৬ জন। ছবিখনৰ চিত্ৰগ্ৰহণ আৰু শব্দগ্ৰহণৰ কাম একে সময়তে শেষ কৰি জ্যোতিপ্ৰসাদে লাহোৰলৈ গৈছিল ছবিখনৰ সম্পাদনা আদিৰ কাম শেষ কৰিবলৈ। জ্যোতিপ্ৰসাদ তাত কৃতকাৰ্য নহ'ল। ১৯৩৪ চনতে আৰম্ভ কৰা হৈছিল যদিও জয়মতীৰ প্ৰথম প্ৰদৰ্শন কৰা হয় ১৯৩৫ চনৰ ২০ মাৰ্চত গুৱাহাটীত।

জয়মতীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা শিল্পীসকলৰ ভিতৰত ড° ভূপেন হাজৰিকাই আন্তঃৰ্জাতিক খ্যাতি লভি শিল্পজগতৰ ভোটাতৰা হৈ জিলিকি আছে। কলাগুৰু বিষ্ণু ৰাভা আৰু শোণিত কোঁৱৰ গজেন বৰুৱা আদিয়েও ভোলাগুৰি চাহ বাগিচাত জ্যোতি প্ৰসাদক বহুখিনি সহায় কৰিছিল। জয়মতী আছিল ভাৰতৰ চতুৰ্থখন সবাক চলচ্চিত্ৰ আৰু এই কথাছবিৰ প্ৰসূতি গৃহ আছিল ভোলাগুৰি চাহ বাগিচাৰ চিত্ৰবন ষ্টুডিঅ'। এই কথাৰ কাৰণেই জ্যোতি প্ৰসাদৰ জয়মতীৰ লগত সদায় ভোলাগুৰিৰ নামটো স্মৰণীয় হৈ থাকিব। ❑





# সখীয়তি সময়ৰ গান

✍ ৰিংকু সমাদ্দাৰ
প্ৰাক্তন ছাত্ৰ (২০০৯-২০১৩ ইং চন)
ৰঙিয়া মহাবিদ্যালয়

এটোপাল নিয়ৰে তাক চুই থৈ গ'ল। বোধ হয় কিবা নিশাচৰ চৰাই পৰিছে বকুলজোপাত। সি দীঘলকৈ এটা উশাহ ল'লে। আসঃ কি যে এক সুমধুৰ সুবাস। বহুসময় ধৰি সি বকুলজোপাৰ তলত থিয় হৈ থাকিল। এই বিভাৱৰী নিশা, চিনাকি বকুলফুলৰ সুবাস, তাৰ মাজে মাজে বিমূৰ্ত অতীতৰ কিছুমান ধূসৰ স্মৃতি আৰু...

'মৰমবোৰ যদি ৰৌদ্ৰস্নাত কাঞ্চনজংঘাৰ সৈতে খেলি থকা শুকুলা মেঘৰ ছাঁ হ'লহেঁতেন, কিমান সময় যে ৰ' লাগি চাই থাকিলোহেঁতেন তোমাক, মোৰ মৰমৰ শুভ্ৰতাক...ঙ্গ'

বৰ্ণনা ছোৱালীজনী এনেকুৱাই। কেতিয়াবা হঠাৎ বৰ আৱেগিক হৈ পৰে তাই। মৰম-পিয়াসী অভিমানত সাঁতুৰি-নাদুৰি তাই তালৈ ৱাটচএপত মেছেজ কৰে। আজিও তাই বৰ আৱেগেৰে তাক মেছেজ কৰিছে। তাইৰ লিহিৰি আঙুলিৰ পৰশত মৰমেৰে লুতুৰি-পুতুৰি হৈ অহা মেছেজটো সি আকৌ এবাৰ পঢ়ি চালে।

মৰমবোৰ যদি ৰৌদ্ৰস্নাত কাঞ্চনজংঘাৰ সৈতে খেলি থকা শুকুলা মেঘৰ ছাঁ...ঙ্গঙ্গ'

বুজা-নুবুজাৰ এটা হাঁহি বিৰিঙি উঠে তাৰ ওঁঠত। মনটোক সোধে সি, এই বৰ্ণনাজনী বাৰু কিয় ইমান আৱেগিক ? তাৰ প্ৰশ্নৰ উত্তৰত সি নিজেই মিচিকিয়াই হাঁহে। ঠিক বৰ্ণনাৰ অভিমানী মেছেজটোৰ দৰে...।

(এক)

বিজুহঁতৰ পদূলিমুখত থকা বুঢ়া বকুল গছজোপা ফুলিবলৈ আৰম্ভ কৰিছে। বকুল ফুলৰ গোন্ধ এনেয়েও তাৰ খুব প্ৰিয়। বকুলৰ তলতেই সি উমলি পাৰ কৰিছে তাৰ ধূলিয়ৰি শৈশৱ, স্বপ্নীল কৈশোৰ। জনা হোৱাৰে পৰা সি বকুলৰ শ্বেতাংগী ফুলৰ প্ৰেমত পৰি আহিছে। এই বকুলৰ তলতে সি তাৰ লগৰবোৰৰ সৈতে খেলিছিল। তাৰ লগৰবোৰ মানে মৌচুমী, ইৰাণী, বৰ্ণিল, বেদান্ত, সৌৰভ, প্ৰাঞ্জনা, মুনমুন আৰু বহুতো। তাৰ লগৰবোৰ যে সময়ৰ সোঁতত ক'ত হেৰাই গ'ল ভাবিলে আজিও তাৰ মনটো সেমেকি উঠে। কোনোবা হয়তো কংক্ৰিটৰ অৰণ্যত, কোনোবা জীৱনৰ কঠিন মাইলষ্ট'নৰ চক্ৰাকাৰ গতিত, আকৌ কোনোবা হয়তো দোদুল্যমান সময়ৰ কঠিন গৰাহত আৱদ্ধ।

বকুল ফুল ফুলিলে বিজুৰ শৈশৱলৈ বৰকৈ মনত পৰে। বেদান্ত, মুনমুন, মৌচুমী, ইৰাণী, বৰ্ণিলহঁতৰ লগত ওমলি পাৰ কৰা সেই দিনবোৰ কিমান যে মধুৰ আছিল। বকুল তলত সিহঁতে আশাৰ বালিঘৰ সাজিছিল। বকুলে আকুল কৰা সেই ভাললগা দিনবোৰ এতিয়া মাথো সোঁৱৰণী। সেই সোঁৱৰণীৰ সাক্ষী হৈ

আছে মাথো পদূলিমুখত থকা বুঢ়া বকুল গছজোপা, যিয়ে এতিয়াও তাৰ চিৰ পৰিচিত সুবাসেৰে সৌৰভ বিলাই আছে।

বিজু বকুল গছজোপাৰ কাষলৈ আগুৱাই গ'ল। বৰ্ণনাৰ কথা মনতে এবাৰ ভাবিলে সি। তাই চাগে এতিয়া সপোনৰ কাৰেংঘৰত শুই পৰিছে।

এটোপাল নিয়ৰে তাক চুই থৈ গ'ল। বোধহয় কিবা নিশাচৰ চৰাই পৰিছে বকুলজোপাত। সি দীঘলকৈ এটা উশাহ ল'লে। আসঃ কি যে এক সুমধুৰ সুবাস। বহু সময় ধৰি সি বকুলজোপাৰ তলত থিয় হৈ থাকিল। এই বিভাৱৰী নিশা, চিনাকি বকুল ফুলৰ সুবাস, তাৰ মাজে মাজে বিমূৰ্ত অতীতৰ কিছুমান ধূসৰ স্মৃতি আৰু...ঙ্গঙ্গ

বকুলফুল ফুলিলে বিজুৰ আৰু এজনী ছোৱালীলৈ মনত পৰে। হয় সেইজনী বিৰিণা। বিৰিণা বৰপূজাৰী। ৰঙিয়া কলেজৰ এসময়ৰ চঞ্চলা পখিলীজনী, যিয়ে প্ৰতিটো খোজত এৰি থৈ গৈছিল জাক জাক বালিমাহী সপোনৰ ধ্বনি।

বিজু। বিজু বৰঠাকুৰ। নামনি অসমৰ,ৰ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ এখন গাঁৱৰ ল'ৰা সি। গাঁৱৰ কেঁচা মাটিৰ গোন্ধ, পথাৰৰ বোকা, সেউজীয়া অৰণ্যানী, দ' হোলাত বোৱা বৰশী, আইতাকৰ বুকুৰ উমত সাধু শুনি শুনি টোপনি যোৱা তাহানিৰ সেই সৰু ল'ৰাটো, যি এতিয়া কাৰ্বি আংলঙৰ এজন দায়িত্বশীল আৰক্ষী বিষয়া।

(দুই)

ৰঙিয়া কলেজৰ যৌৱন ৰঙীন দিনবোৰৰ কথা মনত পৰিলে আজিও তাৰ বুকুখন বিষাই উঠে। আগষ্ট মাহৰ কোনোবা এটা দিন। আনদিনাৰ দৰে সিদিনাও সিঁহতে কলেজ কেম্পাছত আড্ডা দি আছিল। সিঁহত মানে বুলবুল, মুনমুন, ৰাণা, ডেনিয়েল আৰু সি। ৰচ নং ৰুমত হিষ্ট্ৰীৰ মেজৰৰ ক্লাছ চলি আছিল তেতিয়া। বেলকনিৰ পৰাই দেখিছিল সিহঁতে, সাংঘাটিক ধুনীয়া ছোৱালী এজনীয়ে ছেকেণ্ড বেঞ্চত বহি মেডামে দিয়া নোটচ লিখি আছে।

— ঐ বিজু, এইজনী কলেজলৈ নতুনকৈ আহিছে। অলপ কথা পাতো দে...। মুনমুনে কৈছিল।

ক্লাছৰ শেষত সিহঁতে ছোৱালীজনীৰ লগত কথা পাতিছিল।

— নতুনকৈ আহিছা?.. বুলবুলে সুধিছিল।

— ও।... ছোৱালীজনীয়ে ভয়ে ভয়ে উত্তৰ দিছিল।

— কি নাম তোমাৰ?... ডেনিয়েলে সুধিছিল।

— বিৰিণা, বিৰিণা বৰপূজাৰী।

— চোৱা, আমি এতিয়া তোমাক কেইটামান কথা সুধিম, তুমি ভালদৰে উত্তৰ দিবা!... মুনমুনে কৈছিল।

— জৱাহৰলাল নেহৰু ইন্দিৰা গান্ধীৰ দেউতাকৰ কি হয়?

মুনমুনৰ প্ৰথম প্ৰশ্নটোতে বিৰিণা ৰঙা-ছিঙা পৰি গৈছিল। একো ক'ব পৰা নাছিল তাই। আনফালে মুনমুনৰ প্ৰশ্নত বুলবুল আৰু বিজুৱে মুখ টিপি হাঁহিছিল। এই যে মুনমুনটোঙ্গ কি যে যা তা কথা সোধেঙ্গ মনতে ভাবিছিল সিহঁতে।

— হিষ্ট্ৰীত মেজৰ লৈছা, অথচ এটা সৰু প্ৰশ্নৰ উত্তৰ নাজানা?... মুনমুনে কৈছিল। সি পুনৰ কৈছিল...

— ময়েই কৈছো শুনা। জৱাহৰলাল নেহৰু ইন্দিৰা গান্ধীৰ দেউতাকৰ নাম হয়। বুজিলাতো?

বিৰিণাৰ সহজ-সৰল, শান্ত মুখখনি দেখি বিজুৱে নিজেই এটা সময়ত কৈছিল... চোৱা বিৰিণা, মই বিজু। বিজু বৰঠাকুৰ। আৰু ইহঁত মোৰ বন্ধু। ই মুনমুন, সি বুলবুল আৰু ইহঁত দুটা ৰাণা আৰু ডেনিয়েল। শুনা, নতুনকৈ কলেজলৈ আহিছা, ভালদৰে পঢ়িবা। লুইতদাৰ কেণ্টিনত বেছিকৈ নবহিবা। সেই যে বৰপুখুৰীটো





দেখিছা, তাৰ পাৰে পাৰে যে আছে কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, শিৰীষ গছবোৰ, সেইখিনিক আমি সপোনৰ জালুকবাৰী বুলি কওঁ, তাৰ পাৰত বহি লগৰ ছোৱালীৰ লগত আড্ডা নিদিবা নহয়, দিবা কিন্তু খুব কমকৈ দিবা। আৰু কিবা অসুবিধা বা সমস্যা হ'লে আমাক ক'বা।

— কিন্তু কিয়?... বিৰিণাই সুধিছিল।

— কিয় মানে? ৰঙিয়া কলেজত আমাৰ এটা ব্ৰিগেড আছে। সেই যে কলেজৰ গেটৰ সন্মুখত ছিকিউৰিটি বড়ো দাক দেখিছা, তেঁৱো আমাক একো নকয় বুজিছা। গতিকে বুজিলাই নহয়?... বুলবুলে কৈছিল।

— বিৰিণা, যোৱা এতিয়া। শুভেচ্ছা থাকিল তোমালৈ। আকৌ লগ পাম।... বিজুৱে কৈছিল।

সেয়াই সিহঁতৰ প্ৰথম চিনাকি বিৰিণাৰ লগত। সেইদিনা ঘৰলৈ আহি বিছনাত এনেয়ে বাগৰি বিজুৱে বিৰিণাৰ কথা ভাবিছিল। তাৰ দুচকুৰ সন্মুখত ভাঁহি উঠিছিল দুপৰীয়াটোৰ কথা। মুনমুনৰ প্ৰশ্নত তাই ৰঙা-ছিঙা পৰি গৈছিল। তেতিয়া সি তাইৰ দুচকুলৈ চাইছিল। সি দেখিছিল, তাইৰ চকুযুৰি ই.. মা.. ন নীলা। ক'ৰবাত পঢ়িছিল সি, যাৰ মন বহল আৰু উদাৰ, তেওঁহে হেনো সাগৰ নীলা দুচকুৰ অধিকাৰী হয়। ক'ব নোৱাৰাকৈয়ে বিৰিণাক তাৰ ভাল লাগি গৈছিল।

দিনবোৰ ক্ৰমাৎ পাৰ হৈ গৈছিল। সেই বিৰিণাৰ লগত পিছলৈ সিহঁতৰ প্ৰগাঢ় বন্ধুত্ব গঢ়ি উঠিছিল। লাহে লাহে সিঁহতৰ বন্ধুমহলত নতুন নতুন ল'ৰাৰ আগমন ঘটিছিল। চন্দন, গুণমনি, তফিকুৰ, ডিম্বেশ্বৰ, পংকজ, মনোজ, বিদ্যুৎ, কৌশিক, মস্তাফা, চেলিম আৰু বহুতো। তুমিৰ পৰা তইলৈ পৰিণত হৈছিল সিহঁতৰ সম্পৰ্কটো। লুইত দাৰ কেণ্টিন, নবহো বুলি ভাবিও বাৰে বাৰে বহিবলৈ মন যোৱা সপোনৰ জালুকবাৰীখন, কলেজৰ সন্মুখৰ ৰে'লৰ আলিটো, ৰঙিয়া কলেজ কেম্পাচৰ শাৰী শাৰী ওখ কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, শিৰীষ গছবোৰে লাহে লাহে সিঁহতৰ সকলোকে চিনি পোৱা হৈছিল। কলেজৰ সোঁমাজৰ ৰাউণ্ড চাৰ্কলটো, তাৰ কাষৰ কৰবী ফুলৰ হালধীয়া হাঁহিবোৰ, আমগছ জোপা, লাইব্ৰেৰী, হেমেন ছাৰৰ টিউটৰিয়েল ৰুমৰ পৰা আৰম্ভ কৰি পদুম কুঁৱৰী চ'ক, ৰঙিয়া কলেজ সংযোগী বৰলীয়া নৈৰ ওপৰত থকা পুৰণি কাঠৰ দলংখনেও যেন সিঁহতক দেখিলে মিচিকিয়াই হাঁহি মাৰিছিল। কিন্তু বিৰিণাক বিজুৰ কেতিয়াও কোৱা নহ'ল...

— বিৰিণা, তোক মই ভালপাওঁ অ'।

জানোচা তাৰ প্ৰেমৰ প্ৰস্তাৱত সিহঁতৰ মাজত থকা বন্ধুত্বৰ সম্পৰ্কটো ভাঙি যায়ঙ্গ সেই ভাবত।

চাওঁতে চাওঁতে পাঁচটা বছৰ কেতিয়া যে পাৰ হৈ গৈছিল কোনেও ধৰিবই নোৱাৰিলে। ডিগ্ৰী কমপ্লিট কৰি উঠি বিজু দিল্লীলৈ গৈছিল। ৰাণা আৰু বুলবুলে চাকৰি পাইছিল। মুনমুন হায়দাৰাবাদলৈ গৈছিল এম বি এ পঢ়িবলৈ। বিৰিণা কটন কলেজ, চন্দন গৈছিল নাটক-চিনেমাৰ লাইনলৈ। ৰঙিয়া কলেজ কেম্পাচত পাঁচবছৰ কৃষ্ণচূড়া ফুলাৰ স্মৃতি আৰু পাঁচবছৰ কৃষ্ণচূড়া সৰাৰ বেদনা গধুৰ স্মৃতি বুকুত বান্ধি লৈ ৰাণা, বুলবুল, বিৰিণা, চন্দন, গুণমনি, তফিকুৰ, ডেনিয়েল, চেলিমহঁতে পৰস্পৰে পৰস্পৰৰ পৰা বিদায় লৈছিল। আকৌ বা কেতিয়া একেলগে লগ হ'বঙ্গঙ্গ

ৰঙিয়া কলেজৰ এসময়ৰ তৰুণজাকে নিজকে নিজে প্ৰবোধ দিছিলঙ্গঙ্গ

'এয়াই কলেজীয়া জীৱন। আজিৰ নতুন ল'ৰা কাইলৈ পুৰণি হ'ব, আজিৰ বৰ্তমান কাইলৈ অতীত হ'ব।

(তিনি)

বিজু, আজি ইয়াত বকুল ফুল ফুলিছে। তোৰ প্ৰিয় ফুল। তইতো জানই, বকুল ফুল ময়ো খুব ভালপাওঁ। এয়া আঙুলি ফাঁকত এমুঠি বকুল ফুল লৈ তোলৈ মেছেজ কৰিছো.. অসমলৈ কেতিয়া আহিবি?

বিৰিণা তেতিয়া কটন কলেজৰ ছাত্ৰী নিবাসত। প্ৰায়ে ফোনেৰে যোগাযোগ হৈছিল সিহঁতৰ মাজত। মুনমুনে কৈছিল...

— বিজু, ইয়াৰে পাঞ্জাৱী ছোৱালী এজনী বিয়া কৰাই লৈ যাম বুলি ভাবিছো। তই কি কৰ?

— ভালেই হ'ব দে। বিয়াৰ পিছত ল'ৰা হ'লে দাড়ি-চুলি ৰখাই সন্ন্যাসী কৰিব পাৰিবি।... বিজুৰ কথাত ফোনৰ সিটো প্ৰান্তত মুনমুনে হো-হোৱাই হাঁহি উঠিছিল।

দিল্লীৰ ব্যস্ত পদপথত খোজকাঢ়ি ফুৰোতে, মেট্ৰ' ৰেলৰে ষ্টেচনৰ প্লেটফৰ্মৰ নানাৰঙী আলোকৰ মাজত অথবা ছাহজাহানৰ প্ৰেমৰ সাক্ষী তাজমহলৰ বাকৰিত ঘূৰি ফুৰোতে বিৰিণাৰ কথা বিজুৰ বাৰে বাৰে মনলৈ আহিছিল। সি নীৰৱে ভালপাই থকাৰ দৰে বিৰিণায়ো বাৰু তাক ভাল পাইছিল নেকি? বুজা-নুবুজাৰ এই সমীকৰণটোৰ সমিধান সি কেতিয়াও উলিয়াব নোৱাৰিলে।

শাওণৰ সন্ধিয়া এটাৰ নীৰৱ-নিস্তব্ধ সময়। কিনকিনিয়া এজাক বৰষুণ। বৰ্ষণমুখৰ সেই সন্ধিয়া বিজুৱে বিৰিণালৈ ফোন কৰিছিল।

— হেল্ল' বিৰিণা, কেনে আছ তই?

— ভালেই। এটা খবৰ আছে জান বিজু। ঘৰত মোৰ বিয়া ঠিক কৰিছে। ল'ৰা মঙলদৈৰ।

কিনকিনিয়া বৰষুণৰ মাজত সেমেকা সুৰেৰে ফোনৰ সিটো প্ৰান্তৰ পৰা বিৰিণাই বিমৰ্ষ মনেৰে কৈছিল। বিৰিণাৰ কথাত মৌন হৈ পৰিছিল বিজু। বিৰিণা সঁচাকৈয়ে আনৰ হৈ যাবঙ্গ সি দেখোন মানি ল'ব পৰা নাই কথাটো। অথচ বিৰিণাতো তাৰ প্ৰেয়সীও নহয়ঙ্গ সিহঁত ভাল বন্ধু।

— তই একো নকৰ বিজু?... সি মনে মনে থকা দেখি বিৰিণাই তাক আকুলতাৰে সুধিছিল।

— মইনো কি ক'মঙ্গ তই নিজৰ অন্তৰাত্মাৰ আহ্বান শুন বিৰিণা। তই সুখী হ'লে মোৰ বেছি ভাল লাগিব।... বিষন্নতাৰে ভৰি পৰিছিল বিজুৰ মন। কিবা জৰুৰী কামৰ অজুহাত দেখুৱাই সি সিদিনা ফোন ৰাখিছিল।

এদিন বিৰিণাৰ বিয়া হৈ গৈছিল মঙলদৈৰ ল'ৰাজনৰ লগত। বিজুৰ ঘৰৰ ঠিকনাত তাইৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ আহিছিল। মাকে তাক ফোনত বিৰিণাৰ বিয়াৰ কথা কৈছিল। বিজুৱে ভাবিছিল, বিৰিণাই বাৰু তাক ফোনত এবাৰলৈ হ'লেও তাইৰ বিয়ালৈ যাবলৈ কিয় নক'লে? হয়তো তাৰ ওপৰত কিবা অভিমান কৰিয়েই তাই বিয়া হৈ গ'ল। চিৰদিনৰ বাবে এটা বন্ধ কুঠৰীত আবদ্ধ হৈ ৰ'ল দুটি চিনাকি মনৰ অপ্ৰকাশিত প্ৰেমৰ কথা।

বিৰিণা এতিয়া ক'ত আছে সি নাজানে। তাৰ লগৰ কোনেও তাইৰ সম্ভেদ দিব নোৱাৰিলে। মাজে মাজে এতিয়াও সি তাইৰ পুৰণি ফোন নম্বৰটো ডায়েল কৰে। ৯৮৫৪২....

বাৰে বাৰে ভাঁহি আহে সেই একেটা ধাতৱ শব্দ... 'দি নাম্বাৰ ইউ হেভ ডায়েল্ড ইজ নট এভেইল এবল'। তাই য'তেই নাথাকক, তাই যেন সদায় সুখত থাকে সি সেয়াই বিচাৰে।

তাৰ লগৰ মুনমুন এতিয়া বাংগালোৰস্থিত এটা এম এন চিৰ দায়িত্বশী বিষয়া। বিদ্যুৎ মাজতে সিঁহতে পঢ়ি অহা ৰঙিয়া কলেজত গেষ্ট লেকচাৰাৰ হিচাপে সোমাইছিল। বুলবুল ধুবুৰীত। ৰাণা নলবাৰীত। সিঁহতে বিয়া কৰালে। ডেনিয়েলৰ কথা সি নাজানে। ডিম্বেশ্বৰ ৰাজনীতিৰ পথাৰত। সি হেনো ভাল পদবীত আছে। চেলিম আৰু তফিক ৰঙিয়াত, চন্দন আৰু গুণমনিৰো বিয়া হ'ল...। তাক বিয়ালৈ মাতিছিল যদিও ব্যস্ততাৰ বাবে সি যাব নোৱাৰিলে। মাজে মাজে সিহঁতে ইজনে আনজনৰ লগত ফোনত কথা পাতে। ৰঙিয়া কলেজৰ কথা ওলালেই সিঁহত নষ্টালজিয়া নামৰ বেমাৰটোত





ভুগে। নাভাবো বুলি ভাবিলেও বাৰে বাৰে মনৰ পটত সজীৱ হৈ ধৰা দিয়ে ৰঙিয়া কলেজৰ মায়াবী স্মৃতিবোৰে। বিজু এতিয়া এজন দায়িত্বশীল আৰক্ষী বিষয়া। কাৰ্বি আংলং জিলাৰ ডিফু বৰ্তমান তাৰ কৰ্মস্থলী। কাৰ্বি পাহাৰৰ সেউজীয়া মনৰ বাকৰিত সময় পালে সি এতিয়াও সপোন খেপিয়াই ফুৰে।

'জিৰচং'ত যেতিয়া 'হাচ্ছা-কেকান'ৰ বতাহ বলে, কাৰ্বি গাভৰুৱে যেতিয়া ওখ 'মান্দু'ত বহি গীত জুৰে, দুহাতত 'লাংথে' লৈ কাৰ্বি গাভৰুৱে লয়লাস খোজেৰে নৈৰ ঘাটলৈ পানী নিবলৈ আহে তেতিয়া বিজু আপোন পাহৰা হয়। কাৰ্বি পাহাৰৰ জনজাতীয় মানুহবোৰৰ মৰম, ভালপোৱা, আপ্যায়নে বাৰে বাৰে তাক আপ্লুত কৰে।

কাৰ্বি আংলঙৰে তিৱা জনজাতীয় ছোৱালী এজনীৰ লগত নতুনকৈ বিজুৰ এটা সু-সম্পৰ্ক গঢ় লৈ উঠিছে। ছোৱালীজনীৰ নাম বৰ্ণনা। বৰ মৰম লগা। দেখাতো ঠিক নামটোৰ দৰেই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ছ'চিয়ল'জীত তাই এইবাৰ মাষ্টাৰ ডিগ্ৰী কমপ্লিট কৰি উঠিছে। নূপুৰৰ ঝংকাৰেৰে আবৃত বৰ্ণনাৰ মৰমীয়াল মন, আৱেগে উপচা হৃদয়। তাইৰ দেউতাক নাই, মাক স্কুল এখনৰ শিক্ষয়িত্ৰী। দুয়োখন ঘৰৰ সন্মতিক্ৰমে অহা বছৰ সিহঁতৰ বিয়াও হ'ব...।

## (চাৰি)

বনৰীয়া উন্মুখ চৰাইৰ কলৰোলত ৰাতিপুৱা সোনকালে বিজুৱে টোপনিৰ পৰা সাৰ পালে। উপাধানৰ কাষৰ পৰা সি মোবাইল ফোনটো হাতত তুলি ল'লে। সি দেখিলে তাৰ ৱাটচএপত দুটা মেছেজ আহিছে। এটা বৰ্ণনাৰ, আনটো কোনোবা অচিনাকি নম্বৰৰ। অচিনাকি নম্বৰটোত কোনো ধৰণৰ ডি পি নাই। সি প্ৰথমতে অচিনাকি নম্বৰৰ মেছেজটো খুলি পঢ়ি চালে...

— বিজু, কালি তোৰ ফটো টিভিত দেখিলোঁ। তাহানিৰ সেই বিজু নামৰ অনুভৱী ল'ৰাটো এতিয়া পুলিচ অফিচাৰ... ভাবিলে মনটো কিবা লাগি যায়... শুন, মই আজিকালি সৰুপথাৰত থাকোঁ। ইয়াৰে কলেজ এখনত চাকৰি কৰোঁ। তই এবাৰ আহিবি। তোক মোৰ বহুত কথা ক'ব লগা আছে। আহিবি হা। মই ৰৈ থাকিম। বাই, বিৰিণা।

বিৰিণাঙ্গ অহঙ্গ মাই গড। ক'ত হেৰাই গৈছিল তাই ইমান দিনঙ্গ তাৰ ফোন নম্বৰ তাই কেনেকৈ পালেঙ্গ তাই ইমান দিনঙ্গ ... বিৰিণাৰ মেছেজটো পঢ়ি উঠি বিজু বহুসময় নীৰৱে ৰ'ল। ইমান বছৰৰ পিছত বিৰিণাই তাক মনত পেলাইছে। তাই তাক লগ পাব বিচাৰিছে। তাৰ মনটো ভাল লাগি গ'ল। সঁচাকৈয়ে পৃথিৱীখন ঘূৰণীয়া...।

এইবাৰ সি বৰ্ণনাৰ মেছেজটো পঢ়ি চালে। তাই লিখিছে...

'বিজু, কালি ৰাতি বিদেশী সাহিত্য এখন পঢ়িলোঁ জানা। ছিমন দ্য ব্যভোৱাৰ। তাত কেইটামান পংক্তি খুব ভাল লাগিল। '...তুমি ভবাৰ দৰে মই বিচক্ষণ হ'ম। তোমাৰ পৰিচ্যা কৰিম। তোমাৰ কাপোৰ ধুম, ভাল লগা বস্তু ৰান্ধি খুৱাম। কিন্তু কেতিয়াবা খং উঠিলে মই মুখ ওফোন্দাই বহি থাকিম, তোমাৰ চুলিত মই হাত নোবোলাও, মোৰ সকলোবোৰ শুহি নিয়া স্ফুলিংগ হেন তোমাৰ মিঠা ওঁঠ দুটাৰে মোৰ শৰীৰ চুব নিদিওঁ... আসঃ কি ধুনীয়া অনুভৱ ন' বিজু? সোনকালে আহিবা। তোমালৈ বৰকৈ মনত পৰিছে। মিছ ইউ...।

বৰ্ণনাৰ মেছেজটো পঢ়ি ভাবনাৰ মাজতো বিজুৰ হাঁহি উঠি গ'ল। ই...ম্মা...ন হৃদয়স্পৰ্শী অনুভৱ তাইৰঙ্গ মতলীয়া বতাহে উৰি আহি ক'লে যে

পাহাৰৰে চূড়াকে

মেঘে মেঘে যাচে

হিয়াৰে আদৰ...

জুবিন গাৰ্গৰ গীতাংশৰে তাৰ ম'বাইল ফোনটো বাজি উঠিল। বুলবুলৰ ফোন। সি ফোনটো ৰিচিভ

কৰিলে। ফোনৰ সিটো প্ৰান্তৰ পৰা ভাঁহি আহিল বুলবুলৰ মাত।

— বিজু, কালি বিৰিণাই ফোন কৰিছিল। বহু সময় ধৰি কথা পাতিলো আমি। তোৰ নতুন নম্বৰটো তাই মোৰ পৰা ল'লে। এটা কথা জান, তাইৰ বিয়াখন ভাগি থাকিল বোলে। তাই হেনো সংগোপনে তোকেই ভাল পাইছিল। এতিয়াও পায় আৰু আগলৈও পাই থাকিব। আজিকালি তাই সৰুপথাৰত থাকে। তাৰে কলেজ এখনত চাকৰি কৰে। তাই ফোন কৰিব পাৰে তোক....

বুলবুলে আৰু কিবাকিবি কৈছিল। তাৰ কাণত নোসোমাল। তাৰ মানে...ঙ্গ তাৰ মানে বিৰিণায়ো তাক মনে মনে সঁচাকৈয়ে ভাল পাইছিলঙ্গ

কি কৰিব এতিয়া সিঙ্গ তাৰ সন্মুখত দুজনী নাৰী। বৰ্ণনা আৰু বিৰিণা। সময় খুব তাকৰ তাৰ হাতত। সি আজিয়েই ডিফুলৈ যাব। সৰুপথাৰ চহৰত তাৰ সহকৰ্মী সুশান্ত দাৰ ঘৰ। বাটত সুশান্ত দাৰ ঘৰত সোমাই সি বিৰিণাক ফোন কৰিব। সময় হ'লে আজিয়েই তাইক লগ কৰিব সি।

বিজু বিছনাৰ পৰা নামিল। ৰাতিপুৱাৰ প্ৰাত্যাহিক ক্ৰিয়া-কৰ্ম সম্পন্ন কৰি সি আধা ঘণ্টাৰ ভিতৰতে ডিফুলৈ যাবলৈ সাজু হ'ল। মাকক মাত লগাই সি গাড়ীত বহিল।

বিজুৱে পদুলিমুখলৈ এবাৰ ঘূৰি চালে। আজি বকুল গছজোপাই তাক দেখি অভিমান কৰিছে। সি ভাবিলে, বকুল গছজোপাই হেঁপাহ পলুৱাই অভিমান কৰক। অভিমানৰতো আন এটা নাম মৰম...

গাড়ী লাহে লাহে আহি নেচনেল হাইৱেত উঠিল। সি ঠিক কৰিলে, যাওতে বাটত আজি সি ৰঙিয়া কলেজখন এবাৰ ওচৰৰ পৰা চাই যাব। ড্ৰাইভাৰক ফ্লাই অভাৰ ব্ৰিজৰ তলেৰে গাড়ী চলাই নিবলৈ ক'লে সি। বহুত বছৰ সি ৰঙিয়া কলেজলৈ যোৱা নাই। তাৰ আপোন কলেজখন দেখা নাই। হেঁপাহ পলুৱাই সি তাৰ এসময়ৰ যৌৱন ৰঙীন কলেজখন চাব। আগৰদৰেই আছেনে বাৰু তাৰ কলেজখন? আৰু হৃষীকেশ ছাৰ, অমৰজ্যোতি ভাস্কৰ ছাৰ, হেমেন ছাৰ, তেওঁলোক আগৰ দৰেই আছেনে?

বিৰিণাৰ কথা মনলৈ আহিল তাৰ। তাই চাগে বকুল ফুল ভালপোৱা তাইৰ নীৰৱ প্ৰেম, তাইৰ বন্ধু বিজুলৈ অপেক্ষা কৰি আছে অপেক্ষাৰ অধীৰ চুবুৰীত। সি ঠিক কৰিলে, বিৰিণাক সি ভাল ল'ৰা এজনৰ লগত বিয়া হৈ যাবলৈ ক'ব। সি তাইক বুজাব যে সিও তাইৰ দৰে তাইক বিচাৰে, বৰঞ্চ তাইতকৈও বেছিকৈ। কিন্তু সি এতিয়া তাইক বিয়া কৰাব নোৱাৰে। সিঁহত বন্ধু হৈয়েই থাকিব। এতিয়া যে বহুত পলম হৈ গ'ল... তাৰ হৃদয়খন ইতিমধ্যে বৰ্ণনাই লৈ গৈছে। বৰ্ণনা খুব আৱেগিক ছোৱালী। প্ৰৱঞ্চনা, জটিলতা, বিশ্বাসঘাতকতা তাই বুজি নাপায়। সিতো স্বাৰ্থপৰ হ'ব নোৱাৰে...

দুখৰ দুটোপাল অশ্ৰু তাৰ দুচকুৰ পৰা বাগৰি আহিল। মনতে সি বিৰবিৰালে...

— বিৰিণা, আশা কৰো তই মোক মাফ কৰি দিবি..।□





# নিয়ম

✍ ইভলিনা চিদ্দিকা
ষষ্ঠ ষাণ্মাসিক

**নাটকৰ চৰিত্ৰসমূহ—**

**ৰতন ঃ** এজন ১৫-১৬ বছৰীয়া ডেকা।

**সোণপাহি ঃ** এজনী ১৪-১৫ বছৰীয়া গাভৰু।

**জেঁতুকী ঃ** সোণপাহিৰ মাক। বয়স প্ৰায় ৪০-৪৫ মানৰ ভিতৰত।

**সোণপাহিৰ দেউতাক ঃ** বয়স প্ৰায় ৬০-৬৫ মান।

**ভেদো ঃ** গাঁওবুঢ়াৰ ল'ৰা। বয়স ২৭-২৮ৰ ভিতৰত।

**কমল ঃ** ভেদোৰ বন্ধু। বয়স প্ৰায় ২৬-২৭ মান।

**গাঁওবুঢ়া ঃ** প্ৰায় ৭০-৭৫ বছৰ বয়সীয়া ব্যক্তি।

**ৰমেনৰ মাক ঃ** ৩০-৩৫ বছৰীয়া তিৰোতা।

**সেউতী ঃ** ২৯-৩০ মান বয়সৰ তিৰোতা।

**সৰু, আচমা, মণি ঃ** ৭-৮ বছৰীয়া সৰু ছোৱালীকেইজনীমান।

## আগকথা

সমাজ আৰু নিয়ম দুয়োটাই আমাৰ অংগ। সমাজ আৰু সমাজৰ নিয়মবোৰৰ মাজত জীয়াই থকাতো হয়তো আমাৰ কৰ্তব্য। আমাৰ সমাজখনে 'প্ৰেম' অথবা ল'ৰা-ছোৱালীৰ বন্ধুত্বক মুকলিকৈ মানি ল'ব টান পায়। সেয়া পুৰণিকলীয়া কথা নহয় আজিও মানুহে ইয়াক হীন দৃষ্টিৰে চায়। এটা সময়ত ই বৰ অস্বাভাৱিক যেন আছিল। আমাৰ আজোককাহঁতৰ সময়ত ল'ৰা-ছোৱালী যৌৱনপ্ৰাপ্ত হ'ব নাপাওঁতেই বিবাহপাশত আবদ্ধ কৰাই দিয়া হৈছিল। তেনেস্থলত যৌৱন উপভোগ কৰিব পোৱাই নাছিল। কিন্তু 'প্ৰেম', প্ৰেমটো হ'বই। প্ৰেমটো থাকিবই। ইয়াকটো কোনেও বাধা দি ৰাখিব নোৱাৰে। কিন্তু 'সমাজ', ইয়াৰ নীতি-নিয়মবোৰ আছে নহয় বাটতে বৈ। নাৰী আৰু পুৰুষে কেতিয়া, কেনেকৈ, ক'ত, কিদৰে প্ৰেম অথবা মিলন হ'ব পাৰে তাৰবাবে এখন নিয়মৰ কিতাপ লিখি থৈছে আৰু সেই নিয়মবোৰ উলংঘা কৰাবোৰক শাস্তি বিহিবলৈ আৰু সেই নিয়মবোৰ বান্ধি থৈছে। লগতে সমাজ শুধৰকো আছে দুজনমান নিয়ম ভংগকাৰীক শাস্তি দিব যিয়ে আইন হাতত তুলি লৈ নিয়ম ভংগকাৰীক শাস্তি দিব বৈ আছে। গতিকে সমাজ আৰু নিয়ম, এই দুয়োটাক মানি চলিবই লাগিব। হয়তো ভয় কৰিব লাগিব।

এনেধৰণৰ চিন্তা বা বিষয় লৈয়ে এইনাটকখন লিখিবলৈ চেষ্টা কৰিছো। গাঁও অঞ্চলৰ ঘটনাৰ আলমত লিখা বাবে নামনি অসমৰ আঞ্চলিক ভাষা দুটামান ব্যৱহাৰ কৰা হৈছে। লিখোতে কিবা ভুল-ভ্ৰান্তি হ'লে পাঠক সমাজে ক্ষমা কৰিব।

—ইভলিনা চিদ্দিকা

**(প্ৰথম অংশ)**

(এখন জয়াল পথাৰ। কোনো মানুহ-দুনুহ নাই। এটা নিৰৱ পৰিবেশ। চৰাই-চিৰিকটি দুটা মানৰ কিট-কিট শব্দ। ধানবোৰৰ ওপৰেৰে জিঞ্জৰাবোৰ উৰি আছে। ৰ'দটোৱে অহা-যোৱা কৰি আছে। প্ৰায় দুপৰীয়া ১২টা মান বাজিছে। পথাৰখনৰ কাষৰ আলিবাটটোতে এডাল বৃহৎ আঁহত গছ। বতাহত পাতবোৰে যেন বিচনীৰ লেখীয়া হৈ পৰিছে। সোণপাহি আঁহতডালৰ বৃহৎ ডাল এটাত বহি প্ৰকৃতিখন

(পথাৰখন) উপভোগ কৰি আছে লগতে তাইৰ প্ৰিয় অমৰাকেইটা চুহি চুহি খাই আছে।)

ৰতন : অই নাম, নাম নাম। ওম মাৰ নাখাওতেনাম।

সোণপাহি : ও আই কি হ'ল অ' এইটোৰঙ্গ

ৰতন : তোক নামিবলৈ দিছো নে নাই।

সোণপাহি : নানামো মই, কি হ'ল তোৰ। ইহ...

ৰতন : (এচাৰি এডালেৰে কোবাবলৈ লৈ) নানাম... ৰহ, এতিয়া নাম, নাম, কেনে পাইছ কেনে পাইছ এতিয়া নাম নাম...

সোণপাহি : আহআ দুখ পাইছো অ' কুকুৰ, নামাৰিবি বুলিছো নহয়। আই ঐ, নামিছো দে।

ৰতন : আৰু উঠিবিনে গছত। পিঠি চিধা কৰি দিম তোৰ।

সোণপাহি : মই গছত উঠিলো তোৰ কি হ'ল। হা। ইমান জোৰকৈ মাৰিছ। বৰমাক গৈ সব কৈ দিম ৰহ। আই ঐ। (.... কন্দামুৰা কৰি)

ৰতন : ছোৱালী মানুহে গছত উঠে নেকি? কেনে দেখি হা? আৰু তই এনেকৈ জধলী হৈ কেলে থাক চুলিখিনি বান্ধি থব নোৱাৰ? মেখেলাখন ভালকৈ পিন্ধিব নোৱাৰ তই। এইফালে আহোতে যদি সিমূৰৰ মহৰীৰ পুতেকৰ লগৰ অসৎকেইটাই দেখিলে হয় তোক।

সোণপাহি : দেখিলে দেখক তাতে তোৰ... কি হ'ল...

ৰতন : চা, তই এতিয়া সৰু হৈ থকা নাই নহয়, মানে আমি দুয়ো সৰু থকা নাই।

সোণপাহি : মানে বুঢ়া-বুঢ়ী হ'লো নে কি? (হাঁহি হাঁহি) যা যা সিমূৰৰ 'চজো' বুঢ়ীক বিয়া পাতগৈ।

ৰতন : ধেৎ এইজনী, ব'ল ঘৰলৈ যাও। আমাৰ পুখুৰীত মাছ ধৰিম দে আজি। মায়ে ঔ টেঙা আনি থৈছে।

সোণ : হ'ব দে...

## (দ্বিতীয় অংশ)

সোণপাহিৰ মাক

জেতুকী : অই আপি, আপি এ... ক'ত মৰিলি অ' জহনি...? এইজনীৰ লগত নোৱাৰিছো আৰু ক'ত যে মৰিলগৈ নহয়ঙ্গ ৰাতি পুৱাবলৈয়ে নাপায় একেবাৰে লৰ মাৰিব সিমূৰলৈ। গাভৰু হৈ আহিছে বুলি অকণো কাণ্ডজ্ঞান নাই। বোলো তাঁতৰ ফুলকেইটা কেনেকৈ আঁকিছে ৰতনৰ মাকক সুধি আহিবলৈ দিও। নাই ক'ত পাবি এইজনীক, আহক ৰহ আজি ফলা খৰিৰে কোবাম বাপ্লেকে।

ৰতন : অ' খুৰি কাক ফলা খৰিৰে কোবাইনো? সোণপাহি ঘৰত আছেনে?

জেতুকী : কাক হ'ব আৰু আমাৰ মৰতীজনীক। চাচোন বোপাই বেলি ওলাব নাপাওতেই এইজনী ক'ত মৰিলগৈ জানোঙ্গ পিছে তাইক কেলে বিচাৰি আহিলি?

ৰতন : মায়ে খৰি চাব যাব দিছিল। মই বোলো তাইক জানৰ পাৰৰ অমৰা ডালৰ লোভ দেখুৱাই লৈ গ'লো হয়। অকলে যাব ভাল নালাগে।

জেতুকী : তাইক এতিয়া আৰু ক'ত বিচাৰি পাবি অ'ঙ্গ তই অকলেয়ে যাগৈ যা। নহ'লে পুতুকণক লৈ নাযাৱ কিয়?

ৰতন : এ নালাগে দিয়ক খুৰী। মই আহিছো।

## (তৃতীয় অংশ)

(ৰতনে জানৰ পাৰৰ হাবিখনত খৰি বুটলি আছে, হঠাৎ কাৰোবাৰ মাত ওপৰৰ পৰা)

ওই, ওই ওই ক'লা আপা। বেচেৰা খৰি লুৰিব লগা হৈছে তই। ইচ্ ইচ্... (হাঁহি, হাঁহি)

ৰতন : কোন অ' (ভয়ে ভয়ে)? জখিনী নহয়তো (মনে মনে মুখৰ ভিতৰতে কৈ)? কোনে হাঁহি আছ?

অই পাগল ওপৰৰ ফালে চা। (ওপৰৰ পৰা)





ৰতন : (ভয়ে ভয়ে ওপৰৰ ফালে চাই সোণপাহিক দেখি) অ' তইহে। আচল জখিনীয়েচোন। তই মানুহ মাৰিবিচোন ভয় খুৱাই। কাৰ মূৰটো কৰিছ তাত?

সোণপাহি : ভয় পাদুৰাটো কৰবাৰ। আৰু কাৰ মূৰটো কৰা দেখিলি। চকু দুটা শগুণে খালে নেকি? দেখা নাই অমৰা খাই আছো।

ৰতন : তই খাব পোৱা নাই হা এই ৰাতিপুৱাই পুৱাই টেঙা সোপা খাই মৰিছ। চাওঁ নাম মোক খৰি দুডালমান গোটাই দে। আহ, যাওঁতে গা ধুই যাম দে ইয়াত।

সোণপাহি : ৰহ্...। চাওঁ ধৰ মোক।

ৰতন : আহ, দে জাপ মাৰ।

সোণপাহি : হম্ ওম। উফ নামিলো দে।

ৰতন : সোণ অ' (খৰি বিচাৰি বিচাৰি)

সোণপাহি : ক...

ৰতন : মোক কেনে দেখিনো? মানে কেনেকুৱা লাগে, (কথাৰ মাজতে হঠাৎ) অই মেখেলা ভালকৈ ল।

সোণপাহি : (মেখেলা গুজি লৈ) ভালে দেখি। খালি তই মানুহটোহে টেঙটেঙীয়া।

ৰতন : (লাজ কৰি) এহ হয়নে? দেই ক'তনো টেঙটেঙীয়া?

সোণপাহি : তেনেহ'লে মোৰ লগত কিয় অনবৰতে কাজিয়া কৰি থাক? আৰু সিদিনা এচাৰিৰেও পিটিছ। এই চা এচাৰিৰ দাগ এতিয়াও যোৱা নাই (মেখেলাখন গুচাই ভৰিখন দেখাই দি)

ৰতন : ধেৎ পাগলী। তোৰ ভালৰ কাৰণেহে সিদিনা ...ঙ্গ বাৰু হ'ব দে ব'ল এতিয়া খৰিখিনি পাৰতে থৈ লও আৰু জানত সাঁতোৰো ব'ল (সি তাইক হাতত ধৰি দৌৰাই লৈ গ'ল আৰু দুয়ো হাঁহি হাঁহি জানত জাঁপ দিলে...)।

## (চতুৰ্থ অংশ)

(জেতুকীয়ে আখলত ৰাতিৰ আহাৰৰ কামত লাগি আছে আৰু লগতে সোণপাহিয়ে আখলখনৰ কাষত পীৰাখন পাৰি লৈ এডাল এডালকৈ জেং খৰি দি আছে)

সোণপাহি : অ' মাই...

জেতুকী : হুম

সোণপাহি : কালি বাইৰ তালৈ যাম দে নাঙ্গ হা মাইঙ্গ যাবিনে?

জেতুকী : কি কয় অ' এইজনী। এতিয়া ক'ত বায়েৰৰ তালৈ যাৱ হাতত ফুটাকৰি এটাও নাই। ইফালে ভুঁই ৰুবৰ হ'বয়ে। বায়েৰক কষ্ট দিব নালাগে এতিয়া। পিতাৰকো পথাৰত চাহ-ভাত দিব যাব নালাগিব জানো... পাছত যাবি দে...

সোণপাহি : ইহ্... তই মোক নিবই নোখোজ বাইৰ তালৈ, সেইবাৰো তই অকলে গলি। মোকতো নিনিলিয়ে।

জেতুকী : (খঙত) তোক নি মই লাজত পৰিব লাগে নেকি সকলোৰে আগত। মুখৰ লেকাম নোহোৱা জধলী কৰবাৰ। চাওঁ আঁতৰ হ মোৰ চকুৰ আগৰ পৰা।

সোণপাহি : নাথাকো যা তোৰ দৰে মাইৰ লগত মই। গুচি যাম ক'ৰবালৈ।

(কন্দামুৰা কৰি থোকাথোকি মাতেৰে কথাখিনি কৈ গপ্ গপ্‌কৈ আখলঘৰৰ পৰা ওলাই আহে)

## (পঞ্চম অংশ)

(ৰতন আৰু সোণপাহি জানৰ পাৰত বহি কিবা বাৰ্তালাপ কৰি আছে)

সোণপাহি : (অমৰাৰ গুটি চুহি চুহি) অ' ৰতন... মই সঁচাকৈয়ে জধলীনে কি অ'? (দুখ কৰি)

ৰতন : কোনে ক'লে জধলী বুলি তোক?

সোণপাহি : সকলোৱে কয়। গাঁৱৰ সকলোৱে মোক জধলী, পাগলী, লেতেৰী এনেকে কয়। মায়েও কয়। আনকি তয়োতো কৱ... (কন্দা যেন কৰি)

ৰতন : ধেৎ। কোনোবাই ক'লেই তই জধলী হৈ যাবি নেকি? আৰু মই তোক মৰমতেহে কওঁ। তই যদি ভালকৈ সাজি-কাচি থাক এইখন গাঁৱৰ কোনো ছোৱালীয়ে পাত্তা নাপায় তোক। চাওঁ চকুপানী মচি ল, ইচ নাকটোও মচি ল (জোকোৱাৰ চলেৰে)। এই ফালে আহ, চাওঁ ঘূৰি দে চুলিকেইডাল বান্ধি দিওঁ দে।

সোণপাহি : কি কৰ? নালাগে দে।

ৰতন : চাওঁ ঘূৰ। চুলি কেইডাল মেলি থৈ দিবি। ভূতে ধৰিব বাচা। ৰহ, নলৰাবি (খোপা এটা বান্ধি দি সৰু মাৰি এডাল খোপাটোত সুমুৱাই দিলে)। এয়া চা কি ধুনীয়াকে বান্ধি দিলো। এতিয়াহে তোক সোণপাহিজনী লাগিছে। অহ ৰ.. ৰ.. (এই বাৰ সি বনৰীয়া ফুল এপাহ খোপাটোত গুজি দিলে)। আই ঐ দেখি এইজনী তই এ নে অ' সোণপাহি, পানীত চা চোন নিজকে...

সোণপাহি : (তাই নিজকে পানীত চাই) বাহ... ইমান ধুনীয়া লাগিছে মোক। ৰতন অ' মোৰ বিয়াৰ দিনাও তই মোক সজাই দিবি দে।

ৰতন : উম্ বেলেগ কাম নাই আৰু মোৰ। আৰু তোক কোনে বিয়া কৰাব অ'। সিমূৰৰ অমল বুঢ়াই নে (হাঁহি হাঁহি)?

সোণপাহি : (ৰতনৰ চুলিত টানি ধৰি) আহ.. আহ.. মাৰিম মই তোক...

ৰতন : এৰি দে এইজনী... দুখ পাইছো।

(গাঁওবুঢ়াৰ পুতেক)

ভেঁদো : কি কৰিছ অ' তহঁতে তাতে। পিৰিটি কৰিব জাগা পোৱা নাই হা। তহঁতক চাইহে আছো বহুত দিনৰ পৰা। জানৰ পাৰত তহঁতে সদায় সদায় কাৰ মূৰটো কৰিবলৈ আহ হা?

ৰতন : আমি অমৰা খাবলৈহে আহিছিলো অ' ভেদো কাইটি। তই এনেয়ে ভুল বুজিছ।

ভেদো : ইহ্ নাজানো বুলি ভাবিছ তহঁতৰ কাণ্ড। অমৰা খাব যদি আহিছই ইয়াতে বহি কিহৰ মেল পাতি আছ।

ৰতন : নহয় মানে এইকণ ঠাই দেখিলে বহো বহো লাগে, ঠাইকণ বৰ আপোন অ' কাইটি। সেয়ে অমৰা খাই খাই ইয়াতে বহি এনে কিবা কিবি কৈ আছিলো।

ভেদো : চুপ থাক কুকুৰৰ পোৱালি। তহঁতৰ কথা গোটেই গাঁওখনে জানে। এতিয়া আমাক শিকাব নাহিবি বুজিছ।

(ভেদোৰ বন্ধু)

কমল : কি কৱ অ' ভেদো, ইহঁতচোন আমাতকৈও ওপৰত। এতিয়াৰ পৰা এই চব ধান্দা হা। আৰু এইজনী, চাল্লা আমি মাত লগালে... কাতিমহীয়া কুকুৰণীৰ দৰে টেঙটেঙাই উঠিব আৰু এতিয়া চা তাইৰ পোৰণি।

সোণপাহি : (খঙত একো নাই হৈ) আমি ইয়াত বহি আছো তোৰ কি হ'ল? তোৰ বাপেৰৰ জেগা নেকি? একেপাত চৰতে গোটে কেতা দাঁত সৰুৱাই দিম বাপ্লেকে।

ভেদো : কি কলি তই? কাক মাৰ? তই হা। আহ আহ এইফালে মাৰহি আহ আহ। (খেদি গৈ)

ৰতন : অ' কাইটি অ' কাইটি হ'ব দে। আমি যাম দে, আমাৰ ভুল হৈছে দে এতিয়া কাজিয়াখন নকৰিবি অ'। অই সোণ ব'ল ঘৰত ব'ল।

সোণ : তই কিয় ভয় কৰিছ ইহঁতক। আমি কিবা ইহঁতৰ বাপেকৰ জেগাত বহি আছো নেকি কিবা।

ৰতন : এহ হ'ব, ব'ল অ' (ৰতনে জোৰ কৰি তাৰপৰা লৈ যায়)

## (ষষ্ঠ অংশ)

(সোণপাহিয়ে বাৰী জেংখৰি কাটি কাটি বিয়াগীত গাই আছে)

সোণপাহি : মাৰাৰ অলংকাৰ থোৱা কাতি কৰি
অ' ৰাম দেউতাৰ অলংকাৰ থোৱা হে
না না না...

জেতুকী : (সোণপাহিৰ ওচৰলৈ যায়) তোক কিমান দিনৰ পৰা কৈ আছো ৰতনৰ লগ নালাগিবি বুলি। কাণত কথা নিবিন্ধে নেকি?

সোণপাহি : ইহ্ তাৰ লগত চোন সৰুৰ পৰাই লগ লাগো। তাৰ বাহিৰে মোৰ কোনো লগেই নাই। সৰুতে চোন তইয়ে মোক তাৰ লগ হ'বলৈ দিছিলি পুতুকণহঁতে মোৰ লগ নহয় কাৰণে।

জেতুকী : সৰুৰ কথা বেলেগ আৰু এতিয়াৰ কথা বেলেগ। তই এতিয়া ডাঙৰ হৈছ আৰু সিও ডেকা হৈ আহিছে। কিবা এটা নহ'বলগীয়া হ'লে...। গাঁৱৰ তিৰোতা মখাই কিমান বু বু বা বা কৰি আছে জানানে? যদি পিতায়েৰাই গম পাই... মই কি উত্তৰ দিম কচোন? (কান্দি) মোৰ মূৰটো নাখাবি অ' আইজনী।

সোণপাহি : এ মাই কিনো বাই থাক অ' তই মই হ'লে একো বুজি পোৱা নাই। হ'ব দে নহও তাৰ লগ আজিৰ পৰা। অকলে থাকিম দে।

জেতুকী : আহ, হ'ব আহ পাছত কাটিবি জেং। ভাত খা হি।

সোণপাহি : (কিবা ভাবি) ওম।

## (সপ্তম অংশ)

(সোণপাহিয়ে পাছফালৰ পুখুৰীত হাঁহৰ আহাৰ দি আছে)

সোণপাহি : আহ আহ আহ টি টি টি

(ৰতনে পাছফালে দি আহি আঁহতডালৰ তলৰ পৰা মাত লগাব ধৰিছে)

ৰতন : অই... অই... অই... সোণপাহি

সোণপাহি : (তাই ইফালে-সিফালে চাই ৰতনক দেখে) কি অ'?

ৰতন : আহ ফুৰি আহো।

সোণপাহি : ব'ল। (কিবা এটা চিন্তা কৰি) এহ নেলাগে দে মাইয়ে গালি পাৰিব। মায়ে তোৰ লগত... (ক'ব খুজিও ৰৈ গ'ল)। মোৰ ইচ্ছা নাই আজি যাব।...

ৰতন : এহ্ একেবাৰে বৰ যাব নোৱাৰাডাল হৈছে। মই আকৌ তোক কুঁহিয়াৰ খেতিলৈ কুঁহিয়াৰ খাব নিম বুলিহে ভাবিছিলো।

সোণপাহি : সঁচাই। আগৰ পৰা ক'ব নাই তই, ব'ল ব'ল। মাই দেখা নাপাওতে ব'ল।

ৰতন : নালাগে দে তই যাব, মই অকলে যাম। তোক খুৰীয়ে গালি পাৰিব নহয়। তই থাক, মই যাওঁ।

সোণপাহি : এনে কৈছো অ' মই, যামে মইয়ো আহ হা...। (আদৰৰে)

ৰতন : হ'ব দে ব'ল এতিয়া আদৰ ধৰিব নালাগে।

## (অষ্টম অংশ)

সোণপাহি : এইডাল ভাঙি দে অ'।

ৰতন : ৰহ মোৰডাল ভাঙি লওঁ। হেই এডাল মিঠা নাই। দে ভাঙি দিও তোৰ ডাল।

সোণপাহি : হো ল'। গাঁঠিটোও কামুৰি দিবি। মই নোৱাৰো।

ৰতন : তোৰ দাঁতত জোৰ নাই যা। বুঢ়ী হ'লি

আৰু তই।

সোণপাহি : এক চৰ দিম।

ৰতন : আৰু মই চাই থাকিম? এহ গোটেইখন পৰুৱা দেখোন অ' ইয়াত। এ সোণপাহি গাত পিপৰা উঠিছে গোটেই। চা চা আঁতৰাই দে নহ'লে কামুৰিব।

সোণপাহি : এহ... এইবোৰ ক'ৰ পৰা আহিল। আই ঐ কামুৰিছে। ধেৎ কিবা (পিপৰাবোৰ আঁতৰাই)

ৰতন : কুঁহিয়াৰৰ গোন্ধ পাইছে চাগে (হাঁহি হাঁহি)ঙ্গ

সোণপাহি : মোৰ গাতহে উঠিব পাই। (চক খোৱাৰ দৰে কৰি)। এ তোৰ গাতো উঠিছে। ইছ্ ৰাম।

ৰতন : চাওঁ চাওঁ আঁতৰাই দে। এইখিনিতে পিপৰাৰ দম আছে ছাগেঙ্গ নহ'লে তোৰ পৰাই আহিছে।

সোণপাহি : চাও এহ এহ (পিপৰা গুচাই গুচাই) ইমানকে নো উঠিব লাগে নে।

ৰতন : সোণপাহি তোৰ ডিঙিতঙ্গ (লাহেকৈ সোণপাহিৰ ডিঙিৰ পৰা পিপৰা এটা টিকলাই দিয়ে)। (দুয়ো ওচৰ চাপি আহিল, হয়তো বেছিয়ে ওচৰ)।

সোণপাহি : তোৰ কাণৰ কাষত এইটো। ফু...

(দুয়োৰে শৰীৰ দুটা জাগি উঠিল। প্ৰথম যৌৱনৰ প্ৰথম উত্তেজনা)

ৰতন : সোণ। তোক বৰ মৰম লাগে অ'।

সোণপাহি : ৰতন...। (দুয়ো দুয়োকে সাবটি ধৰে আৰু এটা সময়ত দুয়োৰে লেহুকা হৈ পৰা শৰীৰ দুটা মাটিত বাগৰি পৰে। দুয়োটাই কিছুসময় সাবটি ধৰি মাটিত বাগৰি থাকে।

(হঠাৎ ক'ৰবাৰ পৰা এদল ডেকা ল'ৰাৰ উত্তপ্ত মাত সিহঁতৰ ওচৰত)

ভেদো আৰু বন্ধুবৰ্গ : এহ পাই গ'লো অ' আজি। অই হ'ব দে উঠ উঠ (চবে কিৰিলি পাৰি উঠে)

কমল : হতচিৰি যোৱা হঁত। অই কি চাই আছ তহঁতে মাৰ ইহঁত দুটাক আৰু ধৰি ল আগত। বান্ধি থব লাগিব এই অমৰাডালত। ধৰ ধৰ (ভেদো আৰু লগৰবোৰে পিশাচৰ দৰে সিহঁতক গুৰিয়াব ধৰিলে আৰু সোণপাহিৰ চুলিত ধৰি চোঁচৰাই লৈ গ'ল)।

সোণপাহি : আই ঐ মাই এ মোক বচা এ (তাই আৰ্তনাদ কৰি উঠিল)।

ৰতন : (সি আঘাত পাই থোকাথুকি মাতেৰে কয়)

তাইক এৰি দে অ' কাইটিহঁত। কাবৌ কৰিছো অ' কাইটি।

ভেদো : (গৰজি উঠিল) চুপ মাৰি থাক হতচিৰী যোৱা চাল্লা চুৰাৰৰ বাচ্চা পিৰিটি দেখাব আহিছ। ডেকা বয়সৰ পোৱনি উঠিছে হা। গাঁৰৰ ডেকাবোৰকো তোৰ দৰে কৰিব খুজিছ আৰু এই জহনীজনী। কি অ' তোৰ লগৰ ছোৱালী নাই নেকি? এতিয়াহে বুজিলো চালিক ল'ৰা লাগে খজুৰতি বেছি হৈছে ন...

(এইবুলি সি এচাৰি এডালেৰে তাইক কোবাব ধৰিলে আৰু নানান অশ্লীল ভাষাৰে গালি-গালাজ)

সোণপাহি : (চিৎকাৰ কৰি উঠে) এৰি দে বুলিছো মোক আৰু ৰতনৰ গাত হাত কিয় দিবি তহঁতে। (বিষত চিঞৰি উঠিল) আহ্... ৰতন এ... পিতাই এ... মায়ে ... আ আ আ হা হা (কান্দি উঠিল)।

ভেদো : অই ইহঁতক গাঁওবুঢ়াৰ চোতাললৈ লৈ ব'ল। (চবে কিৰিলি পাৰি উঠিল)

অ' লৈ ব'ল ধৰ... দুয়োটাকে একেলগে হাত দুটা বান্ধি লৈ ব'ল।

দুয়োটাকে গতিয়াই গতিয়াই লৈ গৈ থাকিল। পাছফালে বেঙুপাৰ্টিৰ দৰে ল'ৰাবিলাকৰ কিৰিলি,





যেন নতুন জীৱ ধৰি অনাৰ দৰে।

## (নৱম অংশ)

(গাঁওবুঢ়াৰ চোতালত গোটেই গাঁওখনৰ মানুহৰ ভিৰ। তাৰ মাজতে সোণপাহি আৰু ৰতন আঁঠু কাঢ়ি আছে আনফালে গাঁওবুঢ়া আৰু মহৰী আৰু দুজনমান বয়সস্থ ব্যক্তি)

গাঁওবুঢ়া : ৰাইজ আমি এইকেইজনে আলোচনা কৰি এইটোৱে সিদ্ধান্ত ল'লো যে যিহেতু ইহঁতে এটা মহাপাপ কৰিছে, এটা অবৈধ সম্পৰ্ক বুলিয়ে ক'ব পাৰি যাৰ দ্বাৰা আমাৰ গাঁৰৰ অন্য ভাল ল'ৰা-ছোৱালীখিনিও বিপথে পৰিচালিত হ'লহেঁতেন, গতিকে ইহঁত দুয়োটাকে ৰাইজে বিচৰাধৰণে মুখত কাজল সানি চুণৰ ফোঁট দি গাঁৱে গাঁৱে ঘূৰালে হ'ল আৰু লগতে নামঘৰৰ বাকৰিত আঁঠু লৈ ক্ষমা বিচাৰি ঘৰৰ মানুহক কৈ গাঁৰৰ ৰাইজক ভালকৈ এসাঁজ খুৱাই প্ৰায়শ্চিত্ত কৰিলে হ'ল।

(আটাই যে কিৰিলি পাৰি উঠিল। তিৰোতাসকলে বতাহ যোৱা দি গৈ সোণপাহিৰ গালে-মুখে চৰিয়াব ধৰিছে। ইফালে ডেকাকেইটাই কাজল সানিবলৈ ধৰিলে)

(চাৰিওফালে আনন্দ-উল্লাস যেন নতুন এক উৎসৱ)

## (দশম অংশ)

জেতুকী : (বাৰান্দাত বহি কান্দি) এই জন্মতেই মৰি যাব লাগিছিল। মোক শান্তিত জীয়াই থাকিব নিদিলে অ' আই। কি জন্মৰ পাপৰ ফলত মই এইৰ মাক হ'লো অ'।

সোণপাহি : মই কি পাপ কৰিলো অ' মাই। অ' পিতাই মোক ক্ষমা কৰি দে অ' (আদৰ কৰি কয়)

জেতুকী : কাৰ ওচৰত আদৰ ধৰিব আহিছ হা। বেঙী দেখুৱাব আহিছ। কুকুৰনী। এতিয়া ৰাইজখনক কাৰ মূৰটো খুৱাও। বাপেৰে যে চলিব নোৱাৰা হৈছে দেখা নাপাব। আমাক ৰাইজৰ আগত মুখ উলিয়াব নোৱাৰা কৰিলে অ' গোসাঁই (চিঞৰি চিঞৰি কান্দে)। (হঠাৎ চিৎকাৰ কৰি) অই জহনী জাইটি ওলা, তই এতিয়াই ওলা, ওলা, তই নালাগে মোৰ ঘৰত থাকিব। ওলাই যা যা। (মাকে এক প্ৰকাৰৰ প্ৰচণ্ড জোৰেৰে গতিয়াই দিলে তাই ওফৰি গৈ পদূলিতে থেকেচা খাই পৰিল)।

আৰু এইৰ কাপোৰবোৰঙ্গ.. ৰহ...। অহ জ্বলাই দিও জ্বলি নোহোৱা হৈ যাক।

(মাক আৰু সোণপাহিৰ মাজত একুৰা জুই দপদপাই জ্বলি থাকিল তাই লাহে লহে শলখাডাল খুলি বাটৰ ফালে খোজ দিলে)

## (একাদশ অংশ)

ৰমেনৰ মাক : (ফুচফুচাই কোৱাৰ দৰে) অ' সেইজনী সৌ যাগৈ থকাজনী সোণপাহি নহয়নে?

সেউতী : হয় এ বাই ক'ত বা যায় আকৌঙ্গ ইমান নিলাজ এইজনী। আমাৰ মাইনাকটো মই এইৰ কাষ চাপিবলৈ নিদিও।

ৰমেনৰ মাক : হয়তো দে ইমান মাৰধৰ খোৱাৰ পাছতো আৰু ক'ত বা ওলাই যায়। এইৰ নিচিনা ছোৱালীৰ কাৰণে আমাৰ মুনুহঁতেও বেয়া হ'ব বুলিহে ভয় লাগে। পিছে এই বোলে সেই ৰতন বোলাটোৰ লগত প্ৰায়ে এইবোৰ কৰি থাকে... মানে সেই... বুজিছঙ্গ সেই কাৰণেহে হাবিয়ে-বননিয়ে ঘূৰি ফুৰে।

সেউতী : কি কৰ অ' বাই (কৃষ্ণ কৃষ্ণ)ঙ্গ এইবোৰ কি ছোৱালী অ'। জন্মৰে দোষ নেকিঙ্গ

আমিও ডেকা বয়স পাৰ কৰিছো আইহাৰে, এনেহেন কাণ্ড কাহানিও শুনিও পোৱা নাই কৰিও পোৱা নাই। পিছে ৰাইজখনক লৈ ভোজভাতৰ ব্যৱস্থা কৰিলেনে নাই বা মাক-বাপেক হালে?

ৰতনৰ মাক : থ' হাৰে। খুৱাব তোক ভোজভাত। পাপিষ্ঠৰ বংশ এইবোৰ। তই তাকেই আশা কৰ দে।

সেউতী : হয়ো দে আমাৰনো কি, নিজৰ ল'ৰা-ছোৱালীকেইটা ভালে থাকিলে হ'ল।

**(দ্বাদশ অংশ)**

(ৰতন আৰু সোণপাহি আকৌ জানৰ পাৰত বহি বাৰ্তালাপ কৰি আছে)

ৰতন : কি কৰিবি এতিয়া?

সোণপাহি : (চিন্তা কৰি) মৰো দে

ৰতন : হা...

সোণপাহি : অ'অ'.. মৰো দে আৰু আৰুনো কি কৰিম।

ৰতন : পাৰিবি জানো তই। কষ্ট নাপাবি তই।

সোণপাহি : এহ্ মৰাতকৈও ডাঙৰ কষ্ট পাই উঠিলোচোন। মৰোতে আৰু কি কষ্ট পাম। অকণমান সময়হে কষ্ট হ'ব...

ৰতন : হ'ব দে তেনেহ'লে...

সোণপাহি : আহ জানতে...

ৰতন : ব'ল সৰুতে জঁপিওৱাৰ দৰে। এক দুই তিনি... (দুয়ো দৌৰি যোৱাদি জানৰ বুকুত জাঁপ দিলে... অত্যন্ত আনন্দত... মৃত্যু যেন এক শান্তি, মুক্তি)।

**(ত্ৰয়োদশ অংশ)**

(জানৰ ঘাটটোত দুজনীমান সৰু ছোৱালী স্কুলৰ পৰা জিৰণিৰ সময়ত অমৰা বিচাৰি আহিছে।)

সৰু : (টেঙা খাই খাই) এই আচমা আমি যে ইয়াতে আহিছো, এটা কথা জাননে নাই...

আচমা : কিনো?

সৰু : আমাৰ মাহঁতে সৰু থাকোতে এই জানটোতে বোলে এহাল ল'ৰা-ছোৱালীয়ে আত্মহত্যা কৰিছিল?

আচমা : হেঙ্গ কিয়? (আচৰিত হৈ)

সৰু : কিবা বোলে বেয়া কাম কৰিছিল তাহাঁতে। তাৰ পাছত বোলে গাঁৱৰ মানুহে শাস্তি দিছিল। সেইবোৰ সহিব নোৱাৰি হেনো এনে কৰিলে।

মণি : তেনেহ'লে ইয়াৰ পৰা ব'ল সোনকালে। তাহাতৰ আত্মাই দেখা দিয়ে যদি... মোৰ বৰ ভয় লাগিছে অ'...

আচমা : হয়ো দে। সৰু, তই আমাক আগতে কিয় কোৱা নাই? ঘৰত গৈ জাৱা তেল সানি ল'ব লাগিব গাত।

মণি : (হঠাৎ ওপৰৰ পৰা এটা অমৰা সৰি পৰে) অ' মা ভূত ভূত, আচমা দৌৰ দৌৰ...

(আটাইকেইটাই চক খাই ভয়তে তাৰ পৰা কিৰিলি পাৰি দৌৰ দিয়ে) ❑





# দীপ্তেশ্বৰী দেৱালয়


ৰঙিয়া চহৰৰ পৰা তিনি কিলোমিটাৰ দূৰৈত পুঠিমাৰী নদীৰ পাৰত আছে ঐতিহ্যমণ্ডিত দীপ্তেশ্বৰী দেৱালয়।

প্ৰবাদ আছে যে প্ৰাচীন কালত মা অন্নপূৰ্ণা দেৱীয়ে এই স্থানতে দীপকাসুৰ নামৰ অসুৰক এই স্থানত বধ কৰিছিল। অসুৰ নিধনৰ সময়ত তেওঁৰ মুখমণ্ডল অপূৰ্ব দীপ্তিৰে উজ্জ্বলি উঠা বাবেই হেনো এই দেৱালয়ৰ নাম হয়গৈ দীপ্তেশ্বৰী দেৱালয়।

আহোমৰ ৰাজত্ব কালত স্বৰ্গদেউ ৰুদ্ৰসিংহই দীপ্তেশ্বৰী দেৱালয়ৰ নামত ক্ৰমে ২৮৬ বিঘা আৰু ১০৩০ বিঘা মাটি দান কৰাই নহয়, পশ্চিমবংগৰ নদিয়া জিলাৰ পৰা পুৰোহিত আনি পূজা-অৰ্চনাৰ ব্যৱস্থা কৰে।

অন্যতম শক্তিপীঠ হিচাপে পৰিচিত দীপ্তেশ্বৰ দেৱালয় এতিয়া অসমৰ হিন্দু ধৰ্মাৱলম্বী ভক্তপ্ৰাণ ৰাইজৰ প্ৰতি আদৰৰ স্থান।

প্ৰতিবছৰে ইয়াত উলহ-মালহেৰে ৰাস মহোৎসৱ উদ্‌যাপন কৰা হয়।



# জীৱন

নৱনীতা কলিতা
চতুৰ্থ ষাণ্মাসিক

জীৱনৰ ভৰদুপৰীয়া
বিচাৰিছো জীৱনক
কেতিয়াবা মুকলি আকাশৰ তলত
কেতিয়াবা বন্ধ কোঠাৰ মাজত
পূৰ্ণিমাৰ ফৰিংফুটা জোনাকতো খেপিয়াইছোঁ
জীৱনৰ ভিন্নৰঙী টুকুৰাবোৰ
অথচ আউসীৰ আন্ধাৰতো দেখিছোঁ
জীৱনৰ ৰং যে ছাইবৰণীয়া
সঁচাই জীৱন বৰ অনুপম
কেতিয়াবা লগ পালে সুধিম
ই কিয় বাৰু ইমান বিচিত্ৰ?
সঁচাই জীৱনৰ ৰং ছাইবৰণীয়া নে ৰঙা
হয়তো ক'লাও হ'ব পাৰে
জীয়াই থাকিবলৈকে কৰে জীৱনে জীৱনক বিচিত্ৰ
কেতিয়াবা পাৰ ভঙা উৎসাহ, আনন্দ দি আৰু
কেতিয়াবা বুকুত শিল হে পৰা যন্ত্ৰণাবোৰ দি
কিন্তু যন্ত্ৰণাবোৰৰো জানো আয়ুস নাথাকে
নিশ্চয় থাকে
যন্ত্ৰণাৰো আয়ুস শেষ হয়
অথচ জীৱন থমকি নৰয়।
সপোন বিচাৰি জীৱন হেৰাই
তথাপিও জীৱনক কেতিয়াও বুজা নাযায়।


# অনুভৱ

মলয়া কলিতা
তৃতীয় ষাণ্মাসিক

লিখিবলৈ লৈয়ো থমকি ৰওঁ
তোমাৰ নামৰ কবিতা,
নিষ্প্ৰাণ আখৰেও যেন লাজ পাই
দেখি তোমাৰ হৃদয়ৰ সুন্দৰতা।

ইমানো বহল মনৰ নহ'বা
যেন সাগৰেও ঢুকি নাপায়,
ইমানো ধুনীয়া নহ'বা যেন
লহপহীয়া গোলাপৰ পাহিয়েও মুখ লুকাই

মোৰ গোপন মনৰ গৰাকী তুমি
তোমাকলৈয়ে প্ৰতিটো ৰঙীন সপোন,
কেৱল মোৰ অশ্ৰুজলেৰে চিকুনাম
হৃদয়ৰ ৰঙীন দাপোন।




## উত্ৰাৱল মন

তুলিকা কলিতা
দ্বিতীয় ষাণ্মাসিক

উল্লাসিত মন
হৃদয়ৰ বান্ধোন
হৃদয়েৰে কৰা
উত্ৰাৱলতাক সংযম
মন উত্ৰাৱল
উত্ৰাৱলতাক নিয়ন্ত্ৰণ কৰা
উত্ৰাৱলতাই ধ্বংস মাতে
মন ভাগে
দূৰত্ব বাঢ়ে
বুজাবুজিৰ অভাৱ ঘটায়
উত্ৰাৱলতাই কঢ়িয়াই আনে
ভুল স্বীকাৰ কৰিব নোৱাৰাৰ
এক মানসিকতা
সৰু-ডাঙৰ
চিনিবলৈ নিবিচাৰে
নিজৰ উদ্দেশ্য সিদ্ধিত মগন থাকে উত্ৰাৱলতা
খং-ৰাগেৰে উপচি থাকে দেহ
উদ্দেশ্য সফল নোহোৱালৈকে থাকে জেদ
উত্ৰাৱলতাক সংযম কৰাজনেই হয় গুণী
মন-বুদ্ধিৰে লাহে লাহে কৰে
উদ্দেশ্য সিদ্ধি...

## শিক্ষাগুৰু

লভিতা কুমাৰ
তৃতীয় ষাণ্মাসিক

হে শিক্ষাগুৰু মোৰ, তুমি মহান অতিকৈ মহান
তুমিয়েই অন্ধৰ নয়ন, তিমিৰৰ পিছৰ স্নিগ্ধ কিৰণ
সিম্যাৰ সততা, অজানীৰ জ্ঞান আৰু
তোমাৰ হাতৰ পৰশে, চৌদিশে আমোলাইছে
কি অপৰূপ সৌন্দৰ্য তোমাৰ
পূব-পশ্চিম, উত্তৰ-দক্ষিণ সৰ্বত্ৰে বিচৰণ
তুমিয়েতো স্বৰ্গ-মৰ্ত এক কৰিছা
অসত্যৰ মাজত পোহৰৰ ফেহুজালি হৈ
আজিওচোন ইতিহাসৰ পাতত তোমাৰেই গুণ গান
বিশ্বৰ আচৰিত সাতোটিৰ সৃষ্টি একে আমাৰ প্ৰাণ
নহয় জানো তোমাৰেই জ্ঞান






## অনুৰূপা

জিন্তি দেৱী
তৃতীয় ষাণ্মাসিক

আঘোণ নে ব'হাগ
শীত নে গ্ৰীষ্ম
শেৱালি নে গোলাপ
তুমি কি বিচৰা...
মৰুময় দুনিয়াত
তুমি জানো ভালপাব নিবিচৰা
আঘোণৰ সোণোৱালী শইচ
ব'হাগৰ ৰঙীন ৰঙেও
তোমাকে বিচাৰে...
শেৱালিৰ সুগন্ধত
গোলাপৰ পাহিত
তোমাকে বিচাৰি ফুৰে
ফাগুনি মনে...
পুহ-মাঘৰ জাৰত
শীতেওঁ তুমি অহাৰ
কথাকে কাণে কাণে কয়।
কোৱা অনুৰূপা
প্ৰেম নিবেদন কৰিবলৈ
তৰা, জোন আনিবলৈ কিয় কোৱা?
সামৰ্থ অনুসাৰে
মোক বিচাৰি চোৱা
ওচৰতে মোৰ মুখনি পাবা...
হৃদয় নভঙাৰ শপত দিবলৈ পাৰোঁ
অথবা দলিলত চহী কৰি দিব পাৰোঁ।
জোখতকৈওঁ অত্যাধিক মোৰ ভালপোৱা...
তৰা-জোন দিবলৈ নোৱাৰিলেওঁ
পৃথিৱীৰ আটাইতকৈ সুখী মানুহজনী গঢ়ি তোলাৰ দায়িত্ব
ল'ব পাৰোঁ।
আকৌ, এবাৰ কওঁ
মোৰ ভালপোৱাৰ পৃথিৱীত আহি চোৱা...
দেখুৱাই দিম
অথবা প্ৰমাণ কৰি দেখুৱাই দিম
মোৰ ভালপোৱাত নাই কোনো কৃত্ৰিমতা...



## গভীৰ বিষণ্ণতা

নয়নমণি শইকীয়া

সময় উকলি গ'ল
হৃদয়ে থমকি ৰ'ল
বিযাদৰ বৰষুণ নামিছে
স্মৃতিৰ কথা সুঁৱৰি
দূৰৰ তৰাটিয়ে চকুলো টুকিছে
গভীৰ নিশাও সেমেকিছে
আশাহীনতাই আৱৰিছে
মোৰ গভীৰ মনক
বিষণ্ণতাই আওচি ধৰিছে
মোৰ সপোনৰ কাৰেঙক
এজাক বতাহ আহিব দিয়া
লৈ যাব দিয়া
মোৰ জীৱনৰ বিষণ্ণতাক।

## চাকৰিৰ আশা

✍ বিৰাজ ৰয়

যিদৰে নদীৰ পানী শুকাই বাঢ়ি আহে
বৃক্ষৰ পাতবোৰ সৰি নকৈ গজি উঠে
মোৰ কপালত তুমি কেতিয়া উজ্বলিবা ?
পলে পলে সময়ৰ সোঁতত
মোৰ অপেক্ষাৰ অন্ত পৰিব।
ব'হাগৰ তলিত নাচি ফুৰাৰ দৰে
যেন নাচি উঠিব মন
চাকৰিৰ আশাতেই
কোনো কামতে হাত দিয়া নাই মই
অৱহেলা কৰা নাই কোনোদিনো
মই হয়তো হওঁ অৰ্থহীন কিন্তু
তোমাক কোনোদিনেই দিয়া নাই বদনাম
তোমৰ আশাতে ৰৈ আছোঁ
তোমাৰ আশাতে ৰৈ থাকিম
কিমান দিন তুমি নোহোৱাকৈ থাকিবা
আন্ধাৰ আঁতৰি জোনাক হ'ব
দিন আঁতৰি ৰাতি হ'ব
মনৰ মাজত দৃঢ় বিশ্বাস
এদিন তুমি মোক আদৰি ল'বা
মোক কৰিবা তোমাৰ ভৱিষ্যৎ।

## সুখবোৰ ক্ষন্তেকীয়া

✍ জিতুমণি দাস

সুখবোৰ ক্ষন্তেকীয়া
বিষাদ সদায় চিৰযুগমীয়া
তোমাৰ সংগবোৰ ক্ষন্তেকীয়া
মোৰ নিসংগতাবোৰ চিৰযুগমীয়া।।
তোমাৰ হাঁহিবোৰ
তোমাৰ কথাবোৰ
তোমাৰ আশাবোৰ
তোমাৰ প্ৰতিশ্ৰুতিবোৰ
সকলোবোৰ আছিল ক্ষন্তেকীয়া।।
আৰু মোৰ প্ৰতিটো শব্দই আছিল চিৰযুগমীয়া
গতিকে মোৰ হৃদয়ত আজিও সকলোবোৰ
চিৰযুগমীয়া হৈ ৰৈ গ'ল।।
কেৱল সলনি হ'লো মই,
কাৰণ এতিয়া মই ক্ষন্তেকীয়া
বস্তুৰ সৈতে বন্ধুত্ব কৰা এৰিলোঁ দিয়া।
লগতে এৰিলোঁ মই মোৰ সৰলতাবোৰ।
আঁকোৱালি ল'লো তোমালোকৰ দৰে কুটিলতা
জটিলতাবোৰ।
এৰিলো মই সেই মানুহৰ মিঠা মিঠা কথাত আৱেগিক
হোৱা স্বভাৱবোৰ।।
আজিকালি মই অলপ শিকিছোঁ কঠোৰ হ'বলৈ।।
শিকিছোঁ মই নিমিষতে আপোনতকৈয়ো আপোনবোৰক
পাহৰি যাবলৈ।।
শিকিছোঁ মই অকলে থাকিবলৈ
অকলে হাঁহিবলৈ
নিজক সন্মান দিবলৈ
নিজৰ বাবে জীয়াবলৈ
অৱশেষত ধন্যবাদ তোমালৈ
শিকাই গ'লা এই
অপদাৰ্থক জীৱনটোক এটি
অন্য দৃষ্টিৰে চাবলৈ।।










## ৰঙিয়া মহাবিদ্যালয়

✍ পাৰ্থপ্ৰতীম শৰণীয়া

হে ৰঙিয়া মহাবিদ্যালয়
তুমি দিলা আমাক
বিদ্যাৰ চাবি-কাঠি
তোমাৰ বাবে মাথোঁ তোমাৰ বাবে
উজলিছো আজি
সমাজৰ আগত,
হে ৰঙিয়া মহাবিদ্যালয়
তুমি আমাক শিকাইছিলা
সমাজত কোনো জাতি-ভেদ প্ৰথা নাই,
আছে মাথোঁ মিলাপ্ৰীতি
তুমিয়ে শিকাইছিলা আমাক কাৰো লগত শত্ৰুতা নকৰিব
কৰিব মাথোঁ মিত্ৰতা
তুমিয়েইটো শিকাইছিলা
শিক্ষকক শ্ৰদ্ধা কৰিবা
জ্যেষ্ঠজনক সন্মান কৰিবা
কণমানিক মৰম কৰিবা
এয়াই হ'ল প্ৰকৃত ধৰ্ম
তুমিয়ে কৈছিলা আমাক
সাধনা কৰি জীৱন গঢ়া
তেতিয়াহে জীৱনত সফলতা অৰ্জন কৰিব পাৰিবা
হে ৰঙিয়া মহাবিদ্যালয়
তোমালৈ মোৰ শত-সহস্ৰ প্ৰণাম
হে ৰঙিয়া মহাবিদ্যালয়
তুমি গোলাপৰ পাহিৰ দৰে চিৰকাল জিলিকি থাকা।।

## অনামী অনুভৱ

✍ মূৰ্চ্ছনা কলিতা
দ্বিতীয় যাণ্মাসিক

আকাশৰ নীলাবোৰ আহি
মোৰ স্বপ্নাতুৰ দুচকুত
তন্দ্ৰা নমাইছে
প্ৰতিটো উশাহে কৈ গৈছে
মিঠা মিঠা লগা
তোমাৰ হাঁহিটিৰ কথা
মোৰ কলমেৰে নিগৰা
প্ৰতিটো শব্দৰ ছন্দই
গঢ় দিছে তোমাৰ সেউজীয়াক
তুমিটো নাজানা
কত সহস্ৰ বিনিদ্ৰ ৰাতি
পাৰ কৰিছো
জোনাক বিচাৰি
ৰৱযুণৰ টোপালত বিচাৰি ফুৰো
নিয়ৰসনা গোলাপৰ পাপৰি যেন
তোমাৰ হাতৰ চেঁচা পৰশ
কোনো গাভৰুৰ নৃত্য-চপল ভৰি
অথবা কলডিলীয়া দেহে
মোক আলোড়িত নকৰে
আলোড়িত কৰে তোমাৰ
বাংময় নিৰৱতাৰ অবিচ্ছিন্ন ধাৰাই
যি মোৰ কামিহাড়ৰ মাজেৰে
সৰকি গৈ হৃদয় স্পৰ্শ কৰে।



## সংগ্ৰামী

✍ গৌতম কলিতা

পূণ্য কৰা হে ভাই
জাতিৰ নিস্তাচাৰী
গলাগপা কৰা সকলোৰে, যাতে নহয় ঘটনা ফৌজদাৰী।
ভোকত পীড়িত হৈ এক গণ্ডুষতে সুধা পান কৰি
হ'ম বুলি ভাবিছিলো অমৰঙ্গ
অবিনাশী হৈ থাকিবৰ মন আছিল
ভাবিছিলো যন্ত্ৰণা নাপাও যমৰ
তুযানলৰ দৰে উমি-উমি জ্বলিছিল দ্বন্দ
কৰিছিলো সকলোকে অপ্ৰমাদী
নগণ্য আছিলো আপেক্ষিকভাৱে
আছিলো সন্তীয়া
ধামখুমীয়া পাক ধৰিব নোৱাৰি কৰিছিলো আনক পৃষ্ঠপোষকতা
চক্ৰবেহুত পৰি বধ হৈছিল সতীৰ্থ বহুতৰে
বিখ্যাত হৈয়ে ৰ'ল সিহঁত
এতিয়াও নাম শুনো সকলো মনুষ্যৰ মুখে-মুখে
দেশৰ বাবেই শ্বহীদ হ'ল সিহঁত
দেশ বচাব পাৰিম বুলি
একাংশৰ পৰা বাচিলেও দেশ
আকৌ একাংশৰ হ'ল বলি।

## সময়

✍ ৰীমা শৰণীয়া

ষষ্ঠ ষাণ্মাসিক

এটি সুৰুজৰ উদ্যমতাৰ আঁৰত
লুপ্ত হোৱা বেলিও
কিছুসময় পাছত
উদ্ভাসিত হৈ উঠে
সৃষ্টিৰ সলনি নাই
প্ৰাপ্তিৰ সময় আছে।

## সপোন

✍ সুস্মিতা বৈশ্য

সপোনে হাঁহিছে
সপোনে কান্দিছে
সপোনে কোমল অন্তৰত গজালি মেলিছে
সেই গজালিয়ে প্ৰাণ পাই লহপহকৈ বাঢ়িছে
কোমল অন্তৰৰ সুখ, দুখ, হাঁহি, কান্দোন, মৰম
আৱেগ, ভালপোৱাৰ সহায়ত
প্ৰাপ্তিয়ে সপোনক জীপাল কৰে
অপ্ৰাপ্তিয়ে সপোনক শিকাই
প্ৰবীণক অতীত কৰি
নবীনক আঁকোৱালি ল'বলৈ






## এজন নিবনুৱাৰ সপোন

✍ মাহমুদুল হাচান

আজিকালি সময়বোৰ অকণো ভাল নালাগে
বুকুৰ মাজত নজহা-নপমা জুই একুৰা
দাউদাউকৈ জ্বলে
সেই তপত বুকুৰ জুহালত
সপোনৰ নজ্বলোৱা মমবোৰ
সকৰুণভাৱে গলে
গলি-গলি মগজুৰ চেৰিব্ৰামলৈ আহে ঠিক...
ঠিক পিতাইৰ ঘামবোৰৰ দৰে
তথাপি সপোন দেখো
চিটিবাছৰ গেলা গৰমত
কান্ধৰ তলত বাহুৰে চেপি ধৰোঁ
সপোনৰ ডেউকাবিহীন চিলা
অথবা কঢ়িয়াই ফুৰো পিঠিত
ক'লা বেগটোৰে নম্বৰ-তালিকাৰ এজাপমান গধূৰতম্ বোজা
ভনীটি গাভৰু হ'লহি
কেতিয়াবা পিতাইক কাণ ঘোলা কৰি
সুধিবলে মন যায়
'পিতাই অ'
কিহৰ গৰজত তই বেচিছিলি মোৰ বাবে
হালৰ দমৰা দুটা
কি বিচাৰিছিলি মোৰ পৰা
তোৰ ৰ'দেপোৰা কলিজাখনেৰে
বন্ধকত যে থৈছিলি খেতিৰ মাটিডৰা
বিচাৰিছিলি ছাগে
নাঙলৰ সিৰলুৰে চহ কৰা বুকুখনত
সিহঁতে দিয়া মলম লগাবলে
গৰুহাল গ'ল
মাটিডৰাও যাব
থাকিম কেৱল মই??
কাৰবাবে?
কিহৰ বাবে?
অট্টালিকা সাজিম? ছিঃ
শোভা নাপায় আম...



## স্তৱক

✍ বৰ্ণালী ডেকা

দ্বিতীয় ষাণ্মাসিক

সপোন যদি সপোন হৈয়ে ৰয়
সপোনবোৰ দেখাৰ কি প্ৰয়োজন?
আপুনি যদি আপুনিৰ পৰা তুমি নহয়
তেন্তে, অভিনয় কৰাৰ মজা কিহৰ?
ফুলপাহ যদি তোমাৰ কবিৰ পছন্দ
অকল্পনীয়ভাৱে ফুলপাহৰ
সুগন্ধ তোমাৰ নাকৰ আগত
তুমি-মই নিশাচৰ
তাকে ভাবি নজগাই নাথাকো নিশাৰ পক্ষীক
আকাশত উৰিম
উৰণীয়া পাখি মেলি
ভালপোৱাৰ দিনলিপি লিখিম
সপোনবোৰ এটা এটাকৈ সজাই ৰাখিম
জিলমিল পোহৰত ৰচিম
অবিনাশী পোহৰৰ প্ৰেমিক পক্ষীজাকৰ কথা

## आंनि खन्थाय

✍ Chintam Sarma
BSC 2nd Sem.

उदां अखोरांनि बादि
आंनि खन्थाय,
आंनि खन्थाया नाथाय सिफायनो रोंगौ
रोजा रोजा दुखुनि माया।
आंनि खन्थाया
सिफायो खोमसि फोथायनायनि साया
आंनि खन्थाया सोरां होयो,
आंनि खन्थायाव दङ
रिता, रानी, एलिजानि माया।
ओंरैनो रोजा सुर होनानै
गावनि सिरि थानायखौ सिफायना
आंनि खन्थाय
उदां अखोरांनि बादि
आंनि खन्थाय।

## गोरबोनि खबाम

✍ Sunu Khakhlary, BA 1st Sem.

मोनाबिलि समनि गोजोन एमआव
जेब्ला - मेंग्लिनाय गोसोखौ गोजोनहोनो,
दान्दिसे जिरायो,
हरखाबनो गोसो सिङाव रिखांफैयो -
मिथिमोनै रावनि गाबख्रावनाय।
आसुं-आबुं जानानै खोनासङो आं
नाथाय रोखा जाया खोनानो मोना
मानि खबाम मानि राव ??
खोनासंथाव, बोजबना लाथाव आय,
बेसे गोदै सोरनि खवाम ?
जावले-जावले रिखांफैयोल, बै रावफोरा।
मेंग्लिनाय गोरबो सोलेरखौ आंनि
वेसेबांबा थाजिम खालामफैयो।
नागिरबायो आं अराय सिमांनि
रायजोआवनो नाथाय -
नोंदि थायो आंनि गोरबो-बिखायावसो।
जानोहागौ बेयो मोन्दांस हायि आंनि,
गोरबोनि खबाम॥





## लोगोफोर

✍ Biswajit Basumatary, B.Sc

जेराव लोगो मोनजेन्दोंमोन
बेनो जिउनि साबसिन बुब्लि
लोगोसेनो लादोंमोन सोलोंयाय
मिनिनाय रंजानाय आरोदि गोबां...।
जेराव गोरोवदोंमोन खौसेयै
माब्लाबा बावनो हागोन्ना ?
बे गोजोन समखौ
आरोदि बावथारनो हाया
हाखर सेरनि दंफां गुदियाव
जिरायनाय, हाले-हाले मिनिनाय।
बे रायखान्थि समादि मानो फैयो
मानो थुंगेनाय लाबोयो,
मानो मोदैनि बाना लाबोयो
मानोदि जोंखौ गावस्त्रा होयो।
थेवब्लाबो....
बे संसारनि सोलाय-सोल, समफोरा
आंनि गोसोआव जिवनि साबसिन
गोसोखांथि महरै जाखांफैगोन
लोगोफोर .....।

## हारसिं - हारसिं

✍ Ansuli Boro, B.A.

हारसिं हारसिं
मोनदों गोसो आंनि
लुनाय नै बे फिसा न, आव
गैया रावनिबो सोदोब
दंङबोला निजोम सिरि सिरि
आं गिखाङो
सोरबा सुथुर गाग्लोबनोसै नामा ?
थेवबो दं आं सिरियै
मिथिया आं मानो
बुजिया आंमानो
दंङ, हारसिं-हारसिं
गोमोदों आं गावखौनो
सोंदों आं गावखौबो
दिनै मानो नों हारसिं ?
गैया फिन होनो रावबो
दंङ, गोसोनि राव सानस्त्रि
फैयो गोसोआव आंनि सान्नाय
खोमसिनि गेजेर गेजेर
नागिरो आं सोरनिबा आगान
गैया माथो रावनिबो
थेवबो सुरदों आगान आंनि
हारसिं - हारसिं...।

# खोमसि हरनि दावज्ला दाउ

Amula Boro

रादाय थाखानाय खाप
फालि गाथ्नि .. खाखानापखाप
बावनो हाया नामा नों नोंनि थि बुब्लिखौ
गुरै गेश्रेम गारांखै लाननै
बरायफैयो नों सारनफ्रोमबो रिनि थि समावनो
खेवसारनानै होफैथो नों
फुंबिलि मोखंनि फालि गान्निखौ
सोर नों.... ?
दावस्त्रि बास्त्रिनाय खोमशि हराव अराय गाबो
नोंनि गोदै सोदोबनि गुथालखै खोनायोब्ला
आंनि बिखाया बागदाव खाङो
बवेनि माया जानानै नुजाफैदों नों
नोंहादि लोगोआव आय, होनाफाग्रा गैया आंगो
रावबो
गैया बिथं लाग्रा बिथं
थेवबो फैयां नों गावनि सिनायथि होनो
थेवबो गाराखै नों मुनुसनि रोनथिलियाव
आगान होनो
फैयो नामा होनो सिनायथि गावनि
ना बिदिन्था आयराखियाव गोलांना थानाय
उन्दुगादुराफोरखै नुनानै
समनि गुमुर नोनसयै
मानसिनि होंगोदोंगाजों नोंबो फैफाना
गावनि रैसुमै गारांजों फोजाख्रांनो ओंखारबोदों
ना नों नोंनि खर'खौ सुबुं माहारिनो जासिफैदों
ना नों शोमसिजों साग्लोबसारनाय रोनथिलिनि
सुबुं माहारिखै दावहानि थाखाय थियारि
खलामफैदों
थारैनो जानो हागौ
नोंनि मिजिङ दिनैनि आन्दाय हारा
जानानै थानाय
फालोनिफ्राय गावस्रानांनाय
गावनि बारिनि जेवरा दुमथोना लानो रोङि
आथिं बुफायजानाय दाफना बायजानाय
नङब्ला गविनि मुस्त्रि गोमालांनाय
सावगारिनि महरखै थिनानै
लाखिनो खाबलायफैदों... ।







# প্ৰতিবেদন

ভায়োলিনা কাশ্যপ
সভাপতি
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণতে মই আমাৰ দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। তেওঁলোকৰ এই ত্যাগৰ বিনিময়ত আমাৰ মাতৃভূমি অসম দেশ আজি বহুতো দিশত জিলিকি উঠিছে আৰু জিলিকিছে আমাৰ আপোন ৰঙিয়া চহৰৰ গৌৰৱ 'ৰঙিয়া মহাবিদ্যালয়'।

২০১৭ চনত মই ৰঙিয়া মহাবিদ্যালয়ত কলা শাখাৰ ইংৰাজী বিভাগত প্ৰথম যাণ্মাসিকত নামভৰ্তি কৰি উৎসাহেৰে কলেজীয়া জীৱনৰ পাতনি মেলিছিলো। এগৰাকী অসমীয়া মাধ্যমৰ ছাত্ৰী হিচাপে ইংৰাজী বিভাগত নামভৰ্তি কৰাটো সঁচাই মোৰ বাবে অলপ ভয় লগা আছিল যদিও আমাৰ বিভাগৰ ছাৰ-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ লগত মোৰ সকলোবোৰ সহজ-সৰল হৈ পৰিছিল। লাহে লাহে মহাবিদ্যালয়খনত মোৰ বন্ধু-বান্ধৱীৰ সংখ্যাও বাঢ়ি গ'ল। মহাবিদ্যালয়ৰ সকলো ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠানত আগভাগ লোৱা কৰিলো আৰু তেনেকৈয়ে মই 'ৰঙিয়া মহাবিদ্যালয় আছু গোট' আৰু 'ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা'ৰ এগৰাকী সাধাৰণ সদস্যা হৈ পৰিলো। লগতে মোৰ প্ৰত্যেকটো খোজতে মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ উৎসাহ বাঢ়ি গ'ল।

২০১৯-২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মই সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সুযোগ পালো আৰু মই এই নিৰ্বাচনত বিপুল ভোটত জয়যুক্ত হৈ সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰিলো। মোক এইকণ সুযোগ আৰু সহায়-সহযোগিতা কৰাৰ বাবে মই ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০১৯-২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মই ৰঙিয়া মহাবিদ্যালয় সৰস্বতী পূজাৰ সাধাৰণ সম্পাদিকাৰ দায়িত্বভাৰ পালন কৰাৰ সুযোগ পালো। মহাবিদ্যালয়ৰ ইতিহাসত ছাগে মইয়ে প্ৰথমগৰাকী ছোৱালী যিয়ে সৰস্বতী পূজাৰ সাধাৰণ সম্পাদিকা হিচাপে কাম কৰাৰ সুবিধা পাইছো আৰু এই সুবিধাকণ পাইছো আমাৰ অধ্যক্ষ মহোদয় ড°ব্ৰজেন্দ্ৰ শইকীয়া ছাৰৰ বাবে। তেওঁৰ মোৰ ওপৰত যি বিশ্বাস আছিল তাৰ বাবে ছাৰক অশেষ ধন্যবাদ আৰু তেওঁৰ বিশ্বাসত যদি মই অলপো উপনীত হ'ব পাৰিছো তাৰ বাবে মোৰ সতীৰ্থসকল আৰু মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ বাবেহে। ২০২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সৰস্বতী পূজাখন সুকলমে চলাই নিয়াৰ বাবে মোক সহায় কৰা মহাবিদ্যালয় কৰ্তৃপক্ষকে ধৰি সতীৰ্থ বন্ধু-বান্ধৱীসকলক মোৰ হিয়াভৰা ধন্যবাদ জনালো।

তাৰ পাছত কাৰ্যসূচী পাও মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ মানসিক তথা

বৌদ্ধিক বিকাশৰ বাবে বিভিন্ন ধৰণৰ খেল-ধেমালি, প্ৰদৰ্শনী, নাটক, গীত-মাত, তৰ্ক প্ৰতিযোগিতা, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি আৰু বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহাবিদ্যালয় সপ্তাহ সুকলমে পাৰ কৰিলো। মহাবিদ্যালয় সপ্তাহৰ পাছত মোৰ পঞ্চম ষাণ্মাসিকৰ পাঠদান ভালকৈ আৰম্ভ হয় আৰু তাৰ কিছুদিন পাছত মই মোৰ বিষয়বাবৰ নিৰ্ধাৰিত বাজেটমৰ্মে মোৰ শিতানত থকা ৩০১৮ টকাখিনি মহাবিদ্যালয়ৰ এনএছএছ গোটৰ নৱনিৰ্মিত কাৰ্যালয়ৰ আচবাব ক্ৰয় কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ হাতত গতাই দিলো। মহাবিদ্যালয় কৰ্তৃপক্ষৰ নিৰ্ণয় অনুসৰি এইবাৰৰ অৰ্থাৎ ২০১৯-২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ মই ভায়োলিনা কাশ্যপ (সভাপতি) আৰু প্ৰণৱজ্যোতি কাকতি (সাধাৰণ সম্পাদক), আমি দুয়ো মহাবিদ্যালয়ৰ Grievance Redressel Cellৰ সদস্য হোৱাৰো সুযোগ পালো। Grievance Cellত জড়িত হৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত বহুতো সমস্যাৰ সমাধান কৰিব পালো আৰু ইয়াৰ পৰা বহুখিনি অভিজ্ঞতাও আহৰণ কৰিলো।

পৰৱৰ্তী সময়ত আৰু কিছুমান অনুষ্ঠানৰ পৰিকল্পনা আছিল যদিও এই বৰ্ষত সমগ্ৰ বিশ্বত কালৰূপ ধাৰণ কৰা কৰ'না মহামাৰীৰ বাবে সেইবোৰ কাৰ্যসূচী হাতত ল'ব পৰা নগ'ল। এই মহামাৰীৰ বাবে গোটেই দেশজুৰি লকডাউন কৰা হ'ল তাৰ ফলত কলেজৰ শেষৰ সময়খিনি আমি হেৰুৱাই থাকিলো। কিন্তু এই লকডাউনৰ মাজতো আমি মহাবিদ্যালয়খনক এক নতুন ৰূপত দেখিলো, যেনে ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ সময়ৰ বাবে নতুনকৈ বহাৰ ব্যৱস্থা, নতুন ছাত্ৰী জিৰণি কোঠা, ইউনিয়ন ৰুমৰ মেৰামতিকৰণ, কলেজৰ জালুকবাৰীৰ নতুন ৰূপ ইত্যাদি। ৫ জুন, বিশ্ব পৰিৱেশ দিৱসত ৰঙিয়া মহাবিদ্যালয় আছু গোটৰ তৰফৰ পৰা আমি মহাবিদ্যালয়ত বৃক্ষৰোপণ কাৰ্যসূচী তথা মহাবিদ্যালয়ৰ চৌদিশে ছেনিটাইজ কৰাৰ কাৰ্যসূচী হাতত লৈছিলো।

শেষত আকৌ এবাৰ ২০১৯-২০ বৰ্ষৰ মোৰ কাৰ্যকালত মোৰ সহপাঠী তথা ভাই-ভনী বিষয়ববীয়াসকলৰ সহায়-সহযোগিতাক মই সন্মান আৰু ধন্যবাদ জনাইছো। লগতে আমাৰ অধ্যক্ষ মহোদয় ড°ব্ৰজেন্দ্ৰ শইকীয়া ছাৰৰ সহযোগিতাক মই আন্তৰিক ধন্যবাদ জনাও। মোক প্ৰত্যেকটো খোজতে সহায় কৰা অনুপ ডেকা ছাৰ, অৰূপ দাস দা আৰু মোৰ সতীৰ্থ বিষয়ববীয়াকে ধৰি মোৰ সমনীয়া নৱনীতা, মুনিফ, অংকুৰ, আস্মা, কুঁৱলী, নীলাক্ষী, জেৰিফাৰ উপৰিও বহু বন্ধু-বান্ধৱী আছে যাৰ নাম মই উল্লেখ কৰিব নোৱাৰিলো, সকলোকে এই ছেগতে ধন্যবাদ জনালো। ৰঙিয়া মহাবিদ্যালয় শিক্ষক গোট, ৰঙিয়া মহাবিদ্যালয় এনচিচি গোট, বড়ো ছাত্ৰ সন্থা সকলোকে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ।

মোক সামাজিক ক্ষেত্ৰখনৰ লগত চিনাকি কৰাই দিয়া 'সদৌ অসম ছাত্ৰ সন্থা' আৰু 'ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা'ৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। তেওঁলোকৰ উৎসাহ আৰু ইমানখিনি সহায়-সহযোগিতাৰ বাবে সকলোকে মই যি নতুন অভিজ্ঞতা পালো তাৰ বাবে অশেষ ধন্যবাদ।

আজীৱন স্মৰণীয় হৈ ৰ'ব ৰঙিয়া মহাবিদ্যালয়ত মোৰ এই তিনিটা বছৰ, মহাবিদ্যালয়ৰ পুখুৰীৰ পাৰ, লোহিত দাৰ কেণ্টিনৰ চাহৰ সোৱাদ আৰু তাত দিয়া আড্ডা, মহাবিদ্যালয়ৰ জালুকবাৰীত কটোৱা সময়বোৰ আৰু জুনিয়ৰ-ছিনিয়ৰৰ মাজত থকা বন্ধুত্ব আৰু এই বন্ধুত্বৰ পাহৰিব নোৱাৰা কোলাহল। সকলোবোৰৰ বাবে ধন্যবাদ ৰঙিয়া মহাবিদ্যালয়, তোমাৰ সৰ্বাংগীণ উন্নতি কামনা কৰি আৰু মোৰ কাৰ্যকালত আৰু প্ৰতিবেদনত হোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয় আই অসম'।





# প্ৰতিবেদন



দিবাকৰ বড়ো
উপ-সভাপতি
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

প্ৰতিবেদনৰ প্ৰাক্ক্ষণতে মই গোটেই বিশ্ববাসীৰ সু-স্বাস্থ্য কামনা কৰিছো। ৰঙিয়া মহাবিদ্যালয়ৰ ইং ২০১৯-২০
বৰ্ষৰ সাধাৰণ নিৰ্বাচনত যিসকল প্ৰিয় সহপাঠী আৰু ভাইটি-ভণ্টিসকলে মোক ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপ-
সভাপতি হিচাপে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়ৰ বাবে সেৱা কৰিবলৈ সুযোগ প্ৰদান কৰিলে তোমালোক সকলোকে
মোৰ হিয়াভৰা মৰম যাঁচিছো আৰু তোমালোকৰ ওচৰত মই চিৰকৃতজ্ঞ।
কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে আমি মহাবিদ্যালয় সপ্তাহৰ লগত জড়িত হও। ইং ৫ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰী,
২০২০ তাৰিখলৈ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ দৈহিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে
প্ৰতিবছৰে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয় আৰু এই বৰ্ষতো আমি 'মহাবিদ্যালয় সপ্তাহ' সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ
সক্ষম হওঁ। মোৰ কোনো স্থায়ী অনুষ্ঠান নাছিল যদিও মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাসমূহত সহায়-
সহযোগ কৰো। মহাবিদ্যালয় সপ্তাহৰ শেষৰটো দিনত সমাজসেৱক সম্পাদিকাৰ নেতৃত্বত 'মহাবিদ্যালয় চাফাই অভিযান'
কাৰ্যসূচী হাতত লোৱা হয়। চাফ-চিকুন কৰি ভালপোৱা মোৰ মনো স্বভাৱে এইখিনি কাম কৰি আত্মসুখ লাভ কৰিছিলো।
কাৰ্যভাৰ গ্ৰহণ কৰি আমি মহাবিদ্যালয়ত উদ্‌যাপন কৰি অহা সৰস্বতী পূজা, বাথৌ পূজা, ফাতেহা-এ-দোৱাজ-দহম,
শংকৰদেৱৰ জন্মোৎসৱ, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস ইত্যাদিৰ লগত জড়িত হৈ পৰে আৰু সহায়-সহযোগিতা কৰো।
ইয়াৰ পৰৱৰ্তী সময়ত কৰ'না মহামাৰীৰ বাবে মহাবিদ্যালয় স্থগিত হৈ পৰে। পৰৱৰ্তী সময়ত চৰকাৰী নিৰ্দেশমৰ্মে
২ নৱেম্বৰ ২০২০ তাৰিখে মহাবিদ্যাল পুনৰ খোলা হয়। ২০২০-২১ বৰ্ষৰ নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকল তথা মহাবিদ্যালয়লৈ
অহা ভিন্ন অতিথিসকলৰ সুবিধাৰ্থে এখন আৰ্হি নক্সা তৈয়াৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰো। নতুনকৈ অহা ছাত্ৰ-ছাত্ৰী তথা
আমাৰ মহাবিদ্যালয়লৈ অহা অতিথিসকল বিভিন্ন সময়ত নিৰ্দিষ্ট ডিপাৰ্টমেণ্ট, শ্ৰেণীকোঠা, অফিচ-কাৰ্যালয় আদি বিচাৰি
ফুৰাত অসুবিধাৰ সন্মুখীন হৈ আহিছে। সেয়েহে ইয়াৰ সমাধান বিচাৰি আমাৰ মহাবিদ্যালয়ৰ আৰ্হি নক্সা তৈয়াৰ কৰি
উলিয়াও। এই নক্সাখন তৈয়াৰ কৰিবলৈ সহযোগ কৰা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সহ-সাধাৰণ সম্পাদিকা ছনিয়া
ৱাহমিন আৰু জিয়'গ্ৰাফি ডিপাৰ্টমেণ্টৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনাইছো। আশা কৰিছো এই আৰ্হি নক্সাখন নতুনকৈ
অহা ছাত্ৰ-ছাত্ৰীসকলক কিছু পৰিমাণে সহায় কৰিছে।
শেষত মোৰ কাৰ্যকালত মোক সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সকলো
সদস্য আৰু বন্ধু-বান্ধৱীসকললৈ আৰু মোক উৎসাহিত কৰা ৰঙিয়া আঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থা আৰু ৰঙিয়া
আঞ্চলিক ছাত্ৰ সন্থাক মই আন্তৰিক ধন্যবাদ জনাইছো।
সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো।

ধন্যবাদ
'জয়তু ৰঙিয়া মহাবিদ্যালয়'



# প্ৰতিবেদন

প্ৰণৱজ্যোতি কাকতি
সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

**পাতনি**

প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ বাবে যিসকল বীৰ-বীৰাংগনাই অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত তেজেৰে ইতিহাস ৰচনা কৰি অসমীয়া জাতিক এটা গতি প্ৰদান কৰিছে, সেইসকল বীৰ শ্বহীদলৈ একাঁজলী অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিলো। যি সকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বলত ৰণদিয়া ৰঙিয়াত, নামনি অসমৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল, এই ছেগতে সেইসকল চিৰ নমস্য সজ্জনক সশ্ৰদ্ধ প্ৰণাম জনাইছো।

**কাৰ্যভাৰ**

২০১৯ বৰ্ষৰ অক্টোবৰ মাহৰ (২৫ তাৰিখে ভোটগ্ৰহণ আৰু ৬ তাৰিখে ভোটগণনা) অনুষ্ঠিত হোৱা ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মই 'সাধাৰণ সম্পাদক' পদত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ প্ৰাক্‌মুহূৰ্তত ৩০ অক্টোবৰ, ২০১৯ তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে 'বিশ্বনবী স্মৃতি দিৱস' উদ্‌যাপন কৰা হয়। ইয়াৰ পাছতেই অসমীয়া জাতিৰ প্ৰতি ভাবুকি অনা 'নাগৰিকত্ব সংশোধনী বিল-২০১৯' (এতিয়া আইন হৈছে)ৰ তীব্ৰ বিৰোধিতাৰে 'ছাত্ৰ গৰ্জন' নামৰ এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰো আৰু ইয়াৰ পাছতো বহুতো প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰো।

২ জানুৱাৰী, ২০২০ তাৰিখে মহাবিদ্যালয়খনে বহু বছৰে ভুগি থকা ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সমস্যাৰ অন্ত পেলাই আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সন্মানীয় অধ্যাপক ড°ব্ৰজেন্দ্ৰ শইকীয়া মহোদয়ে মহাবিদ্যালয়ৰ নৱ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

অৱশেষত ২০২০ চনৰ জানুৱাৰী মাহৰ ৮ তাৰিখে 'ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা-২০১৯-২০ বৰ্ষৰ বাবে নিৰ্বাচিত হোৱা বিষয়ববীয়া সকলৰ সৈতে সন্মানীয় অধ্যক্ষ মহোদয়ৰ উপস্থিতিত মই সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো।

**সৰস্বতী পূজা ঃ** ৩০ জানুৱাৰী, ২০২০ তাৰিখ (১৫ মাঘ, ১৪২৬ ভাষ্কৰাব্দ) মহাবিদ্যালয়ত বৃহৎ আয়োজনেৰে সৰস্বতী পূজা পালন কৰা হয়। এই বৰ্ষৰ সভানেত্ৰী ভায়োলিনা কাশ্যপক পূজা পৰিচালনা কৰাৰ দায়িত্ব অৰ্পণ কৰা হয়।





সকলোৱে কষ্ট আৰু সহায়-সহযোগিতাৰ বাবে পূজাখন সুচাৰুৰূপে পালন হৈ যায়।

**মহাবিদ্যালয় সপ্তাহ ঃ** কাৰ্যকালৰ প্ৰথমভাগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ লগতে বৌদ্ধিক, মানসিক, দৈহিক উৎকৰ্ষ সাধনৰ অৰ্থে ৫ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। উক্ত সপ্তাহত বিভিন্ন বিভাগৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত এক নতুন উদ্যমেৰে, উৎসাহেৰে অংশগ্ৰহণ কৰি সপ্তাহটোৰ মানদণ্ড উন্নত কৰে। মহাবিদ্যালয় সপ্তাহৰ ৯ ফেব্ৰুৱাৰীত সকলোৱে সহায়-সহযোগিতাত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয় আৰু উক্ত শোভাযাত্ৰাত অভিনয় জগতৰ শিল্পীয়ে অংশগ্ৰহণ কৰাত শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে যোগদান কৰে। ১০ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে অধ্যক্ষ সন্মানীয় ব্ৰজেন্দ্ৰ শইকীয়া মহোদয়ে। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী আৰু সামৰণী অনুষ্ঠানত অধ্যক্ষ মহোদয়ে সভাপতিত্ব কৰা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সঞ্চালক, ছাত্ৰ কল্যাণ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় ড°ৰঞ্জন কুমাৰ কাকতি আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে সন্মানীয় ড° হেমচন্দ্ৰ শৰ্মা, পঞ্জীয়ক, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়, বিশিষ্ট অতিথি হিচাপে ৰঙিয়া মহকুমাৰ সন্মানীয় মহকুমাধিপতি শ্ৰীযুত মুনীন্দ্ৰ বৰদলৈ উপস্থিত থাকে। এই ছেগতে মহাবিদ্যালয় সপ্তাহটোৰ প্ৰতিটো কাৰ্যসূচীতে সহায়ৰ হাত আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো।

ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ ছাত্ৰসমাজে জৰ্জৰিত হৈ থকা বিভিন্ন সমস্যাৰ প্ৰতি অধ্যক্ষ মহোদয়ৰ দৃষ্টিগোচৰ হোৱাকৈ বহুকেইটা দাবীযুক্ত এখন দাবী চনদ অধ্যক্ষ মহোদয়ক প্ৰদান কৰি সমস্যাসমূহ সমাধান কৰিবলৈ দাবী জনাও। অধ্যক্ষ মহোদয়ে উক্ত দাবী চনদৰ আধাৰতে ছাত্ৰ সমাজৰ সুবিধাৰ্থে বহু সমস্যা সমাধান কৰিছে। দাবী চনদৰ ফলস্বৰূপে হোৱা সুবিধাসমূহ—

ক) ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয়টো আগতকৈ বহুতো উন্নত মানদণ্ডৰ।

খ) ছাত্ৰ জিৰণি কোঠাৰ বহুতো দিশ উন্নত কৰি আটক ধুনীয়া কৰা হৈছে।

গ) ছাত্ৰী জিৰণি কোঠাটো স্থানান্তৰ কৰি বহুত উন্নত কৰা হৈছে আৰু ছাত্ৰী সমাজৰ সুবিধাৰ্থে সকলো যাৱতীয় ব্যৱস্থা তাত কৰা হৈছে।

ঘ) ছাত্ৰ সমাজৰ বহা ঠাইৰ বাবে ইক'পাৰ্কৰ ব্যৱস্থা।

ঙ) মহাবিদ্যালয়ৰ সোঁমাজত থকা (জালুকবাৰী খ্যাত) ঠাইখিনিৰ সাল-সলনি।

চ) মহাবিদ্যালয় বিচিএৰ শ্ৰেণীকোঠাৰ সম্প্ৰসাৰণ।

ছ) বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা।

আমাৰ মহাবিদ্যালয়ৰ সকলো কামবোৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ সুনিপুণ নেতৃত্বত চলি থকাৰ মাজতে কোভিড-১৯য়ে হেঙাৰ হৈ থিয় দিলে। যাৰ ফলত সমগ্ৰ পৃথিৱীৰ লগতে মহাবিদ্যালয়খনৰ সকলোবোৰ উন্নয়নমূলক কাম-কাজ স্থগিত ৰাখিব লগা হ'ল। কোভিডৰ সময়ছোৱাত মহাবিদ্যালয়ৰ সকলো কাম-কাজ, কাৰ্যসূচীৰ পৰা আঁতৰি আমিবোৰো গৃহবন্দী হ'লো। কোভিডৰ সময়তে ৰেফাৰৰ অনুসৰি মহাবিদ্যালয়ত নামভৰ্তি (অনলাইন) প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। মহাবিদ্যালয়ৰ আসন সীমিত কিন্তু কোভিদোত্তৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ আসন বৃদ্ধিৰফলত ৰঙিয়াৰ লগতে ইয়াৰ নিকটৱৰ্তী অঞ্চল, ভূটান সমীপৰ ইত্যাদি অঞ্চলৰ বহুতো ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ বাবে আমাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিছে।

কোভিদোত্তৰ কাল চলি থকাৰ সময়তে মহাবিদ্যালয় চৌহদত কোভিড প্ৰট'কল মানি ৫ আগষ্ট, ২০২০ তাৰিখে

মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

এইখিনিতে আপোনাসৱক জনাই থও যে অধ্যক্ষ মহোদয়ৰ অশেষ কষ্টৰ ফলত মহাবিদ্যালয়ত মোৰ কাৰ্যকালতে বহুকেইটা নতুন বিভাগ আহিছে। তাৰ ভিতৰত MLT, Bachelor of Travel and Tourism, BBA, Satriya Dance উল্লেখযোগ্য।

কোভিড-১৯ৰ বাবে মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা নগ'ল। তাৰ ভিতৰত সকলোৰে হেঁপাহৰ মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা নৱ সূৰুয শিক্ষাৰ্থীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যেই প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা 'নৱাগত আদৰণি সভা' এই বৰ্ষত এতিয়ালৈকে কোভিড প্ৰট'কলৰ বাবে অনুষ্ঠিত কৰিব পৰা নাই যদিও চিন্তা-চৰ্চা কৰি থকা হৈছে। এই বিষয়ে অধ্যক্ষ মহোদয়ৰ লগতো কেইবাবাৰো আলোচনাত মিলিত হৈছো। 'শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ', 'বিশ্বনবী স্মৃতি দিৱস'কে ধৰি বহুতো অনুষ্ঠান কোভিড প্ৰট'কলৰ বাবে অনুষ্ঠিত কৰিব পৰা নগ'ল।

২ নৱেম্বৰ, ২০২০ তাৰিখে চৰকাৰৰ নিৰ্দেশ অনুযায়ী কোভিড প্ৰট'কল মানি চলি মহাবিদ্যালয়ত পাঠদান আৰম্ভ হৈছে। উক্ত দিনাই নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ সমাজৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ আৰ্হি এটা আৰু মহাবিদ্যালয়ৰ কোনটো দিশত কোনকেইটা কোঠা আছে সেই সকলোবোৰ উল্লেখ থকা এখন মহাবিদ্যালয়ৰ মেপ প্ৰস্তুত কৰি উলিওৱা হয়।

এই ছেগতে যোৱা ৩১ মাৰ্চ, ২০২০ তাৰিখে অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে— ড° দক্ষেশ্বৰ ডেকা আৰু ড° দ্বিজেন্দ্ৰ নাথ ডেকা দেৱৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা অৱদানক সন্মান জনায় তেখেতসকলৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিলো।

মোৰ কাৰ্যকালতে মৃত্যুবৰণ কৰা মহাবিদ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীদ্বয় ক্ৰমে— প্ৰয়াত প্ৰবীণ চৌধুৰী আৰু দেৱাস শৰ্মা। তেখেতসকলৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰি আত্মাৰ সদ্গতি কামনা কৰিলো।

**কৃতজ্ঞতা ঃ** পোন প্ৰথমতে মোৰ প্ৰতিটো কাৰ্যতে সন্মতি দি অনুপ্ৰেৰণা যোগোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মোৰ তত্ত্বাৱধায়ক মহোদয়ক মোক সাহস দিয়া বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মোক সামাজিকক্ষেত্ৰখনত চিনাকি কৰাই দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ ওচৰত মই সদায় ঋণী হৈ ৰ'ম। লগতে মোৰ প্ৰতিটো কাৰ্যসূচীত মোৰ ছাঁৰ দৰে থাকি সহায়-সহযোগিতা কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীসকল, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ জীৱনৰ সপোন বাস্তৱায়িত কৰা আখৰাথলী ৰঙিয়া মহাবিদ্যালয় যেন এটা ধ্ৰুৱতৰা হৈ জিলিকে তাৰ কামনাৰে প্ৰাৰ্থনা জনালো। সদৌ শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমাভিক্ষা মাগি প্ৰতিবেদন সামৰিছো।

ইতি—
জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম







# প্ৰতিবেদন

চনিয়া ইয়াছমিন
সহঃ সাধাৰণ সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ত্যাগবীৰে নিজৰ প্ৰাণ আহুতি দি দেশমাতৃৰ জয় গান গোৱালে সেইসকল শ্বহীদ বীৰলৈ জনাইছো মোৰ সেৱা।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ পদৰ বাবে সাধাৰণ নিৰ্বাচনত জয়ী কৰাই মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত অৰিহণা যোগাবলৈ সুবিধাকণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকললৈ তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকললৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰাৰ পাছৰে পৰা প্ৰথম কাৰ্যসূচী হিচাপে আমি পাও মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ। অইনবেলিৰ দৰে এইবেলিও আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাই এক অভিনৱ পদ্ধতিৰে সাংস্কৃতিক শোভাযাত্ৰা উলিয়াইছিলো। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত মহাবিদ্যালয়ৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে আমাৰ সৈতে বিভিন্ন সাংস্কৃতিক পোছাকেৰে যোগদান কৰি আমাক উৎসাহিত কৰিছিল।

ইয়াৰ পাছত তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, বিভিন্ন ধৰণৰ খেল-ধেমালি, ৰচনা প্ৰতিযোগিতা, ঠাইতে লিখা কবিতা প্ৰতিযোগিতা, নাটক, গীত-মাত, খেল-ধেমালিৰে মহাবিদ্যালয় সপ্তাহৰ শেষত বঁটা বিতৰণী সভাও নিৰ্দিষ্ট বক্তাৰ ভাষণৰ পাছত অনুষ্ঠিত কৰা হৈছিল। তাৰপাছত বাৰ্ষিক সপ্তাহৰ পতাকা লগোৱা কাৰ্যসূচী পালন কৰি মহাবিদ্যালয় সপ্তাহৰ সামৰণি পেলাও। ইয়াৰে পাছত মহাবিদ্যালয়ত বাথৌ পূজা উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। তেনেদৰে সৰস্বতী দেৱীৰ পূজাও জাক-জমকতাৰে মহাবিদ্যালয়ত পালন কৰা হয়। ২০২০ চনৰ মাৰ্চ মাহৰ পৰা কোভিড-১৯ মহামাৰীৰ বাবে ২০২০ মহাবিদ্যালয় বন্ধ হৈ পৰে। নৱেম্বৰ মাহৰ ২ তাৰিখৰ পৰা মহাবিদ্যালয়ত আকৌ শিক্ষা আৰম্ভ হয়। ২ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ত নতুনকৈ অহা ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ত অহা ভিন্ন অতিথিসকলৰ সুবিধাৰ্থে এখন কলেজৰ আৰ্হি নক্সা তৈয়াৰ কৰা হয়। এইখন নক্সা তৈয়াৰ কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ উপ-সভাপতিৰ সহায় লোৱা হৈছিল।

২০১৯-২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত বিশ্বাস সহকাৰে মোক সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে যি সেৱা আগবঢ়াবলৈ সুযোগকণ দিলে তাৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে ৰঙিয়া আঞ্চলিক বড়ো ছাত্ৰ সন্থা আৰু ৰঙিয়া মহাবিদ্যালয়ৰ এন চিচি গোট আৰু সমূহ কৰ্মকৰ্তা আৰু সদস্যসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সকলো বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—
জয় আই অসম
'জয়তু ৰঙিয়া মহাবিদ্যালয়'

# প্ৰতিবেদন



বৰ্ণালী ডেকা
আলোচনী সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

प्रभो शक्तिमत् भारतवर्षाङ्गभुता इमे सादरं त्वां नमामो वयम्।
त्वदीयाय कार्याय बद्धा कटीयम् शुभामाशिषं देहि तत्पूर्तये।।
अजय्यां च विशबस्य देहीश शक्तिं सुशलं जगद्येन नम्रं भवेत्।
श्रुतं चैव यक्तण्टकाकीर्ण मार्गं स्वयं स्वी कृत नः सुगं कारयेत्।।
समुत्कर्षनिः श्रेयस्यैकमुग्रं परं साधनं नाम वीरव्रतम्।
तदन्तः स्फुरत्वक्षया ध्येयनिष्ठा हृदन्तः प्रजागर्तु तीव्रानिशम्।।
विजेत्री च नः संहता कार्यशक्तिर् विधायास्य धर्मस्य संरक्षणम्।
परं वैभवं नेतुमेतत् स्वराष्ट्रं समर्था भवत्वाशिषा ते भृशम्।।

ऐसा उच्च आध्यात्मिक सुख और ऐसी महान ऐहिक समृद्धि को प्राप्त करने का एकमात्र श्रेष्ठ साधन उग्र वीरव्रत की भावना हमारे अन्दर सदेव जलती रहे। तीव्र और अखंड ध्येय निष्ठा की भावना हमारे अंतः करण में जलती रहे। आपकी असीम कृपा से हमारी यह विजयशालिनी संघठित कार्यशक्ति हमोर धर्म का संरक्षण कर इस राष्ट्र को परम वैभव पर ले जोन में समर्थ हो।

প্ৰতিবেদনৰ আৰম্ভণিতে ভাৰতৰ প্ৰতিজন বীৰ পুৰুষক চিৰ নমস্কাৰ। বৰ্তমান কৰোনাৰ নিচিনা ভয়ংকৰ মহামাৰীৰ সময়ত বীৰত্বৰ পৰিচয় দিয়া প্ৰতিজন ডাক্তৰ, নাৰ্ছ, পুলিচ ইত্যাদি সকলোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাছত সাহিত্যৰ দিশটো এখোপ উচ্চস্তৰলৈ ধাবিত কৰাৰ বাবে লগতে মহাবিদ্যালয়খনৰ হকে কিছু কাম কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিলোঁ। তাৰবাবে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বীৰূপে থিয় হওঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিশ্বাসত ২৬ অক্টোবৰ তাৰিখে তেওঁলোকে এই পদৰ বাবে যোগ্য বাছনি কৰে। এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ তথা অশেষ ধন্যবাদ।

আলোচনী সম্পাদক হিচাপে ৯ জানুৱাৰী তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত ৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হয়





মহাবিদ্যালয়ৰ সপ্তাহ। পূৰ্বতকৈ ব্যতিক্ৰমভাৱে মহাবিদ্যালয়ত কিছুমান প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। উক্ত প্ৰতিযোগিতাসমূহ আছিল— ঠাইতে অঁকা পেইণ্টিং, কাৰ্টুনিং, প'ষ্টাৰ মেকিং, লাইফ পেইণ্টিং, ক্লে মডেলিং, বেটুপাত অংকন।

এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ পাছত শেষৰ দিনটোত আলোচনী বিভাগৰ পৰাই প্ৰদৰ্শনী অনুষ্ঠানো অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰোপৰি মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা ৰুমটোত ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ বাবে তথা জ্ঞান বৰ্ধনৰ কাৰণে ৬-৭টা বক্স বনাই ধনাত্মক বাৰ্তা প্ৰেৰণ কৰিছিলোঁ। তাৰোপৰি বেনাৰ বনাই উত্তৰ-পূবৰ ন'বেলপ্ৰাপ্ত ব্যক্তিসকলৰ চিত্ৰসহকাৰে ওলোমাই তেওঁলোকক আনন্দিত কৰাৰ চেষ্টা কৰিছিলোঁ। তাৰ পাছত হাতত লোৱা কাম আছিল হাতে লিখা আলোচনী আৰু অধ্যাপক-অধ্যাপিকাৰ বাবে এখনি পৃথক আলোচনী কৰ'না মহামাৰীৰ বাবে হৈ উঠা কামখিনি সফলৰূপে কৰিবলৈ পাৰিম বুলি বিশ্বাসী। ইয়াৰপৰি মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ হকে এখন আলোচনী 'আৰাধনা' প্ৰকাশিত হয়। তাৰ পাছত লকডাউনৰ সময়তো ঘৰতে বহি থাকি হ'লেও ছাত্ৰ-ছাত্ৰীৰ হকে অনলাইন কবিতা প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। সময়ে সময়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লিখনি বাতৰি কাকত আৰু বিভিন্ন ঠাইৰ আলোচনীসমূহলৈ প্ৰেৰিত কৰোঁ আৰু যিসমূহ প্ৰকাশিত হ'বলৈও সক্ষম হয়। ইয়াৰোপৰি তাৰ পাছত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ বুজ লৈ ভিন্ন অনুষ্ঠানত কবিতা পাঠ কৰাৰ বাবে যোৱা হয়। ইয়াৰোপৰি দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে গুৱাহাটীত অনুষ্ঠিত সাহিত্য সভাত মহাবিদ্যালয়ৰ ছাত্ৰ এজনক নি মহাবিদ্যালয়ৰ শোভা বৰ্ধন কৰা হয়।

শেষত মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী, তত্বাৱধায়ক মহোদয়, অধ্যক্ষ মহোদয় তথা কলেজ কৰ্তৃপক্ষ আটাইকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

# ANNUAL REPORT



Jim Kumar Boro
Secretary, Major Games & Sports
R.C.S.U., 2019-20

Being a students of a prestigious college like Rangia College, was a immune pleasure to me and mostly/most of all getting a chance to represent the college through myself in the field of major games and sports is a golden opportunity in my life of 19th Jan. 2020. I with the other newly elected members of R.C.S.U. 2019-20, took over the charges. Mrs Dampla Gogoi was appointed as the Professor in Charge of major games and sports. After taking over the charge, I got to know the there is going to be an Inter College Badminton Competition under Gauhati University in Mirza College which was organized for 4 days from 2nd Feb to 5Th Feb, 2020. So first thing that I did was, I prepared & arranged a Badminton Squad and send the team to participate in the competition, where our girls double team of Naureen Mehzabeen (B.P.E 1st yr.) and Salma Boro (B.A) entered to the semi final. Unfortunately they could not makeup to the finals against Abiruchi Institute of Physical Education, Gauhati.

Every year an Annual College week organized in our college. It is one of the largest co-curricular activity programme that offers an extensive opportunity to all the students to show skills in different co-curricular fields this year. It was my task to smoothly conduct all the events under the concerned head of the major games and sports.

The following events/games has been organized for the college week for students super vision of the major games and sports head.

- Cricket
- Football
- Athletics
- 100m (G/B)
- 200m (G/B)
- 4X100m (G/B)
- Long Jump (G/B)





- High Jump (G/B)
- Discus Throw (G/B)
- Shot put (G/B)
- Jevelin Throw (G/B)

The best athelete of the year 2019-20 was secured by Dweepjyoti Kalita of B.P.F. 1st year in boys and Dinkle Brahma of 2nd sem B.Sc Botany (H). Prize Distribution ceremony was held on 10th of Feb 2020.

After the college work week I started making a list of best athlete in our college and started their practice session for the upcoming Inter College athletics championship which was organized by NERIM group of Institution under G.U. It was held on The 22nd Feb and 23 Feb, 2020 at Indira Gandhi Stadium, Sarusajai, Guwahati. They work very hard for converting their sweat in to winning trophies for the fame of our college and they were able to secured 2nd position in both Discus throw (Jaydeep Boro) and 4x400 m relay team.

From 10th week of March, 2020 I gathered some of the students who were interested in playing kabaddi and started practicing with them. I did the selection process of college kabaddi team on the basics of student performance for the upcoming Inter College Kabaddi competition under Gauhati University organized by B.H. College Barpeta and also I have requested our principal Dr. Brajendra Saikia Sir for providing a pair of track suit for our players. But due to Covid pandemic Indian govt. announced a nation wide lockdown on 25th of March 2020. For that reason the competition was cancelled after the re opening of the college I have requested the college authority to repair and bringing some GYM equipments with my remaining fund available in major games and secretary head.

Being a major games and sports secretary was a very challenging task for me. Sometimes might be in chaos and sometimes in a euphoric state, but I really enjoyed it. And in the blink of an eye, a year passed and my discharged date from my post came nearby. I want to give my special thanks to all the students along with all the professors for their immense support and faith in me. And I hope that I was able to attend up to all of your faith and believe in me as your major games and sports secretary. I specially thank my Professor in Charge "Dampla Gogoi" sir and HOD of Physical Education "Digasmita Haloi" ma'am for their motivation and support in every step towards guiding me.

"Long Live Rangia College
Long live Rangia College Students' Union."



# প্রতিবেদন

**দীপাংকৰ কলিতা**
লঘু খেল বিভাগ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থা, ২০১৯-২০ বৰ্ষ

'সন্ধিয়া যেতিয়া তুলসীৰ তল এগছি চাকিয়ে পোহৰ কৰে সাহসৰ শিখাৰে জীৱন উদ্দীপিত কৰা শত সহস্র শ্বহীদলৈ মোৰ মনত পৰে।'

প্রতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ অসমৰ শ্বহীদলৈ মোৰ অশ্রুসিক্ত শ্রদ্ধাঞ্জলি নিবেদিছো। যি সকল মহান ব্যক্তিৰ অশেষ প্রচেষ্টাৰ ফলত ৰঙিয়া মহাবিদ্যালয় জ্ঞানৰ বন্তি জ্বলি উঠিছে সেইসকল মহান ব্যক্তিলৈ জনাইছো সশ্রদ্ধ প্রণিপাত।

শিক্ষানুষ্ঠানত শিক্ষাৰ লগতে খেল-ধেমালি এক অপৰিহাৰ্য অংগ। খেল মানৱ জীৱনত অতিকৈ মহত্বপূৰ্ণ। এজন ভাল খেলুৱৈ হ'বলৈ হ'লে কঠোৰ পৰিশ্রম, অনুশীলন, ধৈৰ্য্য, শৃংখলাবদ্ধতাৰ দৰে গুণ প্রয়োজন। বৰ্তমান সময়ত ছাত্র-ছাত্রীৰ মনত অনলাইন গেমছৰ প্রতি বেছি গুৰুত্ব দেখা যায় অফলাইন গেমছতকৈ। আমি পুনৰ বৰ্তমানৰ প্রজন্মক অফলাইন গেমছৰ প্রতি আকৰ্ষিত কৰাৰ প্রচেষ্টা চলোৱা উচিত।

সপোনক দিঠক কৰাৰ হেঁপাহেৰে জীৱনক সপোন কৰাৰ আশাৰে জ্ঞানৰ মন্দিৰ ৰঙিয়া মহাবিদ্যালয়ত প্রৱেশ কৰিছিলো এজন ছাত্র হিচাপে। কলেজীয়া জীৱনৰ এই ছাত্র অৱস্থাত প্রথম খোজত পাইছিলো মহাবিদ্যালয়ৰ নিৰ্বাচনৰ মলয়া বতাহ। মহাবিদ্যালয়খনৰ খেলৰ ব্যৱস্থাটোক উন্নত তথা সুচাৰুৰূপে পৰিচালনা কৰাৰ স্বাৰ্থত ২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত লঘু খেল সম্পাদকৰ মনোনীত প্রাৰ্থী হিচাপে বিপুল ভোটত জয়যুক্ত হৈছিলো। মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী তথা দাদা-বাইদেউসকলে দিয়া মৰমৰ ঋণ যেন মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম। লগতে মই কেইজনমান দাদা-বাউদেউক কৃতজ্ঞতা জনাব খুজিছো কিয়নো পোনপ্রথমে সকলো কামৰ অনুশীলন নথকা আৰু নতুন বস্তুবোৰ নজনাত এইসকল দাদা-বাইদেউ মোক হাতে হাত ধৰি সাহস দি মোক দাঙি ধৰিছিল। এওঁলোক ক্রমে— মুনিফ ইকবাল, নৱনীতা কলিতা, অজয় কলিতা, স্মৃতিৰাণী কলিতা, প্রাঞ্জল, তুষাৰ, হিমজ্যোতি, নয়নজ্যোতি দাস।

লঘু খেল বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্রহণ কৰাৰ পাছতে মোৰ কাৰ্যকাল আৰম্ভ হয় 'মহাবিদ্যালয় সপ্তাহ'ৰ যোগেদি এই মহাবিদ্যালয়ৰ সপ্তাহত লঘু খেল বিভাগৰ অন্তৰ্গত খেলসমূহ কাবাদী (ল'ৰা-ছোৱালী), বেডমিণ্টন





(ল'ৰা-ছোৱালী, আৰু ভলীবল অনুষ্ঠিত কৰিছিলো। এই খেলসমূহত ছাত্র-ছাত্রীৰ সুন্দৰ প্রদৰ্শন আৰু সহাঁৰিয়ে মোক বাৰুকৈয়ে আপ্লুত কৰিছিল। খেল সপ্তাহত দুৰ্ভাগ্যবশতঃ মই মেডিকেলত দুদিন থাকিবলগা হয় মোৰ ৰোগৰ কাৰণে। সেই দিন দুটাত মোৰ দেহটো যদিও মেডিকেলত আছিল তথাপিও মোৰ মনটো যেন মহাবিদ্যালয়ৰ চৌহদত আছিল। তিনিদিনৰ দিনা হাতত কেন্দুলা লৈ হ'লেও মই মহাবিদ্যালয় সপ্তাহত উপস্থিত হওঁ। মোৰ অনুপস্থিতিত আৰম্ভণিৰ পৰা শেষলৈকে খেলসমূহ চলাই নিয়াৰ কাৰণে মই অন্তৰৰ পৰা লঘু খেল বিভাগৰ তত্বাৱধায়ক ফুকন বসুমতাৰী ছাৰৰ লগতে দিগাস্মিতা হালৈ মেমক ধন্যবাদ জনাইছো। লগতে মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ সকলোকে আন্তৰিক কৃতজ্ঞতা জনালো।

২০১৯-২০ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্র সন্থাৰ সাধাৰণ নিৰ্বাচনত লঘু খেল বিভাগত মোক যোগ্য বুলি বিবেচনা কৰি বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ হকে সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী, ২০১৯-২০ বৰ্ষৰ ছাত্র সন্থাৰ বিষয়ববীয়াক, ৰঙিয়া মহাবিদ্যালয়ৰ স্কাউট এণ্ড গাইড, এনচিচিৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সমন্বিতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ, মোৰ অতিকৈ মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউসকলক মোৰ কাৰ্যকালত হোৱা ভুল-ত্রুটিৰ কাৰণে ক্ষমা প্রাৰ্থনা জনাই মোৰ প্রতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

'জয়তু ৰঙিয়া মহাবিদ্যালয়'

# প্ৰতিবেদন



ডেইজী ডেকা
সাংস্কৃতিক সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

প্ৰতিবেদনৰ পাতনিতে মই দেশমাতৃৰ বাবে আৰু প্ৰাণআহুতি দিয়া প্ৰতিজন শ্বহীদলৈ আৰু যিসকল মহান ব্যক্তিৰ অনুপ্ৰেৰণাত এই মহাবিদ্যালখন স্থাপিত হৈছিল তেখেতসকললৈ মোৰ লগতে এই কৰ'না মহামাৰীৰ সৈতে যুঁজিবলৈ সাহস আৰু দিন-ৰাতি একাকাৰ কৰি আমাক সুৰক্ষা দিয়া, ডাক্তৰ, স্বাস্থ্যকৰ্মী, প্ৰশাসন আদিৰ প্ৰতি মই চিৰকৃতজ্ঞ।

ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাছৰ পৰা ৰঙিয়া মহাবিদ্যালয়ৰ হকে কিছু হ'লেও কাম কৰিবলৈ ইচ্ছা কৰিছিলো মহাবিদ্যালয়ৰ সাংকেতিকক্ষেত্ৰখনক কিছু আগুৱাই লৈ যোৱাৰ প্ৰবল ইচ্ছা আছিল আৰু সেইমৰ্মেই মই ২০১৯ চনত মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সাম্পাদিকা পদত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হও আৰু ৯ জানুৱাৰী ২০২০ তাৰিখে মই ৰঙিয়া মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰো। দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মই ২৬ জানুৱাৰীত ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদালয় খেলপথাৰত অনুষ্ঠিত কৰা গণৰাজ্য দিৱসত এটি নাট্যদল লৈ যায়। তাৰ পাছতে আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ 'বাৰ্ষিক খেল সপ্তাহ'। সাংস্কৃতিক বিভাগত মোৰ তত্ত্বাৱধায়ক ড° ৰাজেশ কুমাৰ ছাৰৰ পৰামৰ্শ আৰু সহায়-সহযোগত আৰু মোৰ বন্ধু-বান্ধৱীসকলৰ (নীলাক্ষী, জেৰিফা) সহায়-সহযোগত আটাইবোৰ কাৰ্যসূচী চলাই নিবলৈ সক্ষম হৈছিলো। মোৰ কাৰ্যকালত মহাবিদ্যালয়ত থকা বাদ্যযন্ত্ৰসমূহ মেৰামতি কৰিলো। মহাবিদ্যালয়ৰ হকে বহুতখিনি কৰিবলগীয়া আছিল কিন্তু কৰ'না মহামাৰীৰ কাৰণে প্ৰায় আঠ মাহ শিক্ষানুষ্ঠানবোৰ বন্ধ হৈ পৰে তাৰ কাৰণে মোৰ বহুতো কৰিবলগীয়া কাম বহুতো কাৰ্যসূচী গ্ৰহণ কৰিব পৰা নগ'ল। তাৰ মাজতো মই প্ৰয়াত ৰামেশ্বৰ পাঠকৰ সোঁৰৰণত সদৌ অসম ভিত্তিত অনলাইন কামৰূপী লোকগীত আৰু লোকগীত প্ৰতিযোগিতাখন সুচাৰুৰূপে চলাই নিবলৈ সক্ষম হৈছো। ইয়াৰ উপৰিও মোৰ কৰিবলগীয়া বহুতখিনিয়ে থাকি গ'ল। মহাবিদ্যালয়ত এটি সংগীত কক্ষৰ খুবেই প্ৰয়োজন। মই মোৰ কাৰ্যকালত এটি সংগীত কক্ষও স্থাপনৰ চেষ্টা কৰিম আৰু মহাবিদ্যালয়ৰ শ্বহীদ বেদীতো ভাল কৰিবলৈ আৰু মহাবিদ্যালয়ৰ কাৰণে কিছু বাদ্যযন্ত্ৰ আনিবলৈ চেষ্টা কৰিম। মই মই এইখিনি কাম ডিচেম্বৰ, জানুৱাৰীত কৰিবলৈ সক্ষম হ'ম বুলি আশাবাদী।

শেষত মোৰ কাৰ্যকালত জ্ঞাতে অথবা অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছো। লগতে ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যৎ মংগল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ—

জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তী ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# প্ৰতিবেদন



মফিদুল ইছলাম
তৰ্ক আৰু সাহিত্য সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

'শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ।'

প্ৰতিবেদনৰ শুভাৰম্ভণিতে মই দেশ মাতৃৰ পৱিত্ৰতা ৰক্ষাৰ্থে আৰু অসমীয়া জাতিৰ হকে প্ৰাণ ত্যাগ কৰা বীৰ শ্বহীদসকললৈ সশ্ৰদ্ধ প্ৰণাম যাঁচিলো। ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰত্যেকজন মহান সজ্জনৰ কষ্ট, ত্যাগৰ প্ৰতি সন্মান জনাই তেখেতসকলক সশ্ৰদ্ধ প্ৰণাম যাঁচিলো।

অইন বেলিৰদৰে এই বৰ্ষটো মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি কুইজ, তৰ্ক, ৰচনা, কবিতা আবৃত্তি (ইংৰাজী, বড়ো, অসমীয়া) আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ সমাজক সাহিত্যৰ জগতখনত এক নতুন উদ্যমেৰে, আগ্ৰহেৰে আগুৱাই নিবলৈ চেষ্টা কৰিছো। প্ৰতিযোগিতাসমূহত বিজয়ী ছাত্ৰ-ছাত্ৰীসমূহক এখন মানপত্ৰ, কিতাপ আৰু কলমেৰে পুৰষ্কৃত কৰিছিলো।

কোভিদোত্তৰ সময়ছোৱাৰ বাবে এই বৰ্ষত আমাৰ ছাত্ৰ সমাজে কোনোধৰণৰ আন্তঃ মহাবিদ্যালয় তৰ্ক, কুইজ আদি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নোৱাৰিলে আৰু কোনোধৰণৰ সাহিত্য বিষয়ত অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নগ'ল। তথাপিও মোৰ তত্ত্বাৱধায়ক সন্মানীয় হৃষীকেশ চৌধুৰী দেৱৰ সন্মতিত কোভিদোত্তৰ কালছোৱাতে সদৌ অসম ভিত্তিত এখন অনলাইন ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। যিখন প্ৰতিযোগিতাত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰায় ৬৩ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাখনৰ মানদণ্ড উন্নত কৰিছিল।

যিসকল সুহৃদে মোক মোৰ দক্ষতা, দায়িত্ববোধৰ প্ৰতি বিশ্বাস ৰাখি ৰঙিয়া মহাবিদ্যালয়ৰ তৰ্ক আৰু সাহিত্য বিভাগৰ গুৰু দায়িত্ব দিছিল। সেই সকলক এই প্ৰতিবেদনৰ জৰিয়তে অশেষ ধন্যবাদ জ্ঞাপন কৰি কৃতজ্ঞতা যাঁচিলো।

মোৰ কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচীতে সহায় কৰা, সাহস দিয়া অনুপ্ৰেৰণা যোগোৱা সন্মানীয় অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়া মহোদয় আৰু সন্মানীয় তত্ত্বাৱধায়কমহোদয়ক অশেষ কৃতজ্ঞতা যাঁচিলো। প্ৰতিযোগিতাসমূহত মোৰ অনুৰোধ ৰক্ষা কৰি বিচাৰকৰ আসন অলংকৃত কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ শ্ৰদ্ধাৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোকে অশেষ মৰম যাঁচিলো।

নামনি অসমৰ অন্যতম শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয় শিক্ষাৰ জগতখনত অনাদি অনন্ত কাললৈ উজ্জ্বলি থাকক। তাৰেই কামনাৰে প্ৰাৰ্থনা মাগিছো। সদৌ শেষত মোৰ ভুল-ক্ৰটিৰ বাবে ক্ষমা ভিক্ষা কৰি প্ৰতিবেদন সামৰিছো।

# Annual Report



**Bhanu Boro**
Secretary, Social Service
Rangia College Students' Union, 2019-2020

गिबियावनो जायफोर बिर जोहोलाव जोहोलावजो बिथांमोना गावनि हादर, राव- हारिमु थुनलाइखौ रैखा खालामना गावनि बेसेन गोसा जिउखौ बाउलांबाय, बिथांमोननि सिम आं साबयखर बावहरग्रोनाय जाबाय आरो लोगोसेनो आंखौ 2019-20 इं माइथायनि रंडिया फरायसालिमानि (Rangia College) फरायसा खौसे आफादनि (R.C.S.U) बिसायखथिआव समाज सिबि नेहाथारि बिबान (Social Service Secretary) आव आंखौ सायख'नानै खामानि मावनो खाबु होहनायीन थाखाय आं गासैबो फरायसा लोगो बिथांमोननि सिम आंनि गोसो गोर्बोनिफ्राय साबायखर बावहर नाय जाबाय।

आं आंनि बोसोरारि लिरबिंदां (Annual Report) खौ गाहायाव फारियै लिरलांनाय जाबाय

(1) 05 फेब्रुवारि (February) निफ्राय 10 February सिम बोसोरारि फरायसालिमा हाबथा (College week) जानानै थाङा जेराव आं Safai Abhiyan हाबाफारिखौ खुफुंदोंमोन बे हाबाफारियाव आं गाहायाव होनाय खामानिफोरखौ मावफुंदोंमोन।

(1) फरायसालिमायाव (College) जाबोर जुथुर ज'जाना थानाय फोरखौ सिबनानै फरायसालिमाखौ साखोन-सिखोन खालामदोंमोन।

(2) फरायसालिमा (College) याव थानाय बायदि दंफांफोराव सुनै आरो गाब फुन्दोंमोन।

(3) फरायसालिमायाव थानाय बायदि फिसा फिसा लाइफांफोरखौ मोजाङै आबार खालामना बायदि बेराफोर होनाय जादोंमोन।

(2) 21-11-20 इं खालाराव दाखोर-दाला गारनो थाखाय गं जि (10) Dustbin बायनाय जायो।

College नि मोनफ्रोमबो events फोरखौ सामलाय नायाव डेफाजाब होनाय Social Service Secretary नि Incharge बिथां Dr. Prem Kishan Singha Sir, आरो Safai Abiyan नि हाबाफारियाव NSS नि Incharge बिथां Dr. Guddu Prasad Basumatary Sir, आरो





बिथांनि हानजा लोगोसेनो बारग' (Ex) Social Service Secretary Miss Smita Boro, बारग' (Ex) Minor Games & Sports Secretary Sir Jitraj Gwra Brahma, Vice President Dibakar Boro, Boys Common Room Secretary Nobel Boro, Fungkha Swrang Boro, बारग' Megazine Secretary Thulunga Boro बिथांमोना थोजासे हेफाजाब होदोंमोन। आरो बिथांमोननि जायनि थाखाय आं बिथांमोननि सिम आंनि सिबिनाय खुलुमनायखौ बावरहबाय। आरो बिथांमोननि हेफाजाब आरो अननायखौ आं बावना थांनो हानाय नङा।

रंगिया फरायसालिमा (Rangia College) नि केरानि (Clerk) बिथां Anup Deka Sir निसिमबो नांगौ जानाय थि समावनो Fund Release खालामना होनायनि थाखाय हाजासे सिबिनाय आरो साबायखर थाबाय।

जोबथारनायाव, Rangia College Students Union (R.C.S.U) 2019-20 नि गासै बिबानगिरि बिथांमोन, मानगोनां Principal Sir बिथां Dr. Brajendra Saikia, आंनिनो Incharge बिथां Dr. Prem Kishan Singha, फरायसालिमानि गासैबो Teaching / Non Teaching Staff, Office Staff आरो Senior / Junior गासैबो फरायसुला फरायसुलि बिथांमोननि सिम फिन खेबसेबाव गासैनोबो आंनि अननाय-सिनिनायखौ बावहरनानै आरो आंनि खापसे जाबोनाय गोरोन्थिनि थाखाय निमाहा बिना आंनि बोसोरारि लिरबिदांखौ एसेआवनो फोजोबनाय जाबाय।

**गोजोन्थों -**

Long Live Rangia College
Long Live R.C.S.U. and A.B.S.U



# Annual Report

**Nobel Boro**
Secretary, Boys' Common Room
Rangia College Students' Union, 2019-2020

At the very beginning of my Annual report I offer my herartfele thanks to all the Students of Rangia College who elected me as the Boys' Common Room Secretary of Rangia College Students Union 2019-20.

Studing in a reputable college like Rangia College is a thing of satisfaction and being a port of RCSU as a Boys' Common Room Secretary is once a lucky chance. The newly elected Secretaries of RCSU 2019-20 took over the charges on Jan 9. Mr. Ramesh Ch. Boro Sir was appointed as the Professor of Incharge of Boys Common Room Secretary.

Like every year after the discussion with all the Secretaries of Students Union and along with incharge. we started our college week from 5th February to 10th February. I also started my duties from the college weak.

In the college week the competitions which were held from my side are-

a. Carrom    b. Punja    c. Chess    d. Tug of war

And then on 22th may 2020. I put an application to the principal of Rangia college to make over our Boys' common Room. I want to thank our Principal Sir. Who have done the best thing for our Boys' common Room.

Specially I want to thank my incharge Mr. Ramesh ch. Boro Sir and former secretary of RCSU brother Thulunga Boro and my friends who helped me in running the session.

"Long live Rangia College,
Long live Rangia College Students Union"
Thanks







# প্ৰতিবেদন

নীহাৰিকা কলিতা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১৯-২০ বৰ্ষ

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত কলিজাৰ কেঁচা তেজ দি দেশৰ হৈ আত্মবলিদান দিয়া বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদিছো। শ্বহীদৰ বলিদানক সীমিত বাক্যৰে ব্যক্ত কৰাতো পৰ্যাপ্ত নহয় যদিও এটি বাক্য সমগ্ৰ অসমীয়া জাতিৰ হৃদয়ত হৃদয়ংগম হোৱাটো অত্যন্ত আৱশ্যকীয়—

'শ্বহীদ প্ৰাণামো তোমাক'

তাৰ লগত যিসকল পুৰোধা ব্যক্তিয়ে জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে প্ৰজ্ঞাৰ দোলেৰে বান্ধ খাই সমাজৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ বন্তি জ্বলোৱাৰ হেতু ৰঙিয়া মহাবিদ্যালয়ৰ দৰে এই পৱিত্ৰ অনুষ্ঠানটিৰ প্ৰতিষ্ঠা কৰিলে। সেইসকল মহান চিৰনমস্য ব্যক্তিলৈও শ্ৰদ্ধা নিবেদিছো।

পোনপ্ৰথম মই ৰঙিয়া মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, পৰম পূজনীয় শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দৰ শুভকামনা আৰু আশীৰ্বাদৰ লগতে অধ্যয়নৰত মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউসকলক ধন্যবাদ তথা কৃতজ্ঞতাৰে সুঁৱৰিছো। তেওঁলোকে দিয়া এই উৎসাহ-উদ্দীপনা আৰু সাহসে মোক আগুৱাই যোৱাত অনুপ্ৰেৰণা যোগাইছিল। ৯ জানুৱাৰী, ২০২০ তাৰিখে মই মহাবিদ্যালয়ৰ  ছাত্ৰী জিৰণি কোঠাৰ দায়িত্বভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণৰ পাছত ৫ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰী, ২০২০ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হ'ল। চালাদ প্ৰতিযোগিতা, কইনা সজোৱা প্ৰতিযোগিতা, মেহেন্দী, ৰংগুলি, বেজীত সূতা ভৰোৱা, চকীত বহা (শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ বাবে) মিছ্ ৰঙিয়া কলেজ আদি খেলসমূহ অনুষ্ঠিত কৰা হৈছিল। ১০ ফেব্ৰুৱাৰী তাৰিখে বঁটা বিতৰণী সভাৰ আয়োজনেৰে বাৰ্ষিক খেল সপ্তাহৰ সামৰণি ঘটে। এইক্ষেত্ৰত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়া মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, তত্ত্বাৱধায়ক লতিকা মজুমদাৰ বাইদেউ, অনুপ কুমাৰ ডেকা ছাৰৰ লগতে সমূহ ছাৰ-বাইদেউ তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

দ্বিতীয় কাৰ্যসূচী ঃ ১৮ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে ছাত্ৰী জিৰণি কোঠাটো অন্য এঠাইলৈ স্থানান্তৰ কৰা হ'ল। কোঠাটো আনুষ্ঠানিকভাৱে মুকলি কৰিছিল অধ্যক্ষ মহোদয়ে। কোঠাটো পৰিস্কাৰকৈ ৰখাৰ উপৰিও বিভিন্ন ধৰণৰ সা-সামগ্ৰীও যোগান ধৰা হ'ল।

নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ মই নিয়াৰিকৈ পালন কৰিবলৈ চেষ্টা কৰিছো। যিহেতু কৰ'না মহামাৰীৰ সময়ত সময় গতিকে কিছুমান কৰিম বুলি ভৱিষ্যৎ দিনত মানস কৰিছো। মহাবিদ্যালয়খনত মই ছাত্ৰী জিৰণি কোঠা

সম্পাদিকা হিচাপে কৰণীয়সমূহ ব্যক্তিগতভাৱে নিষ্ঠা আৰু সততাৰে পালন কৰাত কোনো ত্ৰুটি কৰা নাই। তথাপি ইয়াৰ মূল্যাংকন আপোনাসবৰ বিচাৰ্য। অনাগত দিনবোৰতো মই মহাবিদ্যালয়ৰ হকে কাম কৰি যাম।

**কৃতজ্ঞতা স্বীকাৰ ঃ** প্ৰথমে মোক এই ধৰাত পৰিচয় দিয়া, অস্তিত্ব বজাই ৰখা, জন্মদাতা তথা দাত্ৰী দেউতা-মা, ভাইটি, বাইদেউ, আৰাধ্য ঈশ্বৰৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দৰ শুভেচ্ছা আৰু আশিসৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাক চিৰদিন সুঁৱৰিম আৰু এই ছেগতে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোক সমাজৰ লগত পৰিচয় কৰাই দিয়া সদৌ অসম ছাত্ৰ সন্থাক অশেস ধন্যবাদ জনাই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালৰ লগতে নিৰ্বাচনৰ সময়ত প্ৰত্যেকটো ক্ষণতে সহযোগিতা আগবঢ়োৱা ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয় আছু গোট, ৰঙিয়া আঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থা আৰু বালিসত্ৰ ছাত্ৰ সন্থাৰ মোৰ জ্যেষ্ঠ হেমন্ত দা, আদিল হাছান দা, নিউটন কালিতা দা, তৌফিকুৰ ৰহমান দা, জিতু ডেকা দা, বুবুল আলী দা, দিগন্ত কলিতা দা, জয়ন্ত শৰ্মা দা, মৃণ্ময় কুমাৰ ডেকা দা, শ্যামন্ত কলিতা দা, নৰ কুমাৰ দা, দেৱব্ৰত ডেকা দা, ৰিজবুল দা, প্ৰাঞ্জল কলিতা দা, নৱ কুমাৰ দা, দয়াল কৃষ্ণ কোঁৱৰ দা, তুষাৰ দা, অজয় দা, পাৰ্থ প্ৰতিম দা, মুনিফ দা, অংকুৰ দা, মনদ্বীপ, হৃদয়, বিতুপন দা, মানস, ভাস্কৰ, প্ৰণৱ, পল্লৱ, দ্বীপম, ডলি, লিপিকা, ৰিয়া, অংকিতা, নৱনীতা, চয়নিকা, পিংকি, প্ৰজ্ঞা বা স্মৃতি বা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়াৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি, বিকাশৰ কামনা কৰি মোৰ কাৰ্যকালত তথা প্ৰতিবেদনত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিলো।

**ধন্যবাদেৰে**

জয়তু ৰঙিয়া মহাবিদ্যালয়

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয় আই অসম





# Achievements 2019-2020

## ❖ USTM

The following students have participated in Kabaddi at North-East Gradute Congress, USTM, 2019 :

1. Runa Laila, B.A. 6th Semester
2. Survi Kalita, B.A. 6th Semester

## ❖ RELIANCE FOUNDATION YOUTH SPORTS 2019

The following students have participated in Reliance Foundation Youth Sports 2019 and have brought fame and glory to the college :

| Participants | Event | Prize |
|---|---|---|
| 1. Jayadeep Boro | Shot put | 2nd |
| 2. Roushik Deka | Shot put | 3rd |
| 3. Sylvester Soren | 5000 metre race | 3rd |
| 1 Pankaj Das | Long Jump | Participated |
| 2 Ezaj Ahmed | 1000-2000 relay | Participated |
| 3 Roushik Deka | Shot put | Participated |
| 4 Sankar Kalita | 200 metre race and 400 metre Relay | Participated |
| 5 Tnjamamul Haque | 800 metre race, HighJump, Relay | Participated |
| 6. Sylvester Soren | 1500 metre race and 5000 metre | Participated |
| 7. Bidyut Boro | 1500 metre and 5000 metre race, | Participated |
| | Javelin Throw | Participated |
| 8. Joydeep Boro | Shot put | |

## ❖ Inter College Badminton

A student of BPE 1st year, Naureen Mehzabeen has participated in Inter College Badminton Competition organised by D.K. Girls College, 2020 and have went till the Semi Final Round

# Achievements
# 2019-2020

*The following students have participated and have brought fame and glory to the college in different competitions both in State and National level :*

| | Participants | Events | Achievments |
|---|---|---|---|
| 1 | Deepjyoti Kalita | Assam Premier Chess Championship | Champion |
| | | Inter College (High jump) | Participated |
| 2 | Manash Jyoti Kalita | Assam Premier Chess Championship | Semi-Finalist |
| 3 | Jim Kumar Boro | 3rd Khelo India Youth Games, 2020 | Main playing 7 |
| | | 46th Junior National Kabaddi Championship, 2020 | Participated |
| 4. | Naureen Mehzabeen | Inter College Athletic | Participated |
| 5. | Mintu Hazarika | Inter College Athletics | Participated |
| 6. | Puja Das | Inter College Athletics | Participated |






## List of Editors of Rangia College Magazine since 1966-67

| | | |
|---|---|---|
| 1. | 1966-1967 | Paramesh Sarma |
| 2. | 1967-1968 | Bibhaba Bhatta |
| 3. | 1969-1970 | Baneswar Sarma |
| 4. | 1971-1972 | Rupsad Ali |
| 5. | 1973-1974 | Ramesh Mahanta |
| 6. | 1974-1975 | Bhupen Kakati |
| 7. | 1975-1976 | Pratul Kr. Sarma |
| 8. | 1976-1977 | Badan Ch. Sarma |
| 9. | 1977-1978 | Biren Sarma |
| 10. | 1978-1979 | Kandarpa Kr. Kalita |
| 11. | 1979-1981 | Sanjib Kalita |
| 12. | 1982-1983 | Khagen Ch. Deka |
| 13. | 1983-1984 | Monoranjan Goswami |
| 14. | 1984-1985 | Simanta Saloi |
| 15. | 1985-1986 | Jyotirmoy Kalita |
| 16. | 1986-1987 | Mukutananda Bhattacharjya |
| 17. | 1987-1988 | Dasarath Kalita |
| 18. | 1989-1990 | Tapan Konwar |
| 19. | 1991-1992 | Babul Baishya |
| 20. | 1992-1993 | Dilip Deka |
| 21. | 1993-1994 | Ataur Rahman |
| 22. | 1994-1995 | Hemanta Das |
| 23. | 1995-1996 | Diganta Saloi |
| 24. | 1996-1997 | Dudul Deka |
| 25. | 1997-1998 | Ripul Ch. Deka |
| 26. | 1998-1999 | Anju Lahakar |
| 27. | 1999-2000 | Rajib Mahanta |
| 28. | 2000-2001 | Pankaj Deka |
| 29. | 2001-2002 | Prakash Kalita |
| 30. | 2002-2003 | Mamita Begum |
| 31. | 2003-2004 | Mamita Begum |
| 32. | 2004-2005 | Unpublished |
| 33. | 2005-2006 | Dwipen Basumatary |
| 34. | 2006-2007 | Pranjan Basumatary |
| 35. | 2007-2008 | Sidhartha Sankar Nath |
| 36. | 2008-2009 | Sahabuddin Ahmed |
| 37. | 2009-2010 | Taufiqur Rahman |
| 38. | 2010-2011 | Rupam Boro |
| 39. | 2011-2012 | Mridul Kumar |
| 40. | 2012-2013 | Nilkamal Boro |
| 41. | 2013-2014 | Akan Boro |
| 42. | 2014-2015 | Mrinmoy Kr. Deka |
| 43. | 2015-2016 | Samudra Gupta Kashyap |
| 44. | 2016-2017 | Hareswar Boro |
| 45. | 2017-2018 | Derhasar Boro |
| 46. | 2018-2019 | Thulunga Boro |
| 47. | 2019-2020 | Barnali Deka |

# সম্পাদনা সমিতি


ড° ব্ৰজেন্দ্ৰ শইকীয়া (মুখ্য উপদেষ্টা)


অমৰজ্যোতি ভাস্কৰ (তত্ত্বাৱধায়ক)


বৰ্ণালী ডেকা (সম্পাদিকা)


গগণ ডেকা (সদস্য)


ড° হৃষীকেশ চৌধুৰী (সদস্য)


ৰাণু চৌধুৰী (সদস্যা)


মমতা লহকৰ (সদস্যা)


নিকিতা ডেকা (সদস্যা)


তুলিকা কলিতা (সদস্য)


আকিব হুছেইন (সদস্য)


হিমাংশু লহকৰ (সদস্য)


বনশ্ৰী বৰ্মন (অলংকৰণ)


বিৰাজ বৈশ্য (অলংকৰণ)

# ৰঙিয়া মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহ




প্ৰাণী বিজ্ঞান বিভাগ




উদ্ভিদ বিজ্ঞান বিভাগ




ৰসায়ণ বিজ্ঞান বিভাগ



সংস্কৃত বিভাগ




শিক্ষা বিভাগ




আৰবীক বিভাগ




অসমীয়া বিভাগ



বড়ো বিভাগ




দৰ্শন বিভাগ




ইংৰাজী বিভাগ




ইতিহাস বিভাগ




পদাৰ্থ বিজ্ঞান বিভাগ




ৰাজনীতি বিজ্ঞান বিভাগ



# মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত প্ৰতিযোগিতাত পুৰস্কৃত প্ৰতিযোগীসকল



৭১ সংখ্যক গণৰাজ্য দিৱসৰ কুইজ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰ টিকেন্দ্ৰজিৎ মহন্ত আৰু আকিব হুছেইন




৭১ সংখ্যক গণৰাজ্য দিৱসৰ কুইজ প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰ অম্লানদ্বীপ ডেকা আৰু মুস্তাক আহমেদ



ৰিলায়েন্স ফাউণ্ডেচন এথলীক চেম্পিয়নৰ দ্বাৰা আয়োজন কৰা ওজন দলিওৱা প্ৰতিযোগিতাত দ্বিতীয়, তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ- জয়দ্বীপ বড়ো আৰু কৌশিক ডেকা



ৰিলায়েন্স ফাউণ্ডেচন এথলীক চেম্পিয়নৰ দ্বাৰা আয়োজন কৰা মাৰাথন প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ চিলভেষ্টাৰ চুৰেণ



২০২০ বৰ্ষৰ গৌহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠা দিৱসৰ প'ষ্টাৰ বনোৱা প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত গৰীয়া কলিতা আৰু হীৰকজ্যোতি বৈশ্য




২০২০ বৰ্ষৰ গৌহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় এথলীক চেম্পিয়নশ্বিপৰ ডিস্কাছ থ্ৰো প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত জয়দ্বীপ বড়ো



ৰিলাইঞ্চ ফাউণ্ডেচন এথলীক চেম্পিয়নছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ এটি মুহূৰ্ত




ৰিলায়েন্স ফাউণ্ডেচন এথলীক চেম্পিয়নছ প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়

# ২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল



শ্ৰেষ্ঠ আবৃত্তিকাৰ নিলাক্ষী শৰ্মা



শ্ৰেষ্ঠ চিত্ৰশিল্পী দেৱজিৎ ঘোষ



শ্ৰেষ্ঠ গায়িকা হেমাশ্ৰী দত্ত



মিছ ৰঙিয়া কলেজ ভাৱনা দেৱী



শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী মাহমুদুল হাছান



শ্ৰেষ্ঠ এথলীট ড্ৰিংকল ব্ৰহ্ম (ছাত্ৰী)



শ্ৰেষ্ঠ এথলীট দ্বীপজ্যোতি কলিতা (ছাত্ৰ)

# মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যক্ৰমবোৰৰ শিতান




মহাবিদ্যালয়ত এন এছ এছ গোটৰ কাৰ্যক্ৰমণিকা



আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন



আন্তৰ্জাতিক বিজ্ঞান দিৱসত শিক্ষাগুৰু, শিক্ষাৰ্থীৰ গীত পৰিৱেশনৰ মুহূৰ্ত



নাৰী দিৱস উপলক্ষে অনুষ্ঠিত কুইজ প্ৰতিযোগিতাৰ এটি মুহূৰ্ত




২০২০ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ




মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা



বাৰ্ষিক সপ্তাহত মহাবিদ্যালয়ত সাংবাদিকসকলে সংবাদ সংগ্ৰহ কৰাৰ দৃশ্য



বাৰ্ষিক সপ্তাহৰ প্ৰতিযোগিতাৰ এক বিশেষ ক্ষণ





ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০১৯-২০ বৰ্ষৰ সম্পাদক-সম্পাদিকাসকল





ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০১৯-২০ ৷ বৰ্ষৰ সম্পাদক-সম্পাদিকাসকলৰ সৈতে সন্মানীয় তত্ত্বাৱধায়কবৃন্দ
















'I'll plant till my last breath.' -
Padma Shri Jadav Molai Payeng.

He is an environmental activist and forestry worker from Majuli. He is crowned as the 'Forest Man of India.' He has planted and tended trees on a sand bar of the river Brahamuptra turning it in to a forest reserve. The forest is named after him as Molai Forest. In 2015 he was honoured with Padma Shri, the forth highest civilian award of India.








RANGIA

